
ডিব্রুয়ান

ডিব্রু মহাবিদ্যালয় ছাত্র একতা সভাৰ মুখপত্র



সম্পাদক
স্বপ্নীল শর্মা বৰুৱা



Dibruyan

ডিব্রুয়ান

২০১৫-১৬ বৰ্ষ



আন্তৰিক শুভেচ্ছাৰে ..

প্ৰতি

.....

.....

DIBRUYAN : *The 34th Annual Journal of Dibru College for the session 2015-16, edited by Swapnaneel Sharma Barua, published by Dibru College Students' Union and Printed at Print-Tech, J.P. Nagar, Dibrugarh*

তত্ত্বাৱধায়ক অধ্যাপকসকল —

নন্দিতা বৈশ্য

ড° বিজু মৰাণ

ড° সমীৰ কুমাৰ ঝা

সদস্যসকল —

শ্রী ৰাহুল দাস

শ্রী সন্তোষ বৰুৱা

শ্রী ভাস্কৰ গগৈ

শ্রী গৌৰৱ চেতিয়া

শ্রী ঋতুপন বুঢ়াগোহাঁই

বেটুপাত ঃ

অৰিন্দম দত্ত

অংগসজ্জা ঃ

দেৱজিৎ বৰা

ডি.টি.পি. ঃ

বর্ণালী দাস খউণ্ড

মিণ্টু কোঁৱৰ

মুদ্রক ঃ

প্রিণ্ট্-টেক্, জীৱন ফুকন নগৰ

ডিব্রুগড়

ভাষ্যভাষ ঃ ৭৫৭৫৯২৬৪২৪

ফটোগ্রাফী ঃ

শ্রী অৰিন্দম দত্ত

শ্রী নিৰূপম ৰাজ খনিকৰ

কৃতজ্ঞতা



মহাবিদ্যালয়ৰ অধ্যক্ষ শ্রীযুত পৰেশ বৰুৱাদেৱলৈ

মহাবিদ্যালয়ৰ বর্তমানৰ অধ্যক্ষ ড° জিতু বুঢ়াগোহাঁইদেৱলৈ

সন্মানীয় তত্ত্বাৱধায়ক অধ্যাপক নন্দিতা বৈশ্য, ড° সমীৰ কুমাৰ ঝা, ড° বিজু মৰাণ লৈ

মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক-অধ্যাপিকাসকললৈ

সম্পাদনা সমিতি তথা ছাত্র একতা সভাৰ সমূহ সদস্য-সদস্যালৈ

আলোচনীত লেখা দিয়া সমূহ লেখক-লেখিকালৈ


মহাবিদ্যালয়ৰ অগ্রজ, অনুজ আৰু বন্ধুসম সকলো ছাত্র-ছাত্রীলৈ, যাৰ দিহা-পৰামর্শ আৰু সহযোগিতাই আলোচনীখন প্রকাশত অনুপ্রেৰণা যোগালে।

বিশেষ কৃতজ্ঞতা মহাবিদ্যালয়ৰ কর্মচাৰী শ্রী অমৃত দাসলৈ

প্রিণ্ট্-টেকৰ স্বত্ত্বাধিকাৰী শ্রীযুত পুতুল কোঁৱৰদেৱলৈ আৰু দেৱজিৎ বৰা, বর্ণালী দাস খউণ্ড প্রমুখ্যে সমূহ কর্মীবৃন্দলৈ।

উছর্গা

জ্ঞানৰ মন্দিৰ 'ডিব্রু মহাবিদ্যালয়'ত জ্ঞান আহৰণৰ বাবে
অহা প্রতিজন ছাত্র-ছাত্রীৰ জীৱন উজ্বলাই তোলা
তমসাবিনাশী বর্ত্তি ৰূপী চিৰ নমস্য শিক্ষাগুৰু সকলৰ
চৰণত প্রণিপাত। জ্ঞান আহৰণৰ কণ্টকাবৃত্ত পথত স্নিগ্ধ
জোনাক ছটিয়াই দিয়া হে' পৰম পূজ্য শিক্ষাগুৰুসকল,
আপোনাসবৰ স্নেহাশিষৰ শক্তিয়ে 'ডিব্রু মহাবিদ্যালয়'ক
অমৰত্ব প্রদান কৰক, তাৰ কামনাৰে —



ডিব্রু মহাবিদ্যালয় ছাত্র একতা সভা
২০১৫-২০১৬



সর্বানন্দ সোণোৱাল

মুখ্যমন্ত্রী, অসম
গুৱাহাটী

সত্যমেৱ জয়তে

দিছপুৰ
২৯-৩-২০১৭


শুভেচ্ছাবাণী

ডিব্রু মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ বার্ষিক আলোচনীৰ ৩৪ তম সংখ্যা 'ডিব্রুয়ান' প্রকাশৰ বাবে যো-জা চলোৱা বুলি জানিবলৈ পাই মই হৰষিত হৈছো।

শিক্ষা হৈছে এখন সমাজৰ উন্নতিৰ মূল আধাৰ। উপযুক্ত মানৱ সম্পদৰ জৰিয়তেহে এখন সুস্থ-সৱল সমাজ নির্মাণ সম্ভৱ। বিদ্যায়তনিক ক্ষেত্রৰ উৎকর্ষ সাধনৰ জৰিয়তে আমি উপযুক্ত মানৱ সম্পদ গঢ় দিব পাৰো। ছাত্র-ছাত্রীসকলৰ মানসিক উৎকর্ষ সাধনত শিক্ষানুষ্ঠানৰ বার্ষিক আলোচনী এখনে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। সৃজনীমূলক লিখনীসমূহে বিদ্যার্থীসকলক অনুপ্রেৰণা যোগোৱাৰ উপৰি ছাত্র-ছাত্রীসকলেও প্রতিভা বিকাশৰ সুযোগ লাভ কৰে। শিক্ষানুষ্ঠানখনৰ বার্ষিক আলোচনীখনত প্রতিযোগিতামুখী মানসিকতা গঢ়াৰ বিষয়সমূহ আলোকপাত কৰি লিখা লিখনীসমূহে শিক্ষার্থীসকলৰ মানসিক দিগন্ত প্রসাৰিত কৰে। আশাকৰো, বার্ষিক আলোচনীখনৰ লিখনীসমূহে শিক্ষার্থী সকলক জ্ঞান আৰু প্রজ্ঞাৰ সাধনত ব্রতী হ'বলৈ অনুপ্রেৰণা যোগাব।

শিক্ষানুষ্ঠানখনৰ উত্তৰোত্তৰ উন্নতি আন্তৰিকতাৰে কামনা কৰাৰ লগতে প্রকাশ পাবলগীয়া বার্ষিক আলোচনীখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি মই আশা কৰিলো।

(সর্বানন্দ সোণোৱাল)



DIBRUGARH UNIVERSITY
DIBRUGARH-786 004
ASSAM, INDIA
Phone: 0373-2370239(O)
Fax : 0373-2370323
e.Mail: alak@dibru.ac.in

Prof. A.K. Buragohain, Ph.D. (London), DIC
Vice-Chancellor

Ref. No.DU/VC/M/073/17/1237

Date: 31.03.2017

Message

To,

Shri Swapnaneel Sharma Barua
Magazine Secretary
Dibru College Student's Union
Dibru College, Dibrugarh

Dear Shri Barua,

It is a pleasure to note the publication of the Annual College Magazine *'DIBRUYAN'*, published by the *Dibru College Student's Union, Dibru College, Dibrugarh.*

I am sure that the magazine shall provide a platform for presenting the vast creative and innovative potentials of the students which would enhance the overall academic excellence of the College. I hope the magazine will carry a culture that will inspire knowledge in the service of society.

I extend my good wishes to the Editorial Board and all the members associated with it and congratulate all concerned, on the successful publication of the Magazine.

With best regards.

A.K. Buragohain

A.K. Buragohain

সম্পাদকৰ পৰা....

"তমসো মা জ্যোতির্গময়" – এই বাণী সাৰোগত কৰি আঢ়ৈ কুৰি বছৰৰো অধিক কাল ডিব্রুগড়ত জ্ঞানৰ আলোক বন্তি প্রজ্জ্বলনেৰে বৌদ্ধিক তমসা বিনাশ কৰি অহা উচ্চ শিক্ষা প্রতিষ্ঠান 'ডিব্রু মহাবিদ্যালয়' বর্তমান বিভিন্ন গৌৰৱময় অভিজ্ঞতাৰে পৰিপুষ্ট ফলে-ফুলে জাতিষ্কাৰ এক বৃহৎ জ্ঞানবৃক্ষ, যিয়ে জ্ঞানৰ সুৰভি বিলাই সমাজখন সুগন্ধিময় কৰি তুলিছে। আজিৰ পৰা প্রায় আঢ়ৈ কুৰি বছৰতকৈয়ো অধিক কাল আগতে যিসকল পূণ্যাত্মাই অহোপুৰুষার্থ কৰি এই জ্ঞান বিটপীৰ অংকুৰণ ঘটাইছিল, তেখেতসকল আমাৰ চিৰনমস্য। মাতৃ পক্ষীয়ে যিদৰে সুদূৰ ভ্রমি বৃহৎ বা ক্ষুদ্র প্রতিটো উৎসতে খাদ্য সন্ধান কৰি অপত্য পোষণৰ বাবে অহোপুৰুষার্থ কৰে, এইসকল পূণ্যাত্মায়ো প্রধানতঃ ৰাইজৰ পৰা সংগৃহীত সাহার্যৰেই এই জ্ঞান বিটপী পোষিত কৰি আজিৰ 'ডিব্রু মহাবিদ্যালয়' নামৰ বটবৃক্ষৰ ৰূপ দিছিল। এইসকল উদ্যমী, অধ্যৱসায়ী ব্যক্তিৰ সমাজ সেৱাৰ মনোভাৱে নৱ-প্রজন্মৰ যান্ত্রিকতাৰে পৰিপূর্ণ মস্তিষ্কত আজিও এক শিহৰণ দিব পাৰে; উদাহৰণ দিব পাৰে নিঃস্বার্থতাৰ, প্রেৰণা দিব পাৰে প্রকৃত সমাজ সেৱাৰ। প্রধানতঃ ৰাইজৰ দান-বৰঙণিৰেই গঢ়ি উঠা ডিব্রু মহাবিদ্যালয় প্রকৃততেই ডিব্রুগড়ীয়া ৰাইজৰ গৌৰৱ, সঁচা অর্থতেই ৰাইজৰ প্রতিষ্ঠান 'ডিব্রু মহাবিদ্যালয়'। তাৰেই কৃতজ্ঞতাস্বৰূপে যেন মহাবিদ্যালয়খনে ডিব্রুগড়লৈ গৌৰৱ কঢ়িয়াই আনিছে ডিব্রুগড়ৰ ভিতৰতে প্রথমখন মহাবিদ্যালয় হিচাপে NAAC ৰ পৰা A গ্রেড লাভ কৰি। ইয়াৰ বাবে প্রথমতেই শলাগিব লাগিব মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° পৰেশ বৰুৱাদেৱৰ যৎপৰোনাস্তি চেষ্টাক। মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক -অধ্যাপিকাসকলৰ কঠোৰ অধ্যৱসায়, মহাবিদ্যালয়ৰ সমূহ উদ্যমী ছাত্র-ছাত্রীয়ে একাগ্রতাৰে উবুৰি খাই চলোৱা সমূহীয়া প্রচেষ্টা আৰু শুভাকাংক্ষী সকলৰ আশিষতেই ডিব্রু মহাবিদ্যালয় আজি এই সন্মানীয় মুকুটেৰে বিভূষিত হৈছে। উচ্চ শিক্ষাৰ ক্ষেত্রখনত এক বিশেষ ভূমিকা পালন কৰি অহা ডিব্রু মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীসকলৰ প্রচুৰ কর্মোদ্যম, স্বাৱলম্বী হোৱাৰ দৃঢ় মানসিকতা সদায়েই শলাগৰ পাত্র। এনে এখন গৰিমামণ্ডিত মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ মুখপত্র 'ডিব্রুয়ান'ৰ সম্পাদকৰ দায়িত্ব সঁচাকৈয়ে এক গুৰু দায়িত্ব ।

ডিব্রুয়ানৰ এই ৩৪ তম্ সংখ্যাটিৰ প্রকাশ বিলম্বিত হোৱাত মহাবিদ্যালয়খনৰ বর্তমানৰ সন্মানীয় অধ্যক্ষ ড০ জিতু বুঢ়াগোহাঁই দেৱে ব্যক্তিগতভাৱে সময়োপযোগী পদক্ষেপ লৈ আলোচনীখনৰ প্রকাশ নিশ্চিত কৰিলে। আকর্ষণীয় তথা স্পষ্ট ব্যক্তিত্বৰ অধিকাৰী অধ্যক্ষ মহোদয়ে 'ডিব্রুয়ান'ৰ প্রকাশ নিশ্চিত কৰাই নহয়, সম্পাদকৰ মনোবল বৃদ্ধিৰে আৰু সহায় সহযোগিতাৰে মহাবিদ্যালয়ৰ একতা সভাৰ মুখপত্র প্রকাশৰ ধাৰাবাকিতাত যি স্থবিৰতাই দেখা দিছিল, তাক অনুধাৱন কৰি সমগ্র প্রক্রিয়াটোত এক গতি প্রদান কৰিলে। এনে কৰি সম্পাদকক তেখেতে এক নিশ্চিত সমস্যাৰ পৰা ৰক্ষা কৰিলে। সেয়েহে সম্পাদক তথা ডিব্রু মহাবিদ্যালয় ছাত্র একতা সভা অধ্যক্ষ মহোদয়ৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'ব।

'ডিব্রুয়ান' আজি প্রকাশৰ পথত। কিন্তু অভিজ্ঞতাৰ ফালৰ পৰা দৈন্য সম্পাদকৰ অজ্ঞতাৰ বাবেই বহুতো ভুল-ত্রুটি ৰৈ যোৱাটো স্বাভাৱিক আৰু তাৰ বাবে পচুৰৈ সমাজৰ ওচৰত সম্পাদক ক্ষমাপ্রার্থী হৈ ৰ'ব। অৱশ্যেই 'ডিব্রুয়ান'ৰ প্রতিটো লেখাই লেখক সকলৰ নিজা চিন্তা আৰু দৃষ্টিভঙ্গীৰ প্রকাশ। গঠনমূলক সমালোচনা যদিও গ্রহণযোগ্য, বিতর্কত সম্পাদনা সমিতি দায়ৱদ্ধ নহয়।

সূচীপত্র

ডিব্রু মহাবিদ্যালয়ৰ সোণালী ইতিহাসৰ লেছেৰি বুটলি	ড° শশীকান্ত শইকীয়া	৩
ডিব্রু কলেজ আৰু মই	লক্ষ্মণ বৰা	৬
আধুনিক সমাজত নাৰীৰ স্থান	মৰমী দাস	৮
আজিৰ নৱপ্রজন্ম কোন দিশেৰে ধাৱমান হৈছে?	তেজস্বিনী নেওগ	১০
অন্ধবিশ্বাসৰ পৰিণতি ডাইনী হত্যা	কৰিস্মা ৰাজোৱাৰ	১২
ড্রাগছ এক ভয়াবহ ব্যাধি	বিশ্ব প্রতাপ ৰায়	১৪
ভাৰতীয় সমাজ ব্যৱস্থাত নাৰীৰ স্থান	নমিতা দলে	১৫
নিচাযুক্ত দ্রব্য আৰু সমাজ জীৱন	বিকাশ শইকীয়া	১৭
যুৱ প্রজন্মলৈ ফেচবুকৰ ভাবুকি	অমৰ দীপ কৈৰী	১৮
শৈক্ষিক উন্নয়ণত সমাজৰ ভূমিকা	ড° ৰুণুমা শর্মা	১৯
বর্তমান ৰাজনীতি আৰু আমাৰ সমাজৰ শিক্ষার্থীসকল	শামু কর্মকাৰ	২১
Impact of Mobile Phones on social behaviour and concentration of students — An analysis of its perspectives	Dr. Kamalendu Saikia	২২
যুৱক-যুৱতী সকললৈ স্বামীজীৰ উপদেশ	অৰূপ শইকীয়া	২৬
অসমীয়া সমাজখনত নৱ প্রজন্মৰ ভাৱধাৰা আৰু কর্মৰাজি কেনে হোৱা উচিত	সুশিল ৰাজোৱাৰ	২৮
অবৈধ অনুপ্রবেশ আৰু অসম	অমৰজ্যোতি গগৈ	৩০
অসমীয়া সংস্কৃতি বিহুৰে গ্রহণ কৰিছে আধুনিক কলাৰ কৃষ্টি ৰূপ	অসীম গগৈ	৩২
অসমৰ লোকসংস্কৃতি	অনিমেষ কোঁৱৰ	৩৫
অসমৰ চাহ জনগোষ্ঠীৰ লোক ঔষধ	ড° মৌচুমী দত্ত	৩৬
টাই আহোম আৰু আহোম যুগৰ ৰাজনৈতিক বুৰঞ্জী	বিজিত গগৈ	৪০
The Misings of Assam Their Migration & Culture	Banikanta Doley	৪২
Traditional food culture in North-East India	Ritupan Saikia	৪৪
উজনি অসমৰ বৌদ্ধধর্মাৱলম্বী জনগোষ্ঠীসমূহৰ কৃষিভিত্তিক উৎসৱ-অনুষ্ঠান	ড° স্মৃতিৰেখা চেতিয়া সন্দিকৈ	৪৭
Porag Festival : Need and importance of its celebration in the Mishing Community	Jadovananda Taye	৫২
শিক্ষাৰ অভিমুখী ভাৰত	লক্ষীপ্রসাদ দলে	৫৬
মহাবিদ্যালয়ত ছিমেষ্টাৰ পদ্ধতি প্রৱর্তন আৰু শিক্ষকসকলে মুখামুখি হোৱা সমস্যা	ড° বিজু মৰাণ	৬০
বর্তমান যুগত শিক্ষাৰ প্রয়োজনীয়তা	মহম্মদ ছামচুদ জামাল	৬৩
Career In Library And Information Science	Dipika Das, Dipankar Debnath	৬৪
Value of Discipline In Life	Rashmi Rekha Gogoi	৬৬
N.C.C. An Important Extensive Activity In College	Prof. L. Bora	৬৭
Focus, Believe and Achieve	Chinmoy Gogoi	৬৯
Carreer Guidance And Counselling	Nandita Baishya	৭০
A Night Before The Examination	Rashmi Rekha Gogoi	৭২
মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱৰ জীৱনাদর্শ	লক্ষ্যজ্যোতি কোঁৱৰ	

- কলাগুৰু বিষ্ণুপ্রসাদ ৰাভা আৰু তেওঁৰ জীৱনাদর্শ — ৰমানন্দ পেগু — ৭৬
- Ronald A. Fisher-The Father of Statistics — Dr. Jugeswar Baruah — ৭৯
- মহামানৱ বুদ্ধ — বৌউন্থন্ গগৈ — ৮১
- ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালাৰ নাটৰ গীত ঃ এটি ৰূপৰেখা — ড° অদিতি বৰুৱা — ৮৪
- অসমৰ প্রাকৃতিক সম্পদ আৰু ইয়াৰ সংৰক্ষণ — নমিতা বৰগোহাঁই — ৮৭
- ডিব্রুগড় চহৰৰ প্রদূষণ ঃ এক চমু আভাস — বিকাশ শইকীয়া — ৮৯
- ভোগবাদ আৰু বর্জিত দ্রব্য পৰিৱেশৰ ওপৰত ইহঁতৰ প্রভাৱ — ড° দিলীপ কলিতা — ৯২
- The Mystery of Bermuda Triangle Solved — Fahmida Najnin Hoque — ৯৭
- Sanitation Success — Pranab Paul — ৯৮
- শদিয়াৰ পৰিৱর্ত্তন — দীপিকা শর্মা — ১০১
- যাত্রা ঃ ৰিং এটা বাটৰ — ড° প্রমানীতা বড়া — ১০৬
- মাছ, সপোন আৰু বৰষুণ — সুদীপ্ত শঙ্কৰ বৰা — ১১০
- তর্পন — ড° আশুতোষ ভট্টাচার্য্য — ১১৩
- দুঃস্বপ্নৰ বাঁহীত কৰুণ সুৰ — শশাংক জ্যোতি গগৈ — ১১৮
- আঁউসী ৰাতিত কিহৰ এই বিননি — শশাংক জ্যোতি গগৈ — ১২০
- জীৱনৰ সৌন্দর্য — ড° প্রহলাদ কুমাৰ বৰুৱা — ১২২
- বিস্ময়কৰ মানৱ শৰীৰ — পৰিনীতা দেৱী নাথ — ১২৫
- এখন ভাল লগা কিতাপ পঢ়াৰ অভিজ্ঞতাৰে — তেজস্বিনী নেওগ — ১২৭
- হিতোপদেশ আৰু সুভাষিত — পল্লৱী গগৈ — ১২৯
- ড° লীলা গগৈদেৱৰ উপন্যাস 'নে বৈ যায়' — হেৰম্ব কুমাৰ গগৈ — ১৩১
- Goods and Service Tax (GST) — Jayanta Saud — ১৩৬

- সেউজীয়া কবিতা — ড° কৰবী ডেকা হাজৰিকা — ১৪০
- কলেজীয়া ৰঙা সুবাসত — ড° জ্যোতিমা ফুকন — ১৪১
- অসহায় — স্বপ্নীল শর্মা বৰুৱা — ১৪৪
- মা — ডলি ৰেখা দাস — ১৪৫
- দৰিদ্র — আদিত্য মজুমদাৰ — ১৪৫
- জীৱনৰ শেষ আবেলি — শশাংক গগৈ — ১৪৬
- সৌ আকাশলৈ এবাৰ মাথো চোৱা — বেদান্ত তালুকদাৰ — ১৪৬
- কোৱাচোন মোৰ সখী — বেদান্ত তালুকদাৰ — ১৪৭
- তোমাৰ অবিহনে নিমাত হ'ব জীৱন মোৰ — বেদান্ত তালুকদাৰ — ১৪৭
- শান্তি — তৈয়বুৰ ইছলাম — ১৪৮
- বিভ্রান্ত — বিতু হাজৰিকা — ১৪৮
- এসো ভগবান তোমার এই পৃথিৱীতে — ৰতন পাল — ১৪৯

- তুমিবিহীন জীৱন — বিতু হাজৰিকা — ১৫০
- আই — লক্ষীপ্রসাদ দলে — ১৫০
- এখন উকা দায়েৰী — স্মৃতি দত্ত — ১৫১
- দুধাৰি অশ্রু — এনিশা গগৈ — ১৫১
- জীৱন — মৰমী দাস — ১৫২
- বহুদিনৰ এটা কবিতা লিখোঁ আজি — বিমান গগৈ — ১৫২
- অপেক্ষা — বিকাশ শইকীয়া — ১৫৩
- নাৰী — পাৰিজাত পাত্র — ১৫৩
- বেড্ বয় — হর্ষিত দহোটীয়া — ১৫৪
- Those Days — Hemamoni Mech — ১৫৫
- Where am I going? — Hemamoni Mech — ১৫৫
- উপ সভাপতিৰ প্রতিবেদন — ১৫৬
- সাধাৰণ সম্পাদকৰ প্রতিবেদন — ১৫৭

ডিব্রু মহাবিদ্যালয়ৰ সোণালী ইতিহাসৰ লেছেৰি বুটলি

— ড° শশীকান্ত শইকীয়া
প্রাক্তন অধ্যাপক
ডিব্রু মহাবিদ্যালয়

ডিব্রুগড়। অসমৰ ভিতৰত এখন মনোৰম চহৰ। সুন্দৰ প্রাকৃতিক দৃশ্যাৱলী, বিতোপন চাহ বাগিচাৰে আবৃত, চালে চকুজুৰোৱা এই ডিব্রুগড় চহৰৰ অন্যতম পুৰণি উচ্চ শিক্ষানুষ্ঠান ডিব্রু মহাবিদ্যালয়। অতীতৰ ডিব্রুগড় কলেজ আৰু আজিৰ ডিব্রু মহাবিদ্যালয়। সেয়াও আছিল এক ৰসাল কাহিনী। জানিবলৈ হ'লে ঘূৰি যাব লাগিব ১৯৪৫ চনলৈ।

১৯৪৫ চন, ডিব্রুগড়ত উচ্চ শিক্ষাৰ কুঁৱলি ফালি জন্ম হ'ল ডিব্রুগড় কলেজ নামেৰে এটি উচ্চ শিক্ষাৰ প্রতিষ্ঠান। ড° ফণী ঘোষ, সর্বানন্দ দুৱৰা প্রমুখ্যে কেইবাজনো বিশিষ্ট শিক্ষাবিদৰ প্রচেষ্টাত গঢ় লৈ উঠে ডিব্রুগড় কলেজ। লহপহকৈ বাঢ়ি অহা এই কলেজখনৰ বাবে ১৯৫০ চনত দানবীৰ কানৈজীয়ে ডিব্রুগড় কলেজখনলৈ এটি ভৱন দান দিবলৈ আগবাঢ়ি আছিল। কিন্তু চর্ত আছিল যে ৰায়বাহাদুৰ হনুমান বক্স কানৈ আৰু তেওঁৰ ভাতৃ সুৰজমল কানৈৰ নামেৰে কলেজখন নামকৰণ হ'ব লাগিব। ডিব্রুগড় কলেজৰ পৰিচালনা সমিতিয়ে সেই চর্ত বিনাদ্বিধাই মানি লোৱাত ডিব্রুগড় কলেজ হৈ পৰিল ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ নামেৰে। অর্থাৎ এতিয়া সকলোৰে মাজত পৰিচিত ডি, এইচ, এচ, কে, কলেজ। ডিব্রুগড় কলেজখন ডি, এইচ, এচ, কে, কলেজ নামেৰে ৰূপান্তৰ হৈ পৰাৰ পাছত পুনৰ ১৯৬৩ চনৰ ১৬ আগষ্টত শিক্ষাবিদ নন্দলাল বৰগোহাঁই, চাইফুদ্দিন আহমেদ, মহেন্দ্র নাথ গগৈ আদিৰ দৰে গুণী-জ্ঞানী ব্যক্তিৰ প্রচেষ্টাত আন এখন নতুনকৈ ডিব্রুগড় কলেজ গঢ়ি তোলা হয়। ডিব্রুগড় কলেজ নামেৰে আন এখন কলেজ গঢ়ি তোলা বুলি দানবীৰ কানৈয়ে জানিব পাৰি তেতিয়াৰ তদর্থভিত্তিত থকা পৰিচালনাৰ সমিতিৰ সভাপতি ডি. দাস আই, এ, এচ,ৰ লগত কানৈজীয়ে ততাতৈয়াকৈ যোগাযোগ কৰি নতুনকৈ গঢ়ি উঠা ডিব্রুগড় কলেজৰ পৰা "গড়" শব্দটো বাদ দিবলৈ কাতৰ অনুৰোধ জনায় আৰু কানৈজীয়ে অনুনয়-বিনয় কৰি কলেজখনলৈ দহ হাজাৰ টকাৰ এক আর্থিক সাহার্য্যও দিবলৈ ৰাজি হয়। দানবীৰ কানৈজীয়ে আগবঢ়াবলৈ খোজা আর্থিক সাহার্য্যটো গ্রহণ কৰি পৰিচালনা সমিতিয়ে ডিব্রুগড় কলেজৰ পৰা 'গড়' শব্দটো বাদ দিয়াত ডিব্রু কলেজতে সীমাবদ্ধ থাকে। সেয়ে বহুতে আজিও ৰগৰ কৰি কয় বোলে পৰিচালনা সমিতিয়ে দহ হাজাৰ টকাত 'গড়' শব্দটো বিক্রী কৰি দিয়া বাবে নেজ নোহোৱা খৰা শিয়ালৰ দৰে ডিব্রুগড় কলেজখন ডিব্রু কলেজ হৈ পৰিল। ডিব্রুগড়ত হওঁতে দুখনকৈ ডিব্রুগড় কলেজ গঢ়ি উঠিছিল। কিন্তু ৰাইজৰেই দুর্ভাগ্য যে আজি এখনো 'ডিব্রুগড় কলেজ' ডিব্রুগড়ত নাই। আছে ডি, এইচ, এচ, কে কলেজ আৰু ডিব্রু কলেজ। এই দুখন কলেজতে অকালতে মৰহি যোৱা দুখন ডিব্রুগড় কলেজৰ অস্তিত্ব লুকাই আছে।

ডিব্রুগড় মহাবিদ্যালয় জন্ম বৃতান্তৰ লগত ঘাইকৈ জড়িত আছে নন্দলাল বৰগোহাঁই, চাইফুদ্দিন আহমেদ, চাফাউদ্দিন আহমেদ, কেশৰ শর্মা, শৰৎ বৰকাকতী, প্রভাত বৰপূজাৰী, বিপিন শর্মা, নগেন দাস আৰু নীলমণি বৰঠাকুৰ। মহাবিদ্যালয় এখনৰ স্থাপনৰ বাবে সিদ্ধান্ত গ্রহণ কৰা এই সকলৰ ভিতৰত নন্দলাল বৰগোহাঁইদেৱে এখন ৰাজহুৱা সভা আহ্বান কৰে



"প্রকৃত সৌন্দর্য হৃদয়ৰ পৰিত্রতাত আছে" — মহাত্মা গান্ধী

১৯৬২ চনৰ ২৫ চেপ্তেম্বৰত। সভাখনত সভাপতিত্ব কৰিছিল জৰ্জ ইন্সটিটিউচনৰ অৰ্থাৎ বৰ্তমানৰ বাগ্মীবৰ নীলমণি ফুকন হাইস্কুলৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গোবিন্দ চন্দ্ৰ শৰ্মাই। সেই ৰাজহুৱা সভাতেই সিদ্ধান্ত লোৱা হয় ডিব্ৰুগড়ত এখন কলেজ স্থাপনৰ। অসম মেডিকেল কলেজৰ তেতিয়াৰ উপাধ্যক্ষ ডাঃ ৰুদ্ৰ গোস্বামীক সভাপতি আৰু নীলমণি বৰঠাকুৰক সম্পাদক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হয়। যুটীয়া সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয় নন্দলাল বৰগোহাঁই আৰু চাফাউদ্দিন আহমেদক। কলেজখন স্থাপনৰ খবৰ বিভিন্ন ওচৰ-চুবুৰীয়া ৰাইজে জানিব পাৰি খৰতকীয়া ভাৱে গঢ় লৈ উঠিবলৈ বহুতে আৰ্থিক সাহায্য আগবঢ়ায়। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে ১৯৬২ চনৰ চীন ভাৰতৰ মাজত হোৱা যুদ্ধৰ সত্ত্বেও কলেজ পৰিচালনা সমিতি থমকি ৰোৱা নাছিল। কলেজখনৰ প্ৰথম শৈক্ষিক বৰ্ষ আৰম্ভ হয় ১৯৬৩ চনৰ ১৬ আগষ্টৰ পৰা অৰ্থাৎ ১৯৬৩-৬৪ বৰ্ষৰ পৰা। কলেজখনৰ কাম-কাজ পৰিচালনা কৰিবলৈ এটা অফিচ ঘৰৰ অভাৱৰ বাবে স্কুলসমূহৰ জিলা পৰিদৰ্শক শিৱনাথ শৰ্মাৰ চিৰিং চাপৰিস্থ বাসভৱনত প্ৰায় এবছৰ ধৰি চলাইছিল। ডিব্ৰু কলেজৰ প্ৰথম পাঠদান হৈছিল ১৯৬৩ চনৰ ১৬ আগষ্টৰ পৰা বৰ্তমান বাগ্মীবৰ নীলমণি ফুকন হাইস্কুলত (পূৰ্বৰ জৰ্জ ইনষ্টিটিউচন)। প্ৰাৰম্ভিক অৱস্থাত প্ৰি ডিগ্ৰী কলা আৰু বাণিজ্য আৰু ডিগ্ৰী কলা শাখাত নামভৰ্তি কৰা হৈছিল। প্ৰথম আৰম্ভণিতেই মুঠতে ১৩১ জন ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্তি কৰিছিল। কলেজখনৰ উদ্বোধন কৰিছিল তদানীন্তন চৰকাৰৰ স্বাস্থ্য আৰু আবকাৰী বিভাগৰ তত্ত্বাৱধায়কৰ দায়িত্বত থকা বৈদ্যনাথ মুখাৰ্জীয়ে।

ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰথম তদৰ্থ ভিত্তিত থকা পৰিচালনা সমিতিৰ সভাপতি আছিল ধৰ্মানন্দ দাস (সভাপতি), ডাঃ এম, এন ভট্টাচাৰ্য্য (অধ্যক্ষ এ, এম, চি,) কাৰ্যকৰী সভাপতি, ডাঃ ৰুদ্ৰ গোস্বামী (উপ সভাপতি), নন্দলাল বৰগোহাঁই আৰু চাফাউদ্দিন আহমেদ (যুটীয়া সম্পাদক) অধিবক্তা বীৰেন্দ্ৰ চন্দ্ৰ বৰুৱা (সদস্য), এ.চি চক্ৰৱৰ্তী (সদস্য) অনিল কুমাৰ কুণ্ডু (সদস্য), মহাদেউ জালান (সদস্য), ৰবীন বৰুৱা (সদস্য) নন্দেশ্বৰ চক্ৰৱৰ্তী (সদস্য), বিপিন শৰ্মা (সদস্য), প্ৰমোদ চন্দ্ৰ দাস (সদস্য), এম,এ ৰহমান (সদস্য), ৰত্ৰিজত গাংগুলি (সদস্য), চাইফুদ্দিন আহমেদ (সদস্য), ৰমেশ বৰুৱা (সদস্য) আৰু বি এন জামুৱাৰ (সদস্য)। ১৯৬৩ চনৰ ২৬ মে'ত নন্দলাল বৰগোহাঁইৰ আহ্বানত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত এই তদৰ্থ ভিত্তিক পৰিচালনা সমিতিখন গঠন কৰা হৈছিল। বেঙ্গলী হাইস্কুলত অনুষ্ঠিত হোৱা এই ৰাজহুৱা সভাত সভাপতিত্ব কৰিছিল অশ্বিনী চৰণ চৌধুৰীয়ে। বি, এন, জামুৱাৰদেৰে অধ্যক্ষ ৰূপে কাৰ্য্যভাৰ লোৱাৰ আগলৈকে অৰ্থাৎ ১-১২-৬৩ চনলৈকে নন্দলাল বৰগোহাঁই দেৱে জ্যেষ্ঠ শিক্ষক হিচাপে অধ্যক্ষৰ দায়িত্বত আছিল। কলেজখন স্থাপন কৰাৰ পাছত শৰৎ বৰকটকী, নন্দলাল বৰগোহাঁই, অধ্যাপক কেশৰ শৰ্মা, প্ৰভাত বৰপূজাৰী, জি, বি, এল শাস্ত্ৰী, চুনিলেচ বুঢ়াগোহাঁই, চাইফুদ্দিন আহমেদ, ৰমা দত্ত, আৰ. কে দেৱনাথ, স্মৃতি শৰ্মা, হৰেণ ভূমিজ, ললিত গোস্বামী, এম আহমেদ, আবু নাচিৰ বৰা, চানু দেৱী, লেখা দত্ত, কুঞ্জলতা দেউৰী, প্ৰসেনজিৎ শৰ্মা, সূৰ্য্য দাস, গগন হাজৰিকা, হেমৰঞ্জন চুতীয়া, পুলীন দাস, অজিত বৰুৱা আদি বৰেণ্য ব্যক্তি সকলে বিনা পাৰিশ্ৰমিকত শিক্ষাদান কৰিছিল। মহাবিদ্যালয়খনত সঞ্চিত হৈ থকা পুৰণা কাগজ-পত্ৰত উল্লেখ আছে যে যাদৰ বৰুৱা (পিছলৈ কানৈ কলেজৰ প্ৰবক্তা) বিপিন বৰগোহাঁই, পি পাণ্ডে, অমলা বৰুৱা, মহেন্দ্ৰনাথ গগৈ আদি শিক্ষকসকলে মাহেকীয়া মাত্ৰ ৭৫ টকা (পয়সত্তৰ টকা)



এটা যুগৰ পৰা আন এটা যুগলৈ, এটা পুৰুষৰ পৰা আন পুৰুষলৈ পৰম্পৰা কঢ়িয়াই নিবলৈ আটাইতকৈ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হ'ল বিদ্যালয় আৰু ইয়াৰ বাহক শিক্ষকসকল — *আইনষ্টাইন।*

বেতনত শিক্ষাদান কৰিছিল। ৭৫ টকীয়া বেতনবো এক আমোদজনক কাহিনী শুনিবলৈ পোৱা যায়। বিশাল প্ৰতিভাধৰ পৰিশ্ৰমী শিক্ষকসকলে সেই ৭৫ টকাও নিয়মীয়াকৈ নাপাইছিল। বেঙ্কত চেক ভঙাবলৈ গৈ প্ৰায় তলি উদং হৈ থকা হিচাপ দেখি উভতি আহিছিল এই শিক্ষকসকলে। কেতিয়াবা এনেকুৱাও হৈছিল যে সেই ৭৫ টকাতকৈ জমা থকা হিচাপৰ বাবে চেকখনৰ সন্মানিত নোহোৱা কৰিবলৈ পাঁচ বা দহ টকা নিজে পকেটৰ পৰা জমা কৰিবলগীয়া হৈছিল। কিন্তু নিজে জমা কৰি ধন আদায় কৰাৰ আগতেই হয়তো আন এজনে বেঙ্কৰ পৰা ধন উলিয়াই নিছিল। সেয়া এতিয়া এক ইতিহাস মাথোন। কথাবোৰ, কাহিনীবোৰ এতিয়া এক গল্পৰ দৰেই হৈ পৰিছে।

১৯৬৪ চনত কলেজখনৰ স্থান ডিব্রুগড় চৌকিডিঙ্গি ইন্ডৰ ষ্টেডিয়ামলৈ স্থানান্তৰ কৰা হয় আৰু বৰ্তমানে থকা স্থানলৈ ১৯৭০ চনত চৌকিডিঙ্গিৰ পৰা অনা হয়। ডিব্রুগড়ৰ চাহ পুঁজিপতি জালান গোষ্ঠীয়ে ৬ বিঘা মাটি মহাবিদ্যালয়খনক যোগাৰ কৰি দিয়াত সেই ঠাইতে এতিয়া এই ভৱনটো নিৰ্মাণ কৰা হয়।

মহাবিদ্যালয়খনলৈ পোনপ্ৰথমবাৰৰ বাবে চৰকাৰে তদৰ্থ ভিত্তিত প্ৰতিমাহে এহেজাৰ টকাকৈ মজুৰি দিয়ে ১৯৬৫ চনৰ এপ্ৰিল মাহৰ পৰা। এই মঞ্জুৰীৰ দ্বাৰা মহাবিদ্যালয়খন পৰিচালনা কৰাত অসুবিধা হোৱাত তদানীন্তন উজনি অসমৰ আয়ুক্ত ডি. দাস দেৱে মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে বিশেষভাৱে আৰ্থিক সাহায্য সংগ্ৰহ কৰা ব্যৱস্থা লয় আৰু প্ৰয়াত হনুমান বক্স কানৈৰ পৰা দহ হাজাৰ টকা, পি দত্তৰ পৰা এহাজাৰ টকা, হবিবুল্লা চামচুদ্দিনৰ পৰা পাঁচশ টকা, মেচাৰ্চ চহৰীয়া চেৰিটি ফাণ্ডৰ পৰা পাঁচশ টকা, ডিব্রুগড় ফিচাৰিজ ক'- অপাৰেটিভৰ পৰা পাঁচশ টকা, কে শইকীয়াৰ পৰা এশ টকা, গিৰিধাৰীলাল চাদৰমলৰ পৰা পাঁচ হাজাৰ টকা, বি, চি বৰকাকতীৰ পৰা ১০০ টকা আৰ ডি শৰ্মাৰ পৰা ২৫০ টকা, এম, আহমেদৰ পৰা ১০০ টকা, এ, চি, গুপ্তাৰ পৰা ২৫১ টকা, ভগৱান দাসৰ পৰা ৫০ টকা, লেঙেৰী চাহ বাগিচাৰ পৰা ৫০ টকা, লক্ষীবাৰী চাহ বাগিচাৰ পৰা ২০১ টকা, জে, কে, শৰ্মাৰ পৰা ১০১ টকা, এ, চি সেনাপতিৰ পৰা ১০ টকা, বি বৰুৱাৰ পৰা ৫ টকা, বি দুৱৰাৰ পৰা ৫ টকা আৰু নগেন দাসৰ পৰা ১৫ টকা সংগ্ৰহ কৰা হয়। আজিৰ দিনত ৫/১০ টকাৰ বৰঙণি বা আৰ্থিক সাহায্যক - সাহায্য বুলি গণ্য কৰিবলগীয়া নহয় যদিও তেতিয়া পাঁচ টকা পৰ্য্যন্ত আৰ্থিক সাহায্য সংগ্ৰহ কৰি মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে পুঁজি গঠন কৰা হৈছিল। প্ৰাথমিক অৱস্থাত দান-বৰঙণিৰ মাজেদি আৰ্থিক সাহায্য আগবঢ়োৱা সকলৰ এতিয়াও মহাবিদ্যালয়খনৰ আত্মাৰ সতে নিবিড়ভাৱে জড়িত হৈ আছে। ইয়াৰ উপৰিও কিছুমান ব্যক্তিয়ে মহাবিদ্যালয়খনৰ পুথিভঁড়ালৰ বাবে স্ব-ইচ্ছাই কিতাপ পত্ৰ দান আগবঢ়াইছিল। ইয়াৰ পাছত মহাবিদ্যালয়খনৰ বাবে চৰকাৰী অনুদান এহেজাৰ টকাৰ পৰা ৩০০০ টকালৈ বৃদ্ধি কৰা হয়। ১৯৭২ চনত কলা আৰু বাণিজ্য শাখা ঘাটি মঞ্জুৰী প্ৰাপ্ত অধীনলৈ অনা হয়। ১৯৬৫-৬৬ চনৰ পৰা আৰম্ভ হোৱা বিজ্ঞান শাখাটো ১৯৭৪ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ঘাটি মঞ্জুৰী প্ৰাপ্ত অধীনলৈ যায়। মহাবিদ্যালয়খন চৰকাৰৰ পৰা ১,৭২,৯০০ টকা 'মেইনটেনেঞ্চ' ব্যয় মুকলি কৰাৰ লগতে বিশ্ববিদ্যালয় অনুদান আয়োগে ১৯৭০ চনৰ ডিচেম্বৰ মাহত ১,৭২,৬৬৬ টকা পুথিভঁৰাল ভৱনৰ বাবে মঞ্জুৰি দিয়ে। তিনিমহলীয়া এই ভৱনটো প্ৰকৃততে পুথিভঁৰালৰ ভৱনৰ বাবেহে নিৰ্মাণ কৰা হৈছিল। এতিয়া য'ত পাঠদান কক্ষৰ মূল ভৱন হিচাপে ব্যৱহাৰ কৰা হৈছে। এনেদৰেই মহাবিদ্যালয়খনে লাহে লাহে ঠন ধৰি আহিবলৈ ধৰে আৰু আজিৰ এই অৱস্থাত উপস্থিত হৈছেহি।

মহাবিদ্যালয়ৰ পুৰণি তথ্যপাতি খুচৰি চালে দেখা পোৱা যায় যে ডিব্রু মহাবিদ্যালয়ৰ আৰম্ভণিৰ পৰাই পৰীক্ষাৰ ফলাফল সন্তোষজনক আছিল। বিশ্ব ৰাজখোৱা নামৰ কৃতী ছাত্ৰজনে ১৯৬৮ চনৰ স্নাতক পৰীক্ষাত ডিষ্টিংচনসহ প্ৰথম শ্ৰেণী পাই উত্তীৰ্ণ হৈছিল। ইয়াৰ পৰৱৰ্তী পৰীক্ষা সমূহতো ধাৰাবাহিক ভাৱে ছাত্ৰই ডিষ্টিংচন লাভ কৰি সুনাম কঢ়িয়াই আনিছিল। মহাবিদ্যালয়খনৰ কৃতী খেলুৰৈ সকলে আৰম্ভণিৰ কেইবা বছৰো একেলগে বিশ্ববিদ্যালয়ৰ ভিতৰত শ্ৰেষ্ঠত্ব অৰ্জন কৰিছিল। অৱশ্যে এই দিশত যোৱা কিছু বছৰ ধৰি সুনাম অৱনমিত হৈছে। আশা কৰা হৈছে মহাবিদ্যালয়খনৰ সেই সুনাম পুনৰ ঘুৰি আহিব। পৰীক্ষাৰ ফলাফল বা খেল আদিৰ দিশত পুনৰ হেৰোৱা অতীত ঘূৰাই পাবলৈ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলে যথেষ্ট চেষ্টা অব্যাহত ৰাখিব।

বিঃ দ্ৰঃ প্ৰবন্ধটো প্ৰস্তুত কৰিবৰ বাবে নন্দলাল বৰগোহাঁইদেৰে তথ্যপাতিৰ লগতে দিহা পৰামৰ্শ দি বিশেষভাৱে অনুপ্ৰাণিত কৰা বাবে কৃতজ্ঞতা থাকিল।

বি.দ্ৰ. ঃ লেখক শ্ৰীযুত শশীকান্ত শইকীয়াদেৰ ডিব্রু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক আৰু বৰ্তমান সময়ত ডি.হ.সু কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ। তেখেতৰ উক্ত লেখাটি ডিব্রুয়ান (১৯৯৯-২০, ২০০০-২০০১ বৰ্ষ) সম্পাদকদ্বয় অনন্ত খনিকৰ, প্ৰশান্ত শইকীয়া, পৃ. ৬-৮ত প্ৰকাশিত।

শিক্ষকসকল জীৱনদাতা পিতৃ-মাতৃতকৈও বেছি শ্ৰদ্ধাৰ পাত্ৰ কাৰণ পিতৃ-মাতৃয়ে সন্তান জন্মহে দিয়ে, জীৱনৰ যাত্ৰাৰ

ডিব্রু কলেজ আৰু মই

লক্ষ্মণ বৰা
প্ৰাক্তন মূৰব্বী অধ্যাপক
অৰ্থনীতি বিভাগ

ছিলঙত (সেই সময়ত অসমৰ ৰাজধানী) কৰ্মৰত হৈ থাকোতেই দেউতা ঢুকায়। মৃত্যুৰ সময়ত তেখেতক দেখিবলৈ নোপোৱাৰ কাৰণে পাছলৈ মাক এৰি দূৰলৈ নগৈ ঘৰৰ ওচৰৰ বি.কে.বি কলেজ, পুবণি গুদামতে শিক্ষকতা কৰিছিলো। অৱশ্যে দুই এঠাইত এনেয়ে আবেদন কৰিছিলো। লগতে ডিব্রু কলেজলৈকো।

১৯৭৭ চনৰ ১ ডিচেম্বৰ। মাৰ ষ্ট্রোক হয় আৰু সেইদিনা দুপৰীয়ালৈ মৃত্যু হয়। সেইদিনাই ডিব্রু কলেজৰপৰা এখন Telegram পাওঁ -- Come and Join immediately। গতিকে মাৰ দহা-কাজ সম্পূৰ্ণ কৰি ১৬-১২-১৯৭৭ তাৰিখে ৰাতিপুৱা ডিব্রুগড় পাওঁ। সেইদিনা ৰাতিপুৱা ডিব্রু কলেজলৈ আহি প্ৰথমতে এজন হাঁহিমুখীয়া বগা ওখ ব্যক্তিক লগ পাওঁ। পাছত গম পাওঁ -- তেখেত স্বৰ্গীয় নন্দলাল বৰগোহাঁই, কলেজৰ উপাধ্যক্ষ। কিছু কথা-বতৰা পতাৰ পাছত তেখেতে কলেজখন দেখু�ৱাবলৈ লৈ যায়। কলেজখন দেখি মোৰ মনটো একেবাৰে সেমেকি উঠিল। কাৰণ কলেজৰ ক্লাছবিলাক খেৰী মাটি ঘৰত হয়। কিন্তু শিক্ষক-শিক্ষয়িত্রী বিলাকক লগ পাই পাছলৈ মনটো বহিল। পাছলৈ চৰকাৰৰ পৰা সাহায্য পাই পকা ঘৰৰ কাম আৰম্ভ কৰে। স্বৰ্গীয় কনকেশ্বৰ দুৱৰাই (সেই সময়ৰ কলেজ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক) নিজে বোকাজানলৈ গৈ ৰাতি ট্রাকত চিমেণ্ট আনি কলেজ বিল্ডিং বনোৱাত সহায় কৰিছিল। সেই সময়ত চিমেণ্টৰ কোনো বজাৰ নাছিল।

১৯৮২ চনত কলেজৰ পৰা এন.চি.চি অফিচাৰ ট্রেইনিংৰ কাৰণে মোক নাগপুৰৰ কাম্পটি (Kamptee) অফিচাৰ ট্রেইনিং ল'বলৈ পঠায়। তাতে অসমৰ দুজন প্ৰভাৱশালী মন্ত্রী শ্রীযুত গুনীন হাজৰিকা আৰু শ্রীযুত ৰিপুণ বৰাক ট্রেইনিঙত সহপাঠী হিচাবে লগ পাওঁ। ৰাজনীতিলৈ অহাৰ আগতে দুয়োজন কলেজ শিক্ষক আছিল। তিনিমাহ তেখেত সকলৰ লগত খোৱা-বোৱা, পেৰেড কৰা, ৰাইফল ফায়াৰিং কৰা সকলো কামতে একেলগে আছিলো।

১৯৮৩ চনত প্ৰাক্তন মুখ্যমন্ত্রী প্রয়াত হিতেশ্বৰ শইকীয়া দেৰক কলেজলৈ নিমন্ত্রণ জনাইছিল। উদ্দেশ্য হ'ল -- কলেজলৈ কিছু দান, বৰঙণি আগবঢ়ালে কলেজৰ উন্নয়ণ হ'ব। ঠিক ভৰা মতেই মুখ্যমন্ত্রী গৰাকী কলেজলৈ আহি ছোৱালী হোষ্টেলৰ কাৰণে ৪ লাখ (চাৰি লাখ) টকা আগবঢ়ায়। সেই টকাৰে কলেজৰ মেইন বিল্ডিংৰ পাছফালে ছোৱালী হোষ্টেল বনোৱা হয়। মিটিঙৰ পাছত তেখেতক মোহনবাৰীৰ এয়াৰপৰ্টত আগবঢ়াবলৈ যাওঁতে মই লাইব্রেৰীৰ কাৰণে কিবা এটা দিবলৈ অনুৰোধ জনাওঁ। তৎক্ষণাত তেখেতে পি.এ.ক আৰু ২৫ হাজাৰ টকা দিবলৈ আদেশ দিয়ে।


মহাবিদ্যালয় সমাৰোহত আমি মানে স্বৰ্গীয় নন্দলাল বৰগোহাঁই ছাৰ, স্বৰ্গীয় ইন্দ্রকুমাৰ বৰাদেৱ, স্বৰ্গীয় প্রদীপ কুমাৰ ভূঞাদেৱ আৰু লগতে প্রায়বিলাক শিক্ষকে ভাগ লয়। এবাৰ স্বৰ্গীয় ইন্দ্র বৰাদেৱ আৰু মই আউটড'ৰ ষ্টেডিয়ামত খেল চলাই সাতোঁৱা ৰ'দৰ পৰা ছাঁ দিবলৈ খেলৰ সম্পাদকে লোহাৰ গ'ল পোষ্টৰ লগতে টিৰ্পাল এখন আঁৰি দিছিল। অধ্যাপক চন্দ্র গুপ্ত বৰাই হেলমেতটো খুলি আমি থকা টেবুলত থৈ ল'ৰাৰ দৌৰ প্রতিযোগিতা চলাবলৈ গ'ল। কিবা এটা কাৰণত স্বৰ্গীয় ইন্দ্র বৰাদেৱ আৰু ময়ো বহাৰ পৰা উঠি আতঁৰলৈ গৈছো। এনেতে গ'ল পোষ্টতে লোহাডাল পৰি টেবুলত থকা হেলমেতটো চেপেটা কৰিলে। আমি উঠি নহা হলে আমাৰো অৱস্থা একেই হ'লহেঁতেন। ভগৱানক ধন্যবাদ। আমি বাচিলো। সেইবাৰ মহাবিদ্যালয় সপ্তাহত শিক্ষকসকলে ল'ৰাৰ ভলীবল আৰু ক্রিকেটৰ চেম্পিয়ন টীমটোক হৰুৱাই দিলোহঁক। ডঃ বিপুল কুমাৰ বৰুৱাই (অধ্যাপক পদাৰ্থ বিজ্ঞান) ২৫ ৰাণ কৰিছিল। মই উইকেট কিপিং কৰিছিলো। ১৯৮৪ চনত দিল্লীত গণৰাজ্য

পুৰণিক নৰ জীৱন দি নতুন জ্ঞান আহৰণ কৰাৰ সামৰ্থ আছে যাৰ তেওঁৰেই শিক্ষক হ'বৰ উপযুক্ত — *কনফুছিয়াছ*



দিৱসত ভাগ লবলৈ উত্তৰ পূৰ্বাঞ্চলৰ পৰা এন.চি.চি কম্পেনী কমাণ্ডাৰ হিচাবে মোক নিৰ্বাচন কৰে। মোৰ লগত সাতখন ৰাজ্যৰ ১২৬ জন এন.চি.চি কেডেট ল'ৰা-ছোৱালী। ২৬ টা যোঁৰা, ১২৬ টা ডি পি ৰাইফল আৰু ১০ টা ৩০৩ ৰাইফল আৰু ১০ জন মিলিটেৰী জোৱান লৈ ৰেলত গুৱাহাটীৰপৰা যাত্রা কৰিলো। পুৱা ৭ বজাত বিহাৰৰ দৰভাঙ্গা ষ্টেচনত আমাৰ ৰেলখন ৰখাইছিল। তাতে কিছুমান দুৰ্বৃত্তই ছোৱালী থকা ডবাটোত জোৰ কৰি সোমাবলৈ চেষ্টা কৰে। আনকি কেইখনমান খিৰিকীৰ আইনা ভাঙে। মইউপায় নাপাই মিলিটেৰী জোৱান কেইজনক ফায়াৰিঙৰ অর্ডাৰ দিলো। শূণ্যত কেইজাইমান গুলী মৰাৰ পাছত দুর্বৃত্তৰ দলটো আঁতৰি গ'ল। ডঃ ৰঞ্জিত সিন্হাই (ৰাজনীতি বিজ্ঞানৰ অধ্যাপক) এবাৰ মোক জিলাভিত্তিত অনুষ্ঠিত হোৱা মইনা পাৰিজাতৰ মার্চ পাষ্টৰ জাজ্ কৰিবলৈ নিমন্ত্রণ কৰিলে। যথা সময়ত মই ডিব্রুগড় ল'ৰা উচ্চ মাধ্যমিক খেল পথাৰত উপস্থিত হলোগৈ। মার্চ পাষ্টত ভাগ লোৱা দল পাৰ্গত থকাৰ কাৰণে লগতে সময়ৰ নাটনিৰ কাৰণে দলবিলাক ভালদৰে নিৰীক্ষণ কৰি অতি সোনকালে প্রথম দ্বিতীয় আৰু তৃতীয় দলটো বাছি দিলো। যিহেতু মই ইণ্ডিয়া গেটত গণৰাজ্য দিৱস আৰু লালকিল্লাত ১৫ আগষ্টৰ স্বাধীনতা দিৱসত কেইবাবাৰো ভাগ লৈছিলো, গতিকে দলকেইটা বাচি দিবলৈ সহজ আছিল। কিন্তু কিছুমান দলৰ মেনেজাৰে মোৰ দল বাছনিত সন্তুষ্ট নহৈ মোক বিভিন্ন প্রশ্ন কৰিলে। ময়ো' উপায় নাপাই মোৰ পকেটৰ পৰা সামৰিক বাহিনীৰ প্র-পত্রখন উলিয়াই দেখুৱালত তেখেতসকল সন্তুষ্ট হ'ল। অৱশ্যে সেইখন মোৰ মটৰ ড্রাইভিং লাইচেন্সহে আছিল। দ্বিতীয়বাৰৰ কাৰণে ভগৱানক ধন্যবাদ দিলো।

বর্তমান ডিব্রু কলেজ আগৰ নিচিনা হৈ থকা নাই। যথেষ্ট পৰিৱর্তন হ'ল। সময় আৰু সুবিধা পালে পুনৰ পৰিৱর্ত্তনৰ বিষয়ে লিখিম।





তুমি আনক ক্ষমা কৰিলে ঈশ্বৰেও তোমাক ক্ষমা কৰিব — *যীশুখ্রীষ্ট*

আধুনিক সমাজত নাৰীৰ স্থান


মৰমী দাস
স্নাতক পঞ্চম ষান্মাসিক
নৃতত্ত্ব বিভাগ

"মই,
মই যে মাথো চিৰন্তন নাৰী,
যুগমীয়া ৰহস্যৰে ভৰা বিচিত্ৰ বৰ্ণালীৰ এক
সহজ প্ৰকাশ"

— নিৰ্মলপ্ৰভা ৰৱদলৈ।।

প্ৰকৃতিৰ এক অনুপম সৃষ্টি নাৰী। মাতৃ, পত্নী, ভগ্নী, প্ৰেয়সী ভিন্ন ভিন্ন ৰূপেৰে এই পৃথিৱীত প্ৰকাশ পায় নাৰী। আজিৰ পুৰুষপ্ৰধান সমাজত নাৰীৰ স্থান, অধিকাৰবোৰৰ ওপৰত বহুতো প্ৰশ্নই মূৰ দাঙি উঠে। এগৰাকী নাৰীৰ জীৱন, বিবাহ, স্বামীসেৱা আৰু সন্তান জন্ম দি ডাঙৰ-দীঘল কৰাতে সীমাবদ্ধ নেকি? যদি নহয় তেন্তে আজিৰ আধুনিকতাৰ যুগতো প্ৰতিটো খোজতে নাৰী পদ দলিত কিয়?

সাধাৰণতে নাৰী সম্বন্ধে অতীতৰে পৰা এতিয়ালৈকে ভিন্নজনৰ ভিন্ন মত। কোনোৱে কয় নাৰী শক্তিৰ অধিকাৰী, নাৰী মহিমাময়ী আদি বিভিন্ন গুণৰ সমষ্টিয়েই নাৰী। এচামৰ মতে নাৰী কুহকিনী, নাৰী চলনাময়ী আদি ক'ত যে বিশ্লেষণ। আচলতে নাৰী সম্পৰ্কে দিয়া এই বিশ্লেষণবোৰ একে আষাৰে হয় বা নহয় বুলি ক'ব নোৱাৰি। স্ত্ৰীসকল সদায় পৰাধীন বুলি কয়। জীৱনৰ আদি কালত পিতৃৰ অধীনত, বিবাহৰ পিছত স্বামীৰ অধীনত আৰু বৃদ্ধাকালত পুত্ৰৰ অধীনত থাকিব লাগে। সমাজৰ বেছিভাগ নাৰীয়েই এই নিয়মেৰেই চলি আছে। তাৰোপৰি, এইবোৰৰ মাজতো কিছু সংখ্যক লোকৰ ভিন্নতা দেখা যায়। নাৰীয়ে যেতিয়াই এই ৰীতিৰ পৰা আঁতৰিব বিচাৰে, তেতিয়াই অশান্তিৰ সৃষ্টি হয়। সাধাৰণতে নাৰীক পুৰুষে সদায় নিজৰ বশত ৰাখিব বিচাৰে। পুৰুষৰ এই বিশেষ চৰিত্ৰ মৌনভাৱে মানি লোৱা গৰাকীয়েই হৈ পৰে সতী সাদৰী নাৰী, অন্যথা কুলক্ষণী। নাৰী সহনশীল, এই সহনশীলতাৰ সুযোগ এচাম ভদ্ৰতাৰ মুখাপিন্ধা মানুহে লৈছে। ক'বলৈ গ'লে পুৰুষৰ নাৰীৰ ওপৰত শাৰীৰিক, মানসিক অত্যাচাৰৰ কাৰণ কেৱল পুৰুষৰ দমন নীতিৰ বাবেই নহয়, নাৰীৰ স্বভাৱেও ইয়াত অৰিহণা যোগায়।



বৰ্তমান সমাজত কুহকিনী, মায়াবিনী আদি শব্দৰ বহুত প্ৰচলিত হৈছে। বিভিন্ন নিউজ, চেনেল, বাতৰি কাকত আদিয়ে সদায় এনে বাতৰি প্ৰচাৰ কৰি আহিছে। কিছুমান বিশ্লেষণ যেনে — নাৰী কুহকিনী, নাৰী মায়াবিনী, নাৰী চলনাময়ী, এইবোৰ কেৱল নাৰীক তুচ্ছ কৰিবলৈ পুৰুষে দিয়া বুলি ক'ব নোৱাৰি। এই উপাধিবোৰৰ বাবে

বন্দুকৰ গুলীয়ে আদর্শক হত্যা কৰিব নোৱাৰে — *জ্যোতিপ্ৰসাদ*

> আধুনিক সমাজত এনে দিশ নাই য'ত নাৰীৰ ভূমিকা নাই। আজিৰ আধুনিক যুগত নাৰীয়ে সকলো ক্ষেত্ৰতে পাৰদৰ্শিতা দেখুৱাইছে। নাৰীসকলৰ যোগ্যতাক আমাৰ সমাজে সকলো ক্ষেত্ৰতে মানি ল'ব লাগিব আৰু আমাৰ পুৰুষ সকলেও নাৰীৰ আত্মমৰ্যাদা ৰক্ষাৰ ক্ষেত্ৰত সহায় আগবঢ়াব লাগিব তেতিয়াহে এখন সুস্থ-সবল সমাজ গঢ় লৈ উঠিব আৰু আইনে দিয়া অধিকাৰ নাৰীয়ে ভোগ কৰিব পাৰিব।

কেৱল নাৰীগৰাকীয়েই যে দায়ী সেইয়াও নহয়। এগৰাকী নাৰী আন এগৰাকী নাৰীৰ বাবে কাল (বেয়া) কেনেকৈ হ'ল, তাকো বিচাৰ কৰি চাব লাগে। কেৱল নাৰী গৰাকীৰ ওপৰত দোষ জাপি দিলেইতো নহ'ব।

এগৰাকী নাৰী বা এজন পুৰুষ সামাজিকভাৱে বিবাহপাশত আৱদ্ধ হোৱাৰ পাছত যদি নিজৰ পত্নী বা স্বামীৰ মৰমৰ বাদে আনৰ বুকুৰ উষ্ম আলিংগন কামনা কৰে তেতিয়াই সমাজৰ দৃষ্টিত এইসকল হৈ পৰে একোজন পাষণ্ড বা একোজনী কাল নাগিনী। গতিকে কেৱল নাৰীগৰাকীকে কুহকিনী, কাল নাগিনী বুলি আখ্যা কিয় দিব? পুৰুষজনেতো এইক্ষেত্ৰত সমানে জগৰীয়া।

যুগ যুগ ধৰি আমাৰ সমাজৰ এচাম পুৰুষে কৰি অহা অৱহেলাৰ বাবে কিছু সংখ্যক নাৰীয়ে নিজেই এতিয়া সেইয়া তেওঁলোকৰ আচল ৰূপ বুলি ভাবিবলৈ লৈছে। এইয়া আমাৰ পুৰুষ সমাজৰ বাবে লাজৰ বিষয় নহয়নে? আইনে নাৰীক পুৰুষৰ সমানে অধিকাৰ পোৱাৰ সুযোগ দিছে। কিন্তু আমাৰ সমাজে নাৰীক সেই অধিকাৰ মুক্তভাৱে ভোগ কৰিব দিছেনে? (নাৰীৰ পাব লগা অধিকাৰৰ ওপৰতহে প্ৰশ্ন তুলিছো।) এখন সমাজ সুখ শান্তিৰে বৰ্তাই ৰাখিবলৈ হ'লে আমি সকলোৱে নাৰীক সমাজত নিৰ্ভয়ে জীৱন-যাপন কৰিবলৈ দিব লাগিব। তেতিয়াহে নাৰীয়ে পাব লগা অধিকাৰবিলাক ভোগ কৰিব পাৰিব। কাৰণ নাৰীও পুৰুষৰ দৰে যুক্তিবাদী।

বৰ্তমান সময়ত আমাৰ সমাজত প্ৰতিগৰাকী নাৰীৰ বিবাহৰ পাছতো পিতৃঘৰত সদস্য হিচাপে আইনে স্বীকৃতি দিছে। বৰ্তমানৰ এই আধুনিক শিক্ষিত সমাজত এনে বহুতো ব্যক্তি আছে, যিসকলে নাৰীক অৱহেলা কৰে, বহু গুণৰ অধিকাৰী হ'লেও পুৰুষৰ সমকক্ষ বুলি নাভাবে। বৰ্তমানৰ শিক্ষিত সমাজৰ সেইসকল ব্যক্তিৰ বাবে এইটো এটা লজ্জাজনক বিষয় নহয়নে? সমাজৰ শিক্ষিত ব্যক্তিসকলৰ বেছিভাগেই যদি সমাজত এনে গৰ্হিত কাম কৰে তেনেহ'লে বৰ্তমানৰ এই পুৰুষপ্ৰধান সমাজত নাৰীয়ে নিজকে সুৰক্ষিত বুলি কেনেকৈ ভাবিব? ক'বলৈ গ'লে জীৱন আৰু সমাজত আপোন অধিকাৰ সাব্যস্ত কৰি স্বাধীনতা জীয়াই ৰাখিব পাৰিলেহে এগৰাকী নাৰীৰ জীৱন সম্পূৰ্ণ বুলিব পাৰি।

নাৰী আৰু পুৰুষক লৈয়েই আমাৰ মানৱ সমাজ। আজিৰ সমাজত কেইজন পুৰুষে তেওঁৰ পত্নীৰ মনোজগতৰ খবৰ ৰাখে? পুৰুষজনে পত্নী সতী, বিশ্বাসী হোৱাটো বিচাৰে। কিন্তু তেওঁৰ পত্নীয়ে তেওঁ কেনে হোৱাটো বিচাৰে সেই কথা জানো ভাবি চায়? আচলতে নাৰীয়ে কি বিচাৰে? কেৱল সুখ-সম্পদে জানো নাৰীক সুখী ৰাখিব পাৰে? নাৰীয়ে বিবাহিত জীৱনৰ পৰিসীমাৰ মাজত পৰিয়ালৰ সেৱাতে আৱদ্ধ নাথাকি জীৱনৰ সুন্দৰ সুকোমল অনুভূতিবোৰ সজীৱ কৰি ৰাখিবলৈ যত্ন কৰিব লাগিব।

আঘাত-সংঘাতেৰেই গঠিত হয় জীৱন। তাকো যেন নাৰীৰ জীৱনতেই আঘাত-সংঘাতৰ সংখ্যাই বেছি। দৰিদ্ৰতা, সন্তানহীনতা আদি নাৰী সমস্যাৰ বাবে একোখন ঘৰত অশান্তিৰ সৃষ্টি হয়। এই অশান্তিৰ কেন্দ্ৰবিন্দু হৈ পৰে নাৰীগৰাকী। জীয়াতু ভুগিব লগা হয় নাৰীগৰাকীয়েই। মানুহে পাহৰি যাব নালাগে যে জীৱন মানেই সুখ, দুখ, আশা-নিৰাশা, হাঁহি-কান্দোন, সফলতা-বিফলতাৰ সমষ্টি।

আধুনিক সমাজত এনে দিশ নাই, য'ত নাৰীৰ ভূমিকা নাই। আজিৰ আধুনিক যুগত নাৰীয়ে সকলো ক্ষেত্ৰতে পাৰদৰ্শিতা দেখুৱাইছে। নাৰীসকলৰ যোগ্যতাক আমাৰ সমাজে সকলো ক্ষেত্ৰতে মানি ল'ব লাগিব আৰু আমাৰ পুৰুষ সকলেও নাৰীৰ আত্মমৰ্যাদা ৰক্ষাৰ ক্ষেত্ৰত সহায় আগবঢ়াব লাগিব তেতিয়াহে এখন সুস্থ-সবল সমাজ গঢ় লৈ উঠিব আৰু আইনে দিয়া অধিকাৰ নাৰীয়ে ভোগ কৰিব পাৰিব।

আনৰ ভাল হোৱা দেখিলে কেতিয়াও ঈৰ্ষা নকৰিবা, কাৰণ তেনে কৰিলে জীৱন, দিন শান্তিত নাযায় — *পণ্ডিত বগগ*

এটি আলোকপাত ঃ
আজিৰ নৰপ্ৰজন্ম কোন দিশেৰে ধাৱমান হৈছে?

তেজস্বিনী নেওগ
পঞ্চম ষান্মাসিক
ৰসায়ন বিজ্ঞান

'আজিৰ শিশু কাইলৈৰ নাগৰিক' — এজন শিশুৰ পৰা ক্ৰমে যৌৱনপ্ৰাপ্তি আহে আৰু তাৰ পিছতেই ক্ৰমান্বয়ে এজন প্ৰাপ্তবয়স্ক লোকলৈ ক্ৰমশঃ আগবাঢ়ি যায় মানৱ জীৱন লীলা। এই জীৱন লীলা পুৱণি কালৰ পৰা বৰ্তমানলৈ চলি আহিছে আৰু চলি থাকিব ভৱিষ্যতৰ আদি-অন্তহীন সুগভীৰ সীমনালৈ – এয়াই হৈছে জীৱন বৃত্ত। যিদৰে এটা বৃত্ত বহু বিন্দুৰ সমষ্টি, সেইদৰেই মানুহৰ জীৱন বহু স্তৰৰ সমষ্টি। প্ৰতিটো স্তৰতে প্ৰত্যেক মানুহৰে বৌদ্ধিক, মানসিক, শাৰীৰিক আদি সকলো ক্ষেত্ৰতে বিভিন্নতা অহা পৰিলক্ষিত হয়। বৃত্ত এটা যিমানেই বৃহৎ নহওক কিয়, শেহত এটা বিন্দুত তাৰ সমাপ্তি ঘটে। মানৱ ক্ষেত্ৰতো একেই প্ৰথা। এটা সময়ত সকলো মানুহেই নিজৰ তন, মন, ধন তথা সকলো মায়া-মোহ পৰিহাৰ কৰি এটি ধূলিকণাৰ দৰেই মাটিত বিলীন হৈ যায়।

"নিয়তিয়ে নিজ হাতেৰে যিদিনা
কপালত যিটি লিখিলে আহি
নাই লৰচৰ সেই আখৰৰ
সিদৰে জীৱন চলিব ভাঁহি।।
চকুৰ পানীৰে নৈ বৈ যক
হিয়া যদি ভাগে শোকতে হায়
তথাপি জানো পাৰেনে গুচাব
কপালৰ চাপ লগতে যায়।" (যতীন্দ্ৰনাথ দুৱৰা)

বৈজ্ঞানিক প্ৰযুক্তিবিদ্যাৰ উন্নতি আৰু প্ৰসাৰৰ লগে লগেই সমগ্ৰ পৃথিৱী আজি একোখন গোলকীয় গাঁৱত পৰিণত হৈছে। এখন ঠাইৰ, এখন দেশৰ অৱস্থিতি বৰ্তমান নন্দন-কানন সদৃশ কৰি পেলাইছে বিজ্ঞানৰ পৰিপক্কতাই। কিন্তু আমি সকলো প্ৰকৃতিৰ দাস। প্ৰকৃতিৰ মাথো এটি চিয়াঁৰাতেই লাখ লাখ নন্দন কানন ধ্বংসস্তূপত পৰিণত হোৱা দেখা যায়। কিন্তু মানুহ আশাবাদী। উন্নতিয়েই আমাৰ কাম্য যেতিয়া আমি আগবাঢ়ি যাবই লাগিব। কিন্তু এনে উন্নতি আমাৰ কাম্য নহয়, যিয়ে হিৰোচিমা-নাগাচাকিৰ দৰে অঞ্চলৰ চকুপানীৰ কাৰণ হৈ পৰে। পাৰমাণৱিক ক্ষেপনাস্ত্ৰৰ ক্ষেত্ৰত দেশসমূহ ইমানেই আগবাঢ়ি গৈছে যে ইয়াতে মাৰিলো টিপা, গড়গাঁও পালেগৈ শিপাৰ লেখীয়া হৈ পৰিছে।

আৱহমান কালত ঋষি-মুনিসকলে বহু যুগ যুগ ধৰি তপস্যা কৰি দিব্যজ্ঞান লাভ কৰা দেখা যায়। কিন্তু আজিৰ যুগত নৱপ্ৰজন্মই ম'বাইল, ইণ্টাৰনেট আদিৰ সৈতে নিৰিষ্ট হৈ দিব্যজ্ঞান লাভ কৰা দেখা যায়। এই জ্ঞান ক্ৰমশঃ ..... নিমজ্জিত হৈ পৰিছে। ..... তলমূৰ কৰি ম'বাইলত তেওঁলোক ইমানেই ব্যস্ত হৈ পৰিছে যে ওচৰতে বহি থকা বয়সস্থ ব্যক্তি এজনকো মাত এষাৰ দিবলৈ আহৰি নাই। ফেচবুক, হোৱাটছ আপ আদি ব্যৱস্থাই নৱপ্ৰজন্মক ইমানেই আন্তৰিকতাৰে আকোঁৱালি লৈছে যে তেওঁলোকে দেশৰ, দহৰ ভৱিষ্যতৰ উন্নতিৰ বাবে কি কৰিব পাৰিব সেই লৈয়ে সন্দিহান হৈছে।



তুমি মোক তেজ দিয়া, মই তোমাক স্বাধীনতা দিম — *সুভাষ চন্দ্ৰ বসু*

আৱহমান কালত ঋষি-মুনিসকলে বহু যুগ যুগ ধৰি তপস্যা কৰি দিব্যজ্ঞান লাভ কৰা দেখা যায়। কিন্তু আজিৰ যুগত নৱপ্ৰজন্মই ম'বাইল, ইণ্টাৰনেট আদিৰ সৈতে নিৰিষ্ট হৈ দিব্যজ্ঞান লাভ কৰা দেখা যায়। এই জ্ঞান ক্ৰমশঃ ইমানেই সুদূৰপ্ৰসাৰী হৈ পৰিছে যে কম বয়সীয়া শিশু এটিয়েও ইয়াত নিমজ্জিত হৈ পৰিছে। সকলো ব্যক্তি যেন হৈ পৰিছে এটি যন্ত্ৰচালিত ৰবট। তলমূৰ কৰি ম'বাইলত তেওঁলোক ইমানেই ব্যস্ত হৈ পৰিছে যে ওচৰতে বহি থকা বয়সস্থ ব্যক্তি এজনকো মাত এষাৰ দিবলৈ আহৰি নাই। ফেচবুক, হোৱাটছ আপ আদি ব্যৱস্থাই নৱপ্ৰজন্মক ইমানেই আন্তৰিকতাৰে আকোঁৱালি লৈছে যে তেওঁলোকে দেশৰ, দহৰ ভৱিষ্যতৰ উন্নতিৰ বাবে কি কৰিব পাৰিব সেই লৈয়ে সন্দিহান হৈছে। ফেচবুকৰ দুনীয়াই কি জ্ঞান দিয়ে নাজানো, কিন্তু এই জ্ঞান গ্ৰন্থ অধ্যয়নৰ দ্বাৰা লাভ কৰা জ্ঞানতকৈ বেছি হ'ব পাৰিবনে? ফেচবুকৰ দ্বাৰা সৃষ্টি হোৱা বন্ধুত্বই নতুন আমেজ দিয়ে, কিন্তু এই আমেজ কিমানদিনীয়া? বৰ্তমান এই যুগ হৈ পৰিছে ফেশ্বনৰ যুগ, ষ্টাইলৰ যুগ। ফেশ্বনৰ জগতখনত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত ফেচবুকে বৃহৎ সাফল্য লাভ কৰা দেখা গৈছে। তদুপৰি ফেচবুকৰ পাতত পুৰুষে নাৰীক সন্মান দিয়া দেখা যায়, কিন্তু এই সন্মান ৰাজপথৰ দুনীয়াত কিয় দেখা নাযায়? এয়া ৰাজনীতিৰ দুখন মুখৰ দৰে কথা হ'ব পাৰে নেকি? যিদৰে কথাতকৈ কাম বেছি যুক্তিকৰ, সেয়ে পুৰুষে কৰ্মৰে প্ৰতীয়মান কৰিব লাগে যে তেওঁলোকে নাৰীক কিমান সন্মান জনায়। বৈজ্ঞানিক প্ৰযুক্তিবিদ্যাৰ যিমানেই উন্নতি নহওক কিয়, আজিৰ নাৰীও সীতাৰ দৰে উপেক্ষিতা, দ্ৰৌপদীৰ দৰেই অনাদৃতা অৱহেলিতা – সমাজখন যেন এতিয়াও অপৰিপক্ক।

"নদী মাথোঁ বয়, কলৈকো নৱয়
বাধা দি ৰাখিব কোনে?"

নদীৰ দৰেই সময়ো গতিশীল। নৱপ্ৰজন্মই ইণ্টাৰনেটৰ সাগৰত ডুব মৰাৰ আগতে নিজৰ প্ৰতিভা বিকশিত কৰিবলৈ চেষ্টা কৰা উচিত। আজিৰ প্ৰজন্মই বুজিব লাগিব যে তেওঁলোকে কি কৰা উচিত, কি কৰা অনুচিত। কাৰণ সমাজখন যেন তেওঁলোকৰ দ্বাৰাই গঢ়িত। সকলোৱে আশা কৰে যে এজন বা দুজনে নহয়, প্ৰত্যেকজনেই সুনাগৰিক হৈ দেশৰ নাম উজ্জ্বল কৰিব। আজিৰ প্ৰজন্ম ড্ৰাগছ, সুৰা আদি নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আকৃষ্ট। অতি আলাসতে আকৃষ্ট হৈ তেওঁলোক বাইক ষ্টাণ্টৰ প্ৰতি। অতি সহজেই মুখৰ পৰা নিগৰিত হয় অশ্লীল শব্দ। বয়োজ্যেষ্ঠ জনকো অভদ্ৰ কথাকৈ অশালীন ব্যৱহাৰ কৰাতো আজিকালি সহজলভ্য হৈ পৰিছে। এইসকল নৱপ্ৰজন্মৰ পৰা আমি এটাই আশা কৰিব পাৰো যে তেওঁলোকে নিজেই বুজি উঠক, সমাজৰ বোজাস্বৰূপে নহয়, একোটি উজ্জ্বল ভোটাতৰা সদৃশ হৈ জিলিকি উঠক নিজ পাৰদৰ্শিতাৰে। আমি আশাবাদী এওঁলোকক সহায় কৰিবলৈ সমাজখন সদায় তৎপৰ।

"কৃষ্ণই বোলে শুনা ধনঞ্জয়, যি বৃক্ষৰ গুটি পচায় সেইবৃক্ষইহে হয়।"

প্ৰকৃতিৰ ৰীতি কেতিয়াও সলনি নহয়। পচোৱা গুটিৰপৰা মূল গছজোপাৰহে পুলি গজে, সেই গুটিৰপৰা অন্য এজোপা গছৰ পুলি গজি নুঠে। অৰ্থাৎ যাৰ যেনেকুৱা কৰ্ম, তাৰ ফলো তেনেকুৱা হয়। সেয়েহে আজিৰ প্ৰজন্মই ভাল প্ৰদৰ্শনেৰে উত্তৰ প্ৰজন্মৰ বাবে নিদৰ্শন দাঙি ধৰিবলৈ চেষ্টা কৰা উচিত।

আমাক এনে প্ৰগতি নালাগে, যি প্ৰগতিয়ে সমাজত আদৰ নাপায়, সন্মান নাপায়। যি প্ৰগতি যুগ যুগ ধৰি সমাজৰ পাথেয়স্বৰূপ হ'ব, দেশ-বিদেশলৈকে ঐতিহ্য বহন কৰিব, এনে প্ৰগতিহে আমাৰ কাম্য। সেইসকল নৱপ্ৰজন্মলৈ সহানুভূতি জন্মে, যিয়ে নিজৰ মাতৃভাষা শুদ্ধকৈ ক'ব নাজানে আৰু পঢ়িব নোৱাৰো বুলি গৌৰৱেৰে ক'ব পাৰে। অসমীৰ কোলাত লালিত-পালিত হোৱা অসমীয়া বুলি পৰিচয় দিব খোজা এই — নৱপ্ৰজন্মৰ প্ৰতি ভ্ৰূকুটিহে মাথোন। প্ৰতিদিনে প্ৰতিপলে অসমীয়া বুলি বিশ্ব দৰবাৰত নিজৰ পৰিচয় দি, নিজৰ কৃষ্টি সংস্কৃতিৰ প্ৰতি দায়বদ্ধ, অসমীয়া ভাষা-সংস্কৃতিৰ উন্নতিৰ কৰ্ম কৰা নৱ প্ৰজন্মহে আমি বিচাৰো। কিয়নো "জীৱনে মৰণে মই চিৰদিন অসমীয়া, অসমীয়াৰ দেহে-প্ৰাণে ....." এই নৱপ্ৰজন্ম হৈ পৰক মাথোঁ খাটি খাব পৰা অসমীয়া, যাৰ শৰীৰত প্ৰবাহিত হ'ব লাগিব লাচিতৰ দেশপ্ৰেম, কনকলতাৰ সৎ সাহস, আনন্দৰাম বৰুৱাৰ দৰে কৰ্মোদ্যম আৰু বাণীকান্ত কাকতিৰ দৰে জোকৰ মুখত চূণ দিব পৰা প্ৰাৱল্য।



তুমি যদি যশস্যাৰ কথা ভাবা তেন্তে ভাল সঙ্গৰ লগ লোৱা নহ'লে অকলে থকাই ভাল — *জৰ্জ ৱাশ্বিংটন*

অন্ধবিশ্বাসৰ পৰিণতি ডাইনী হত্যা



কৰিস্মা ৰাজোৱাৰ
পঞ্চম ষান্মাসিক
অৰ্থনীতি বিভাগ

যুক্তিহীনভাৱে, বিবেচনা নকৰাকৈ বিশ্বাস কৰা কথাকে অন্ধবিশ্বাস বোলে। অন্ধভাৱে বিশ্বাস কৰা প্ৰথা অৰ্থাৎ কোনো যুক্তি নোহোৱাকে বিশ্বাস কৰা প্ৰথাকে অন্ধবিশ্বাস বোলে। এই অন্ধবিশ্বাস কুসংস্কাৰ প্ৰথাবিলাক আজিৰ দিনটো সমাজৰ লোকসকলৰ মাজত দেখিবলৈ পোৱা যায়। ডাইনী হত্যাৰ বাদেও আজিও বহুতো অন্ধবিশ্বাস আমাৰ সমাজত দেখিবলৈ পোৱা যায়। যেনে ঃ কোনোবা ঠাইলৈ যাত্ৰা কৰিলে ৰাস্তাত খোজ কাঢ়ি যাওঁতে বাওঁফালে, নেওল, সাপ, মেকুৰী বা কেৰ্কেটুৱা পাৰ হ'লে যাত্ৰা ভঙ্গ হয় বা অমঙ্গল হয় বুলি বিশ্বাস কৰে। বহুতো লোকে বিশ্বাস কৰে যে ফেঁচা চৰাই যদি ঘৰৰ আগত পুৱা বা গধূলি কান্দে তেতিয়া সেই ঘৰৰ অমঙ্গল হয় নাইবা আত্মীয় পৰিজনৰ মৃত্যুৰ বতৰা পায়। এনে কথা বহুতো লোকৰ মুখত শুনিবলৈ পোৱা যায়।

ডাইনী বিশ্বাসটো সমাজত অতীজৰে পৰা আছে। ডাইনী বুলি প্ৰায় তিৰোতা মানুহকে সন্দেহ কৰে। ডাইনী বিদ্যা জনা বা শিকা পুৰুষতকৈ মহিলাৰ সংখ্যা বেছি। কিয়নো টিভি, বাতৰি কাকত, ৰেডিঅ' আদিত বেছিকৈ মহিলা ডাইনীৰ বিষয়ে শুনা যায় বা দেখা পোৱা যায়। মথুৰাপুৰ চাহ বাগিচাত দুগৰাকী কিশোৰীৰ গাত দেৱী লম্ভিছিল। তেওঁলোকে দুগৰাকী মহিলাক ডাইনী বুলি আঙুলিয়াইছিল। তেওঁলোকৰ ভাগ্য ভাল কাৰণ সংবাদ মাধ্যম আৰু সচেতন ব্যক্তি কেইগৰাকীমান তাত উপস্থিত হৈ সকলো বাইজক বুজায়। ডিব্ৰুগড় জিলাতো চান্দমাৰীত ডাইনী সন্দেহত এগৰাকী মহিলাক হত্যা কৰাৰ চেষ্টা চলাইছিল। ধেমাজি, লক্ষীমপুৰ, বিশ্বনাথ চাৰিআলি আদি বহুতো ঠাইত এনেধৰণৰ ঘটনা দেখিবলৈ পোৱা যায়।


ডাইনী হত্যাৰ বিৰুদ্ধে মাত মতা এগৰাকী মহিলাৰ নাম ক'ব পাৰি বিৰুবালা ৰাভা। বিৰুবালা ৰাভা অসমৰ এগৰাকী সমাজকৰ্মী। তেওঁ যোৱা দুটা দশক ধৰি অসমত প্ৰচলিত বিভিন্ন অন্ধবিশ্বাস যেনে ডাইনী হত্যা আদিৰ বিৰুদ্ধে জনসাধাৰণৰ মাজতে সচেতনতা আনিবৰ বাবে চেষ্টা কৰি আছে। অসমত ডাইনী সন্দেহত আতিশয্যৰ মুখামুখী হোৱা বহু লোকক তেওঁ সহায় কৰিছিল। তেওঁৰ এই কামৰ বাবে নৰ্থ ইষ্ট নেটৱৰ্ক নামৰ গুৱাহাটীৰ এটা আগশাৰীৰ সংগঠনে তেওঁৰ নাম ২০০৫ চনত শান্তিৰ ন'বেল বঁটাৰ বাবে প্ৰেৰণ কৰিছিল।

গোৱালপাৰা জিলাৰ অসম মেঘালয় সীমান্তৰ ঠাকুৰভিলা নামৰ ভিতৰুৱা গাঁৱৰ এটি সাধাৰণ পৰিয়ালত ১৯৫৪ চনত বিৰুবালা ৰাভাৰ জন্ম হৈছিল। শৈশৱত ঘৰখনত বহু কষ্টেৰে ডাঙৰ-দীঘল হোৱা ৰাভাই মাত্ৰ পঞ্চম শ্ৰেণীলৈকে পঢ়া-শুনা কৰাৰ পাছতেই বিদ্যালয় এৰিবলগীয়া হৈছিল। তেওঁৰ বিবাহ হয় গোৱালপাৰাৰ ঠাকুৰভিলা গাঁৱৰ এগৰাকী কৃষকৰ সৈতে।

সৰুৰেপৰা বিভিন্ন সামাজিক কাম-কাজত জড়িত থাকি তেওঁ ভাল পাইছিল। ২০০০ চনৰ পৰাই তেওঁ সমাজত প্ৰচলিত ডাইনী প্ৰথাৰ বিৰুদ্ধে সৰব হৈ উঠিছিল। প্ৰথমতে গোৱালপাৰা জিলাত ডাইনী হত্যাৰ বিৰুদ্ধে জনসচেতনতা আনিবলৈ চেষ্টা কৰি যোৱা দুটা দশক ধৰি তেওঁ এই অন্ধবিশ্বাস আঁতৰ কৰিবলৈ সংগ্ৰাম কৰি আছিছে। ১৯৮৫ চনত তেওঁ ঠাকুৰভিলা মহিলা সমিতিৰ সম্পাদিকা হিচাপে দায়িত্ব গ্ৰহণ কৰে। তাৰ পিছত তেওঁ বিভিন্ন গাঁৱে-ভূঞে গৈ ডাইনী হত্যাৰ দৰে অন্ধবিশ্বাস সমূহৰ বিষয়ে মানুহক সচেতন কৰিবলৈ চেষ্টা কৰি আহিছে। ২০০৬ চনত তেওঁ অসম মহিলা সমিতিৰ সন্দৰ্ভত চেষ্টা চলাই থকা বিভাগত যোগ দিয়ে। বৰ্তমানলৈকে বিৰুৱালা ৰাভাই প্ৰায় ৩৪ গৰাকী লোকৰ প্ৰাণ ৰক্ষা কৰিছে। ২০১১ চনত ডাইনী হত্যাৰ বিৰুদ্ধে তেওঁ গোৱালপাৰা জিলাত মিছন বিৰুৱালা আৰম্ভ কৰিছিল। ২০১২ চনৰ ৩০ অক্টোবৰত এই মিছনক ৰাজ্যিক অভিযান হিচাপে স্বীকৃতি দিয়া হয়। ২০১১ চনত সৰ্বেশ্বৰ দত্ত সোঁৱৰণী বঁটা লাভ কৰিছিল।

প্ৰায়ে বাতৰি কাকত-পত্ৰে সংবাদ মাধ্যমৰ যোগেদি এনেধৰণৰ লোমহৰ্ষক হত্যাকাণ্ডৰ কথা পঢ়িবলৈ পোৱা যায়। এনে অন্ধবিশ্বাসী লোকে সমাজত বৃহৎ ক্ষতি কৰে। এনেবিলাক ঘটনা সংঘটিত হৈছে একমাত্ৰ শিক্ষাৰ অভাৱৰ কাৰণে। যেতিয়ালৈকে সু-শিক্ষাৰে লোকসকল শিক্ষিত নহয় তেতিয়ালৈকে এনে অত্যাচাৰ, নিৰ্যাতন আৰু লোমহৰ্ষক হত্যাকাণ্ড সংঘটিত হৈ থাকিব। সমগ্ৰ অসমতে প্ৰায় সমাজতে ডাইনী হত্যা, ধৰ্ষণ, লুণ্ঠণ, অপহৰণ, ধনদাবী, মাদক দ্ৰব্য গ্ৰহণৰ বিৰুদ্ধে সজাগতামূলক কাৰ্য্যসূচী লৈ এইবিলাকৰ বিৰোধিতা কৰা দেখা যায়। এনে সজাগতা সচেতনতাৰ ক্ষেত্ৰত বহুতো লোক পিছপৰি থকা দেখা যায়। এইবিলাক অন্ধবিশ্বাস, কু-সংস্কাৰ দূৰ কৰিব পাৰিলেহে সমাজখন সৰ্বদিশত আগুৱাই যাব পাৰিব। সমাজখনত বুদ্ধিজীৱী, সচেতন ব্যক্তি, বিভিন্ন দল, সংগঠন, শিক্ষিত যুৱক-যুৱতীসকলে ব্যক্তিকেন্দ্ৰিক স্বাৰ্থ ত্যাগ কৰি দূৰদৰ্শী হৈ সমাজখনৰ পৰা এইবিলাক অন্ধবিশ্বাস গুৰিৰ পৰা আঁতৰ কৰাৰ প্ৰয়াস কৰা উচিত। তেতিয়াহে অদূৰ ভৰিষ্যতে স্বচ্ছ, নিকা, সুস্থ, সবল সমাজ এখন পাব পৰা যাব।






এখন কিতাপ নষ্ট কৰা আৰু এজন মানুহক হত্যা কৰা একেই কথা — *মিল্টন*

আত্মনিন্দা কৰিব জানিলে পৰনিন্দা পাকত নপৰে — *স্বামী বিবেকানন্দ*

ড্ৰাগছ এক ভয়াবহ ব্যাধি




বিশ্ব প্ৰতাপ ৰায়
তৃতীয় ষান্মাসিক
বিজ্ঞান শাখা

ড্ৰাগছ! বৰ্তমান সমাজৰ এক ভয়াবহ ব্যাধি। এক উচ্ছৃংখলিত সমাজৰ প্ৰতীকস্বৰূপ। কেৱল ড্ৰাগছেই নহয় বৰ্তমান সমাজত নিচাযুক্ত দ্ৰব্য আৰু সেৱকৰ সংখ্যা দিনক দিনে বৃদ্ধি পাব ধৰিছে। এইসমূহে গোটেই সমাজখনক এক ধ্বংসৰ গৰাহত মেলি দিছে। প্ৰতিটো সমস্যাৰে কিছু নিৰ্দ্দিষ্ট কাৰণ থাকে। সেই কাৰণসমূহ দকৈ অনুধাৱন কৰি এই ভয়াবহ ব্যাধিৰ বিৰুদ্ধে আমি একগোট হৈ যুজাৰ সময় বৰ্তমান সময়ত আহি পৰিছে।

সমাজ গতিশীল, পৰিবৰ্তনশীল আৰু এই পৰিৱৰ্তনৰ ধামখুমীয়াই সমাজত এক প্ৰতিযোগিতামূলক পৰিৱেশৰ সৃষ্টি কৰিছে। প্ৰতিযোগিতাৰ মনোভাৱ ইমানেই গাঢ় হৈ উঠিছে যে প্ৰত্যেক চাম মানুহেই নিজৰ সফলতাৰ পিছত দৌৰিবলগীয়া হৈছে। আৰু ইয়াৰ মাজতে আহি পৰিছে নিচাসক্ত দ্ৰব্যসমূহ। যিসমূহে মানুহক বহু পৰিমাণে জাগ্ৰত কৰি তোলে। আৰু যাৰ বাবে এই সমূহৰ প্ৰচলন অধিক ব্যাপকভাৱে হৈ পৰিছে। যিটো বৰ্তমান সময়ৰ যথেষ্ট চিন্তাৰ বিষয় কাৰণ এই দ্ৰব্যবিধৰ প্ৰচলনত বহুলভাৱে প্ৰভাবিত হৈ পৰিছে সমাজৰ যুৱচাম। সমাজৰ যুৱসমাজ বৰ্তমানে ড্ৰাগচৰ কৰাল গ্ৰাসত এনেদৰে সোমাই পৰিছে যে ইয়াৰ পৰা ওলাই অহাটো অসম্ভৱৰ দৰে হৈ পৰিছে। তথাকথিত সভ্য সমাজখনত স্কুলৰ দিনৰে পৰাই বহু যুৱক-যুৱতীৰ ভৱিষ্যত অন্ধকাৰৰ ফালে গতি কৰিছে। গুটখা, ধপাত, ছিগাৰেট তেওঁলোকৰ বাবে সংগীৰ দৰে হৈ পৰিছে। লগৰীয়াৰ প্ৰৰোচনাত তথা সমাজৰ তথাকথিত ধামখুমীয়াৰ মাজত পৰি বহু ফুল কলিতে মৰহি যাবলগীয়া পৰিস্থিতি হৈছে। কিন্তু ইয়াৰ বাবে জগৰীয়া কোন? আমাৰ সমাজ ব্যৱস্থা, নে অন্য কিবা? সমাজ পৰিৱৰ্তনৰ ফলত মানুহৰ ব্যস্ততাই চৰমসীমা পাইছে। বৰ্তমানে অভিভাৱকেও নিজৰ সন্তানৰ প্ৰতি গুৰুত্ব কমাই আনিছে। কিন্তু তেখেতসকলে যদি নিজৰ সন্তানৰ ওপৰত চকু ৰাখি নিজ নিজ সন্তানক অধ্যয়ন কৰে, তেন্তে অন্ধকাৰৰ পৰা বহু যুৱক-যুৱতী মুক্ত হৈ আহিব। বয়সন্ধিৰ সময়তে বহু কিশোৰ-কিশোৰী অন্ধকাৰৰ দিশে গতি কৰে, এই সময়খিনিত যদি অভিভাৱকে চকু দিয়ে তেন্তে এই ব্যাধি কিছু দূৰ হ'লেও সমাজৰ পৰা বিলুপ্ত হ'ব।

আমাৰ সমাজত মূলতঃ বয়সন্ধিৰ কাল অৰ্থাৎ ১২ ৰ পৰা ১৮ বছৰ বয়সৰ কিশোৰ-কিশোৰীৰ মাজত নিচাযুক্ত দ্ৰব্যৰ প্ৰভাৱ বেছিকৈ দেখিব পোৱা যায়। অসম তথা উত্তৰ-পূব ভাৰতো এই নিচাযুক্ত দ্ৰব্যৰ কৰাল গ্ৰাসত সোমাই পৰিছে। বিশেষকৈ মহানগৰ, নগৰীয়া অঞ্চলসমূহত ইয়াৰ প্ৰাৰ্দুভাৱ প্ৰখৰ হৈ আহিছে। এটা ব্যক্তিগত সংস্থাই যোগোৱা প্ৰতিবেদন অনুসৰি অসমৰ গ্ৰামাঞ্চল সমূহতকৈ চহৰাঞ্চলৰ যুৱক-যুৱতীৰ ড্ৰাগছৰ প্ৰতি আসক্তি বেছি। বৰ্তমান কেৱল অসমতেই নহয় বিশ্বৰ প্ৰতিটো ঠাইতে Counselling Centre ৰ ব্যৱস্থা দেখিব পোৱা গৈছে। কিয়নো মানসিক সান্ত্বনা তথা পৰামৰ্শই এজন আসক্তক বহু পৰিমাণে নিজৰ পৰা আঁতৰি থাকিবলৈ প্ৰেৰণা যোগায়। অসমতো বহু কেইখন Counselling Centre ইতিমধ্যে স্থাপন হৈছে যাৰ প্ৰধান উদ্দেশ্যই হৈছে এখন নিচামুক্ত সমাজ।




চৰিত্ৰ গঠনেই শিক্ষাৰ অন্তিম লক্ষ্য — *বিবেকানন্দ*

ভাৰতীয় সমাজ ব্যৱস্থাত নাৰীৰ স্থান

— নমিতা দলে
স্নাতক পঞ্চম ষান্মাসিক
কলা শাখা

এখন দেশ তেতিয়াহে প্ৰগতিশীল হ'ব যেতিয়া সেই দেশৰ পুৰুষ আৰু মহিলাৰ স্থান সমান হ'ব। কাৰণ কোনো এখন সমাজত কেৱল পুৰুষ বা মহিলাই এখন পৰিপূৰ্ণ সমাজৰ সৃষ্টি কৰিব নোৱাৰে। এখন পৰিপূৰ্ণ সমাজ গঠনৰ বাবে উভয় পক্ষৰ উপস্থিতি এক অনিবাৰ্য বিষয়। কিন্তু সকলো সময়তে মহিলাসকল সমাজত নিষ্পেষিত তথা অৱহেলিত হৈ আহিছে। কিন্তু আদিম যুগত নাৰীৰ স্থান আছিল উচ্চ, ব্ৰাহ্মণ সমাজত নাৰীক বিশেষকৈ কিশোৰীসকলক বৈদিক শিক্ষাৰে দীক্ষিত কৰাৰ ব্যৱস্থা আছিল। ঠিক তেনেদৰে ক্ষত্ৰিয় সমাজত কিশোৰীসকলকো ধনু-কাঁড়ৰ ব্যৱহাৰ শিকোৱা হৈছিল। কিন্তু লাহে লাহে নাৰীসকলৰ মাজৰ পৰা এই স্বাধীনতা খৰ্ব কৰাৰ লগতে তেওঁলোকৰ ওপৰত দমননীতি আৰম্ভ কৰা হ'ল। মধ্যযুগত ভাৰতবৰ্ষত হোৱা বিদেশী আক্ৰমণৰ ফলস্বৰূপে নাৰীসকল চাৰিবেৰৰ মাজত আ�ৰদ্ধ হ'বলৈ বাধ্য হৈ পৰে। মধ্যযুগৰে পৰা পুৰুষ প্ৰধান সমাজৰ ওচৰত নাৰীসকল নতশিৰ হ'বলৈ বাধ্য হ'ব লগা পৰিস্থিতিৰ সৃষ্টি হ'ল। সতীদাহ প্ৰথা, বাল্য বিবাহ আদিৰ দৰে নানা কু-সংস্কাৰে সমাজ ভৰি পৰিল। এইসমূহ প্ৰথাৰে বলি হ'ল কেৱল নাৰী সমাজ। কিন্তু এই উৎপীড়ন, এই কু-সংস্কাৰৰ মাজতো এনে কিছু নাৰী আছিল যিয়ে নিজৰ বিচক্ষণতাৰে সমাজত উজ্বলি উঠিল। ঊনবিংশ শতিকাৰ চতুৰ্থ দশক আছিল নাৰীৰ বাবে এক উল্লেখযোগ্য দশক। এই সময়তে ব্ৰিটিছসকলে নাৰী শিক্ষা প্ৰচাৰৰ ক্ষেত্ৰত যথেষ্ট আগভাগ লোৱা দেখা গৈছিল তথা বাল্য বিবাহ আদিৰ দৰে কু-সংস্কাৰ সমূহৰ বিৰোধিতা কৰা দেখা গৈছিল। তৎসত্ত্বেও এই কু-সংস্কাৰসমূহৰ নিৰ্মূল কৰাত তেওঁলোক খোজে প্ৰতি উজুটি খাব লগা হৈছিল। কাৰণ এই কু-সংস্কাৰৰ শিপাই ভাৰতীয় সমাজ জীৱনক এনেদৰে আছন্ন কৰি ৰাখিছিল যে ইয়াক উভালি অনাটো প্ৰায় কঠিন হৈ পৰিছিল।



বিংশ শতিকাৰ পৰা সমাজত নাৰীৰ স্বাধীনতাৰ ক্ষেত্ৰত এক প্ৰকাৰ জাগৰণৰ সৃষ্টি হৈছিল। এই জাগৰণৰ পৰিপ্ৰেক্ষিতত নাৰীয়ে শিক্ষাকে ধৰি সমাজৰ বহু ক্ষেত্ৰত আগুৱাই গৈছে। এনেদৰে আজিৰ একবিংশ শতিকাত নাৰীসকলে সকলো ক্ষেত্ৰতে ব্যুৎপত্তি অৰ্জন কৰিবলৈ সক্ষম হৈছে। কিন্তু আজিকোপতি ভাৰতৰ এনে বহু গ্ৰামাঞ্চল আছে য'ত আজিও নাৰীৰ স্থান যথেষ্ট নিম্ন। বাল্যবিবাহ,

আনে তোমাৰ বিষয়ে ভাল কথা কোৱাটো যদি তুমি বিচৰা তেন্তে নিজে নিজৰ বিষয়ে ভাল কথা
[illegible] নক'বা — *পাস্কেল*

সতীদাহ প্ৰথাৰ দৰে কু-সংস্কাৰৰ ক্ষেত্ৰত যদিও দেশৰ সমগ্ৰ সমাজে নিৰ্মূলৰ বাবে হুংকাৰ দি আহিছে তথাপিও আজিৰ তাৰিখতো ভিতৰুৱা গ্ৰামাঞ্চল সমূহত ইয়াৰ প্ৰচলন হৈ আহিছে। উল্লেখযোগ্য যে মহিলাসকলৰ অধিকাৰৰ প্ৰতি লক্ষ্য ৰাখি ১৯৭৫ চনত ইউনিচেফ'এ আন্তৰ্জাতিক নাৰী বৰ্ষ হিচাপে পালন কৰি আহিছে আৰু প্ৰত্যেক বছৰৰ ৮ মাৰ্চ তাৰিখটো আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস হিচাপে পালিত হৈ আহিছে।

আজিৰ কন্যা কাইলৈ দেশৰ ভৱিষ্যত প্ৰজন্মৰ জননী। এখন সুস্থ সমাজ তেতিয়াহে গঠন হ'ব যেতিয়া সমাজৰ প্ৰতিটো পৰিয়াল সুস্থ হ'ব আৰু এই সুস্থ পৰিয়ালৰ আধাৰেই হ'ল নাৰী। নাৰী আৰু পুৰুষৰ উমৈহতীয়া প্ৰচেষ্টাতহে এক সুস্থ পৰিয়ালৰ জন্ম হ'ব পাৰে। বৰ্তমান সমাজত নাৰীয়ে সকলো ক্ষেত্ৰতে আগবাঢ়ি গৈছে। জল, স্থল সকলো ক্ষেত্ৰতে নাৰীৰ দখল উল্লেখনীয়। দেশৰ প্ৰতিৰক্ষা বিভাগতো আছে নাৰীৰ পাৰদৰ্শিতা। আজিৰ নাৰীয়ে সমাজক প্ৰতিনিধিত্ব কৰিছে। কিন্তু তাৰ মাজতো ক'ৰবাত হয়তো ৰৈ গৈছে কিছু আসোঁৱাহ। কাৰণ সমাজ ব্যৱস্থাত নাৰীসকল আজিৰ তাৰিখত কিমান সুৰক্ষিত সেয়া সকলোৰে বাবে বোধগম্যৰ বিষয়। আজিৰ তাৰিখত ধৰ্ষণ, বলাৎকাৰৰ দৰে ঘৃণনীয় পৰিঘটনা ঘটিব ধৰিছে। যদিও উচ্চতম ন্যায়ালয়ে যৌতুক দাবী কৰা অপৰাধ বুলি ঘোষণা কৰিছে তথাপিও আজিৰ তাৰিখত বহু নাৰী এই যৌতুকৰ বলি হৈ নিজৰ প্ৰাণ আহুতি দিব লগা হৈছে। আজিও সমাজৰ এচাম ব্যক্তিৰ বাবে কন্যা শিশুৰ প্ৰতি ৰৈ গৈছে ঘৃণনীয়তা। এইচাম মানুহে কন্যা শিশুক এক বোজা বুলি ভবাৰ অৱকাশ থাকি গৈছে।

এই নেতিবাচক দিশসমূহক মচিমূৰ কৰিবৰ হ'লে আজিৰ নাৰী সমাজ একত্ৰিত হৈ শিক্ষাৰে শিক্ষিত হ'ব লাগিব। কাৰণ শিক্ষা হৈছে এক পাশুপত অস্ত্ৰ যি অস্ত্ৰই সমাজত থকা দৈত্যৰূপী মানৱক মচিমূৰ কৰিব পাৰে। নাৰীৰ ওপৰত চলা প্ৰতিটো নেতিবাচক দিশতে এক নিৰ্ভীক ভাৱে যুঁজাৰ সাহস নাৰী সকলৰ মাজত উদয় হ'ব লাগিব। আজি দেশৰ চৰকাৰ আৰু ন্যায়ালয়ে নাৰীসকলৰ বাবে যথেষ্ট আইন প্ৰৱৰ্তন কৰিছে। আশা কৰোঁ এইসমূহে নাৰীক সুস্থ-সবলভাবে জীয়াই থকাত সহায় কৰিব।



পৃথিৱীৰ আটাইতকৈ বেয়া কাম আনৰ সুনাম নষ্ট কৰা — *ৰামকৃষ্ণ পৰমহংস*

নিচাযুক্ত দ্ৰব্য আৰু সমাজ জীৱন

— বিকাশ শইকীয়া
পঞ্চম ষান্মাসিক
বিজ্ঞান শাখা

পৰিৱৰ্তনশীল সমাজত আজিৰ তাৰিখত সকলোতে এক নতুনত্বৰ ভাবধাৰা সৃষ্টি হৈছে। এই ভাবধাৰাৰ মাজত সোমাই পৰিছে অঘোষিত প্ৰতিযোগিতা। কিবা নতুনত্বৰ প্ৰতিযোগিতা সমূহ পূৰণ কৰিবলৈ গৈ কিছুলোকে নিচাযুক্ত দ্ৰব্যৰ আশ্ৰয় লোৱা দেখিব পোৱা যায়। বিশেষকৈ নৱ প্ৰজন্মৰ মাজত এই নিচাযুক্ত দ্ৰব্য সমূহে একপ্ৰকাৰ প্ৰভুত্ব বিস্তাৰ কৰা দেখা যায়। ভিন্ন প্ৰতিযোগিতাৰ বাবেই হওক বা পাকচক্ৰত পৰিয়েই হওক আজিৰ যুৱপ্ৰজন্ম নিচাসক্ত হৈ পৰা দেখা গৈছে।

বৰ্তমান নিচাযুক্ত দ্ৰব্য সেৱন বিশ্বৰ এক অন্যতম সমস্যা হিচাপে পৰিগণিত হোৱা দেখা হৈছে। যুৱ প্ৰজন্মৰ মাজত বিশেষকৈ বিদ্যালয়, মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে ইয়াক অভূতপূৰ্ব হাৰত আকোঁৱালি লোৱা দেখা গৈছে। পশ্চিমীয়া সমাজৰ পৰা প্ৰসাৰণ ঘটি আজি সমগ্ৰ ভাৰতবৰ্ষ জুৰি এই নিচাসক্ত দ্ৰব্যই এক মহামাৰী ৰূপ ধাৰণ কৰা দেখা গৈছে। এই নিচাযুক্ত দ্ৰব্য সমূহক প্ৰধানতঃ দুটা ভাগত ভগাব পাৰি --

১) মনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰা দ্ৰব্য যেনে -- গাঞ্জা, ভাং ইত্যাদি।

২) শৰীৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰা দ্ৰব্য যেনে -- হিৰইন, কোকেইন ইত্যাদি।


এইসমূহ দ্ৰব্যই মানুহৰ শৰীৰ আৰু মনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাৰ ফলত এই দ্ৰব্য সমূহক স্বীকাৰ কৰি ল'বলৈ মানুহ বাধ্য হৈ পৰে। এনেকৈয়ে এজন ব্যক্তি এই দ্ৰব্যক সেৱন কৰি নিজকে বিপদৰ মাজলৈ ঠেলি দিবলৈ বাধ্য হৈ পৰিব লগা হয়। এই নিচাযুক্ত দ্ৰব্যৰ আন এটা বিপদজনক প্ৰভাৱ এয়াই যে এইসমূহে শৰীৰ আৰু মনক দুৰ্বল কৰাৰ উপৰিও নিত্য সেৱনৰ সুবিধা নাপালে সেই ব্যক্তিজনক অসহ্য পীড়া, ছটফটনিৰ মাজলৈ ঠেলি দিয়ে। ফলত ব্যক্তিজন এই পীড়াক নিৰ্মূল কৰাৰ উদ্দেশ্যে এই পদাৰ্থসমূহ সেৱন কৰিবলৈ বাধ্য হৈ পৰে। এই পদাৰ্থসমূহে কম সময়ৰ বাবে হ'লেও মনক উৎফুল্লিত তথা শৰীৰ সক্ৰিয় কৰি তোলে, কিন্তু ই মানুহক মৃত্যুৰ মুখলৈ তিল তিলকৈ ঠেলি দিয়ে।

এই দ্ৰব্যসমূহৰ চিকাৰ কেৱল যুৱ প্ৰজন্মই হৈ আহিছে তেনে নহয়, আজিৰ সমাজত প্ৰাপ্তবয়স্ক, স্ত্ৰী-পুৰুষ এই সকলো সমানেই এই দ্ৰব্যসমূহৰ পাকচক্ৰত পৰা দেখা গৈছে। কিন্তু যুৱ প্ৰজন্মৰ সংখ্যা পৰিসীমিতভাৱে দেখিব পোৱা যায়। ইয়াৰ কাৰণ কেইবাটাও, বৰ্তমান যুগত অভিভাৱক সকলৰ সময় যথেষ্ট সীমিত, কাৰণ বৰ্তমান প্ৰতিযোগিতাৰ যুগ। এই প্ৰতিযোগিতাৰ মাজত নিজকে সমৰ্পণ কৰাৰ ফলত সন্তানৰ বাবে সময় হৈ পৰিছে সীমিত। আৰু তাৰেই সুবিধা গ্ৰহণ কৰিছে এই দ্ৰব্যসমূহে। আজিৰ প্ৰজন্ম নানা সমস্যাৰ সন্মুখীন হোৱা দেখিবলৈ পোৱা গৈছে, কিন্তু এই সমস্যাসমূহ আলোচনা বা সমাধানৰ বাবে তেওঁলোকৰ কাষত অভিভাৱক নথকাৰ ফলত বহুতো শিশু, কিশোৰ বা কিশোৰীয়ে এই নিচাযুক্ত দ্ৰব্যৰ আশ্ৰয় ল'বলৈ বাধ্য হৈ পৰিছে। তাৰ ফলত সৃষ্টি হৈছে আন এক মহামাৰী।

নিচাযুক্ত দ্ৰব্য বৰ্জনৰ প্ৰতি আজিৰ সময়ত বহুতো সজাগতা সৃষ্টি হৈছে আৰু এই বিষয়ে চৰকাৰে পদক্ষেপ লোৱা দেখা পোৱা গৈছে। কিন্তু এইসমূহ পদক্ষেপ তেতিয়াহে ফলপ্ৰসূ হ'ব যেতিয়া আসক্ত ব্যক্তিয়ে নিজকে সজাগ কৰি তুলিব। এজন নিচাসক্ত ব্যক্তিৰ বাবে এইসমূহ বৰ্জন কৰাটো যথেষ্ট কঠিন। কিন্তু নিজৰ সদিচ্ছা থাকিলে এইসমূহক বৰ্জন কৰিব পৰা যায়। আমাৰ দেশৰ উচ্চতম ন্যায়ালয়েও এই নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে কঠোৰ আইন হাতত লৈছে আৰু এই সমূহৰ লগত জড়িত ব্যক্তিক কঠোৰৰ পৰা কঠোৰ শাস্তিৰ ব্যৱস্থা কৰা দেখা গৈছে। কিন্তু আজিও সমাজৰ এচাম ব্যক্তিয়ে আইনৰ চকুত ধূলি দি মুক্তভাৱে এই দ্ৰব্য সমূহৰ সৰবৰাহ কৰি থকা দেখা গৈছে। এচাম অসাধু ব্যৱসায়ীয়েও নিজৰ মুনাফাৰ বাবে আজিও বৰ্জনীয় দ্ৰব্য সমূহক চৰকাৰ বা আইনৰ চকুত ধূলি দি বিক্ৰী কৰি থকা দেখা গৈছে। এখন নিচামুক্ত সমাজ গঢ়িবৰ হ'লে প্ৰত্যেক ব্যক্তিয়ে আগবাঢ়ি আহিব লাগিব। যদি একত্ৰিতভাৱে এই যুদ্ধত অৱতীৰ্ণ হোৱা যায় তেন্তে নিশ্চিতভাৱে আমি এখন নিচামুক্ত সমাজ আশা কৰিব পাৰো।



কথা কমকৈ কৰা কাম বেছিকৈ কৰিবা — *চক্ৰেটিছ*



facebook যুৱ প্ৰজন্মলৈ ফেচবুকৰ ভাবুকি

অমৰ দীপ কৈৰী
বাণিজ্য শাখা
স্নাতক তৃতীয় ষান্মাসিক

আমি সকলো বৰ্তমান বিজ্ঞানৰ যুগত বাস কৰি আছো। গতিকে এই পৃথিৱীত বৰ্তমান যুগত বিজ্ঞান নাজানিলে নতুবা তাৰ প্ৰয়োগ নকৰাকৈ চলিব নোৱাৰি। বৰ্তমান মানৱ জীৱনৰ পদে পদে বিজ্ঞান আৰু বিজ্ঞানৰ আহিলাপাতিৰ প্ৰয়োজন হৈছে আৰু সকলোৱে তাক নিষ্ঠা সহকাৰে গ্ৰহণ কৰিছে। মানুহ সমাজ প্ৰিয় জীৱ আৰু এক সমাজত ইজনে-সিজনৰ লগত বন্ধুত্ব ভাৱেৰে থাকে। আনহাতে দূৰ-দূৰণিত থকা লোকৰ লগতো বন্ধুত্ব স্থাপন কৰিবলৈ চেষ্টা কৰে। দূৰৈত থকা লোকৰ লগত আত্মীয়তা বজাই ৰাখিবলৈ আগতে মানুহে চিঠি ব্যৱহাৰ কৰিছিল। এই চিঠি পোৱা আৰু উত্তৰ লিখি পঠিওৱাত অপাৰ আনন্দ লভিছিল। কিন্তু বৰ্তমান টেলিফোন, দূৰদৰ্শন, কম্পিউটাৰ আদিয়ে এই চিঠিক সামৰণিৰ পথলৈ ঠেলি নিছে। ইয়াৰ ভিতৰত বিজ্ঞানৰ আৱিষ্কৃত আৰু বন্ধুত্ব স্থাপন সহজ মাধ্যম হিচাপে মানুহৰ মাজলৈ 'ফেচবুক' অধিক গুৰুত্ব লাভ কৰিছে।

বিজ্ঞানৰ এই অদ্ভুত প্ৰক্ৰিয়াৰ দ্বাৰা পৃথিৱীৰ এটা কোণৰ পৰা আন এটা কোণত থকা মানুহৰ মাজত তেওঁৰ প্ৰতিচ্ছবিসহ সম্পৰ্ক স্থাপন কৰিব পাৰি। আনহাতে ইয়াত নিজৰ উত্তৰৰ বাবে অধিক দিনলৈ অপেক্ষা কৰাৰো প্ৰয়োজন নহয়। এজনে আনজনৰ লগত চেহেৰাসহ সম্পৰ্ক স্থাপনৰ সুবিধা থকাৰ বাবে হয়তো ইয়াক 'ফেচবুক' নাম দিয়া হৈছে।

ফেচবুকত ইমান গুণ থকাৰ বাবেও যে ই মানৱৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। বৰ্তমান 'ফেচবুকে' অধিকাংশ লোকক এনেদৰে আকোঁৱালি ধৰিছে যে তাক এৰুৱাই চলা তেনে সহজ নহয়। আখৰৰ কিছু জ্ঞান নাইবা আখৰ পঢ়িব নজনা সকলেও অইনৰ সহায়ত 'ফেচবুক'ৰ ক্ৰিয়া সম্পাদন কৰিবলৈ শিকি এক মহান পণ্ডিত বুলি দেখাব বিচাৰিছে। আনহাতে বন্ধুত্ব স্থাপনৰ নামত মানুহে 'ফেচবুক'ত এনেদৰে ব্যস্ত হৈ পৰিছে যে তেওঁৰ ওচৰত থকা বন্ধু-বান্ধৱলৈ সহাঁৰি জনাবলৈ যেন সময় মুঠেই নাই। ছাত্ৰ-ছাত্ৰীও হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ কৰি মহাবিদ্যালয়ত নাম ভৰ্ত্তিৰ প্ৰাক মুহূৰ্ত্ততে এটা দামী মোবাইল কিনাৰ বাবে খাটনি ধৰিছে আৰু মোবাইল ফোন পোৱাৰ পিছতে তেওঁলোকো ফেচবুকৰ সদস্য হৈ নিজৰ অধ্যয়নৰ অতি মূল্যৱান সময়ৰ ক্ষতি কৰিছে। বৰ্তমান কলেজত পাঠদান চলি থকাৰ সময়ত শ্ৰেণীকোঠাৰ প্ৰথম বেঞ্চ খালী থকা সত্ত্বেও আওকাণ কৰি শেষৰ বেঞ্চত বহি শিক্ষককলৈ মনোযোগ নিদি ফেচবুকত বন্ধুৰ সৈতে ব্যস্ত হৈ থাকে। যদি কেনেবাকৈ শিক্ষকে গম পাই কি কৰিছে বুলি সোধাত একো নাই বুলি শিক্ষককে উভতি ধৰে। আনহাতে তেওঁলোকৰ সহপাঠী এজনে আগত বহাৰ কথা উলিয়ালেও সিজন অধিক পঢ়াত মন দিয়া বুলি ঠাট্টা কৰে।

ফেচবুকত বন্ধুত্ব কৰাৰ লগে লগে বহুদিন ধৰি নিজ চকুৰ ওচৰত থকা বন্ধু শত্ৰুৰ দৰে হৈ পৰে। কিন্তু ফেচবুকত থকা বন্ধুজনলৈহে অধিক মনোযোগ। সেই বন্ধুজনৰ লগত সংলাপ কৰোতে পঢ়া সময়ত পঢ়া নহলেও কোনো দোষ নাথাকে। তেওঁলোকে এজন বন্ধু আন বন্ধুৰ সৈতে ইমান ব্যস্ত থাকে যে কাহিলী পুৱাৰ পৰা আৰম্ভ কৰি দোভাগ ৰাতি পৰ্যন্ত ম'বাইল ফোন নেৰা হয়।

সাম্প্ৰতিক সমাজত ফেচবুকে সকলোকে নিজ কৰ্ম আৰু আচৰণৰ পৰা আতঁৰাই ৰাখি বন্ধুতৰ নামত এজনে আনজনক পাহৰি পেলোৱাৰ উপক্ৰম কৰি দিছে। ফেচবুকত ভাল দিশৰ পৰিৱৰ্তে বেয়া আৰু অলাগতিয়াল দিশহে বেছি পৰিলক্ষিত হৈছে। ইয়াত হয়তো বহুত লাগতিয়াল তথ্য সংগ্ৰহৰ সুবিধা আছে। কিন্তু এইটো এপাচি শাকত এটা জালুকৰ দৰে ফেচবুক চলোৱা কেইজনমান মানুহে তথ্য সংগ্ৰহ আদিৰ দৰে লাভদায়ক কাম কৰে আৰু বাকী সকলে বন্ধুৰ লগত এনেয়ে কথা পাতি সময়, ধন দুয়োটাকে অবাবত নষ্ট কৰে। ফেচবুকৰ জৰিয়তে সাম্প্ৰতিক সমাজৰ যুৱচাম বহুতো অপৰাধজনিত কাৰ্যত লিপ্ত হৈ পৰিছে। ইয়াৰ ফলত অদূৰ ভৰিষ্যতে এক বিশৃংখলতাৰ পৰিস্থিতিৰ আহি পৰিছে। এই ক্ষেত্ৰত পিতৃ-মাতৃ আৰু শিক্ষিত সমাজে সু-শিক্ষাৰে উচিত পথত ধাৰমান হোৱাত গুৰুত্ব দিয়া উচিত।

পাখি লগা সময়বোৰ অৱাবত নকটাবা। এবাৰ পাব হৈ গ'লে তাক সোণেৰেও ক্ৰয় কৰিব নোৱাৰা — *ড° এ, পি, জে আব্দুল কালাম*



শৈক্ষিক উন্নয়ণত সমাজৰ ভূমিকা

— ড° ৰুণুমা শৰ্মা
প্ৰাক্তন মূৰব্বী অধ্যাপিকা
শিক্ষাতত্ব বিভাগ

শিক্ষাৰ বিকাশৰ লগত যে সমাজৰ দায়বদ্ধতা আছে, এই কথা সকলোৰে বিদিত। এখন দেশ জীয়াই থাকিবলৈ হ'লে, সেই দেশৰ বিভিন্ন জাতি-উপজাতি, ভাষা-উপভাষা, কৃষ্টি-সংস্কৃতি, ধৰ্ম, ৰীতি-নীতিৰ মাজত ঐক্য আৰু সংহতি একান্তই প্ৰয়োজন। কাৰণ ঐক্য আৰু সংহতিৰ অবিহনে কোনো জাতি মহৎ আৰু শক্তিশালী হ'ব নোৱাৰে আৰু এটা জাতি গঠনত শিক্ষাৰ যে অপৰিসীম প্ৰভাৱ আছে সেই কথা দোহাৰিবৰ প্ৰয়োজন নাই। বিভিন্ন জাতি-উপজাতি, ভাষা, সংস্কৃতি, ধৰ্ম মানৱগোষ্ঠীৰ ভিতৰত এক জাতি, এক প্ৰাণ, এই ভাব দৃঢ়তৰ কৰি তোলাত শিক্ষাই উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। কাৰণ বাহুবল আৰু অস্ত্ৰবলেৰে মানুহৰ বাহ্যিক আচৰণহে নিয়ন্ত্ৰণ কৰিব পাৰি, তাৰ দ্বাৰা প্ৰকৃতাৰ্থত শিক্ষাৰ উন্নয়ণ নহয়। মানসিক সংগঠন, ধ্যান-ধাৰণা, বিশ্বাস, মনোভাব ইত্যাদিক বাঞ্ছনীয় ৰূপদান কৰি এক শক্তিশালী জাতিক গঢ় দিয়া কাৰ্য্যত প্ৰকৃত পক্ষে শিক্ষাৰহে প্ৰয়োজন সকলোতকৈ বেছি। শিক্ষাৰ দ্বাৰা বিভিন্ন ব্যক্তিৰ ভিতৰত আত্মীয়তা, ঐক্য, সমন্বয় সৃষ্টি কৰিব পাৰিলেহে দেশৰ প্ৰগতি আশা কৰিব পাৰি। বিভিন্ন ভাষা, ধৰ্ম, সম্প্ৰদায়, বিশ্বাসৰ প্ৰবল বৈষম্যৰে ভৰা আমাৰ দেশ। ভাৰতবৰ্ষত সমাজৰ বিশেষ ভূমিকা অবিহনে শিক্ষাৰ উন্নতি আশাদায়ক নহয়। ফলত দেশৰ প্ৰগতিতো অন্তৰায়ৰ সৃষ্টি হয়।

শিক্ষা শব্দটোৰ তাৎপর্য্য বৰ বহল। শিক্ষা কেৱল বিদ্যালয়, মহাবিদ্যালয় বা অন্য শিক্ষানুষ্ঠান শিক্ষকে শিক্ষার্থীক দান কৰা ব্যৱস্থাতে সীমাবদ্ধ নহয়। কোনো ধৰণৰ শিক্ষানুষ্ঠানলৈ কাহানিও নোযোৱা মানুহো শিক্ষিত হ'ব পাৰে। শিক্ষানুষ্ঠানত উপস্থিত থকা সময়ৰ বাহিৰৰ সময়তো শিক্ষার্থীয়ে নানান দিশত শিক্ষা আহৰণ কৰিব পাৰে। দৰাচলতে জীৱন যাত্ৰাৰ প্ৰতি খোজতে লাভ কৰা প্ৰয়োজনীয় আটাইবিলাক অভিজ্ঞতাকে সামূহিকভাৱে শিক্ষা বুলি ক'ব পাৰি। সেয়েহে শৈক্ষিক উন্নয়ণত সমাজৰ গুৰুত্বপূর্ণ ভূমিকা সদায়েই মন কৰিবলগীয়া।

শিক্ষা আহৰণ কৰিব পাৰে। দৰাচলতে জীৱন যাত্ৰাৰ প্ৰতি খোজতে লাভ কৰা প্ৰয়োজনীয় আটাইবিলাক অভিজ্ঞতাকে সামূহিকভাৱে শিক্ষা বুলি ক'ব পাৰি। সেয়েহে শৈক্ষিক উন্নয়ণত সমাজৰ গুৰুত্বপূর্ণ ভূমিকা সদায়েই মন কৰিবলগীয়া।

শিক্ষা প্ৰথমে মুষ্টিমেয় বিশিষ্ট পৰিয়ালৰ মাজতে আৱদ্ধ আছিল। তাৰ পাছত শিক্ষাৰ দায়িত্ব ৰাষ্ট্ৰই ললে। ৰাষ্ট্ৰৰ পাছতে শিক্ষা উন্নয়ণৰ দায়িত্ব ৰাইজৰ অর্থাৎ সমাজৰ ওপৰত ন্যস্ত হ'ল। শেষত শিক্ষাক দেশৰ আর্থ সামাজিক বিকাশৰ এক প্ৰধান হেতু বুলি গণ্য কৰা হ'ল। যিহেতু দেশৰ সর্বাঙ্গীন উন্নতি শিক্ষাৰ ওপৰত নির্ভৰশীল, সেয়েহে সমাজৰ দায়িত্ব গধু�ৰ। সমাজৰ প্ৰতিজন ব্যক্তিয়ে শিক্ষাৰ উদ্দেশ্য, লক্ষ্য আদি বুজি উঠি নতুন প্ৰজন্মক শিক্ষিত কৰি তোলাত সহায় কৰিব পাৰে।

শিক্ষা হৈছে শিশুৰ জন্ম মুহূর্ত্তৰ পৰাই আৰম্ভ হৈ মৃত্যুৰ মুহূর্ত্তলৈকে অবিছিন্নভাৱে চলি থকা এক প্ৰক্ৰিয়া। সেইবাবে শিক্ষাৰ পৰিধি জীৱনৰ পৰিধিৰ সৈতে সমানেই ব্যাপক আৰু অস্পষ্ট। শিক্ষা আহৰণৰ ম্যাদ জীৱনৰ আগভাগতে পঢ়াশালিলৈ যোৱা কেৱল কেইটামান বছৰতে সীমাবদ্ধ নোহোৱাৰ বাবে সমাজৰ দায়বদ্ধতা অতি ব্যাপক। বিস্তৃত মানৱ জীৱনত পাই অহা অভিজ্ঞতাই আমাৰ ব্যৱহাৰ বা আচৰণৰ পৰিৱর্ত্তন আনে। আৰু আচৰণৰ পৰিৱর্ত্তনে বাস্তৱ সমস্যা সমাধানত সহায় কৰে।

কেতিয়াবা মাত্ৰ এটা মুহূর্ত্তৰ অন্তর্দৃষ্টি গোটেই জীৱনৰ অভিজ্ঞতাতকৈ বেছি মূল্যৱান হ'ব পাৰে — *অলিভাৰ ৱেণ্ডেল হোমছ*



শিক্ষা মানে হৈছে অভিজ্ঞতা আৰু আমাৰ আটাইবিলাক অভিজ্ঞতা সামাজিক পৰিৱেশত সংগঠিত হয়। সেইবাবে ব্যাপক অর্থত শিক্ষাক এক সামাজিক প্রক্রিয়া বুলি ক'ব পাৰি। শিক্ষানুষ্ঠান, কর্মস্থান, পৰিয়াল, চিকিৎসালয়, হাট-বজাৰ সকলো সামাজিক স্থানতে ব্যক্তিৰ অভিজ্ঞতা লাভ হয়। সমাজ বর্হিভূত পৰিৱেশত শিক্ষালাভ প্রায় অসম্ভৱ।

প্রত্যেক সমাজৰ কিছুমান নির্দিষ্ট বৈশিষ্ট্য আছে। যি প্রক্রিয়াৰ দ্বাৰা এই বৈশিষ্ট্যসমূহ পুৰুষানুক্রমে সমাজত বর্তি থাকে তাকেই ব্যাপক অর্থত শিক্ষা বোলা হয়। সমাজ বুলিলে কেৱল ভৌগোলিক এক ভূমিখণ্ড বা কেৱল ঘৰ-দুৱাৰ আৰু তাত বাস কৰা ব্যক্তি সকলকেই নুবুজায়। কোনো জনগোষ্ঠীৰ মাজত প্রচলিত ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ঐতিহ্য, সংস্কৃতি, ভাব, ভাষা, সাহিত্য, কলা, বিশ্বাস, অন্ধবিশ্বাস, জ্ঞান কৌশল, চিন্তা, মনোভাৱ আদি সকলোবিলাক সামগ্রিক সংগঠনকে প্রকৃততে সমাজ বুলি কোৱা হয়। সমাজৰ ভাষা, সংস্কৃতি আৰু ঐতিহ্যৰ ভঁড়ালটো এটা পুৰুষৰ পৰা পিছৰ পুৰুষলৈ ক্রমাৎ বাগৰি আহি থকাকে শিক্ষা বুলিব পাৰি। নতুন পুৰুষক শিক্ষাৰ দ্বাৰা ভৱিষ্যতৰ সু-নাগৰিক বা এখন সুস্থ সর্বাঙ্গ সুন্দৰ দেশৰ বাবে সমাজখনৰ দায়িত্ব স্বীকাৰ কৰিবই লাগিব। কাৰণ এখন সুস্থ সমাজৰ সুস্থ বাতাবৰণতহে শিক্ষা প্রসাৰৰ আশা কৰিব পাৰি।

ভূমিষ্ঠ হোৱাৰ লগে লগেই নিজৰ দৈহিক নিৰাপত্তা বজাই ৰাখিবৰ কাৰণে কেঁচুৱাই আপ্রাণ চেষ্টা কৰে। এই চেষ্টাত যিহেতু মাতৃৰ সহায় অপৰিহার্য্য, সেইবাবে প্রথমৰ পৰাই কেঁচুৱাই মাকৰ লগত সম্বন্ধ স্থাপন কৰে। ইয়াৰ পৰাই কেঁচুৱাৰ সামাজিক জীৱনৰ আৰম্ভণি হয়।

সাধাৰণতে তিনিটা প্রক্রিয়াৰ দ্বাৰা শিক্ষা লাভ কৰিব পাৰি। যেনে -- আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু অনৌপচাৰিক। অনৌপচাৰিক প্রক্রিয়াতে সমাজ সোমাই আছে। সমাজ বুলি ক'লে প্রথমেই ঘৰখন। ঘৰখনৰ ভূমিকা শিক্ষা আহৰণৰ ক্ষেত্রত অতি গুৰুত্বপূর্ণ। ইয়াৰ পাছতেই আহে চুবুৰীৰ প্রভাৱ। চুবুৰীত বাস কৰা পৰিয়ালবিলাকৰ শৈক্ষিক, নৈতিক, অর্থনৈতিক আৰু সামাজিক স্থানৰ ওপৰত সেই চুবুৰীত বসবাস কৰা ল'ৰা-ছোৱালীৰ শিক্ষা বহু পৰিমাণে নির্ভৰ কৰে। গতিকে চুবুৰীৰ পৰিৱেশ ল'ৰা-ছোৱালীৰ শাৰীৰিক, মানসিক উন্নতিৰ বাবে অনুকূল হোৱা অতি প্রয়োজন। ধর্মীয় অনুষ্ঠান সমূহবো শৈক্ষিক উন্নতিত বহু বেছি অনুদান আছে। আগৰ দিনত এই অনুষ্ঠানসমূহেই শিক্ষাৰ প্রাণকেন্দ্র আছিল যদিও এতিয়াও তাৰ প্রভাৱ বিদ্যমান। সমাজৰ প্রত্যেক ব্যক্তিয়েই এই সমূহৰ পৰা বহুতো মূল্যবান আৰু স্থায়ী অভিজ্ঞতা লাভ কৰে। যাৰ প্রভাৱ সুদূৰ প্রসাৰী হয়। সংঘ, সমিতি আদি যি সমাজত থাকে, সেই সমূহবো শিক্ষাৰ যি সমাজত থাকে, সেই সমূহবো শিক্ষাৰ উন্নতিত যথেষ্ট অবিহণা আছে। এই বিলাকৰ পৰা ব্যক্তিয়ে নতুন কথা শিকে, নতুন দৃষ্টিভঙ্গী গঢ়ি তুলিবলৈ সুবিধা পায় আৰু ব্যক্তি সমাজপ্রিয় হয়। শিক্ষাৰ ক্ষেত্রত ইও অতি গুৰুত্বপূর্ণ কথা। সমাজত প্রচলিত জন-সংযোগৰ মাধ্যম, যেনে – বাতৰি কাকত, আলোচনী, ৰেডিঅ', টেলিভিচন, চলচিত্র, তথ্যচিত্র আদিৰ শিক্ষাৰ উন্নয়ণৰ ওপৰত পৰা শক্তিশালী প্রভাৱৰ কথা আমি সকলোৱে জানো।

সৰু ল'ৰা-ছোৱালীবোৰ বৰ অনুকৰণপ্রিয়। তেওঁলোকে বহুত কথা ডাঙৰৰ পৰা শিকে আৰু তাৰ জৰিয়তে সামাজিক নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ, সামাজিক মানদণ্ড আদি আয়ত্ব কৰে। সেয়েহে সমাজৰ অগ্রজ সকল সদায়েই সজাগ হোৱা উচিত, যাতে অনুজ সকলৰ সুস্থ মানসিক, শাৰীৰিক, আধ্যাত্মিক আদি গুণসমূহ সম্পূর্ণকৈ বিকাশ হ'ব পাৰে।

মুঠতে আমি ক'ব পাৰো যে শিক্ষাৰ উন্নয়ণৰ ক্ষেত্রত সমাজৰ দায়বদ্ধতা আটাইতকৈ বেছি। শিক্ষাই এখন দেশ বা ৰাষ্ট্রৰ প্রগতিৰ মূল। এখন সুস্থ সমাজতহে সম্পূর্ণ শিক্ষা আশা কৰিব পাৰি। আমাৰ ভাৰতবর্ষত এতিয়াও শিক্ষাৰ প্রভাৱ আশা কৰা ধৰণে পোৱা নাই বুলিব পাৰি। ইয়াৰ কাৰণ জনসংখ্যা বিস্ফোৰণ। দ্রুত গতিত বৃদ্ধি পাই অহা জনসংখ্যাই শিক্ষাৰ ক্ষেত্রত অন্তৰায়ৰ সৃষ্টি কৰিছে। জনজাতি এলেকা, চাহ বাগিছা সমূহৰ এলেকা আৰু গাঁৱৰ ভিতৰুৱা অঞ্চলত সুন্দৰ পৰিকল্পিত সমাজ নোহোৱাৰ বাবে, এই অঞ্চলসমূহ শিক্ষাৰ ক্ষেত্রত পিচ পৰি থকা দেখা যায়। দুর্গম এলেকাসমূহতো যাতায়তৰ অসুবিধাৰ বাবে শিক্ষাত হেঙাৰৰ সৃষ্টি কৰিছে। সমাজৰ প্রত্যেক ব্যক্তিয়েই শিক্ষাৰ উদ্দেশ্য, লক্ষ্য আদি নুবুজিলে শিক্ষাৰ উন্নয়ণ কেতিয়াও আশা কৰিব নোৱাৰি। মানুহ সমাজ প্রিয়। সমাজ অবিহনে মানুহক চিন্তা কৰিব নোৱাৰাৰ দৰেই মানুহ অবিহনে সমাজৰ প্রশ্নই নুঠে। সমাজত বসবাস কৰা মানুহৰ সকলো সংস্কৃতি সমাজৰ যোগেদিয়েই এটা পুৰুষৰ পৰা আনটো পুৰুষলৈ বাগৰি আহে। আৰু এই বাগৰি অহা প্রক্রিয়াকে শিক্ষা বুলিব লাগে। শিক্ষা বাগৰি আহিবলৈকে সমাজ লাগে। যিদিনাই সমাজৰ ঐতিহ্য শিক্ষাৰ যোগেদি এনেদৰে বাগৰি আহিবলৈ অসমর্থ হ'ব, সেইদিনাই সেই সমাজৰ মৃত্যু ঘটিব। গতিকে সমাজ জীয়াই থাকিবলৈ শিক্ষাৰ প্রয়োজন আৰু শিক্ষাৰ উন্নয়ণত সমাজৰ দায়বদ্ধতা সকলোতকৈ বেছি।

মানুহে স্বাভাৱিক প্রৱণতা হেতুকে যে অন্যায়ক বেয়া পায় তেনে নহয়, অন্যায়ৰ ফলত ক্ষতি হ'ব বুলি আশংকা কৰিহে মানুহ অন্যায়ৰ বিৰুদ্ধে থিয় হয় — *লাৱেশফুঞ্চ*



বর্তমান ৰাজনীতি আৰু আমাৰ সমাজৰ শিক্ষার্থীসকল

— শামু কর্মকাৰ
তৃতীয় ষান্মাসিক
কলা শাখা

আমাৰ দেশ হ'ল জনসাধাৰণে প্রতিষ্ঠা কৰা এখন গণতান্ত্রিক দেশ। গতিকে এনে এখন দেশত দেশখনৰ ভাল-বেয়া নির্ভৰ কৰে দেশখনৰ নাগৰিকৰ ওপৰত। অর্থাৎ জনসাধাৰণৰ উচিত বিচাৰে দেশখনক ভাল আৰু শক্তিশালী কৰিব। আনহাতে অনুচিত বিচাৰে দেশখনক বেয়া আৰু দুর্বল কৰিব। গতিকে দেশৰ সকলো মানুহে ভোটদান কৰাটো আৱশ্যক। কিন্তু ১০০ শতাংশ মানুহৰ ভিতৰত বহুত মানুহে নাজানে যে ভোটৰ মূল্য বা কোনজন প্রার্থীক ভোট দিব লাগিব। গতিকে এনেবোৰ সমস্যাৰ সমাধান অঞ্চলে অঞ্চলে শিক্ষার্থীসকলে কৰিব লাগে। কাৰণ, শিক্ষার্থী হ'ল সমাজৰ এক গঠন, যি গঠনে সমাজক উন্নত বাটৰ তথা দেশ এখনক সুস্থ-সবল কৰি গঢ়ি তোলাত সহায় কৰে। ভাল-বেয়া, উচিত-অনুচিত আদিৰ বিচাৰ কৰি। সমাজৰ দুর্নীতি, বিভিন্ন ধৰণৰ সমস্যা যেনে ঃ আর্থিক, সামাজিক, ৰাজনৈতিক এই গোটেইবোৰ সমস্যা সমাধান কৰা হ'ল শিক্ষার্থীৰ দায়িত্ব।

কিন্তু বর্তমান যিসকল শিক্ষার্থী সেইসকলে সমাজৰ প্রতি চকু দিয়েনে? আচলতে আমাৰ সমাজৰ শিক্ষার্থীবোৰৰ এখন পৃথিৱী আৰু বয়সীয়াল বা যিবোৰ কর্মজীৱনত আছে তেওঁলোকৰ কাৰণে এখন বোলেগ পৃথিৱী যেন লাগে।

শিক্ষার্থীয়ে কেৱল শিক্ষা গ্রহণত লাগি আছে। এইটো হয় শিক্ষা গ্রহণ কৰিব লাগিব কিন্তু কেৱল শিক্ষাত ডুব গৈ থাকি আগে পাছে নাচালে ভাল হ'ব জানো?

গতিকে দেখা গৈছে যে সকলোৱে নিজৰ নিজৰ স্বার্থত জীয়াই আছে। কোনোৱে সমাজৰ কাৰণে চিন্তা কৰা নাই। ৫ বছৰৰ মূৰে মূৰে হৈ থকা বিধান সভাৰ নির্বাচনৰ যিবোৰ দল যোগদান কৰে, যেনে ঃ বি.জে.পি., এ.জি.পি., চি.পি.আই., কংগ্রেছ আৰু অন্যান্য দলৰ যিকোনো দলৰ পৰা মানুহ নিজৰ দলৰ ভাল গুণ গাই বেলেগ দলক বেয়া বুলি কয়। কিন্তু কোনটো দল আমাৰ দেশৰ জনসাধাৰণৰ বাবে উপযুক্ত। দলত জড়িত কোনজন ব্যক্তি উপযুক্ত, যাক ভৰসা কৰি ভোটদান কৰিম বহুতো মানুহে নাজানে। কেৱল ভোট দিব লাগে ভোট দি আছে। যদিও কিছুমানৰ উপযুক্ত প্রার্থীক চিনাক্ত কৰাৰ জ্ঞান নাই, কিন্তু আমাৰ শিক্ষিত শিক্ষার্থীসকল ক'ত গ'ল? শিক্ষার্থী তথা যুৱসকলে ভাল বেয়াৰ চিনাক্ত কৰাব লাগে।

শিক্ষার্থীসকলে নিজৰ মাজৰ এনেবোৰ কথাৰ আলোচনা নকৰি কেৱল নিজ স্বার্থ পূৰণৰ বাবে প্রার্থীৰ (দলৰ) পৰোক্ষভাৱে জড়িত হৈ নির্বাচনৰ কিছু কাম কৰে। ঠিক আছে নিজ স্বার্থ পূৰণ কৰিছে কিন্তু গাঁওবাসীসকল গাঁৱৰ লিখা-পঢ়া ল'ৰা-ছোৱালীৰ ওপৰতেহে ভৰসা কৰে। বর্তমান এশ শতাংশ মানুহৰ ভিতৰত বহুতো মানুহে জনসাধাৰণৰ বাবে উপযোগী আৰু ইহঁতে 'ভাগ্য' বোলা এটা অন্ধবিশ্বাসৰ ওপৰত থৈ ভোট দান কৰিছে। নাইবা চিহ্নৰ প্রতি আকর্ষিত হৈ ভোট দান কৰিবলৈ সাজু হৈছে।

গতিকে কি হ'ব, আমাৰ যুৱ তথা শিক্ষার্থীসকলে নিজৰ স্বার্থ পূৰণ কৰিবলৈ গৈ নিজৰ সর্বস্ব হেৰুৱাই পেলাইছে। এইটো হয় শিক্ষার্থীসকলৰ অর্থৰ প্রয়োজন আছে, কিন্তু নিজৰ বাবে অর্থ উপার্জনৰ বাবে, গোটেই জনসাধাৰণক শুদ্ধ পথ নেদেখুৱাটো উচিত হ'ব জানো!

এতিয়াৰ যি প্রজন্ম সেই সকলে প্রথমতে কাৰো মতামত, অন্য স্বার্থপৰ মানুহৰ মতামত নুশুনি নিজৰ আৰু যিসকল এই প্রজন্মৰ সমনীয়া সিহঁতৰ মাজত বিচাৰ-বিবেচনা কৰি এটা উপযুক্ত প্রার্থীক নির্ণয় কৰি তাৰ পাছতহে জনসাধাৰণক ভোট দানৰ বাবে সাজু কৰাব লাগে।

গতিকে আমি যিজন মানুহক গোটেই জনসাধাৰণৰ দায়িত্ব দিম সেইজনৰ বিষয়ে আৰু সেই ব্যক্তিজন যি দলত আছে আৰু তাত যোগদান কৰা সদস্যবোৰ কেনেকুৱা তাৰ বিষয়ে থুলমূলকৈ বাহ্যিক আৰু আভ্যন্তৰীণ কিছু কথা জানি লোৱাটো আমাৰ বাবে আৱশ্যক। গতিকে এনেবোৰ কথা বিচাৰ বিবেচনা কৰি ভোটদান কৰিলে আমাৰ সমাজৰ লগতে দেশখন এখন সুস্থ সবল আৰু কল্যাণকামী দেশত পৰিণত হ'ব।

ভাল কাম কৰিবলৈ অসাধাৰণ সুযোগ সুবিধা আহিব বুলি অপেক্ষা নকৰিবা সাধাৰণ অৱস্থাবেই সদ্ব্যৱহাৰ কৰা— *জাঁপল ছাত্র*



IMPACT OF MOBILE PHONES ON SOCIAL BEHAVIOUR AND CONCENTRATION OF STUDENTS — AN ANALYSIS OF ITS PERSPECTIVES

Dr. Kamalendu Saikia
Associate Professor
Dept. of Economic

Introduction

The cell phone is one of the most rapidly growing technologies in the world with more than six billion subscribers (UN Report: 2013). India is young. Nearly half of all Indians are under 30 years of age that is 550 million youth which is equivalent of Western Europe and the USA together. India appears to be in the forefront of the developing market for mobile phone (and data) services to young people. India is the fastest growing mobile subscribed base in the world with 950 million users. 81% of India uses mobile phone, 10% of India uses a smart phone where as 9% of India use a multimedia phone. Surveys and studies from a number of countries indicate that the use of mobile phones in young people is increasing rapidly and starting at a younger age. Almost half of the mobile internet users are between 18 and 25 years.

India's young people spent US $437-million on mobile telephone services in 2004 and US $856- million in 2005. And by 2007, this expenditure was almost triple to $ 2.5-billion. In India every household item is social. The Mobile is the only item which qualifies to become the first personal, protected and private item of possession. According to the International Journal of Applied Research on merit of mobile phone, the unprecedented growth of affordability and coverage of mobile telephony services and its increasing importance as a means of two way communications are responsible for the rapid expansion of mobile telephony all over the world.

Objectives of the study

The objectives of this paper are:

1. To explore the consumption patterns of cell phones of the students;
2. To explore whether the use of cell phone is affecting the social relationships of the students;
3. To explore whether the cell phone use is affecting the study habits and results of the students.
4. To explore whether the use of cell phone is affecting the sleeping habits of the students;
5. To explore whether the use of cell phone is affecting parental control.

Methodology

This Study uses secondary sources of data from various researches on uses and abuses of mobile phones in some countries of the world. It collects information of sample college students from class 11th onwards. The time period used is from 2004 onwards.

"The future depends on what you do today." – *Mahatma Gandhi*

Findings

Studies have proven that rampant use of social networking, texting and chatting on mobile phones result in lower grades and poor academic performance of students. Younger generations tend to appreciate them more and be more dependent on them. The researches have proven that some students have the habit of keeping their mobile phones on during classes and studies, even in the library, thereby distracting others. In this context the study has focused on finding the influence of mobile phone use on social behaviour and academic performance of students.

Following are the important parameters to judge the effects:

Mobile phone affects social life

There was a time when rich people tend to use their status through communication skills, new car models, housing styles, food habits etc. to differentiate them from others. Now the inclusion of mobile phone in that list has only increased the distance between different



classes. Remaining busy is not a bad thing at all. It helps us to be productive and resilient to bad habits. But remaining busy with smartphone and ignoring the social contact is not good at all. Spending time with friends, family and stranger can strengthen the social bond. But smartphone apps and games are somehow making the social distances larger. For example, if we travel on a bus then we will see that 80% of the passengers are doing something with their smartphone apps. They will not show any interest to talk even we are willing to. Social gathering is becoming a rare occurrence in present societies. As the mobile communication has developed largely with extreme reliability, people tend to finish their social communications over phone. Moreover, smartphones with other inbuilt apps like Facebook and twitter has made the communication so easy that people can spend their whole day by sitting at home without caring about social gathering. As a result people become unsocial and less communicative which is not good for a society.

Mobile phone helps to create new relationships and breaks old ones

Mobile phone is very much responsible for destroying our old relationship. Although it sounds strange but the true fact cannot be denied. Mobile phone makes it so easy to create new relationship that one or two call is enough for someone to make a new girlfriend. However the married couples are facing the greatest miseries of all. In western and Asian countries, we will find that the court of marriage is full of divorce requests, where most stories involve with cheating one another. These constant changes in our relationship status can create social instability which actually grows over time. As a result, many people try to avoid the social relationship and even remain unmarried over their life. They can somehow blame their lovely little smartphone for their situation instead of blaming God.

Time spent on a mobile phone in a day

Students spend up to 10 hours a day on their mobile phones. The results of a US study suggest that some young people have developed an addiction to their Mobile or "cell" phone. The students reported spending nearly nine hours a day on their mobile phones. There was a significant difference in the amount of time male and female students spent on their phones, with female spending around 150 minutes more a day using the device and are more likely to report feeling agitated when their phone is out of action. Common activities include texting, sending e-mails, surfing the internet, checking Facebook and using other social media apps, etc., The

"The difference between what we do and what we are capable of doing would suffice to solve most of the world's problem." – *Mahatma Gandhi*

authors of a new study completed an online survey to measure mobile phone addiction of 164 college undergraduates in Texas aged between 19 and 22 years old. .They were asked to score how much they agreed with the following statements:

- I get nervous when my phone's battery is almost exhausted.
- I spend more time than I should on my phone.
- I find that I am spending more and more time on my phone.

They were also asked how much time they spent on 24 different mobile phone activities a day, including:

- calling, texting and e-mailing
- using social media applications
- playing games
- taking photos
- listening to music

The results were that on average, the undergraduates spent 527.6 minutes (almost nine hours) a day on their phones. Female students reported spending significantly more time on their phone than male students.

The students spent the most of the time texting (94.6 minutes per day), sending emails (48.5 minutes), checking Facebook (38.6 minutes), surfing the Internet (34.4 minutes) and listening to their iPods (26.9 minutes). There were significant differences between the amount of time male and female students reported performing different mobile phone activities.

For males, time spent sending emails, reading books and the Bible, as well as visiting Facebook, Twitter and Instagram, in addition to the number of calls made and the number of texts sent, were positively associated with mobile phone addiction. In contrast, time spent placing calls, using the phone as a clock, visiting Amazon and "other" applications were negatively associated with phone addiction.

For females, time spent on Pinterest, Instagram, using an iPod application, Amazon and the number of calls made were all positively associated with mobile phone addiction. In contrast, time spent using the Bible application; Twitter, Pandoral Spotify and an iTunes application were negatively associated with phone addiction.

The researchers concluded that mobile phone addiction amongst participants was largely driven by a desire to connect socially.

Adverse Effects of Excessive Mobile Phone Use

Some research findings indicate that the use of mobile phones may lead to a number of symptoms such as headache, impaired concentration and memory, and also fatigue. One of the studies was designed to investigate whether the symptoms of ill health reported by young students may be associated with the use of mobile phone. The questionnaire was designed specifically for this study among 286 sample students in the College of Medicine, King Khalid University Hospital, King Saud University, Riyadh and contained items regarding health condition and health complaints as well as the frequency of mobile phone use. The results found that most of the students (83.57%) had some knowledge about the adverse effects of mobile use. 16.08% of the students complained of headache and 24.48% of fatigue. Impaired concentration was reported by 34.27% of respondents, memory disturbances by 40.56%, and sleeplessness by 38.8%, hearing problems by 23.07%, and facial dermatitis by 16.78%. The sensation of warmth within the auricle and behind/around the ear was reported by 28.32%. The findings of the study may be concluded that mobile phones play a large part in the daily life of students. Therefore, its impact on psychology and health should be discussed among the students to prevent the harmful effects of mobile phone use.

Mobile Phone impact on study and concentration of students

One of the studies was from the Federal Polytechnic, Ilaro, Ogun state Nigeria where a quantitative research method was used to properly analyze and give a clear picture of the study. The sample for the study comprised 40% students of the institution during the 2012- 2013 academic sessions. It was collected by issuing out questionnaire to the respondents. The analysis of result was that most of the respondent blamed their poor academic performance on the indiscriminate usage of mobile phones. Most of the respondent believed that the students use their mobile phones on social networking sites more than using it to learn eBooks. Some also believed that if the use of mobile phone is managed and properly harnessed, it would definitely improve the academic performance of students. Mobile phone is one of the technologies of our time. It has its positive effect as well as negative impact on society. Findings also indicated that they are influenced to a great extent by the social media negatively because attention is focused on chatting, music and others while their academic activities are neglected and left to suffer. This study also discovered that the use of mobile phone is uncontrollable among students which are the leading cause of poor academic performance among students.

Concluding remarks

With a dramatic increase in mobile phone usage in recent years, it has become an important issue. Texting a friend is a tempting diversion that many students select over listening to a lecture in a class or completing a class assignment. This distraction can have a negative impact on student's academic performance. Today everyone uses mobile phones for one or the other purposes. From all findings, this study concluded that mobile phone usage has a direct association with attention and concentration of students which further may affect their academic performance.

REFERENCES

[1] Ling, R. and Helmersen, P. 2000, *The Adoption of Mobile Telephony among Pre-Adolescents and Adolescents*. Paper presented at the Social Consequences of Mobile Telephony, Oslo, Norway.

[2] Srivastava L. 2005. *Mobile Phones and Evolution of Social Behavior. Behavior and Information Technology* 24: 111-129.

[3] Geser, H. 2004. T*owards a Sociological Theory of The Mobile Phone*. http://socio.ch/mobile/t_geserl.pdf. Accessed 13 December, 2014

[4] Aoki, K., and Downes, E. J. 2003. *An Analysis of Young People's Use of and Attitudes Toward Cell Phones*. Telematics and Informatics, 2:349-364.

[5] Flinchy, P. 1997. *Perspectives for Sociology of the Telephone*. The French Journal of Communication, 5(2):149-160.

[6] Fisher, V. 2005. *Australians Embrace Mobile Phones*. http://www.itnews.com.au/newsstory.aspx?CIaN ID=18976 Accessed 12 November, 2014

[7] Ling, R. 2003. *Fashion and Vulgarity in the Adoption of the Mobile Telephone among Teens in Norway*. In L. Fortunati, J. E. Katz and R. Riccini (Eds.). Mediating the human body: Technology, communication and fashion (pp. 93-102). Mahway,NJ: Lawrence.

যুৱক-যুৱতী সকললৈ স্বামীজীৰ উপদেশ

অৰূপ শইকীয়া
ৰাজনীতি বিজ্ঞান
তৃতীয় ষান্মাসিক

"যুৱাৱস্থাৰ সময়খিনি অমূল্য, তাক কোনো ধৰণেই জুখিব নোৱাৰি। ই সৰ্বোৎকৃষ্ট সময়। তোমালোকে যেনেধৰণে এই সময়ছোৱাৰ ব্যৱহাৰ কৰিবা, সেই অনুপাতে তোমালোকৰ ভৱিষ্যত জীৱন নির্দ্ধাৰিত হ'ব। তোমালোকে বৰ্তমান সময় কেনেদৰে অতিবাহিত কৰিছা তাৰ ওপৰত তোমাৰ আনন্দ, সফলতা, সন্মান আৰু খ্যাতি নির্ভৰ কৰিব। আমি এটা কথাত ধ্যান দিব লাগিব যে কুমাৰৰ ওচৰত থকা বোকামাটি যেনেকুৱা, আমাৰ জীৱনটোও তেনেকুৱা। কুমাৰে নিজৰ ইচ্ছামতে বোকামাটিখিনিক ৰূপ আৰু আকাৰ দিব পাৰে ঠিক তেনেদৰে তোমালোকেও নিজৰ জীৱন, চৰিত্ৰ, শাৰিৰীক স্বাস্থ্য আৰু শক্তিক নির্দ্ধাৰিত আকাৰ দিব পাৰা। সংক্ষেপতে, তোমালোকে তোমালোকৰ সম্পূর্ণ প্রকৃতিক নিজৰ ইচ্ছাৰে বনাব পাৰা।



হে ভাগ্যশালী যুৱক-যুৱতীসকল, নিজৰ এই মহান দায়িত্বক বুজিবলৈ চেষ্টা কৰা। এই বিশেষ অধিকাৰ অনুভৱ কৰি এই মহান কার্যত হাত দিয়া। ঈশ্বৰে তোমালোকক কৃপাপূর্ণ দৃষ্টিৰে চাই আছে আৰু তোমালোকৰ সহায় আৰু দর্শনৰ বাবে বাট চাই আছে। সম্পূর্ণ বিশ্বৰ তোমালোকৰ ওপৰত শ্রদ্ধা আছে। তোমালোকৰ জ্যেষ্ঠসকলৰো তোমালোকৰ ওপৰত বহুত আশা আছে। যুৱ হোৱাৰ অর্থই হৈছে তোমালোক আত্মবিশ্বাসী। তোমালোকে আশাপূর্ণ দৃঢ় সংকল্পৰ সৈতে কার্য কৰা তথা আত্মসংস্কৃতি এই মূল্যবান অথচ কঠিন কার্যক শুভ অভিপ্রায়েৰে পূর্ণ কৰা। প্রকৃততে ইয়াৰ দ্বাৰা অকল তোমালোকৰেই নহয় সকলো আত্মীয় স্বজনৰ সর্বোচ্চ আনন্দ আৰু পূর্ণতাৰ অনুভৱ হ'ব। সঁচাকৈয়ে তোমালোকে নিজেই নিজৰ জীৱনটোক শুদ্ধ পথত চলাব পাৰিবা।

এই উদ্দেশ্যপূর্ণ জীৱন যাপন কৰা আৰু তাতেই স্থিৰ হোৱা। শ্রেষ্ঠতম সৎগুণেৰে সৈতে সাসসেৰে থিয় হোৱা। ডেকা বয়সতে এই প্রক্রিয়াৰ বিকাশ আৰু পূর্ণতা সম্ভৱ আৰু ই আত্ম বিশ্বাস আৰু আত্ম নির্মাণৰ আহিলা স্বৰূপ। মনত ৰাখিবা এটি সফল জীৱন মানে এইটো নহয় যে তোমালোকৰ নাম বা সামাজিক পদ অথবা আধুনিক ফেচনযুক্ত জীৱনৰ তোমালোকে নকল কৰিছা? প্রকৃত সফলতা হৈছে তোমালোকে নিজে কি হৈছা? তোমালোকে নিজৰ আচৰণেৰে যেনেদৰে বিকাশ কৰিছা আৰু কেনেধৰণৰ ব্যক্তিৰূপে সমাজত পৰিগণিত হৈছা? ইয়ে সফল জীৱনৰ মূল আদর্শ। সফল জীৱনমানে এক উদাৰ ব্যক্তিৰ নির্মাণ। জীৱনত কিবা এটা উপলব্ধি কৰিছা সি সফলতাৰ মাপকাঠী নহয়। আমি আমাৰ জীৱন কেনেদৰে চলাইছোঁ আৰু আমাৰ কার্য কি সেইটোহে তাৎপর্যপূর্ণ। এই বিষয়ৰ ওপৰত ভালদৰে বিচাৰ কৰিব লাগিব আৰু সুখ অনুভৱ কৰিব লাগিব।

আমাৰ মহান সংস্কৃতিত জীৱনক চাৰি স্তৰত ভগোৱা হৈছে — প্রাথমিক স্তৰ, বিকাশ স্তৰ, উৎকর্ষ স্তৰ আৰু চৰম সীমা প্রাপ্তি। বর্তমান আমাৰ স্তৰ হৈছে শুদ্ধ আৰু সফল জীৱনৰ প্রস্তুতি স্তৰ। ইয়াতেই সর্বোচ্চ মূল্য আৰু মহত্ব নিহিত আছে। ইয়াক আমি এজন খেতিয়কৰ খেতি ভাল হ'বৰ বাবে বীজ ৰোপণ কৰাৰ দৰে বুলি ক'ব পাৰো। আনহাতে ইয়াক ঘৰৰ ভেঁটিও আখ্যা দিব পাৰোঁ। ঘৰটোৰ আয়ুস ভেঁটিটোৰ ওপৰত নির্ভৰ কৰে। তোমালোকে এতিয়া এই স্তৰতহে আছা। তোমালোকৰ জীৱনৰ প্রস্তুতি বুদ্ধিমত্তাপূর্ণ, শুদ্ধ আৰু কল্যাণকাৰী হ'ব লাগিব যাতে আটাইতকৈ সুন্দৰ জীৱনৰ অধিকাৰী হৈ স্থায়ী সুখ লাভ কৰিব পাৰা। যুৱ অৱস্থাত সদায় সক্রিয় উৎসাহেৰে সৈতে এই বিষয়ৰ ওপৰত ধ্যান দিব লাগিব। আমাৰ সংস্কৃতিত এই সময়খিনিত তোমালোকে কেৱল ইতিহাস, ভূগোল, গণিত আদিৰেই যে জ্ঞান আহৰণ কৰিব লাগে এনে নহয়, মানৱীয় স্বভাৱ, শুদ্ধ ব্যৱহাৰ, আত্মসংযমৰ কৌশল, বিশুদ্ধ মনৰ বিকাশ, ধর্ম মানৱৰ কর্ত্তব্য তথা তোমাৰ পৰিয়াল, সমাজ, বিশ্বৰ লগত উচিত সম্বন্ধবোধ আহৰণ কৰিব লাগিব।

তেওঁ কৈছিল — 'শত সহস্র যুৱক আৰু যুৱতীসকলে পবিত্রতাৰ অগ্নিৰে উদ্দীপিত হৈ ভগৱানৰ ওপৰত অটল বিশ্বাসেৰে দৃঢ় মনোৰথ হৈ দুখীয়া পতিত আৰু নিষ্পেষিতসকলৰ প্রতি সহানুভূতিৰ জৰিয়তে বিৰল সাহসেৰে বলীয়ান হৈ ভাৰতভূমিৰ সকলো প্রান্ত মুক্তিৰ মন্ত্র, সহায়তাৰ মন্ত্র, সমাজ উত্থানৰ মন্ত্র আৰু সমতাৰ মন্ত্র প্রচাৰ কৰিবা।'

গতিকে আহাঁ! আমি একেলগে কাম কৰোঁ আৰু লক্ষ্যত উপনীত হওঁগৈ। তেওঁৰ বাণীয়ে আমাক আগবাঢ়িবলৈ প্রেৰণা দিয়ে।

'উঠা জাগা! আৰু লক্ষ্যত উপনীত নোহোৱালৈকে নৰ'বা।'



তুমি কোন নিজকে প্রশ্ন কৰা, তেতিয়াহে উন্নতিৰ জখলাত বগাবলৈ সক্ষম হ'বা। – জন কীটচ

মানুহৰ শক্তিৰ মাপকাঠি সমাজতহে হ'ব পাৰে, হিমালয়ৰ শৃংগত নহয়। – জৱাহৰলাল নেহৰু

অসমীয়া সমাজখনত নৱ প্ৰজন্মৰ ভাৱধাৰা আৰু কৰ্মৰাজি কেনে হোৱা উচিত

সুশিল ৰাজোৱাৰ
স্নাতক তৃতীয় ষান্মাসিক
বাণিজ্য শাখা

সাহিত্যই মানৱ সমাজক শিকনি দিয়েই শেষ নকৰে, জ্ঞানৰ সঞ্চাৰ কৰে। আন্ধাৰ আঁতৰাই পোহৰৰ সন্ধান দিয়ে। সেয়েহে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পাঠ্যপুথিৰ বাহিৰেও অন্যান্য পুথিসমূহো অধ্যয়ন কৰা ভাল। সেইবাবেই কোৱা হয় যে, "More you read, more you learn" সুযোগ্য সাহিত্যিকসকলৰ লিখিত বিভিন্ন ধৰণৰ পুথি সমূহত জ্ঞানৰ ভাণ্ডাৰ লুকাই আছে। কিন্তু আজিৰ নৱ প্ৰজন্মৰ কিছু কিছু ডিগ্ৰীধাৰী যুৱক-যুৱতীয়ে এনেবোৰ জ্ঞানাদৰ্শৰ প্ৰতি মনোযোগ নিদিয়ে। এওঁলোকে মাত্ৰ এটাই চিন্তা কৰে — How to earn easy money? কিন্তু মানুহৰ টকাই সকলো নহয়। কোৱা হয় যে শিক্ষিত-শিক্ষিতা হ'লেই মানুহ জ্ঞানী নহয়। অভিজ্ঞলোক সকলৰ এনে ভাষ্য মানিবলগীয়া। যদিহে হিতাহিতবোধ নাথাকে, তেনে লোকৰ কোনো সৎ আদৰ্শও নাথাকে। যিহেতু মানুহ সমাজপ্ৰিয়, যদিহে সমাজখনত অনিয়ম, অনীতি, বিশৃংখল ঘটে; তাৰ পৰা এখন সুস্থ সমাজ কেতিয়াও উপকৃত নহয় আৰু জাতিটোৱে, দেশখনে দুৰ্ভোগহে ভোগে। এই ক্ষেত্ৰত পিতৃ-মাতৃ আৰু অভিভাৱকসকৰলো কৰণীয় আছে। সৰু কালতেই শিশুসকলক গঢ় দিব লাগিব। কাৰণ, ঘৰেই শিশুৰ আচল শিক্ষাৰ ঠাই। 'ভাল কথা, ভাল মাত, ভাল ব্যৱহাৰ, তাকেই বোলে শিষ্টাচাৰ।' গতিকে এনে ধৰণৰ শিষ্টাচাৰৰ শিক্ষা পিতৃ-মাতৃৰ লগতে চুবুৰীয়াজনৰো উপদেশতকৈ আদৰ্শ ভাল। বাপেক-মাকৰ, চুবুৰীয়াজনৰ আদৰ্শই, শিশুসকলক বিশেষ প্ৰভাৱ বিস্তাৰ কৰে। লগতে আমাৰ উঠি অহা নৱ প্ৰজন্মই, ব্যক্তিগত সমস্যাৰ লগতে নিজ পৰিয়াল আৰু নিজ পিতৃ-মাতৃৰ প্ৰতি কৰণীয়খিনি সন্মানেৰে আৰু শুদ্ধভাৱে কৰিলেহে পৰিয়ালটোৰ ঘৰখনৰ সমস্যা সমাধানৰ পথ পৰিষ্কাৰ হোৱাৰ লগতে শান্তিৰ বাতাবৰণৰ সৃষ্টি হ'ব। সেইদৰে অন্যহাতেদি পো-বোৱাৰীসকলে আৰু এটা কথা বিশেষভাৱে চকু ৰখা উচিত, সেইটো হ'ল নিজৰ বৃদ্ধ-বৃদ্ধা পিতৃ-মাতৃ, শহুৰ-শাহুৰৰ প্ৰতি অন্যায় আচৰণ কেতিয়াও কৰিব নালাগে। এনে বহুতো পো-বোৱাৰী আছে, বৃদ্ধ-বৃদ্ধা, পিতৃ-মাতৃ, শহুৰ-শাহু যেন, তেওঁলোকৰ বাবে আবৰ্জনাহে। এইটো বৰ দুখলগা আৰু এক লজ্জাজনক কথাৰ বাহিৰে একো নহয়। নৱ-দম্পত্তিসকলে নাভাৱে যে, তেওঁলোকেও এদিন 'একে পথৰে পথিক হ'ব'। এইখিনিতে স্বৰ্গীয়া নলিনীবালা দেৱীৰ 'মৰমৰ আই' কবিতাটোৰ সাৰমৰ্ম অতি গধূৰ। কবিতাটো এনে ধৰণৰ —

কোনে মোক তুলি তালি কৰিলে ডাঙৰ
মৌ সনা মিঠা মাতে পাহৰি ভাগৰ।
কৰিছিল স্নেহ মোক দুগালত চুমা খাই,
তেওঁ মোৰ পূজনীয়া মৰমৰ আই।
হৈছিলোঁ থিয় যেৱে অ'ত ত'ত ধৰি,
পৰিলে কোনেনো গৈ ততালিকে লৰি,
নিচুকাইছিল মোক তেওঁ নাম গুণ গাই
তেওঁ মোৰ পূজনীয়া মৰমৰ আই।
কান্দিছিলোঁ চিৰ ঘেৱে নৰিয়াত দুখ পাই,
একে থিৰে কোনে মোৰ চকুলৈ চায়।
মৰো বুলি কান্দিছিলে কাঢ়ি হুমুনিয়াহ
তেওঁ মোৰ মৰমৰ আই পূজনীয়
চেনেহ ভকতি মোৰ বাঢ়োক সদায়
তযু চৰণত হে মৰমৰ আই।

সন্তান জন্ম দিয়াৰ পাছৰ পৰাই সন্তানক ডাঙৰ-দীঘল কৰিবলৈ পিতৃ-মাতৃ বা অভিভাৱক-অভিভাৱিকাসকলে কিমান যে কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিবলগা হয়, তাৰেই সামান্য নমুনা উল্লেখিত কবিতাটিত বুজিব পাৰি। গতিকে ল'ৰাই হওঁক বা ছোৱালীয়েই হওঁক, নিজ পিতৃ-মাতৃ আৰু জ্যেষ্ঠজনাক ভক্তি আৰু সন্মান জনোৱাটো আমাৰ কার্তব্য। এনে হ'লে পৰিয়ালৰ ঘৰখনৰ, চুবুৰীটোক, গাঁওখনৰ, অঞ্চলটোৰ, তথা দেশৰ সকলো লোকৰে মাজত মৰমৰ এনাজৰীডাল প্ৰকট হৈ উঠিব। এহাল দম্পত্তিয়ে নিজ সন্তানৰ বেয়া চিন্তা কেতিয়াও নকৰে আৰু কৰিবও নোৱাৰে। এই কথা আজিৰ ল'ৰা-ছোৱালীয়ে বুজি পোৱা উচিত। এনে কিছুমান ল'ৰা-ছোৱালী আছে, তেওঁলোকে পিতৃ-মাতৃৰ সৎ আদৰ্শক হেয় প্ৰতিপন্ন কৰে, গুৰুত্বও মুঠেই নিদিয়ে। এনে ল'ৰা ছোৱালী বিপথেহে যায়। ফলত আত্ম সন্মান, আত্মজ্ঞান হেৰুৱাই নিজ পৰিয়ালৰ ক্ষতি সাধন কৰাৰ লগতে সমাজখনৰ অপ্ৰিয়জন হৈ বাটৰ ভিকহু হৈ পৰে। ই সমাজ তথা দেশৰ বাবেও এটা মাৰাত্মক ব্যাধি ৰূপে পৰিগণিত হয়।

অৱশ্যে মানুহ পৰিস্থিতিৰ দাস। বৰ্তমানে আমাৰ অসম তথা ভাৰতীয় লোকৰ সমস্যা বহুত। সমস্যা থাকিলেও নিজস্বতা বজাই ৰখা প্ৰতিজন অসমবাসীৰে কর্তব্য। আজি নকলেও হ'ব যে, অসমবাসী অসমীয়াসকলৰ অস্তিত্ব হেৰাই যোৱাৰ উপক্ৰম ঘটিছে। সেয়েহে সকলোৱে চিন্তা-চৰ্চা কৰি অসমীয়া জাতিটোক জীয়াই ৰখাৰ চেষ্টা চলাব লাগে। ইয়াকে কৰিবলৈ হ'লে নিজকে চিনি লৈ কর্মত ব্ৰতী হওক। বৰ্তমান বিজ্ঞানৰ যুগত আমাৰ উঠি অহা নৱ প্ৰজন্মৰ যুৱক-যুৱতীসকলে, নিজকে স্বাৱলম্বী হ'বলৈ শিকিব লাগে। জাতিটোৰ ধৰ্মীয় পৰম্পৰা, কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্যক লৈ ঐক্যবদ্ধ প্ৰচেষ্টা হাতত ল'ব লাগিব, যাতে ইয়াৰ উন্নতিত ম্লান নপৰে। সেয়েহে নিজ পৰিয়াল, ওচৰ-চুবুৰীয়া, গাঁওখন তথা অসমীয়া সমাজখনক একতাৰ মৰমৰ এনাজৰীৰে বান্ধিব পৰাকৈ প্ৰতিজন অসমীয়াই নিজকে উপযুক্ত ৰূপে গঢ়ি তুলিব লাগিব। পুনৰ ক'ব লগা হ'লে যে, প্ৰথমে পৰিয়ালটোৰ, দ্বিতীয়তে ঘৰখনৰ, তাৰ পাছত অসমীয়া সমাজখনৰ উন্নতিৰ প্ৰতি চকু ৰখা দৰকাৰ। লগতে যুৱক-যুৱতীসকলে সৎ আদৰ্শ লওঁক, আৰ্থিক আৰু সামাজিক দিশত সকলো ফালৰপৰা উন্নতি সাধন কৰক, তেতিয়াহে অসমীয়া জাতি জীয়াই থাকিব। জুইশালত গঢ়িলেহে কমাৰশালত গঢ়িব পাৰি আৰু আৰম্ভণি ভালেই শেষ ভাল। ভীমৰ গদা ঘূৰাবলৈ হ'লে সকলো ফালৰপৰা ভীমৰ বল অর্জন কৰিব লাগিব। এই দায়িত্ব নৱ প্ৰজন্মই নিশ্চয় মূৰ পাতি ল'ব লাগিব, তেতিয়াহে ক'ব পৰা হ'ব 'অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল।' মুখেৰে সোণৰ অসম বনোৱাটো গছত গৰু উঠাহে। সৎ কর্মইহে ধর্ম।

তুমি লাগিলে যিমানেই ভোকত নাথাকা, তুমি দুয়ো হাতেৰে কেতিয়াও খাব নোৱাৰা – বচন (ঘানা)

যি নিজৰ কথা বঢ়ায় কয় তেওঁ নিজকে সৰু কৰে – চিমন্স

অবৈধ অনুপ্রৱেশ আৰু অসম

অমৰজ্যোতি গগৈ
স্নাতক তৃতীয় ষান্মাসিক
কলা শাখা

উত্তৰ-পূব ভাৰতৰ এক অবিচ্ছেদ্য অংগ হ'ল অসম। প্রাকৃতিক সৌন্দর্য আৰু ইয়াৰ মনোমোহা পৰিৱেশে সকলোকে আপ্লুত কৰি তোলে। ভিন্ন জাতি-জনজাতি একত্রিত হৈ অসমখনক সাংস্কৃতিক, সামাজিক ৰূপে চহকী কৰি তুলিছে। সকলো সম্প্রদায়, ভাষা-ভাষী নির্বিশেষে অসম মাতৃয়ে সকলোকে আকোৱালি ৰাখিছে। প্রাগ ঐতিহাসিক যুগৰ পৰা বিভিন্ন ভাষা-ভাষী লোকৰ প্রব্রজন উত্তৰ-পূর্বাঞ্চললৈ, বিশেষকৈ অসমলৈ হৈ আহিছে। বিভিন্ন জাতি-জনজাতিৰ ভাষা তথা সংস্কৃতি আৰু স্থানীয় সংস্কৃতিৰ সমাহাৰেৰে অসমে নিজৰ স্বকীয়তা অটুট ৰাখিবলৈ সক্ষম হৈছে। অসমৰ মাটি-পানী জলবায়ুৰ লগত একত্রিত হৈ প্রজন্মৰ পাছত প্রজন্ম ধৰি অসমতে বসবাস কৰা লোকসকলৰ প্রতিটো ৰীতি-নীতি, পৰম্পৰা, আচাৰ-ব্যৱহাৰ, সংস্কৃতি আমাৰ বাবে জাতীয় চেতনাৰ স্বৰূপ। তাহানিৰ বৰ অসম আজি আৰু নাই। বৰ অসম বিভক্ত হৈ এক এক ৰাজ্যত পৰিণত হোৱা অতীত হ'ল।

সাম্প্রতিক সমাজ ব্যৱস্থাত অতিকে গাঢ় হৈ উঠা অসমৰ প্রধান সমস্যা হৈছে অবৈধ প্রব্রজন। জাতি জনজাতিৰ স্বার্থত এই সমস্যাই আজি বহল পৰিসৰ সামৰি লৈছে। চুবুৰীয়া দেশৰ বোজা অসমে তাহানি দিনৰ পৰাই বহন কৰি আহিছে। কিন্তু বর্তমানে এই অবৈধ প্রব্রজনে এক বৃহৎ সমস্যা ৰূপে থিয় দিছে। যাৰ ফলত আজি অসমৰ খিলঞ্জীয়া লোকসকলৰ অস্তিত্বৰ সংকটৰ সৃষ্টি হৈছে। বিশেষকৈ ১৯৭১ চনত হোৱা বাংলাদেশৰ যুদ্ধৰ সময়ছোৱাত অসম তথা উত্তৰ পূর্বাঞ্চললৈ বাংলাদেশী লোকসকলৰ প্রব্রজনে অসমৰ আর্থ-সামাজিক, ভাষা, সংস্কৃতিৰ ক্ষেত্রখনত এক জোকাৰণিৰ সৃষ্টি কৰিছিল। ফলস্বৰূপে ১৯৭৯ চনত অসমৰ জাতি ৰক্ষাৰ স্বার্থত সদৌ অসম ছাত্র সন্থাৰ



নেতৃত্বত এক আন্দোলনে গা কৰি উঠে। প্রায় ৬ বছৰ জোৰা আন্দোলনৰ পৰিসমাপ্তিত (১৯৭৯-১৯৮৫) অসম চৰকাৰ, কেন্দ্রীয় চৰকাৰ আৰু সংগঠনৰ মাজত ১৯৮৫ চনৰ ১৫ আগষ্টত হাজাৰ হাজাৰ শ্বহীদৰ তেজৰ বিনিময়ত অসম চুক্তিৰ স্বাক্ষৰিত হয়। এই চুক্তিৰ ফলত অসমৰ স্বার্থ সুৰক্ষিত হোৱাৰ প্রতিশ্রুতি দিয়া হৈছিল আৰু অবৈধ অনুপ্রৱেশকাৰী বিতাড়িত কৰাৰ দাবীত সমগ্র আকাশ-বতাহ মুখৰিত হৈ পৰিছিল। কিন্তু এই চুক্তিৰ প্রতিটো দফাত উল্লেখ থকা চুক্তিসমূহ কিমান দূৰ ফলপ্রসূ হৈছে সেয়া সকলোৰে বোধগম্য। ১৯৫১ চনৰ নাগৰিকপঞ্জীত অন্তর্ভূক্ত সকলো লোককে ভাৰতৰ নাগৰিকত্ব প্রদান কৰা হ'ল। তদুপৰি বিদেশী চিনাক্তকৰণৰ সময়সীমা ৰূপে ১৯৭১ চন ধার্য্য কৰা হৈছিল। কিন্তু ইয়াৰ পাছতো আজিকোপতি অসমলৈ অবৈধ প্রব্রজনৰ গৰাহত পৰি থকা দেখিব পোৱা গৈছে। ৰাজনৈতিক স্বার্থতে হওক বা অন্য কোনো কাৰণতে হওক অসমলৈ অবৈধ প্রব্রজন ধাৰাবাহিকভাৱে হৈ আহিছে। হাজাৰ হাজাৰ শ্বহীদৰ ত্যাগক আওকাণ কৰি আজি এচামে কেৱল ৰাজনৈতিক স্বার্থত এই সমস্যাসমূহলৈ পিঠি দিয়া দেখা গৈছে। দল-সংগঠনসমূহে আজিৰ তাৰিখত নির্বাক। প্রশ্ন হয় অসমত অসমীয়াসকল খিলঞ্জীয়া হৈ থাকিব পাৰিবনে? নে আমাৰ ভাষা, সংস্কৃতিৰ ওপৰত অন্য কোনোৱে অধিকাৰ সাব্যস্ত কৰিব? অসমৰ জাতীয় জীৱনৰ চেতনা আৰু জাগ্রত হ'বলৈ কিমান দিন বাকী?

সময় পাখি লগা কাঁড়ৰ দৰে, এই সময়ক যদি সদ্ ব্যৱহাৰ কৰিব পৰা নাযায় হয়তো এটা সময়ত অসমৰ জাতি-জনগোষ্ঠী অস্তিত্বৰ সংকটৰ গৰাহত যে পৰিব সেয়া নিশ্চিত। বর্তমানে সদৌ অসম ছাত্র সন্থাকে ধৰি বিভিন্ন দল সংগঠনে চৰকাৰক এই সমস্যাৰ বিষয়ে অৱগত কৰি আহিছে। কাঁটা তাঁৰৰ বেৰ নির্মাণ আৰু এন.আৰ.চি.ৰ সঠিক ৰূপায়ন আজিৰ সময়ত অতিকৈ প্রয়োজনীয় হৈ পৰিছে।

ৰাজনৈতিক স্বার্থতে হওক বা অন্য কোনো কাৰণতে অসমলৈ অবৈধ প্রব্রজন ধাৰাবাহিকভাৱে হৈ আহিছে। হাজাৰ হাজাৰ শ্বহীদৰ ত্যাগক আওকাণ কৰি আজি এচামে কেৱল ৰাজনৈতিক স্বার্থত এই সমস্যাসমূহলৈ পিঠি দিয়া দেখা গৈছে। দল-সংগঠনসমূহে আজি তাৰিখত নির্বাক। প্রশ্ন হয় অসমত অসমীয়াসকল খিলঞ্জীয়া হৈ থাকিব পাৰিবনে? নে আমাৰ ভাষা, সংস্কৃতিৰ ওপৰত অন্য কোনোৱে অধিকাৰ সাব্যস্ত কৰিব? অসমৰ জাতীয় জীৱনৰ চেতনা আৰু জাগ্রত হ'বলৈ কিমান দিন বাকী?



অসমীয়া সংস্কৃতি বিহুৰে গ্ৰহণ কৰিছে আধুনিক কলাৰ কৃষ্টি ৰূপ

অসীম গগৈ

সংস্কৃতিয়েই হৈছে মানুহৰ জাতীয় জীৱনক বান্ধি ৰখা এডাল এনাজৰী। ই ঐক্য সংহতি আৰু পাৰস্পৰিক সম্পৰ্ক এক উজ্জ্বল প্ৰতীক। অসমৰ জনজাতি সকলৰ সংস্কৃতি ৰূপ লাৱণ্য কলা কৃষ্টি হৈছে বিহু। এই বিহুৱেই অসমৰ জনজাতিসকলক বিভিন্ন ধৰণে আনন্দ দি আহিছে। বিহু হৈছে মানুহৰ শ্ৰমৰ উৎসৱ। যেতিয়াৰ পৰাই লাহে লাহে আদিম অৱস্থা এৰি মানুহে স্থায়ীভাৱে ঘৰ-দুৱাৰ পাতি, সমাজ পাতি, খেতি-বাতি কৰিবলৈ শিকিলে তেতিয়াই মানুহৰ লগত জড়িত হৈ পৰিল সংস্কৃতি। মানুহে নতুন উদ্যমেৰে কৃষি কৰ্মত লাগিল। শ্ৰমৰ শেষত উৎপাদন হোৱা শস্যই তেওঁলোকক আনন্দময় কৰি তুলিলে। হয়তো মনৰ আনন্দতে কোনোবাই এটি গীত গালে। লাহে লাহে এই গীতেই হৈ পৰিল বিহু গীত। কোনোবাই আকৌ গৰু চৰায় থাকোতে এটি গীত গালে। এনেদৰে সৃষ্টি হোৱা এই গীতবোৰেই মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহি হয়তো বিহুগীত ৰূপে পৰিচিত হয়। এই বিহুগীতবোৰ বা 'বিহু' নামৰ শব্দটো কোনো এটা বিশেষ জনজাতিৰ সুকীয়া সম্পত্তি নহয়। অসমৰ বিভিন্ন জনজাতি সকলৰ মাজত এই বিহুগীতবোৰ প্ৰচলিত আছে ভিন ভিন জনজাতিয়ে ভিন ভিন নামেৰে বিহুক নামাকৰণ কৰিছে। উপমাস্বৰূপে বড়ো কছাৰীসকলে বিহুক 'বৌইছাগু' বুলি কয়। ৰাভাসকলে 'বায়থু' নামৰ এটি বসন্ত উৎসৱ পালন কৰে। ঠিক সেইদৰে বসন্ত উৎসৱ বিহুৰ লগত সাদৃশ্য থকা, যিটো মিছিংসকলে ফাগুনৰ প্ৰথম বুধবাৰটোত পালন কৰে অৰ্থাৎ আলি আই লিগাং। আলি আই লিগাংৰ উপৰিও মিছিংসকলে "পকা বিহু", নৰা ছিঙা বিহু আদিও পালন কৰে। আমাৰ অসমৰ এই বিহু উৎসৱৰ দৰেই অৰুণাচলতো ৰাঞ্চো সমাজে "লুকু", টাংছাইসকলে "চামবুনা মোৰ" কামেঙৰ 'চেৰদুক পেন' আৰু মনপাসকলে "লোচে" আপাটনিসকলে "মলকো" আদি নানা উৎসৱ পালন কৰে। লোক সংস্কৃতিৰ প্ৰধান অংগ বুলি পৰিচিত হোৱা এই আটাইবোৰ উৎসৱেই মূলতঃ কৃষি উৎসৱ।

বিহু অসমীয়া জাতীয় কৃষ্টি, বিহু নামৰ এই শব্দটোৱে সাধাৰণতে আনন্দক বুজায়। বহুতো লেখক, গৱেষকৰ মতে বিহু শব্দটো সংস্কৃত বিষুবৎ শব্দৰ পৰা অহা। অসমীয়া জনসমাজত প্ৰচলিত মতে বিহু হৈছে চ'ত, আহিন আৰু পুহৰ শেষ দিন অৰ্থাৎ ব'হাগ, কাতি আৰু মাঘৰ সংক্ৰান্তি। এই বিহু আহে প্ৰকৃতিৰ আগমণত। বিৰিখে বিৰিখে নতুন কুঁহিপাত মেলি অসমৰ বুকুলৈ নামি আহে বসন্ত ঋতু। আমে মলিয়াই, কপৌ ফুল ফুলে, নাহৰ ফুল ফুলে আৰু কুলি কেতেকীৰ বিননিয়ে বসন্ত

বিহু অসমীয়া জাতীয় কৃষ্টি, বিহু নামৰ এই শব্দটোৱে সাধাৰণতে আনন্দক বুজায়। বহুতো লেখক, গৱেষকৰ মতে বিহু শব্দটো সংস্কৃত বিষুবৎ শব্দৰ পৰা অহা। অসমীয়া জনসমাজত প্ৰচলিত মতে বিহু হৈছে চ'ত, আহিন আৰু পুহৰ শেষ দিন অৰ্থাৎ ব'হাগ, কাতি আৰু মাঘৰ সংক্ৰান্তি। এই বিহু আহে প্ৰকৃতিৰ আগমণত। বিৰিখে বিৰিখে নতুন কুঁহিপাত মেলি অসমৰ বুকুলৈ নামি আহে বসন্ত ঋতু।



প্ৰকৃতিক আকৌ নকৈ সজাই তোলে। নদ-নদী, গৰু, ম'হৰ চৰণীয়া উদং চাপৰি, মুকলি পথাৰ আৰু শুৱলা সুৰৰ সংগীতে সৃষ্টি কৰা পশু-পক্ষীসমূহেও বসন্ত কালত প্ৰাণ পাই উঠে। প্ৰকৃতিৰ লগতে মানুহেও ঢোল-পেঁপা-বাঁহীৰ মৌসনা মাতেৰে বিহুক আদৰণি জনায়। সৰু ল'ৰা-ছোৱালীৰ পৰা বুঢ়া-বুঢ়ীলৈকে আনন্দত মনবোৰ পুলকিত হৈ থাকে। কোনোৱে আকৌ হাততে দা আৰু কুঠাৰখন লৈ হাবিলৈ ওলাই যায়। দুপৰীয়াতে কান্ধত এমুঠা বাঁহখৰি আৰু এমুঠা কাঠখৰি লৈ উভতি আহে। বিহুৰ দুদিনমানৰ আগতেই ঘৰৰ লখিমী স'তে সান্দহ, পিঠা, চিৰা খুন্দিবলৈ ব্যস্ত হৈ পৰে। গাভৰু ছোৱালীবোৰে ডেকাজনৰ বাবে মৰমৰ চিনস্বৰূপে বৈ উলিয়াই ভমকাফুলীয়া গামোচা উপহাৰ স্বৰূপে দি মৰম প্ৰীতি যাচিবলৈ। উৰুকাৰ দিনা পুৱাই আকৌ কোনো গৃহস্থ হাবিলৈ গৈ দীঘলতি, মাখিলতি আৰু তৰা গছ বিচাৰি আনে। গৃহস্থ সিদিনা বহুত কাম। তৰা গছৰ পৰা আঁহ উলিয়াই গৰুলৈ নতুন পঘা বনায়। গধূলি সময়ত আকৌ আগলি কলপাতত তামোল-পাণ এটা আগবঢ়াই লৈ ডিঙি দীঘল জাতিলাও, কেৰেলা, বেঙেনা, থেকেৰা আৰু হালধিৰে চাত সাজে। চাত সাজি শেষ নোহোৱালৈকে গৃহস্থই মুখত ভাত-পানীও নিদিয়ে।

পিচদিনা নদীৰ ঘাত, কোনো ডাঙৰ পুখুৰী নাইবা দ' পথাৰৰ মাজভাগত গাঁৱৰ সকলো মানুহ লগ লাগি অতি উলহ-মালহেৰে গৰু গা ধুৱাই, কণীযুঁজ, ম'হযুঁজ আদি খেল খেলে। মানুহবিলাকেও অতি আনন্দৰেই খেলত অংশগ্ৰহণ কৰে। আমলৰি পৰুৱাৰ বাঁহ ভাঙি টোপ খোৱাৰ লগতে এশ এবিধ শাকেৰে বিভিন্ন আঞ্জাৰ লগত পানীদিয়া (পইতা) ভাতৰ মজাটো সেইদিনাহে বেছিকৈ উপভোগ কৰে। ৰাতি দলবদ্ধভাৱে গাঁৱৰ ডেকা- বুঢ়া সকলো মানুহ মিলি ঘৰে ঘৰে হুঁচৰি জুৰে –

বিহু আমাৰ চেনেহৰে
আদৰৰে ধনে ঐ আৰে।

বিহুতলীত আকৌ কোনো গাভৰুৱে ডেকাহঁতৰ ফালে চাই মিচিকি হাঁহি মাৰে। এনেকুৱা সময়তে হয়তো কোনোবা বিহু বলিয়া ডেকাই গায় –

ঘৰতো নবহে মন সমনীয়া
পথাৰতো নবহে মন,
কহুৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিব মন।

আকৌ কেতিয়াবা গাভৰুৱে চেনাইলৈ মনত পেলাই গায় –

কিনো খাই পাহৰিম তোকে ঐ চেনাইটি
কিনো খাই পাহৰিম তোক,
মিচিমি আহিব বৰবিহ আনিব
তাকে খাই পাহৰিম তোক।

প্ৰেম কেতিয়াও আৱদ্ধ থাকিব নোৱাৰে। প্ৰেমৰ ডোলেৰে বান্ধ খোৱাৰ পিছত প্ৰেমিক-প্ৰেমিকা উভয়ে উভয়ক অনবৰতে চকুৰ আগত পাবলৈ বাঞ্ছা কৰে। কেতিয়াবা হয়তো বিহু মাৰিবলৈ অহা চলেৰে এহাল প্ৰেমিক-প্ৰেমিকাই নদীৰ পাৰত লগ হয়। অকলশৰীয়াকৈ কথা পাতে। নদীৰ পাৰে পাৰে ফুৰে। তেতিয়াই নদী পাৰত থকা বগৰী গছ দেখি হয়তো ছোৱালীজনীয়ে গায় –

নৈ কিনাৰৰে বালীয়া বগৰী
ডাল ভৰি ভৰি লাগিছে উলমি
তুমিচোন ঢুলীয়া দিবা গৈ ঐ জোকাৰি
ময়ো সোণ নাচনী লমে গৈ ঐ বুটলি
নিমখ জলকীয়াই খামনো সোৱাদ কৰি
তাৰ মাজত ওলাব ৰং আৰু ধেমালি।

এয়াই হৈছে প্ৰকৃত বিহু, প্ৰকৃতি বিহু। বিহু হৈছে অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ স্বৰূপ। কিন্তু দুখৰ কথা যে বৰ্ত্তমান অৱস্থাত বিহুৱে গতি কৰিবলৈ লৈছে অন্য এক দিশলৈহে। ডেকা-গাভৰুৰ মুখ বাগৰি অহা বিহুগীতৰ পৰিৱৰ্তে আমি এতিয়া শুনিবলৈ পাওঁ আধুনিক গীতসমৃদ্ধ কেছেটৰ বিহুগীতহে। আজিকালি বিহুক প্ৰকৃতিয়ে আদৰি নানে, আনে কেছেটৰ বিহুগীতেহে। নাচনীৰ গাত জাতীয় অলংকাৰৰ বিপৰীতে দেখা যায় পাশ্চাত্য সভ্যতাৰ সাজপাৰ আৰু আ-অলংকাৰহে। আনহাতে বিহু সন্মিলন পাতিবলৈ হ'লেও মানুহৰ ঘৰে ঘৰে নাইবা কোনো বজাৰ বা দোকানত গৈ ভিক্ষা কৰিব লগা হয়। "দদাইদেউ, আমি বিহুমেলা এখন পাতিবলৈ লৈছো গতিকে আপুনি কিবা এটা সহায় কৰক আৰু। নহ'লে কোনো মিনিষ্টাৰ বা এম.এল.এৰ ওচৰলৈ গৈ কয়গৈ – "ছাৰ আমাৰ বিহু মেলাখনলৈ কিবা এটা বৰঙণি দিয়ক নহ'লেনো কেনেকৈ বিহুখন পাতো।" আকৌ বিহু সন্মিলনখনৰ নামত কোনো অন্য জাতিৰ মানুহক গৈ কয়গৈ, "আমাৰ বিহুখনৰ বাবে আপুনি ইমান টকা



দিবই লাগিব নহলে চাব।" কথা হ'ল যে অতীতৰ পৰা চিৰন্তন গতিৰে চলি অহা অসমীয়া জাতীয় মেৰুদণ্ডস্বৰূপ বিহুখন পাতিবলৈ কিয় ভিক্ষা কৰিব লগা অৱস্থা হ'ল? আমাৰ বাপতিসাহোন বিহুখন পাতিবলৈ ভিক্ষা গুণ্ডা নকৰিলে নহয় নেকি? এনে এখন বিহু অনুষ্ঠিত কৰি আমি অতীতৰ গৌৰৱ উজ্জ্বলাই ৰাখিব পাৰিমনে! যিখন বিহুৰ আনন্দ লবলৈ মানুহে মদৰ দৰে নিচাযুক্ত দ্ৰব্য সেৱন কৰে। আমাৰ বৰ্ত্তমান বিহুৰ পৰম্পৰা কি মদেহে ৰক্ষা কৰিছে নেকি?

ব'হাগ বিহুৰ দৰেই যদি আমি মাঘ বিহুলৈও লক্ষ্য কৰোঁ তেন্তে দেখা পাওঁ যে অতীতৰ কিছুমান ৰীতি-নীতি ই সম্পূৰ্ণ বাদ দিছে। অসমৰ কিছুমান গাঁৱত এই বিহু পৰম্পৰা একেবাৰেই লুপ্ত হৈ গৈছে। মাঘ বিহুত মানুহৰ ঘৰে ঘৰে জা-জলপান যোগাৰ কৰে। গাঁৱৰ ডেকাবোৰ লগলাগি খৰিৰে মেজি বনায় আৰু মেজি ৰখিবলৈ এটা ভেলাঘৰ সাজে। ল'ৰাহঁতে দুই-তিনিদিনৰ আগৰপৰাই ভেলা ঘৰত থাকি মেজি ৰখে। উৰুকাৰ দিনা গাঁৱৰ গাঁওবুঢ়া আৰু লগতে কেইজনমান ভকতে ভেলা ঘৰৰ আগত একুৰা ডাঙৰ জুই জ্বলায়। তাতে তেওঁলোকে বহি মেজি ৰখেহি আৰু ডেকা ল'ৰাবোৰে ঢোল, পেঁপা, বাঁহীলৈ বিহু মাৰি থাকে। ভকতৰ আদেশ মতে ল'ৰাবিলাকে ৰাতি তিনিটা পৰত তিনিবাৰ হুঁচৰি পদ জোৰে। তৃতীয়বাৰ হুঁচৰি পদ শেষ হোৱাৰ পিছত অর্থাৎ পুৱতি নিশা ভকতসকলে এপাচি পিঠা খাই আৰু তাৰ পিছতহে গা-পা ধুই মেজিত জুই দিয়ে। কিন্তু আজিকালি মেজি ঘৰত হুঁচৰিৰ পৰিৱর্তে দেখা যায় কেছেটৰ বিহুনামহে। ভকতসকলে পিঠাখোৱাতো বাদেই মেজিত জুই দিবলৈ হ'লেও কিছুমানে গা ধুবলৈ টান পায়। মেজি ৰখাৰ নামত আজিকালি ল'ৰাবোৰে মানুহৰ ঘৰত গৈ চুৰ কৰেগৈ। হাঁহ, কুকুৰা, শাক-পাচলি আদিৰ পৰা সকলো বস্তু চুৰ কৰি নিজৰ ঘৰত থয়গৈ। তেন্তে এই মাঘ বিহুটোক আমি ভোগালী বিহু বুলি ক'ব পাৰিমনে? নহয় মাঘ বিহুটোক আমি কব লাগিব চোৰ বিহু, চোৰবোৰৰ বিহু। আনহাতে কাতি বিহুৰ ক্ষেত্ৰতো আগতে যি আনন্দ দেখা গৈছিল, আজিকালি তেনে আনন্দ দেখিবলৈ পোৱা নাযায়। কোনো এটা জাতিক জীয়াই ৰাখিবলৈ মানৱ সমাজৰ প্ৰধান কর্তব্য সেই জাতি পৰম্পৰাগত বৈশিষ্ট্য মানি চলাটো। এই পৰম্পৰাৰ ভিত্তিতেই বর্তি থাকে এখন সুন্দৰ সমাজ। কিন্তু অসমীয়া বিহুৱে অতীতৰ পৰম্পৰা ধৰি ৰাখিছেনে? তেন্তে আমিবোৰ অসমীয়াই কেনেকৈ ক'ব পাৰিম বিহু সংস্কৃতি জীয়াই ৰাখিছোঁ বুলি?



উৎস ঃ ডিব্রুয়ান, ২০১৭-০৮ বর্ষ, পৃঃ ৩১, সম্পাদক ঃ বিতোপন সোনোৱাল



অসমৰ লোকসংস্কৃতি

অনিমেষ কোঁৱৰ
বিজ্ঞান শাখা

অসম এখন ঐতিহ্যৰে ভৰপূৰ তথা প্ৰাকৃতিক সম্পদেৰে চহকী ৰাজ্য। নানান সময়ত ভিন্ন কাৰণত অসমলৈ প্ৰৱেশ কৰা ভিন্ন জাতি-জনগোষ্ঠীৰে সমৃদ্ধিশালী এক ৰাজ্য। অতীজৰে পৰা অসমলৈ আগমণ হোৱা এই লোকসকলৰ শিল্প, কলা, সংস্কৃতিয়ে অসমখনৰ সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰি ৰাখিছে। বর্তমানে অসমৰ লোক সংস্কৃতিৰ পথাৰখনৰ পৰিসৰ অতিকে বহল। ইয়াত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীয়ে নিজৰ এক সুকীয়া সংস্কৃতিৰে পৰিপূৰ্ণ।

মানুহৰ মন কল্পনা-প্ৰৱণ। এই মনত ভিন্ন সময়ত ভিন্ন ভাবধাৰাৰ সৃষ্টি হয়। জীৱনৰ হাঁহি, কান্দোন, দুখ,সুখ এই ভাব সমূহৰ পৰাই সৃষ্টি হয় সৃষ্টিশীল কিছু গীত-মাতৰ। এই সমূহেই পাছলৈ হৈ পৰে লোক সাহিত্য। অসমৰ লোক সংগীতত প্ৰাণ পাই উঠে চহা মানুহৰ জীৱনশৈলীৰ বর্ণনা, তাৰোপৰি প্ৰাণ পাই উঠে প্ৰেম, আনন্দৰ এক মধুৰ ভাৱ। এইসমূহে মুখে মুখে প্ৰচলন হৈ গঢ় লয় এক সংস্কৃতিৰ। তাহানিৰ আইতা-ককাইতঁৰ পৰা শুনা সাধু কথাবোৰতো নিহিত হৈ থাকে সমাজৰ ৰীতি-নীতিসমূহ। এই সাধু কথাসমূহৰ মাজত নিঃসৰিত হৈ থাকে অতীতৰ সমাজ জীৱনৰ কথা, বুৰঞ্জীৰ কথা।

লোক সাহিত্যৰ পৰিধি যথেষ্ট ব্যাপক। ড° বিৰিঞ্চি বৰুৱাৰ মতে -- "লোক জীৱনৰ লগত নিবিড়ভাবে সম্বন্ধ থকা সাহিত্যৰ ভিতৰত প্ৰধান হ'ল যোজনা, ফকৰা বা প্ৰবাদ, সাঁথৰ, নিচুকণি, জন্মৰ পৰা মৃত্যুলৈকে পালন কৰা পর্বৰ লগত জড়িত গীতসমূহ, উৎসৱ, অনুষ্ঠানৰ গীত, লোক ধর্ম সম্বন্ধীয় গীত, কর্ম গীত, সাধু কথা, কিংবদন্তী আৰু পূৰা কাহিনী।

ফকৰা যোজনাৰ পৰা আদি কৰি সাধুকথা, প্ৰবচন, লোকগীত এই সকলোকে সামৰি এটা জাতিৰ লোক সংস্কৃতিৰ সৃষ্টি হয়। য'ত প্ৰতিফলিত হয় সমাজৰ প্ৰতিটো স্তৰৰ লোকগাথা, কৃষ্টি, সংস্কৃতি।

জন জীৱনক প্ৰভাৱিত কৰা তথা হর্ষ-বিষাদ, সুখ-দুখ হৈছে লোকগীতৰ প্ৰাণৰ কথা। লোক সংগীতত পৰিস্ফুট এখন সমাজৰ জীৱনধাৰা। লোকগীত, বনগীত, বিহুগীত, নিচুকণি গীত, আই নাম, বিয়া নাম ইত্যাদি হৈছে লোক সংগীতৰ অংশ।

শ্ৰীকৃষ্ণৰ ঐশ্বৰিক লীলা অতি বিস্তৃতভাৱে লোকগীতসমূহত প্ৰকাশ হোৱা দেখিব পোৱা যায়। মাটিৰ গোন্ধ থকা এই গীতসমূহে সোঁৱৰাই দিয়ে ভক্তিৰসৰ কথা। আনহাতেদি বিহুগীত সমূহত প্ৰতিফলিত হয় চেঙেলীয়া ডেকাৰ প্ৰেমৰ পৰা আদি কৰি বৃদ্ধ কালৰ কথা। বাৰীৰ লাইজাৱৰীৰ পৰা আদি কৰি পুখুৰীৰ মাছ-কাছৰ কথা, প্ৰেমৰ অনুভূতি তথা চেঙেলীয়া ডেকা-গাভৰুৰ প্ৰেমৰ কথা বাৰুকৈয়ে প্ৰতিফলিত হোৱা দেখা যায়। আনহাতে বিয়ানামৰ আছে এক নিজস্ব বৈশিষ্ট্য। এগৰাকী কিশোৰীৰ জীৱন কাল এই বিয়ানামসমূহত প্ৰতিফলিত হোৱা দেখা যায়। ঠিক একেদৰে দেহ বিচাৰৰ গীতসমূহত সমৃদ্ধ হৈ থাকে ভক্তিৰসৰ এক মধুৰ গৰিমা। গীতসমূহ শুনিলেই মন হৈ পৰে ভক্তিৰসেৰে সমৃদ্ধ। অসমৰ জিকিৰ হৈছে অসমীয়া লোক সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ। তাৰোপৰি অসমীয়া নিচুকণী গীতৰ মাহাত্ম্যই সুকীয়া। মাতৃত্ব স্নেহৰ এক অভূতপূর্ব নিদর্শন হৈ থাকে এই নিচুকণী গীতসমূহত। সেইদৰে আইনামৰো আছে এক নিজস্ব সুকীয়া পৰিচয়।

মুঠৰ ওপৰত ক'বলৈ গ'লে অসমৰ লোক সাহিত্য তথা লোক সংস্কৃতিৰ ভঁৰাল অতিকৈ চহকী। কাৰণ এই সমূহত নিহিত হৈ আছে এটা জাতিৰ আৱেগ, ভাৱ, জীৱনশৈলী, পৰিৱর্তন আৰু মূল্যবোধ। বর্তমানে লোককৃষ্টি সংস্কৃতিৰ ওপৰত যথেষ্ট গৱেষণাৰ আৰম্ভ হৈছে। কিন্তু এইসমূহক সঠিকভাৱে বোধগম্য কৰি তুলিবলৈ এতিয়াও আমি বহুদূৰ পিছপৰি আছো। লোকসংস্কৃতিৰ মাজতে আমি অসমীয়া জাতিৰ জন্ম। আৰু ইয়াৰ পৰিৱর্তন সমূহো আমি নিজস্ব জ্ঞান ধাৰণাৰে মানি ল'ব লাগিব। কিন্তু তাৰ মানে এয়া নহয় যে আমি আমাৰ শিপাক পাহৰি যাব লাগিব। শিপাক খামুচি ধৰি যি পৰিৱর্তন হয় সেয়া নিশ্চয় গ্ৰহণযোগ্য। আশা কৰো অসমীয়া লোক সংস্কৃতিয়ে অসমীয়া সমাজখনক দুগুণে মহীয়ান কৰি তুলিব।



মাতৃয়েই হ'ল মানুহৰ সর্বশ্রেষ্ঠ শিক্ষক। – জর্জ হার্বাট

অসমৰ চাহ জনগোষ্ঠীৰ লোক ঔষধ

ড° মৌচুমী দত্ত
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

'লোক-সংস্কৃতি' ইংৰাজী Folklore শব্দৰ প্ৰতিশব্দ হিচাপে প্ৰয়োগ কৰা হয়। 'লোক-সংস্কৃতি'ক বুজাবৰ বাবে লোককৃতি, লোকবাৰ্তা, লোকযান, লোকবৃত্ত, লোকচৰ্যা, লোকায়ন আদি শব্দও প্ৰয়োগ কৰা হয়। লোক-সংস্কৃতি সম্পৰ্কীয় বিজ্ঞানসন্মত চিন্তা-চৰ্চা ঊনবিংশ শতাব্দীৰ দ্বিতীয়াৰ্দ্ধৰপৰা পাশ্চাত্য পণ্ডিতে আৰম্ভ কৰে। প্ৰথাৰস্থাত মানৱ জীৱনৰ লগত সম্পৃক্ত সামাজিক বিষয়সমূহ লোকসংস্কৃতি অধ্যয়নৰ আওতাত ধৰা হৈছিল। আল্যান ডাণ্ডেজ[১] পোনপ্ৰথম লোক (Folk) শব্দৰ সংজ্ঞা দিবলৈ যত্ন কৰে। তেওঁৰ মতে, লোক হ'ল এটা গোষ্ঠী বা গোট (group)। নূন্যতম উমৈহতীয়া উপাদানৰ অংশীদাৰ কোনো এক জনসমষ্টিক লোক বা Folk বুলিব পাৰি। এই উমৈহতীয়া উপাদান ভাষা, ধৰ্ম, ব্যৱসায় যিকোনো হ'ব পাৰে। যিটো উমৈহতীয়া উপাদানেৰে সেই জনগোষ্ঠীটো গঠিত তাত থাকিব লাগিব পৰম্পৰা। এই পৰম্পৰাকে জনগোষ্ঠীটোৱে উমৈহতীয়া উপাদান হিচাপে মানি ল'বলৈ সাজু থাকিব লাগিব।

ৰিচার্ড এম ডৰছনে[২] লোকসংস্কৃতিক চাৰিটা ভাগত ভাগ কৰিছে –

ক) মৌখিক সাহিত্য (Oral Literature)
খ) ভৌতিক সংস্কৃতি (Material Culture)
গ) সামাজিক লোক ৰীতি-নীতি (Social Folk Custom)
ঘ) লোক পৰিৱেশ্য কলা (Performing Folk Arts)

লোক-সংস্কৃতিৰ এটা শ্ৰেণী হ'ল সামাজিক লোকাচাৰ বা লোক ৰীতি-নীতি। 'মৌখিক আৰু ভৌতিক সংস্কৃতিৰ মাজতে পৰম্পৰাগত জীৱন। পৰম্পৰাগত জীৱন, মৌখিক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজৰ সংযোগ সেতু। পৰম্পৰাগত জীৱনক এক প্ৰকাৰে সামাজিক লোকাচাৰ (Social Folk Custom) আখ্যা দিব পাৰোঁ।'[৩]

সামাজিক লোকাচাৰ বা লোৰ ৰীতি-নীতিক ড° নবীন চন্দ্ৰ শৰ্মাই চাৰিটা উপভাগত ভাগ কৰিছে এনেদৰে[৪] –

ক) উৎসৱ অনুষ্ঠান
খ) অৱসৰ বিনোদন আৰু খেল-ধেমালি
গ) লৌক-ঔষধ আৰু
ঘ) লোকধৰ্ম (Folk religion)

আমাৰ আলোচ্য বিষয় অসমৰ চাহ জনগোষ্ঠীৰ লোক সমাজত ব্যৱহৃত লোক ঔষধ। এই বিষয়টি আলোচনা কৰোঁতে ক্ষেত্ৰ অধ্যয়নত প্ৰাপ্ত তথ্যসমূহক বৰ্ণাত্মক পদ্ধতিৰে উপস্থাপন কৰিবলৈ প্ৰয়াস কৰা হৈছে। লোক ঔষধ পৰম্পৰাগতভাৱে লোক সমাজত দুই প্ৰকাৰে প্ৰয়োগ কৰা হয় – মন্ত্ৰবিদ্যা আৰু বনৌষধ। আমাৰ আলোচ্য বিষয়টিত চাহ জনগোষ্ঠীয়ে লোক ঔষধ হিচাপে ব্যৱহাৰ কৰা বনৌষধ সম্পৰ্কেহে আলোচনা কৰা হৈছে।

অসমৰ চাহ জনগোষ্ঠী ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত অসমৰ ভূখণ্ডলৈ প্ৰাচীন কালৰেপৰা সময়ে সময়ে বিভিন্ন জনসমষ্টিৰ মাজত সংমিশ্ৰণ ঘটিছে। এই সংমিশ্ৰণে সমগ্ৰ জাতিটোৰ ভাষা, সাহিত্য, সমাজ আৰু সংস্কৃতি সকলো দিশকে প্ৰভাৱান্বিত কৰে। মোৱামৰীয়া বিদ্ৰোহৰ পাছতে সংঘটিত হোৱা মানৰ আক্ৰমণৰ ফলত অসমৰ জনগাঁথনিত যথেষ্ট প্ৰভাৱ

দেশতকৈ মোমাই ডাঙৰ নহয়। – লাচিত বৰফুকন



পৰে। সেই ঐতিহাসিক ঘটনাক্ৰমৰ পাছত অসমত ব্ৰিটিছ শাসন প্ৰৱৰ্তন হয়। ১৮২৬ চনৰ 'ইয়াণ্ডাবু সন্ধি' মতে অসম ইংৰাজৰ হাতলৈ যায়। ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াতো পৰে। ঔপনিবেশিক ব্ৰিটিছসকলৰ উদ্যোগতে অসমত চাহ শিল্পই বিস্তাৰ লাভ কৰে। অসমত চাহ খেতি কৰিবলৈ ভাৰতবৰ্ষৰ পশ্চিমবংগ, বিহাৰ, উৰিষ্যা, উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, মাদ্ৰাজ আৰু মহাৰাষ্ট্ৰৰপৰা এচাম লোকক অসমলৈ অনা হয়। এই লোকসকল আৰু তেওঁলোকৰ বংশধৰসকলেই বৰ্তমান অসমৰ চাহ জনগোষ্ঠী হিচাপে পৰিচিত।

অসমৰ চাহ জনগোষ্ঠীৰ লোকসমাজত সমন্বয়ৰ সমাহাৰ দেখা যায়। অসমলৈ ভাৰতৰ ভিন্ ভিন্ অঞ্চলৰ পৰা অহা লোকসকল সংমিশ্ৰিত হৈ অসমৰ চাহ বাগিচাসমূহত বসতি স্থাপন হ'ল। সেয়েহে অসমৰ চাহ বাগিচাৰ লোকসমাজ বহুতো জনগোষ্ঠীৰ সংমিশ্ৰণত গঢ়ি উঠা। এই লোকসমাজত বৈচিত্ৰ্যপূৰ্ণ সামাজিক লোকাচাৰ, ৰীতি-নীতি, বিশ্বাস-পৰম্পৰা, ধ্যান-ধাৰণা, উৎসৱ-পাৰ্বণ, বাদ্যযন্ত্ৰ, লোক নৃত্য-গীত বিৰাজমান। একে পৰিৱেশত একেখন সমাজত সন্মিলিতভাৱে থকা বাবে এওঁলোকৰ মাজত পাৰস্পৰিক আদান-প্ৰদান ঘটা পৰিলক্ষিত হয়। মুণ্ডা, কোল, ওৰাং, তাঁতী, চাওতাল, খেড়িয়া, গড়, পাইককে ধৰি প্ৰায় এশৰো অধিক জাতি-জনগোষ্ঠীৰ লোকৰ দ্বাৰা এওঁলোকৰ সমাজ গঠিত।

প্ৰাচীন কালৰে পৰা প্ৰকৃতি জগতৰ অন্যতম উপাদান গছ-গছনিক মানুহে জীৱন-ধাৰণত বিভিন্ন কলা-কৌশলত ব্যৱহাৰ কৰি আহিছে। গছৰ সৌন্দৰ্য আৰু মানৰ জীৱন ধাৰণত ইয়াৰ প্ৰৱল ভূমিকাই মানুহৰ মনত এনে কিছুমান বিশ্বাসৰ জন্ম দি আহিছে যে এটা সময়ত মানুহে বিশ্বাস কৰিবলৈ ল'লে গছ হ'ল এই বিশ্বৰ নিয়ন্ত্ৰকজনৰ আৱাসস্থান। এনে ধাৰণা বা বিশ্বাসক ভেঁটি কৰিয়েই মানৰ সমাজত প্ৰচলিত হ'ল বিভিন্ন বৃক্ষৰ পূজা-পাতল। গছ-গছনিৰ সুশীতল প্ৰচ্ছায়া, অৰণ্যানিৰ গভীৰতা আৰু প্ৰয়োজনীয়তাই মানৰ জীৱনক গছৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তিপ্ৰৱণ কৰি তুলিছিল। প্ৰকৃতিৰ আশ্ৰয়ত জীৱন-ধাৰণ কৰা মানুহে প্ৰকৃতিৰ পৰা আহৃত উপাদানেৰে শৰীৰৰ বিভিন্ন অসুখ-অসুবিধা দূৰ কৰিবলৈ যত্ন কৰিছিল। শাৰীৰিক অসুস্থতাৰ পৰা পৰিত্ৰাণ পাবলৈ বিভিন্ন প্ৰজাতিৰ উদ্ভিদৰ পৰা ঔষধ প্ৰস্তুত কৰি প্ৰয়োগ কৰিছিল। আধুনিক বিশ্ব মানৱৰ চিকিৎসা পদ্ধতিতো প্ৰকৃতি জগতৰ এই শ্ৰেষ্ঠ উপাদানৰ আদৰ আৰু প্ৰয়োজন এতিয়াও অব্যাহত আছে।

চাহ জনগোষ্ঠীৰ লোকে ঔষধ হিচাপে ব্যৱহাৰ কৰা কেইবিধমান গছ-গছনিৰ সম্পৰ্কে আলোচনা কৰা হ'ল –

(ক) তুলসী ঃ তুলসীক বিষ্ণুৰ প্ৰিয় গছ বুলি বিশ্বাস কৰা হয় আৰু ইয়াক অতি পৱিত্ৰ বুলি ধৰা হয়। ভাৰতীয় পৰম্পৰাত তুলসী পূজা আৰু তুলসী গছৰ তলত চাকি-বত্তি জ্বলোৱা এক প্ৰথা আছে। যিকোনো ধৰ্মীয় কাৰ্যত তুলসী পাত এক নৈবেদ্য। তুলসীক লৈ বিভিন্ন লোকবিশ্বাস, লোক ঔষধ গঢ় লৈ উঠিছে। তুলসী পাতৰ ঔষধি গুণ প্ৰচুৰ। কফজনিত অসুখ নিৰাময়, হজমী শক্তি বৃদ্ধি, কৃমি নাশ, তুলসীৰ গুটিয়ে প্ৰস্ৰাৱজনিত ৰোগ নিৰাময়, স্মৰণ শক্তি বৃদ্ধি, খৰ-খজুৰতিৰ উপশম, কোষ্ঠ-কাঠিন্য দূৰ কৰা, মাতৃ-দুগ্ধ বৃদ্ধি কৰাত তুলসীৰ পাত বা গুটিয়ে ঔষধি কাম কৰে।

অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলেও কাহৰ ঔষধ হিচাপে মৌ-জোল, মৰাণ আদাৰ ৰস আৰু ক'লা তুলসীৰ পাতৰ ৰস মিহলাই সেৱন কৰে।

(খ) মানিমুনি ঃ মানিমুনি দুবিধ -- সৰু মানিমুনি আৰু বৰ মানিমুনি। সৰু মানিমুনিৰ পাতবোৰ সৰু সৰু আৰু ই মাটিত শিপাই লতাৰ দৰে মাটিতে বগাই যায়। বৰ মাণিমুনি মাটিত নবগাই ঠিয় ঠিয় কৈ গজে। ইয়াৰ পাত অলপ ডাঙৰ, গা অংশ পোন হয়। মূত্ৰাশয়, যকৃৎ, বৃক্ক আদি পৰিষ্কাৰ কৰি ৰাখিবৰ বাবে মানিমুনিৰ ৰস যথেষ্ট উপকাৰী। স্মৃতিশক্তি বৃদ্ধি আৰু শৰীৰৰ তেজ বিশুদ্ধ কৰি ৰাখিবৰ বাবে মানিমুনি পাতৰ ৰস খাব লাগে। গ্ৰহণী ৰোগতো মানিমুনি এবিধ সু-পথ্য।

অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলে খাদ্য হজম নহ'লে বা পেটত গেছৰ সমস্যা হ'লে মানিমুনিৰ পাত (বেং পাত), অমিতাৰ ফুল আদি পিহি ঠাণ্ডা পানীৰ লগত মিহলাই ৰাতিপুৱা শুই উঠি খালী পেটত খায়।

(গ) কপৌফুল ঃ কপৌফুল পৰাশ্ৰয়ী উদ্ভিদ। ডাঙৰ গছৰ গাত



জ্ঞান আৰু কৰ্মৰ দ্বাৰা মানুহে মান পায়। – সত্যনাথ বৰা



হোৱা এইবিধ উদ্ভিদ বসন্ত কালত ফুলে। ইয়াৰ ফুলৰ গোন্ধ মৃদু। পাতবোৰ দীঘলআৰু গাঢ় সেউজীয়া বৰণৰ। শিপাবোৰ ডাঙৰ উদ্ভিদৰ গা-গছত খামুচি থাকে। কপৌফুলৰ ঔষধি গুণো আছে। হাড়ৰ ৰোগৰ বাবে কপৌফুলৰ শিপাই মহৌষধৰ কাম কৰে। শিপা খুন্দি তাৰ ৰস চেলেকিলে হাড়ৰ বেমাৰ নহয় বুলি বিশ্বাস আছে।

অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলে কাণৰ বিষ হ'লে কপৌফুলৰ পাত পিহি তাৰ ৰস কাণত দিয়ে।

(ঘ) নিম ঃ নিমগছৰ বিভিন্ন অংশ ঔষধ হিচাপে প্ৰয়োগ কৰা হয়। ঘোঁৰা নিম আৰু মহানিমৰ ভিতৰত বিশেষকৈ মহানিমৰ পাত, ফুল, গছৰ ছাল, শিপা, গছৰ ডাল আদি সকলো অংশকে শৰীৰৰ বিভিন্ন অঙ্গৰ সুস্থতাৰ বাবে ব্যৱহাৰ কৰা হয়। বীজাণু নাশ, মাংসপেশী সবল কৰা, চর্মৰোগ, বমি, মেলেৰিয়া আদি বিভিন্ন ৰোগত নিমগছৰ অংশ পথ্য হিচাপে ব্যৱহাৰ কৰা হয়। জ্বৰৰ পাছত হোৱা দুৰ্বলতা নাশৰ বাবে নিমগছৰ ফুলৰ আঞ্জা খোৱা হয়। গ্ৰহণী ৰোগৰ পথ্য হিচাপে নিমফুল সিজোৱা পানী, চাউলৰ গুড়ি আৰু নিমখ খাব পাৰি। মধুমেহ ৰোগীয়ে মহানিমৰ বাকলিৰ কাথ খালে আৰোগ্য হয়।

অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলে বসন্ত ওলালে নিমপাত, হালধি, কঁঠালৰ বাকলি আদি গৰম পানীত দি গা ধোৱে।

চাহ জনগোষ্ঠীয়ে কিছুমান বেমাৰত ব্যৱহাৰ কৰা লোক ঔষধ ঃ

(ক) আহুদি উলিওৱা ঔষধ ঃ চাহ জনগোষ্ঠীৰ লোক সমাজত এক বিশ্বাস আছে কোনো লোকে অভীষ্ট সিদ্ধিৰ বাবে কাৰোবাক কিবা খুৱাই, জৰা-ফুঁকা কৰি, তন্ত্ৰ-মন্ত্ৰ কৰি আহুদি কৰে। এই আহুদি উলিয়াবৰ বাবে তেওঁলোকে পথ্য হিচাপে নিলাজী বনৰ আগ, দোৰোণ বন, মাটি কঁঠালৰ আগ আৰু জালুক গুটি পিহি যিজনক আহুদি কৰে তেওঁক খুৱাব লাগে।

(খ) তিৰোতাৰ ঋতুস্ৰাৱজনিত ৰোগ ঃ কিছুমান তিৰোতাৰ ঋতুস্ৰাৱৰ সময়ত পেট কামো�ৰণী হয়। ইয়াক এওঁলোকে 'চুৰা কামোৰণী' বুলি কয়। এনেকুৱা হ'লে চেংমাৰী শাকৰ শিপাৰ তিনি ইঞ্চি আৰু লগত ৫ টা জালুক দি তিনিদিন পথ্য হিচাপে খায়।

(গ) সৰ্প দংশন ঃ সৰ্প দংশনত গুমুনি লতা পিহি সাপে দংশন কৰা ঠাইত লগায়। কোনো কোনোৱে জহৰ মহৰও সাপে দংশন কৰা ঠাইত লগাই দিয়ে।

(ঘ) কঁটা-ছিঙা ঃ কঁটা-ছিঙাৰ বাবে হোৱা ঘাঁ শুকোৱা আৰু ৰক্তক্ষৰণ বন্ধ কৰিবৰ বাবে নাৰ্জী ফুলৰ পাত, হাঁড় যোৰোৱা বনৰ পাত কঁটা ঠাইত লগায়।

(ঙ) কফ্‌জনিত অসুখ ঃ কফ্‌জনিত অসুখৰ বাবে বুকু বিষালে ক'লা হালধি, কাঠ অকণ গুটি (ৰিঠা গুটি), গোলমৰিছ (জালুক), নহৰু আদি একেলগে পিহি ঔষধ তৈয়াৰ কৰি সেৱন কৰে।

(চ) কুকুৰে কামোৰা ঃ জহৰ মহৰা গছ কুকুৰে কামোৰা ঠাইত পিহি লগাই দিয়ে।

(ছ) শৌচ-পনীয়া ঃ পনীয়া পায়খানা হ'লে ভীমকল গছৰ ৰস, নেমুৰ ৰস, মধুৰী আম আৰু টেঙা জাতীয় ফল খায়।

(জ) প্ৰসৱজনিত বেদনা ঃ কেঁচুৱা জন্ম হোৱাৰ আগতে গৰ্ভৱতী মহিলাৰ প্ৰসৱ বেদনা উপশমৰ বাবে বন জালুক বটি খুৱায়।

(ঝ) ৰক্ত শোধন ঃ তেজ পৰিষ্কাৰ কৰি ৰাখিবৰ বাবে হজমী শক্তি বৃদ্ধিৰ বাবে কেঁচা হালধী পিহি এঁৰা গাখীৰৰ লগত পুৱা খালী পেটত খায়।

লোকঔষধ আৰু লোকাচাৰ ঃ

প্ৰাচীন কালৰ পৰা পৰম্পৰাগত লোকঔষধ-মন্ত্ৰ বিদ্যা প্ৰয়োগ অথবা বনৌষধ প্ৰয়োগ দুয়োটাতে কিছুমান লোকাচাৰ পালন কৰি অহা হৈছে। ভূত-প্ৰেত খেদা, আহুদি কৰা, বিৰা মেলা, মুখ লগা ভঙা আদি বিভিন্ন বিশ্বাসত মন্ত্ৰ আদি প্ৰয়োগ কৰা হয়। এইবিলাকৰ মাজেদি লোক সমাজখনৰ কিছুমান লোকাচাৰ পৰিস্ফুট হয়।

হাত-ভৰি ভগা, জ্বৰ, বমি, পেটৰ অসুখ, বদ হজম, কাঁহ আদি ৰোগত কিছুমান বনৌষধ প্ৰয়োগ হয়। এই ঔষধসমূহ প্ৰস্তুত আৰু প্ৰয়োগত কিছুমান লোকাচাৰৰ প্ৰয়োগ হয়। ঔষধ তৈয়াৰ কৰোতাজন বিশিষ্ট ঠাইত বিশেষ ধৰণে বহি লোৱা, ঔষধ সেৱন কৰাজনেও ঔষধৰ ঘ্ৰাণ নোলোৱাকৈ সেৱন কৰা, ঔষধ তৈয়াৰ কৰা দ্ৰব্যসমূহ সকলোৰে আগত প্ৰকাশ নকৰা, আদি বহুতো লোকাচাৰ লোকঔষধৰ ক্ষেত্ৰত বিভিন্ন জনগোষ্ঠীয়ে পালন কৰে।

আধুনিকতাই চিকিৎসা বিজ্ঞানক বহু দূৰ আগবঢ়াই নিছে। তথাপি আমাৰ হাততে পোৱা বন-লতা, গছ-গছনিয়ে প্ৰাথমিক চিকিৎসাসমূহ গ্ৰহণ কৰাত যথেষ্ট ভূমিকা গ্ৰহণ কৰিব পাৰে। হঠাৎ কঁটা-ছিঙাৰ বাবে হোৱা ৰক্তক্ষৰণ বন্ধ কৰিবৰ বাবে বাৰীতে পোৱা নাৰ্জী ফুলৰ পাত, গোন্ধোৱা বনৰ পাত আদি ব্যৱহাৰ কৰিব পাৰি। অথবা পেটৰ অসুখ হ'লে পিৰালিতে হোৱা 'মচন্দৰি' শাকৰ পিটিকা অকণ খাব পাৰি। অৱশ্যে এই ঔষধসমূহ প্ৰয়োগৰ ক্ষেত্ৰত ব্যৱস্থাপনা আৰু সাৱধানতা শুদ্ধভাৱে পালন কৰা উচিত। ঔষধৰ পৰিমাণ আৰু প্ৰয়োগৰ শুদ্ধতাইহে উচিত ফল দিব পাৰে।

আনহাতে লোকসমাজত প্ৰচলিত বিশ্বাসৰ আলমত জনমানসত কিছুমান অন্ধবিশ্বাসেও গা কৰি উঠা পৰিলক্ষিত হয়। যাৰ পৰিণতিত ভয়াবহ পৰিস্থিতিবো সৃষ্টি হয়। অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ চিকিৎসা পদ্ধতিৰ শেহতীয়া সুবিধাসমূহ গ্ৰহণ নকৰি জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰৰ জৰিয়তে বেমাৰ আৰোগ্য কৰিবলৈ গৈ বেমাৰীজন আনকি মৃত্যুমুখতো পৰিব পাৰে। 'বিহলঙনি'য়ে বিষৰ পৰা উপশম ঘটায়, গতিকে বিষালী মানুহক 'বিহলঙনি' পাতেৰে জাৰি দিলে উপশম ঘটোৱাৰ পৰম্পৰা বহু লোকসমাজত প্ৰচলিত আছে। কিন্তু এই লোকবিশ্বাসৰ আলম লৈয়ে যিকোনো পাত বা ঠাৰিৰে বিষালী মানুহক অশুদ্ধভাৱে জৰা-ফুকা কৰিলে 'হিতে বিপৰীত' হোৱাৰ সম্ভাৱনা অধিক।

আনকি প্ৰসূতিক আৰু সদ্যজাত সন্তানক অপশক্তিৰ পৰা ৰক্ষা কৰাৰ নামত অন্ধবিশ্বাসপ্ৰসূত আচাৰ পালন কৰিবলৈ দিয়াতকৈ বিজ্ঞানসম্মত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰে ৰক্ষা কৰিবলৈ বিচাৰিলেহে মাতৃ আৰু সন্তান দুয়ো সোনকালে সুস্থ হোৱাৰ সম্ভাৱনা থাকে।

প্ৰাচীন কালৰে পৰা মানৱ জীৱন প্ৰকৃতি নিৰ্ভৰ। প্ৰকৃতি জগতৰ লগত বসবাস কৰি পৃথিৱীত জীৱশ্ৰেষ্ঠ হিচাপে জীয়াই থকা মানুহে প্ৰকৃতিৰ উপাদানসমূহক জীৱন ধাৰণৰ আহিলা আহৰণত ব্যৱহাৰ কৰি আহিছে। প্ৰাকৃতিক শক্তিসমূহে বিভিন্ন সময়ত মানুহৰ জীৱনশৈলীক ভীতিগ্ৰস্ত কৰি তুলিলেও প্ৰকৃতিৰ অকৃপণ দানে মানৱ জীৱনক আশীষ প্ৰদান কৰিও আহিছে। আমাৰ সমাজত বৰ্তি থকা বহু লোক পৰম্পৰা, লোকবিশ্বাস, লোক ঔষধ, লোক কথাই মানৱ জীৱন আৰু প্ৰকৃতি জগতৰ সুসম্পৰ্কৰ ভেঁটি গঢ়ি থৈ যোৱাৰ লগতে এইবিলাকৰ গ্ৰহণযোগ্যতা সম্পৰ্কেও তথ্য ৰাখি থৈ গৈছে।

অসমৰ চাহ জনগোষ্ঠীৰ লোক সমাজতো বিভিন্ন গছ-গছনিৰ অংশ, অসুখ নিৰাময়ত লোক ঔষধ হিচাপে প্ৰয়োগ হৈ আহিছে। ঔষধি গুণসম্পন্ন গছ-গছনি ৰোপণ আৰু সংৰক্ষণৰ ক্ষেত্ৰত আমাৰ সকলোৰে ভূমিকা বাঞ্ছনীয়। মহানিম, আদা, হালধি, কলগছ, আম, অমিতা, তুলসী আদি বিভিন্ন উদ্ভিদৰ ব্যৱহাৰ প্ৰতিষেধক আৰু আৰোগ্য হোৱাত উল্লেখনীয় ভূমিকা আছে।

তথ্যদাতা ঃ

অনুজ মুড়া -- মাইজান নাহৰ লাইন, ডিব্ৰুগড়

ধন নাইক -- মাইজান নাহৰ লাইন, ডিব্ৰুগড়

নিৰু নাইক -- লহপহীয়া চাহ বাগিচা, যোৰহাট

চম্পা নাইক -- লহপহীয়া চাহ বাগিচা, যোৰহাট

প্ৰসঙ্গ সূত্ৰ ঃ

১) Alan Dundes (ed.) : The Study of Folklore,

২) Richard M. Dorson (ed.) : Folklore and Folklife : An Introduction,

৩) নবীন চন্দ্ৰ শৰ্মা ঃ লোকসংস্কৃতি, পৃ. ২১

৪) ..... লোকসংস্কৃতি, পৃ. ২১

গ্ৰন্থপঞ্জী ঃ

(ক) অসমীয়া ঃ

১) কুৰ্মি, গণেশ চন্দ্ৰ ঃ চাহ জনগোষ্ঠীৰ লোকসংস্কৃতিত এক ঝলক, ডিব্ৰুগড়, ১ ম প্ৰকাশ, ১৯৯৩

২) তাছা, প্ৰহ্লাদ চন্দ্ৰ ঃ চাহ শ্ৰমিকৰ স্বাস্থ্য চিন্তা, অসম সাহিত্য সভা, যোৰহাট, ১ ম প্ৰকাশ, ২০০১

৩) শৰ্মা, নবীন চন্দ্ৰ ঃ লোকসংস্কৃতি, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৭

খ) ইংৰাজী ঃ

১) Dundes, Alan (ed.) : The Study of Folklore, Prentice Hall Inc., 1965

২) Dorson, Richard M. (ed.) : Folklore and Folklife : An Introduction The University, Chicago, U.S.A., 1972

টাই আহোম আৰু আহোম যুগৰ ৰাজনৈতিক বুৰঞ্জী


বিজিত গগৈ
বিজ্ঞান শাখা
স্নাতক পঞ্চম ষান্মাসিক

অসমৰ জাতি গঠনৰ প্ৰক্ৰিয়াত আহোম সকলৰ অৱদান সদা স্মৰণীয়। চাওলুং চ্যুকলফাই প্ৰতিষ্ঠা কৰা আহোম ৰাজ্যই প্ৰায় সমগ্ৰ অসম সামৰি লৈছিল। ত্ৰয়োদশ শতাব্দীৰ আৰম্ভণিতে টাই গোষ্ঠীৰ কিছু লোক পাটকলই পৰ্বত পাৰ হৈ অসমত প্ৰৱেশ কৰি ৰাজ্য স্থাপনৰ দিশে ধাৱমান হয় আৰু সেই টাই গোষ্ঠীৰ লোক সকলেই পাছলৈ 'আহোম' নামেৰে জনাজাত হৈ পৰে। প্ৰাচীন টাই সাম্ৰাজ্য উত্তৰে য়ুনানৰ পৰা পশ্চিমে অসম সীমান্তলৈ বিয়পি আছিল। লপম, লাওচ, থামতি, চীনাস্থান, আহোম এই সকলোবোৰ স্থান জাতিৰ ঠাল-ঠেঙুলি আৰু আটাইয়ে টাই বংশোদ্ভৱ বুলি চিনাকি দিয়ে। এইসকলৰ এবলংশই পাটকলই পৰ্বত পাৰ হৈ অসমত প্ৰৱেশ কৰি আহোম ৰাজ্য স্থাপন কৰাৰ লগতে আন এটা ঠালে ব্ৰহ্ম দেশৰ মাটিত আন এটা ৰাজবংশ প্ৰতিষ্ঠা কৰে। অসমত ৰাজ্য স্থাপনৰ পিছৰেপৰা আহোমসকলে স্থানীয় লোকসকলৰ লগত এক ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তুলি তেওঁলোকৰ ভাষা আৰু সাংস্কৃতিৰ সমন্বয়ৰ জৰিয়তে নিজৰ ভাষা সংস্কৃতিক এক নৱৰূপ প্ৰদান কৰে। ৰাজ্য জয়ত অদ্বিতীয় আহোমসকলে প্ৰশাসক হিচাপেও বিচক্ষণতাৰ পৰিচয় দাঙি ধৰিছিল। ৰাজ্য শাসনৰ ক্ষেত্ৰত আহোমসকলে ৰাজনৈতিক বিচক্ষণতাৰো পৰিচয় দাঙি ধৰিছিল। এই ৰাজনৈতিক বিচক্ষণতাই কেৱল প্ৰজাৰ কল্যাণ সাধন কৰাই নহয়, চৰকাৰী নীতি ৰূপায়ণৰ ক্ষেত্ৰতো বাটকটীয়া হৈ পৰিছিল।

অসমীয়া ভাষা গঠন প্ৰক্ৰিয়াত আহোম সকলৰ বিশেষ অৱদান দেখিবলৈ পোৱা যায়। অসমত আহোম সকলৰ ছশ বছৰীয়া ৰাজত্ব কালছোৱাত টাই ভাষাৰ বহুতো শব্দ অসমীয়া ভাষাত সোমাই পৰিল। বুৰঞ্জী হ'ল টাই মূলীয় এক শব্দ। 'পু-লান-চি' মূল শব্দ অপভ্ৰংশ বু-লান্- জি হৈ বু-ৰেণ-জি হোৱা বুলি কোৱা হয়। অসম অভিমুখে আহোতে চাওলুং চুকাফাৰ সৈতে পণ্ডিত সকলো আহিছিল। চাওলুং-চ্যুকাফাৰ আদেশমৰ্মে পণ্ডিতসকলে 'যি মৰে, যাকে পায়' অৰ্থাৎ যি ঘটনা ঘটে তাক লিপিবদ্ধ কৰি ৰাখিছিল। এয়ে আছিল অসমৰ বুৰঞ্জী প্ৰণয়নৰ আৰম্ভণি। বুৰঞ্জী সমূহক অসমৰ মৌলিক আধাৰ বুলি ক'ব পৰা যায়। আহোমসকলৰ লগত অহা দেওধাই, বাইলুং সকলেও বুৰঞ্জী লৈ আহিছিল। আহোম ৰজাসকলে নিয়মিতভাবে বুৰঞ্জী লিখাৰ নিয়ম প্ৰৱৰ্তন কৰিছিল আৰু দৈনন্দিন ঘটনা প্ৰবাহ তেওঁলোকে দেওধাই, বাইলুং পণ্ডিতসকলৰ হতুৱাই লিখি ৰাখিছিল।

ৰাজনৈতিকভাৱে আহোম ৰজাসকলে দক্ষতাৰ পৰিচয় দিছিল। সৰ্বজনবিদিত যে চ্যুকাফাৰ দিনৰেপৰা আহোম ৰাজবংশৰ প্ৰত্যক্ষভাৱে সূচনা হৈছিল। পাটকাই পৰ্বত অতিক্ৰম কৰি প্ৰথমে তেওঁলোকে উজনি অসমত নিজৰ সাম্ৰাজ্যৰ ভেঁটি স্থাপন কৰিছিল। সোতৰ শতিকাৰ পৰা ওঠৰ শতিকাৰ আগছোৱাত তেখেতসকলে নামনিৰ ৰাজ্যক্ষেত্ৰসমূহ অধিকাৰ কৰিবলৈ

নিজৰ যুক্তিৰ কাৰণে আনৰ দুখ কষ্ট দূৰ নকৰি উদাসীন হৈ থকাটো ধৰ্ম নহয়, সেইটো হৈছে ঘোৰ স্বাৰ্থপৰতা।
—স্বামী বিবেকানন্দ।



সক্ষম হৈছিল। আহোম ৰাজতান্ত্ৰিক শাসন ব্যৱস্থাত ৰজাকেই সৰ্বোচ্চ ক্ষমতাৰ অধিকাৰী ৰূপে বিবেচনা কৰা হৈছিল। যদিও ৰজাকেই সৰ্বোচ্চ আৰু সকলো সিদ্ধান্ত গ্ৰহণ কৰোতা ৰূপে গণ্য কৰা হৈছিল যদিও তিনিজন গোহাঁই, ৰৰগোহাঁই, বুঢ়াগোহাঁই আৰু ৰৰপাত্ৰ গোহাঁই এই তিনিজনা গোহাঁইৰ পৰামৰ্শক তেওঁ অমান্তি কৰিব পৰা নাছিল। তিনিজনা গোহাঁই, ৰৰৰৰুৱা আৰু ৰৰফুকন এই পাঁচোজন বিষয়া ৰজাৰ দ্বাৰাই ৰজাই শাসনতন্ত্ৰ চলাই নিছিল। মহামন্ত্ৰী সকলৰ লগত আলোচনা কৰি ৰজাই শদিয়াখোৱা গোহাঁই, সোলাল গোহাঁই , মৰঙি খোৱা গোহাঁই এই তিনিজনা সীমান্ত প্ৰশাসক নিয়োগ কৰিছিল। ফুকন, ৰাজখোৱা, বৰুৱা, ৰৰৰৱা বিষয়া সকলক ৰজাই ৰাজ্য শাসনৰ নিমিত্তে নিৰ্বাচন কৰি লৈছিল। বিদেশী ৰাষ্ট্ৰৰ লগত যোগাযোগৰ নিমিত্তে এজন কটকী ৰজাই নিৰ্বাচন কৰি লৈছিল। তিপমীয়া, নামৰূপীয়া আদি খেল বা ৰাজ জমিদাৰী চোৱাচিতা কৰিবলৈ ৰজাই ৰাজকোঁৱৰ সকলক সেই ঠাইৰ ৰজা বা প্ৰশাসক হিচাপে নিয়োগ কৰিছিল। ৰাজ্যৰ সকলো শ্ৰেণীৰ লোককে ৰজাসকলে সমানে সা-সুবিধা প্ৰদান কৰিছিল। আহোমৰ কিছুমান বিষয়বাব অনা আহোম সকলকো প্ৰদান কৰা হৈছিল। কিন্তু উচ্চ পদবী সমূহ আহোমৰ বাবেই সংৰক্ষিত আছিল। ৰাজ্য শাসনৰ নিমিত্তে বহু নীতি নিৰ্দেশনা সংযোগ কৰা হৈছিল। এইসমূহ নীতিয়ে ৰাজ্যখন শাসনত যথেষ্ট পৰিমাণে সুবিধা কৰিছিল। ৰাজনৈতিক লগতে বাণিজ্য নীতিও সফলভাবে সেই সময়ত ৰূপায়ণ হোৱা বুলি বুৰঞ্জীত উল্লেখ আছে। আহোমসকলে যি ৰাজ্যক্ষেত্ৰ জয় কৰি লৈছিল সেই ঠাই সমূহত আগৰে পৰা বসতি কৰি থকা লোকসকল যেনে – বৰাহী, চুতীয়া, কছাৰী, মৰাণ এইসকলক 'পাইক' খেল প্ৰথাৰে সামৰি লোৱা হৈছিল আৰু এইসকলক নতুনকৈ নিয়োগ কৰা য়ু কন, বৰুৱা, বৰা আদি বিষয়াৰ নিয়ন্ত্ৰণত ৰখা হৈছিল। এই শাসনৰ কালছোৱাতে কৰ্ম আৰু জাতিৰ ওপৰত ভিত্তি কৰি মানুহক বিভিন্ন খেলত ভাগ কৰা হৈছিল। সাধাৰণ অৱস্থাত খেলৰ পাইকসকলে খেতি-বাতি, বয়ন আৰু শিল্প কৰ্মৰ জৰিয়তে নিৰ্দ্ধাৰিত সেৱা আগবঢ়াই গৈছিল। চুহুংমুং দিহিঙীয়া ৰজাই লোক গণনাৰ জৰিয়তে পাছলৈ বৃত্তিগত শ্ৰেণীৰ সৃষ্টি কৰিছিল। অসমৰ বিভিন্ন ঠাইত তেখেতে প্ৰশাসনীয় তথা ৰাজহ খণ্ড গঠন কৰি দিছিল।

এনেদৰে আহোম যুগ ছশ বছৰ ধৰি চলিছিল। এই সময়ছোৱাত বিভিন্ন পৰিৱৰ্তনে দেখা দিছিল। সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক সকলো দিশতে আহোম যুগত এটি পৰিৱৰ্তনৰ সূচনা হৈছিল। এই কালছোৱাতেই হস্তিবিদ্যাৰ্ণৱ, শংখচূড়বধ কাব্য, ধৰ্ম পুৰাণ আদি চিত্ৰ সম্বলিত আপুৰুগীয়া পুথিৰ প্ৰকাশ ঘটিছিল।



মানুহৰ জীবনটো সেন্দুৰীয়া আলি নহয়। সুখ, দুখ, হাঁহি, কান্দোন, বিৰহ, বেজাৰ, ঘাট-প্ৰতিঘাটৰ সমষ্টি।
—কীটছ।

THE MISINGS OF ASSAM
THEIR MIGRATION & CULTURE

Banikanta Doley
B.A. 3rd Semester

The Mising previously known as Miri are the second largest group in terms of population. They are one of the nine indigenous tribes who have been scheduled in plains of Assam under the constitution of India. The term Miri happened to be used in the past indiscriminately with no distinction of which and how many tribes actually it stood for. Miris are divided into two broad division, the plain Miri and Hill Miri. Morphologically, the word Mising is generally described to have been made up of the two different words as 'Ami' (man) and 'Ansing' (cold, peace loving) or in other word it is said that Ami (man) and yasing (white, fair). So in it can be said that Mising means man of fair complexion.

There are evidences that the Mising group migrated from Tibet across the Doshing-La-Pass to Siang Valley earlier then the Padam-Miyang group who stayed back at Pemacochen for a couple of centuries. Then the different groups of the Misings from Adi hills migrated down to Assam plains at different time and took different routes. The Misings and their Cognate tribes like Padam, Galong, Minyong, Apatami, Bokar, Bori etc. who identify themselves as descendants of Abo Tane (father of mankind) are believed to have migrated from western China enroute tibet following the course of the rivers following down from Tibet and to have advance towards eastern part of the hilly ranges of the sub-Himalayan mountains till they reached the Siyang and Dibang valleys of the present Arunachal Pradesh. From some period of time in the remote past, the Misings settled themselves in the hills which still constitute the sweet homeland for their related tribes, but records donot provide evidences when and why they came down to the plains of Assam from the hills. It can be assumed that the Misings started migrating down to the alluvial flats of the Brahmaputra Valley during the 12th century A.D. Being a migratory tribe, they frequently moved from one place to another along the Brahmaputra Valley even in the plains but it appears that they did not advance down stream beyond the confluence of the Mighty Brahmaputra and its principal tributary Subansiri. It is for this reason that Mising tribe is found scattered in the part of upper Assam only even now. Their present habitat consists of eight districts,



"The past has no power over the present moment." – *Eckhart Tolle*

namely, Tinsukia, Dibrugarh, Sivasagar, Jorhat and Golaghat in the south bank of the Brahmaputra and Sonitpur, Lakhimpur and Dhemaji in the North bank. However, Dhemaji district has the highest concentration of Mising population.

The Misings have a rich cultural heritage of their own. They are a distinctively colourful tribe of Assam. The folk culture of the Mising were rooted in their ways of life in the high hills but changed through the centuries as the landscape of their habitats changed from high hills of yester years to the present expanse of the Brahmaputra Valley. There has been emergence of a new pattern of expression and practice in their following the gradual transformation of the place of dwelling, method in agriculture, ceremonies, belief and expression. They have been retaining most of their traditional traits and ethos through influences over by modernism.

Their festivals can be broadly divided into social and religious groups of social festivals, most important are the 'Ali-Aye-Ligang' and 'Porag'. The 'Ali-Aye-Ligang is celebrated in spring, while 'Po-rag' festivals which is popularly known amongst the Assamese as 'Norachiga Bihu' is observed either during the autumn or spring after the ingathering of harvest.

Ali-Aye-Ligang is an agricultural festival and it is celebrated to mark the onset of season of sowing seeds. The derivative meaning of the Ali-Aye-Ligang means commencement of sowing. The folk belief behind the celebration of this festival is associated with fertility of the virgin earth. Retirement and merriment in accompaniment of dance and music is a part and parcel of the festival. A group of villages celebrate the festival sometimes in the month of Falgun and Chaitra of Indian Calender. But since 1956, the first wednesday of the month of Falgun is fixed as the auspicious day and celebrated all over with much enthusiasm and merry-making. Late previous night or the crack of dawn of wednesday is the time when rice wrapped in leaves into packet called purang is boiled and curry of pulse with pork is deliciously prepared. Po ro Apong (rice bear) is percolated with these items, guests are fervently served to their satisfaction.

'Po-rag' is a festival of prayers and feast and executed with elaborate programme spread over 3 days. This 'Po-rag' festivals bears the glaring example of sharing characteristics of social and religious function. The 'mimbiryame' or the organisation of the young adult bear all the durdgery of making elaborate arrangements po-rag is celebrated at an interval of 5 years to a decade. A Mirong is newly constructed at the hall for 3 to 5 days starting on a wednesday. Among the invitess include a 'Mibu', who is to intimate the occasion and lead the prayer village and all the women who were given out in marriage from the village that is holding the festival. A 'Mibu' is invited well a head to lead the prayer dance. Invitation is extended to one 'mumbir-Yame' of the neigbouring villages as 'Minom'. The 'Mibu' and 'Minoms' arrive on the eve of the festival and are given a warm reception. A bamboo cage of a conical shape of about 6 feet length with a diameter of 3 to 4 feet in its widest part called Ta:sug is fastened hanging from the ceiling at the central part of the Murong and is filled with fermented Apong stuff. Now the Ta : sug filled with the Apong stuff together is called Po:bor.

Dobur or Dobir' is a religious function of Mising community. It is observed on the first wednesday of the month of Jestha (May-June). However, variation of the date of its observance is found with different groups of tribe. At this day the male members of the village mark a closure of the gateways to and from the village by plaiting the leaves of some needs that are vertically staked for the purpose on both sides of the way. This act of closing ways is called "Ni Pir Pirtumna". As soon as this closure is done, neither a villager can leave the village nor can an outside enter. Violation of this custom is dealt with in serious note. The Mising people believe that prosperity of the village goes away with a stranger if he is allowed to leave the village amidst the function. The celebration concludes with a hunting programme called Ruglennam. The celebration is considered successful if a wild animal or bird of any kind can be hunted or killed during the course of Ruglennam.




"Children must be taught how to think, not what to think." – *Margaret Mead*

TRADITIONAL FOOD CULTURE IN NORTH-EAST INDIA

Ritupan Saikia
B.Sc. 1st Semester

North East India is a land of undulating hills and plains with suscuriant green cover and a wide variety or rare and exotic flora and fauna. It comprises of the contignous seven sister states (Arunachal Pradesh, Assam, Manipur, Meghalaya, Mizoram, Nagaland, Tripura) and the Himalayan state of Sikkim. Striking factor of this zone of India is its pristine beauty and relatively much simple way of life. North-East has something special to offer to the culinary landscape of India. Most of the dishes are made of locally sourced ingredients and therefore make for a wonderful change of taste to the average jaded palette. Most of their dishes use simple and fresh ingredients like Bamboo shoot, Bhut Jolokia and local green. Though most dishes consist of meat, it is interesting to note how these are very light and lip-smackingly enjoyable. Mostly dishes are prepared with Mustard oil to intensify the flavour.



Arunachal Pradesh is the land of exotic tastes and smells and one of the best example of its culinary diversity in zan which is a wonderfully spicy porridge. Zan is a highly customizable dish which can be enhanced with a lot of green vegetables and smoked meat. The locally sourced spices added to the dish bring a sweet and spicy aroma to the porridge. Another major dish of Arunachal Pradesh is "Sungat Diya Mas" or Bamboo Fish. Bamboo play quite an integnal role in the cuisine of North East and specially Arunachal Pradesh. The river fish are cleaned, spice and stuffed into the stem of moist bamboo after which the stems are slowly pressurized over fire or boiling water. In time the meat gets a succulent tender flavour and the fragrance of bamboo gets infused inside. Final garnishing is done with the rind of Gondhoraj Lebu or Lemon. The final dish is wrapped in Tender banana leaves and served piping hot.

In Assam, the traditional Assamese food is not spicy, it is even bland at times. Rice or 'Vaat' is the staple food of the people. Although a traditional meal in Assam is never complete without

"Intelligence plus character-that is the goal of true education." – *Martin Luther King Jr.*


the presence of khar. This is a completely off beat dish prepared out of the unusual combination of red rice, beaten pulse and raw papaya along with traditional Assamese spices. All the ingredients are mixed together and then filtered through a pipe stuffed with desiccated banana ash. The fragnance of dried banana imparts a flavour that is wholesome as well as exotic. This dish is a full bodied recipe that can be cooked for lunch. Being gluten free this is a safe option for diabetics and health conscious people 'Masor tenga' is a graceful assamese dish. The fish curry is made with everything sour and yet it magically turns out to be delicious. The fish is slow cooked in a rich, tangy broth made with tomato, autenga (elephant ear), and also lemon. The end result is a melt-in-the mouth fish, flavoured in pure awesomeness. 'Pitha' is a snack that is consumed quite frequently in Assam locals have sweet pitha for breakfast while salted ones are coated in light butter and tea. The pitha can be made sweet or savory and most locals prefer the sweet version.

Eromba is the perfect healthy wholesome food for any person who wants to experiment with the cuisine of Manipur. All the fresh vegetables of the season are either boiled or steamed in an infusion of lots of Raja Mirchi. When the veggies have imbibed the fiery smoky flavour of the chilies then they are mixed with smoked or roasted fish and then mashed in wholesomely together. This light and nutritious dish is great with both rice and Manipuri Millet bread. Another Manipuri dish which is called 'Mangal Ooti' Which is typical vegeterian dish and is cooked without using even a drop of non vegetatian contents. The yellow peas which is also called 'Mangal' in Manipur are the base for this awesome dish. All that is done in the dish brings out the flavour of the peas with the help of 'Ushoi' (a dry spicy herb only found in Manipur). Bay leaves and anchovies give the dish the rest of its flavours. Once the dish is well cooked it will taste great both in rice and chapatti.

"Jadoh" is a popular Meghalayan dish which is very popular in the North Eastern food circuit of India. Jodoh is usually prepared with Amrmbrosial rice that is a specially of Meghalaya. This rice is long grained, light red coloured and endowed with a distinctive fragrance apart from being deliciously low in gluten. Very less oil is used to healthier than the other types of pulav traditionally consumed in India. While the vegetarian one is flavored with tomato, tinda, Jhinga, potato and okra the non vegetarian Jadoh is packed with succulent pieces of pork. "Misa Mach Poora' is another dish of Meghalaya made up of baby shrimps, pepper carns and coarsely ground coriander. The magical aroma of 'Misa Maach' dish comes from its unique grilling process in tender banana leaves. The juice from the leaves seeps into the shrimps and endows it with a tangy earthy aroma. This delicious dish is too great with steamed rice.

Mizoram cuisine finds its best representation in "Bai" which is a spicy and sour dish. Pork is one of the most used meats in Mizoram and predictably the dish "Bai" also gets its base from pork. This dish also has a major base of spinach which makes it good source of iron too. Tender young bamboo shoots are added to the mixture of Bai as this gives it an aromatic flavor. This is a quite spicy dish which can be paired with sweet and chewy Mizoram rice. Another Mizoram's favorite smoked pork dish is 'Vawksa Rep'. In this Mizo dish chilles, local herbs and fresh leafy greens added in the pork.

Nagaland is well known for its pork delicacies and locals here consider pork to be their main source of meat. "The smoked pork" dish is a major dish in Nagaland. This smoked pork is crispy on its outer sid while inner portion are cut into small pieces and can either be prepared in a dry form or in a curry




"I am not a teacher, but an awakener." – *Robert Frost*

form with localized ingredients. The presence of bamboo shoot inside the pork dish brings out the intense smoky flavor. The other ingredients like Akhuni (fermented Soya Bean) and anishi (fermented leaves of the yam) are sometimes added to the pork to bring out different flavors Lastly the fiery tinge is added by the influsion of a pinch of Raja Mirchi which is the most potent chilly in the world. The smoked pork curry tastes heavenly with steamed plain rice. Black sticky Rice pudding or 'Naap Nang' is one of the best sweet dishes in Nagaland. The dish is flavoured in a subtle way with sweet nuts and the taste borders on a rich molasses like sweetness. The black sticky rice pudding is full of fiber and is good for health and can even be consumed by diabetics. The black glutinous rice is a complex carbo hydrate which slowly releases sugar in the system and does not allow to put on weight. The dairy whitener or skimmed milk and the hint of saffron and pistachio in the dish give it a unique and delightful flavour.

'Awan Babgwi' is a speciality of the local cuisine of Tripura. This dish is made up of long grained coarse textured Guria rice and is fashioned into the shape of a cake Rice chunks of garlic, cashew pieces, long bodied sultanas and ginger gratings go into the making of 'Awan Bangwi'. This dish can be taken anytime of the day and still tastes wonderfully delicious the best thing about Awan Bangwi is that it comes wrapped in the fragrant Lairu. 'Mui Borok' is another traditional cuisine of the state of Tripura. The dishes consists of dry and fermented fish known to the people as Berma and are prepared without oil, making it healthy.

Sikkimese are traditionally rice eaters. Nepalese cuisine is very popular in Sikkim because Sikkim is the only state of India with an ethnic Nepali majority. 'Phagshapa' is a famous dish from Sikkim. Compared to other curries, it is not so spicy as the only spice used is chillies. It is lightly flavored, the radish and the pork made a wonderful combination and goes really well with just plain rice. 'Gyathuk' is another dish just like 'Thukpa' is egg noodle or plain noodles. 'Thukpa' is a most famous dish in Sikkim. This 'Gyathuk' dish is flavored with a lot of Sikkimese spices and Ajinamoto. This dish is usually consumed with chunks of warm bread that is dipped into it.

These all cuisines of North-East India offers dishes that reflects the culture and life style of the region.



"The mind is not a vessel to be filled, but a fire to be kindled." – *Plutarch*

উজনি অসমৰ বৌদ্ধধর্মাৱলম্বী জনগোষ্ঠীসমূহৰ কৃষিভিত্তিক উৎসৱ-অনুষ্ঠান

ড° স্মৃতিৰেখা চেতিয়া সন্দিকৈ
অসমীয়া বিভাগ,
ডিব্রু মহাবিদ্যালয়

অসম যেনেকৈ বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি তেনেকৈ এই জনগোষ্ঠীবোৰৰ বহুৰঙী সংস্কৃতিৰো বৰপে�ৰা। এই জাতি-জনগোষ্ঠীবোৰৰ ভিতৰত বৌদ্ধধর্মী জনগোষ্ঠীবোৰ অন্যতম। এই বৌদ্ধধর্মী জনগোষ্ঠীবোৰে বিভিন্ন উৎসৱ-অনুষ্ঠান পালন কৰে। উজনি অসমত বৌদ্ধধর্মৰ দুটা শাখাৰ মানুহে বসবাস কৰে। এই শাখা দুটা হৈছে মহাযান আৰু হীনযান। উজনি অসমত বসবাস কৰি থকা বৌদ্ধধর্মাৱলম্বী জনগোষ্ঠীকেইটা হৈছে— **টাই-খামতি, টাই-আইতন, টাই-খাম�য়াং, টাই-ফাকে, টাই-টুৰুং, চিংফৌ, তামাং, মগৱড়ুৱা** আৰু চাকমা।

মানৱ সভ্যতাৰ ইতিহাস বিৱর্তনৰ ইতিহাস। এনে ইতিহাসৰ কোনোবা এছোৱা সময়ত মানুহে খেতি কৰিবলৈ শিকে। কৃষিকার্য কৰোঁতে মানুহে বহু অপায়-অমংগলৰ সন্মুখীন হ'বলগীয়া হয়। কীট-পতংগৰ আক্রমণ, অতিবৃষ্টি-অনাবৃষ্টি আৰু বানপানী আদিৰ বাবে কৃষকে বহু কষ্ট কৰিও খেতিৰ ফচল চপাবলৈ সক্ষম নহয়। বিজ্ঞান মানসিকতাৰ অভাৱ আৰু সহজ-সৱল চহামনত এনে বাধা-বিঘিনিৰ মূলতে কিছুমান দৈৱশক্তিৰ প্রভাৱ বুলি বিশ্বাস গঢ়ি উঠে। এনে ধাৱণাৰ পৰাই লক্ষ্মী আৰু পতানী আদি দেৱীৰ সৃষ্টি হ'ল। উজনি অসমৰ বৌদ্ধধর্মাৱলম্বী জনগোষ্ঠীসমূহ মূলতঃ কৃষিজীৱী। সেয়ে কৃষিৰ লগত জড়িত কিছু ৰীতি-নীতি তেওঁলোকৰ সমাজত প্রচলন থকা দেখা যায়। উল্লেখযোগ্য যে খেতিৰ বাবে বহুসময়ত তেওঁলোকে চাক্রেইট (পঞ্জিকা)ৰ নির্ণীত শুভাশুভ দিশৰ ওপৰত যথেষ্ট পৰিমাণে নির্ভৰ কৰে। চাক্রেইটৰ নির্দেশ অনুসৰিও তেওঁলোকে বহু অনুষ্ঠান পালন কৰে। শুভদিন চাই পথাৰত হাল জোৰে। এই অনুষ্ঠানসমূহ হৈছে, চৈত্যদান, ভূমিপূজা, ন-ভূই, লক্ষিমী অনা আৰু ন-খোৱা।



চৈত্য-দান

চৈত্য-দান অনুষ্ঠান বা **গ্রাম পূজা চিংফৌ**সকলৰ উল্লেখযোগ্য কৃষিভিত্তিক অনুষ্ঠান। **চৈত্য-দান** অনুষ্ঠান কৃষিকার্য আৰম্ভ কৰাৰ আগে আগে অর্থাৎ ব'হাগ-জেঠ মাহৰ শুভ দিন এটাত অনুষ্ঠিত কৰা হয়। **চৈত্য-দান** অনুষ্ঠানত ৰাইজে গাঁৱৰ বৌদ্ধ বিহাৰৰ প্রাঙ্গনৰ বাহিৰত মাটিৰে এটা সাত খলপীয়া চৈত্য সাজে। কাগজেৰে চৈত্যটো সুন্দৰকৈ সজোৱা হয়। গাঁৱৰ ৰাইজে ভান্তেলৈ দান-দক্ষিণা আগবঢ়ায়। ৰাইজে থমট্রা আৰু পূণ্যদান কৰি পঞ্চশীল লৈ চৈত্যদান কৰে। এই অনুষ্ঠান হোৱাৰ পাছতহে বছৰটোৰ কৃষিকার্য আৰম্ভ কৰা হয়।

সৰু ল'ৰা-ছোৱালীৰ নিছিনা হ'ব নোৱাৰিলে ভগৱানৰ ৰাজ্যত প্রৱেশ কৰিব নোৱাৰি। – টলষ্টয়

ভূমিপূজা

ভূমিপূজা অনুষ্ঠান মগবডুৱা জনগোষ্ঠীৰ অনুষ্ঠান। খেতি আৰম্ভ কৰাৰ আগতে এই অনুষ্ঠান তেওঁলোকে ঘৰুৱাভাৱে আয়োজন কৰে। এই অনুষ্ঠানত গৃহী বৌদ্ধসকলে সৰু সৰু ল'ৰা-ছোৱালীক নিমন্ত্রণ কৰি ফল-মূল দান কৰে আৰু পায়স খুৱায়। এই অনুষ্ঠান আয়োজন কৰাৰ পাছতহে তেওঁলোকে কৃষিকার্য আৰম্ভ কৰে।

ন ভূঁই

খেতি নদন-বদন হ'বলৈ আৰু সকলো ধৰণৰ বিঘিনিৰ পৰা খেতিডৰা নিৰাপদে থাকিবলৈ **ন ভূঁই** অনুষ্ঠান অনুষ্ঠিত কৰা হয়। পথাৰত প্রথম কঠিয়া ৰোৱাৰ দিনা **ন ভূঁই** অনুষ্ঠান পালন কৰা হয়। **খামতিসকলে হেকছম** (ভূঁই ৰুৱলৈ) কৰিবলৈ শুভদিন নির্দিষ্ট কৰোঁতে চাক্রেইটৰ নির্দেশ অতি গুৰুত্ব সহকাৰে মানি চলে। ন ভূঁই ৰোৱাৰ দিনা পঞ্জিকাত লক্ষ্মীৰ অৱস্থান ক'ত চাই লোৱা হয়। চাক্রেইটৰ মতে লক্ষ্মীয়ে প্রত্যেক বছৰেই নিজৰ অৱস্থান সলনি কৰি থাকে। কেতিয়াবা ৰৰগছ, কেতিয়াবা বগৰী গছ, কচুগছ আৰু কেতিয়াবা নিমগছ বা অন্য গছত তেওঁ বসবাস কৰে । ভূঁই ৰোৱাৰ দিনাখন যিজোপা গছত লক্ষ্মীয়ে বসবাস কৰি থাকে সেই গছজোপাৰ ঠাল এটা লোৱা হয়। তাৰ পাছত এপাহ ফুল লোৱা হয়। উল্লেখযোগ্য যে কি ৰঙৰ ফুল ল'ব লাগিব তাকো **চাক্রেইটত** উল্লেখ থাকে। পিঠা, গুৰ, মিঠাই আদি বাঁহৰ সজা এটাত ভৰাই লৈ মাটি ডৰাৰ এচুকত থাপনা সাজি তাত বস্তুখিনি সজাই দিয়া হয়। কাষতে গছৰ ডালটো আৰু কঠিয়া কেইগোছমান ৰুই দিয়ে আৰু মনেৰে ৰোৱণীগৰাকীয়ে কামনা কৰে, *গুৰুক দিম, ভকতক দিম, দুখীয়াক দিম, লক্ষ্মী যেন লহপহৈকে বাঢি আহে।*খামযাংসকলে ন ভূঁই ৰোৱাৰ দিনা ফিলামক পূজা কৰে। তাৰপাছত চাক্রেইটত উল্লেখ থকা মতে যি গছত লক্ষ্মী থাকে সেই গছৰ ডাল এটা, মম আৰু ধূপ আদি লৈ পথাৰলৈ যায়। ৰোৱাৰ সময়ত ডালটো পথাৰত ৰুই দি মম, ধূপ, জ্বলাই তামোল-পাণ দি শিৰলি পূজা কৰা হয় আৰু খেতি নদন-বদন হ'বলৈ প্রার্থনা কৰে। টুৰুংসকলেও খেতি আৰম্ভ কৰাৰ আগতে দিন-বাৰ সকলো চাইহে হালবোৱা কার্য আৰম্ভ কৰে। ফাং (ভূঁই ৰোৱা)ৰ আগতে টুৰুংসমাজতো মাটিডোখৰৰ



চুক এটাত কেঁচা বাঁহৰ ঠাৰি এডাল পাতেৰে সৈতে পুতি তাৰ কাষত **চাক্রেইটৰ** নির্দেশমতে ভূঁই ৰোৱাৰ দিনাখন যিজোপা গছত লক্ষ্মীৰ অৱস্থান থাকে সেই গছজোপাৰ ঠাল এটা পুতি দিয়া হয়।। তাৰপাছত চাকি জ্বলাই থুৰীয়া তামোল এখন আগবঢ়াই হাতত কঠিয়া লৈ লক্ষ্মীদেৱীক প্রার্থনা কৰে। এইপ্রার্থনা কৰা ব্যক্তিজন ল'ৰা-ছোৱালী থকা সম্পূর্ণ ব্যক্তি হ'ব লাগিব। ফাকেসকলে খেতিত আৰম্ভ কৰাৰ আগতে **চাক্রেইটত** ভাল দিন-বাৰ এটা চাই লয়। তাৰপাছত বুদ্ধক স্মৰণ কৰি **থমট্রা** কৰে। তাৰপাছতহে হালবোৱা কার্য আৰম্ভ কৰে। তদুপৰি পোক-পৰুৱাই খেতিত ধৰিলে পথাৰত **থুংটান** (পথাৰ পূজা) কৰে। এই পূজা গৃহস্থ-গৃহস্থনীয়ে পথাৰত অনুষ্ঠিত কৰে। তেওঁলোকে মম, ধূপ, ফুল আদি লৈ ধাননি পথাৰলৈ যায় আৰু লোকগীত গাই **থমট্রা** কৰি খেতিডৰা নষ্ট নকৰিবলৈ অনুৰোধ কৰে। খামতিসকলে মাটি ৰুই শেষ হোৱাৰ দিনা **য়াওনা** কৰে। অর্থাৎ ৰোৱণীগৰাকীয়ে কঠিয়াৰ শেষৰজোপা ৰোৱাত এটা ভঁৰাল সাজে। আকৌ ৰুৱা ধানত পোক লাগিলে পোক-পৰুৱা আঁতৰি যাবলৈ গৃহিণীয়ে পথাৰত তাংচম কৰে। আকৌ প্রথম ধান দোৱাৰ দিনাও গৃহিণীয়ে থুৰীয়া তামোল-পাণ এযোৰ নি আগলি কলপাতত লক্ষ্মীৰ নামত দি ধানত **হেকপাত্** (কাচি) লগায়।

লখিমী অনা

পথাৰৰ পৰা প্রথম ধান মুঠি আনি ভঁৰালত ভৰাবলৈ এই অনুষ্ঠান পালন কৰা হয়। চিংফৌসকলে প্রথম ধান দাই বৃহস্পতিবাৰে, খামযাংসকলে ধান দাই সোমবাৰ বা বৃহস্পতিবাৰে, টুৰুং, আইতন, ফাকে আৰু খামতিসকলে পথাৰত ধান দাই শেষ হ'লে আৰু তামাংসকলে পথাৰৰ পৰা ধান চপাই অনাৰ পাছত লখিমী আনে। এই অনুষ্ঠানক চিংফৌসকলে **চাটলং**, খামতিসকলে **আও-খন খাও**, ফাকেসকলে **খন খাও** আৰু তামাংসকলে **ৰাসপূজা** বুলি কয়। চিংফৌসকলে খেতিত নমাৰ আগতে যেনেদৰে **চৈত্যদান** কৰে তেনেদৰে লখিমী সুমুৰাওঁতে অত্যন্ত ভক্তি আৰু নিয়মৰে সুমুৰায়। প্রথম ধান দাই তেওঁলোকে বৃহস্পতিবাৰে গামোচাত মেৰিয়াই এমুঠিমান ধান ঘৰলৈ আনে। এনেদৰে আহোঁতে লখিমী অনা মানুহগৰাকীয়ে বাটত কাকো মাতবোল নকৰে। পথাৰৰ পৰা সকলো ধান অনাৰ পাছত মৰণা মাৰি শেষ কৰাৰ দিনা গৃহিণীয়ে পিঠা আৰু কল দি আই লক্ষ্মীক মাতি ভঁৰালত ধান সুমুৰায়। এনেদৰে সুমুওৱাৰ পাছত ধান উলিওৱাৰো নিয়ম আছে। প্রায় দুমাহ যোৱাৰ পাছত ভাল দিন বাৰ চাইহে পুনৰ খাবৰ বাবে ধান ভঁৰালৰ পৰা নমোৱা হয়। খামযাংসকলে ধান দাই পোনে পোনে ডাঙৰি নানে। সোমবাৰ বা বৃহস্পতিবাৰে নতুন গামোচা এখনত দুমুঠি ধান কাটি আনে। এনেদৰে আনোতে খামযাংসকলেও বাটত কাকো মাতবোল নকৰে। নতুনকৈ মাটিৰে লিপি থোৱা ভঁৰালত সেই লখিমী সুমুৰাই সদায় বাস কৰিবলৈ প্রার্থনা জনায়। খামতিসকলে পথাৰত ধান দাই শেষ হ'লেহে লখিমী আনে। ভাল দিন বাৰ চাই ধানৰ থোক বিচাৰি লেচেৰি বুটলি ধানৰ নৰা কাটি নৰাৰ ভিতৰত থোকবোৰ সুমুৰাই বগা কাপোৰেৰে মেৰিয়াই গৃহিণীয়ে লখিমী আনে। খামতিসকলেও এনেদৰে লখিমী আনোতে বাটত মানুহনামাতে। খামতিসমাজত ধানৰ মৰণা মাৰি শেষ হ'লেহে লখিমী ভঁৰালত ভৰোৱাৰ নিয়ম। নহ'লে বাহিৰৰ খুঁটাতে সেইখিনি বান্ধি থৈ দিয়ে। কাতি বিহুত ভঁৰালত, গোহালিত আৰু দুৱাৰমুখত চাকি দিয়ে।

টুৰুংসকলে লক্ষ্মীদেৱীক **মাম্ মিনলা চাগা** বুলি কয়। তেওঁলোকে ধান দাই শেষ হোৱাৰ পাছত শেষৰ থোককেইটাত লক্ষ্মী থাকে বুলি বিশ্বাস কৰে। সেয়ে সেইকেইটা থোক নীতি-নিয়মেৰে ঘৰলৈ অনা হয়। ধান দাই শেষ কৰিবৰ সময়ত শেষৰ থোককেইটা নকটাকৈ দাৱনীয়ে এৰি আহে। পাছত শুভদিন চাই গৃহস্থনীয়ে নতুন কাপোৰ এখন লৈ কাটি আনিবলৈ যায়। আনফালে ঘৰত লক্ষ্মীক আদৰিবলৈ ভঁৰালৰ সন্মুখত দুটা কলপুলি ৰুই আমডালি অঁৰা হয়। ভঁৰালৰ ভিতৰত ডুকুলিত পিঠাগুৰি, পিঠা আৰু পানী ভর্তি পাত্র এটা ৰখা হয়। গৃহস্থনীয়ে ধানকেইথোক কাটি কাপোৰত বান্ধি ঘৰলৈ লৈ আহে আৰু আহোঁতে বাটত কাকো নামাতে আৰু পিছলৈ উভতি নাচায়। ঘৰ সোমোৱাৰ লগে লগে ঘৰৰ গৃহস্থই *লক্ষ্মী আই আহিছেনে* বুলি সোধে। গৃহস্থনীয়ে *আহিছে* বুলি উত্তৰ দি ধানৰ থোকখিনি ভঁৰালৰ এচুকত থৈ দিয়ে। নিশা



ভঁৰালত চাকি দি দুৱাৰখন খুলি ৰখা হয়। পাছদিনা ডলাখন বস্তুৰে সৈতে বাহিৰলৈ ওলিয়াই আনে আৰু প্রায় এমাহলৈকে ভঁৰালৰ দুৱাৰ পুনৰ নোখোলে। আচলতে ডলাত থকা পিঠাগুৰি আদি দ্রব্যখিনি নিগনিক খাবলৈ দিয়া হয়। যাতে সিহঁতে শস্য নাখায়। ধান কটাৰ আৰম্ভণিতো কোনো কোনোৱে গামোচাত বান্ধি মাতবোল নকৰাকৈ ধান আনি ভঁৰালত আচুতীয়াকৈ ৰাখি থয়।

ফাকেসকলে ধান দাই শেষ হোৱাৰ পাছত লখিমী আনে। ধান দাই শেষ হোৱাৰ পাছত এটা শুভ দিন চাই হোৱাত ভৰাই লখিমী আনে আৰু ভঁৰালত ভৰাই থয়। তেওঁলোকে ধান অনা আৰু ধান উলিয়াওঁতে **খনখাও** নামৰ অনুষ্ঠান পাতে। সেইদিনা অতিথিক কাঠআলু, মিঠাআলু খাবলৈ দিয়ে। তামাংসকলে পথাৰৰ পৰা ধান চপাই অনাৰ পাছত এই পূজা পাতে। তেওঁলোকে গছিধানৰ বিপৰীতে গুটিধানৰহে লখিমী সুমুৰায়। তামাং সমাজত ধান মৰণা মৰাৰ পাছত ধানখিনি গোটাই লৈ মাজত থিয়কৈ কাচিখন ৰখা হয়। ঘটি এটাত ভর্তিকৈ পানী লৈ তাৰ ওপৰত ফুল থৈ ভঁৰালৰ সন্মুখত ৰাখে। তাৰপাছত ধূপ জ্বলাই গৃহস্থই ভঁৰালৰ চৌপাশে এপাক ঘূৰি প্রার্থনা কৰে আৰু ভঁৰালত লখিমী সুমুৰাই থয়।

নখোৱা

ধান চপোৱাৰ পাছত ৰাইজক এসাজ খুওৱাৰ উদ্দেশ্যে **চিংফৌসকলে চাট এন লঙ , খামতিসকলে খিন্ খাউ মাজৌ, টুৰুংসকলে লুং, তামাংসকলে ভগত** অর্থাৎ **নখোৱা** অনুষ্ঠানৰ আয়োজন কৰে। বৌদ্ধধর্মী আটাইবোৰ জনগোষ্ঠীয়ে ধান দাই শেষ কৰাৰ পাছত যিকোনো এটা শুভদিনত **নখোৱা** অনুষ্ঠান পাতে। ন-ধান অনাৰ পাছত ৰাইজক এসাজ খুৱাই নিজে খাবলৈ লোৱাটো অসমৰ প্রতিটো জনগোষ্ঠীৰ এক পৰম্পৰাগত নিয়ম।

সুখে-শান্তিৰে থাকিবলৈ হ'লে, যাৰ লগত সদায় থাকিবলগীয়া হয় তেওঁ বিলাকৰ লগত আপোনভাৱে মিলিজুলি থকা উচিত।

– কবি বিনন্দ চন্দ্র বৰুৱা





মানুহে ভুল কৰে, ভুলে আকৌ ভুল নকৰিবলৈ শিকায়, পুনৰ ভুল নকৰাটোৱেই প্রকৃত শিক্ষা। – মহাত্মা গান্ধী

খামতিসকলে **নখোৱাৰ** দিনা ভিক্ষু আৰু ৰাইজক নিমন্ত্রণ কৰে। ভিক্ষুৰে অনুষ্ঠানৰ আৰম্ভণিতে মংগলসূত্র পাঠ কৰে। ৰাইজে ভিক্ষুৰ পৰা পঞ্চশীল লয়। ন ভাত ৰান্ধি ঘৰত আৰু বিহাৰত তাংচম কৰে। ভিক্ষু আৰু ৰাইজক সাধ্যানুসৰি ভোজ-ভাত খুৱায়। যিবোৰ মানুহক নিমন্ত্রণ কৰা নহ'ল তেওঁলোকৰ ঘৰে ঘৰে এটোপোলাকৈ ভাত দিয়াৰ নিয়ম। খামযাংসকলে ধান চপাই শেষ হোৱাৰ পাছত নির্দিষ্ট দিন এটাত পাঁচজন ভিক্ষু আৰু ৰাইজক নিমন্ত্রণ কৰে। গৃহস্থই ভিক্ষুসকলক তেওঁলোকৰ প্রয়োজনীয় সামগ্রী দান দিয়ে। ৰাইজে ভাত ৰান্ধে। ৰাৰ বজাৰ পূর্বে ভিক্ষুৰে ভাত খায়। ভিক্ষুসকলে পাতত এৰি থৈ যোৱা ভাত পুতি পেলোৱা হয়। এইবোৰ অন্য জীৱ-জন্তুৰে খাব নালাগে বুলি তেওঁলোকে বিশ্বাস কৰে। ভিক্ষুৰে আহাৰ গ্রহণ কৰাৰ পাছতহে গৃহী বৌদ্ধসকলে আহাৰ গ্রহণ কৰাৰ নিয়ম আছে। ফাকেসকলেও ধান দাই শেষ কৰাৰ পাছত ভাল দিন ৰাৰ চাই ৰাইজ আৰু ভিক্ষুক নিমন্ত্রণ কৰে। পুৱা **ফি লামক**(ঘাইখুঁটা) নখোৱা পতাৰ কথা জনোৱা হয়। তাৰপাছত ভাত্তে আহে। সমবেত ৰাইজৰ লগত গৃহস্থই পঞ্চশীল লয়। ভাত্তেই মংগলসূত্র পাঠ কৰে। তাৰ পাছত ৰাইজে ভোজ ভাত ৰান্ধে। সেইদিনা প্রথম ভাত সাজ গৰুক খাবলৈ দিয়া হয়। চিংফৌসকলেও ন-ধান অনাৰ পাছত ৰাইজক এসাজ ভাতখুৱাইহে নিজে নতুন চাউলৰ ভাত খায়। ৰাইজ আৰু মিতিৰ-কুটুম্ব সকলোকে নখোৱালৈ নিমন্ত্রণ কৰা হয়। অনুষ্ঠানত ভাত্তেই মংগলসূত্র পাঠ কৰে, **ৰেজাক** (পুণ্যদান) কৰে আৰু ৰাইজে পঞ্চশীল লয়। ৰাইজে ভোজ ৰান্ধে। তাৰ পাছত ভাত্তেই আহাৰ গ্রহণ কৰাৰ পাছত গাঁৱৰ ৰাইজে আহাৰ গ্রহণ কৰে। তামাংসকলেও ন-ভাত খাবলৈ ভিক্ষু আৰু ৰাইজক নিমন্ত্রণ কৰে। টুৰুংসকলে শুভদিন ৰাৰ চাই ভিক্ষু আৰু ৰাইজক নিমন্ত্রণ কৰে। তাৰপাছত ভিক্ষুৰ পৰা পঞ্চশীল লয়। ভিক্ষুৰে অন্ন গ্রহণ কৰাৰ পাছত ৰাইজেও গ্রহণ কৰে।

এনেদৰে উজনি অসমৰ বৌদ্ধধর্মাৱলম্বী জনগোষ্ঠীসমূহৰ কৃষিভিত্তিক উৎসৱ-অনুষ্ঠানসমূহ বিশ্লেষণ কৰিলে লক্ষ্য কৰা যায় যে, তেওঁলোকে চৈত্যদান, ভূঁই বোৱা, লখিমী অনা আৰু নখোৱা আদি অনুষ্ঠান পালন কৰে। ভূঁই বোৱা, লখিমী অনা আৰু নখোৱা আদি অনুষ্ঠান অসমৰ অন্যান্য জনগোষ্ঠীৰ সমাজ জীৱনতো পালন কৰা পৰিলক্ষিত হয়। টাইসকলে ন ভূঁই বোৱাৰ দিনা পঞ্জিকাত লক্ষ্মীৰ অৱস্থান ক'ত চাই লয়। **চাক্রেইটৰ** মতে লক্ষ্মীয়ে প্রত্যেক বছৰেই নিজৰ অৱস্থান সলনি কৰি থাকে। কেতিয়াবা ৰৱগছ, কেতিয়াবা বগৰী গছ, কেতিয়াবা কচুগছ, কেতিয়াবা নিমগছ আৰু কেতিয়াবা অন্য গছত তেওঁ বসবাস কৰে। ভূঁই ৰোৱাৰ দিনাখন যিজোপা গছত লক্ষ্মীয়ে বসবাস কৰি থাকে সেই গছজোপাৰ ঠাল এটা ভূঁই তলীত ৰুই দিয়া হয়। তদুপৰি পিঠা, গুৰ আৰু মিঠাই আদি বাঁহৰ সজাত ভৰাই মাটিডৰাৰ এচুকত থাপনা সাজি তাত বস্তুখিনি সজাই দিয়া হয়। এই কার্যবোৰৰ আধ্যাত্মিক উদ্দেশ্য যিয়েই নহওক তাৰ অন্তৰালত একধৰণৰ বৈজ্ঞানিক ভিত্তি বিচাৰি পোৱা যায়। ফৰিং, গান্ধিপোক আদি কীট-পতংগই গছৰ পাত খাই জীৱন ধাৰণ কৰে। গতিকে কচু আদি গছৰ ডাল ৰুই দিয়া হয় যাতে এনে কীট-পতংগই সেইবোৰ পাত খায় আৰু ধানৰ পাত খাই খেতিডৰা নষ্ট নকৰে। নিমগছ ঔষধি গুণযুক্ত। এই গছৰ পাতে খেতিডৰাক অন্যান্য অনিষ্টকাৰী উপসর্গবোৰৰ পৰা নিৰাপদে ৰাখে। আকৌ পোক-পৰুৱা আৰু নিগনি আদিৰ পৰা খেতিডৰা নষ্ট নহ'বলৈ পিঠা আৰু গুৰ আদি সামগ্রী উচৰ্গা কৰা হয়। অসমৰ অন্যান্য সমাজবোৰতো কাতি বিহুত পথাৰত চাকি জ্বলোৱাৰ আঁৰত গেঁৰ ধৰা পথাৰখনক গান্ধি আদি পোকৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্য নিহিত হৈ আছে।

ক. সমল ব্যক্তিৰ নাম আৰু ঠিকনা

টাই-খামতি জনগোষ্ঠী

ক্র.নং.	নাম	বয়স	ঠিকনা
১.	শ্রীমৎ ৱিপাচি মহাথেৰ	৪০	ৰৱখামতি
২.	চাও নান্তিৰা মানুপুং	৪৫	নাৰায়ণপুৰ
৩.	নাং হালিতা মানুপুং	৪৩	”
৪.	না সুমিত্রা মানজিখুৱ	৪৮	”
৫.	চাও তেৰম নামচুম	৬৪	পাঠেক

টাই-খামযাং জনগোষ্ঠী

ক্র.নং.	নাম	বয়স	ঠিকনা
১.	ভদন্ত শাসনবংশ মহাথেৰ	৯০	চলাপথাৰ, চলাপথাৰ বৌদ্ধ বিহাৰ, চলাপথাৰ, শিৰসাগৰ।
২.	প্রবোধ শ্যাম	৭৫	”
৩.	দ্বিপেন শ্যাম	৪৫	”
৪.	বগী শ্যাম	৬৫	”

টাই-ফাকে জনগোষ্ঠী

১.	ইখাম উইংকেন	৭০	ৰৱফাকিয়াল, তিনিচুকীয়া।
২.	ঙিথ্যাচং গোহাঁই	৭৫	”
৩.	য়িপাও ৰেইংকেন	৭০	”
৪.	আইলোন ৰেইংকেন	৭৫	গাঁওবুঢ়া
৫.	উকলন পমুং	৪৫	নামফাকে, ডিব্রুগড়

টাই-টুৰুং জনগোষ্ঠী

ক্র.নং.	নাম	বয়স	ঠিকনা
১.	লক্ষীন্দৰ শ্যাম	৬৮	তিতাবৰ, পথাৰশ্যাম গাঁও, যোৰহাট
২.	জয়ন্তী শ্যাম	৫২	”
৩.	ধনেশ্বৰ শ্যাম	৭৬	”
৪.	ডিম্বেশ্বৰ শ্যাম	৭০	”
৫.	অনন্ত চিংফৌ	৬০	পহুকটীয়া শ্যাম গাঁও

টাই-আইতন জনগোষ্ঠী

ক্র.নং.	নাম	বয়স	ঠিকনা
১.	নগেন শ্যাম	৬২	আহোমনী গাঁও
২.	দিব্যধৰ শ্যাম	৫২	শিলনীজান
৩	ইমুন শ্যাম	২৫	”
৬.	আইখাম চৌহাই	৪৫	চকীহোলা
৭.	আনন্দ চৌহাই	৫৫	”

চিংফৌ জনগোষ্ঠী

ক্র.নং.	নাম	বয়স	ঠিকনা
১.	ভূপেশ্বৰ নিংদা	৭৫	কেটেটং
২.	গজেন উমপ্প	৭৫	”
৩.	ৰইখেপ উমপ্প	৬৮	”
৪.	আমনিদা ৰাখেত	২৫	”
৫.	ৰাজীৰ নিংখী	৩৫	”
৬.	ৰঞ্জিত নিংদা	৫০	”
৭.	প্রবীণ চিংফৌ	৪৫	ডিবং

মগবড়ুৱা জনগোষ্ঠী

ক্র.নং.	নাম	বয়স	ঠিকনা
১.	অৰুণ বিহাৰী বড়ুৱা	৮৪	জ্যোতিনগৰ, ডিব্রুগড়
২.	ইৰাণ ৰাণী বড়ুৱা	৭৫	জ্যোতিনগৰ, ডিব্রুগড়
৩.	সুমেধানন্দ ভিক্ষু	৭৫	গ্রেহেম বজাৰ বৌদ্ধ বিহাৰ, ডিব্রুগড়
৪.	দীপক বড়ুৱা	৩৫	জ্যোতিনগৰ, ডিব্রুগড়,
৫.	স্বপন কুমাৰ বড়ুৱা	৬২	১নং গোলাই, ডিগবৈ,
৬.	অঞ্জন কুমাৰ বড়ুৱা	৫০	সদৌ অসম বৌদ্ধ মহাসভা (সম্পা.),

তামাং জনগোষ্ঠী

ক্র.নং.	নাম	বয়স	ঠিকনা
১.	মাইলা লামা	৭০	পুৰণি টেঙানি গাঁও
২.	যোগেশ্বৰ লামা	৭৮	”
৩.	সোমনাথ লামা	৪৫	”
৪.	গৌৰীমায়া লামা	৬২	”
৫.	মেঘবাহাদুৰ তামাং	৫৬	বাজী পহুমৰা

যিজন মানুহে খুব ভাল কাম কৰে বা ব্যস্ত থাকে তেওঁ নিজে ভাল হোৱাৰ সুবিধা নাপায়। – ৰবিন্



ক্ষমতাহীন দায়িত্ব গ্রহণত সদায় বিপদ। – জৱাহৰলাল নেহেৰু



PORAG FESTIVAL: NEED AND IMPORTANCE OF ITS CELEBRATION IN THE MISHING COMMUNITY

Jadovananda Taye
Asst. Professor
Deptt. Of Education

ABSTRACT:

The Mishings observe many festivals. Among these some are traditional and some are common with the Assamese festival. They observe the Asamese Bihus namely, Bohag bihus, Bagh Bihu, and Kati Bihu. Besides these, they have two important festivals, the Ali-Aye-Ligang and the Po:rag festival which are celebrated with their unique ways. The festivals play an important role in their socio-cultural life. Therefore, keeping in view the cultural need and importance of po:rag festival in bringing unity among people of the Mishing community and assimilation with other communities the present paper is undertaken to highlight the Porag festival celebration of the Mishing community.

Key words: Mishing community, Porag festival, Unity, Assimilation.

INTRODUCTION:

উৎস ঃ ডিব্রুয়ান (২০০৩-২০০৪ খ্রীঃ) পৃষ্ঠা ৩৪-৩৫, সম্পাদক ঃ পংকজ বড়া



FOCUS, BELIEVE AND ACHIEVE

Chinmoy Gogoi
B.A. 5th Semester (Day)

"We make our own fortunes and call them fate"- are the famous words of the great English writer, Benjamin Disraeli. He wants to say that it is we, who are the creators of our fate. Our fate is, in fact, the fruit of our actions, not a fluke. But we can only be successful in our attempt if we stay focussed on whatever we want to do and do not worry about ourselves. In other words, mere thinking about achieving a goal does not suffice. We have to lay a proper plan of action and march towards our goal step by step. Sometimes achieving our goals will appear an uphill task and in all likelihood, we will feel like giving up our efforts, but this negative feeling should not he allowed to get the better of ourselves. We should never focus on results of our action, because it will not let us change our approach. Instead, we should focus on changing our negative approach and developing a matter-of-fact positive approach. A positive approach will always yield positive results.

We should always bear in mind that we can maintain positivity only by making sincere efforts towards achieving our goals. For instance, if we are preparing for a competitive exam, we should find out the best way of collecting materials, reading them from the examination point of view with proper time management. If we have problems in understanding some topics, we should look for extra materials in order to have a clear understanding. If we succeed in understanding every topic to the extent it is required, then we will start feeling confident of ourselves. We will be able to imagine the end result that will bring us satisfaction. We should make full use of our mental faculties in order to remain aware of the world on the move. The more we make use of our intellectual ability, the clearer our understanding will be. Somebody has rightly said, "Few minds wear out; more rust out!". It means that an alert mind has the capacity to understand a problem fast and look for ways of solving it. If we are not in the habit of exercising our mind on a regular basis, we will feel at sea when a difficulty crops up all of a sudden. In this age of cut-throat competition, only a fast and clear solution to a problem matters most. Those who answer fast and correctly are supposed to excel in any examination.

In order to achieve our goal, we need a clear perception which only our imagination can give. What we see with our eyes proves of no help if we lack the power of analyzing it. For a proper analysis of anything, we should make use of our imagination. We cannot have a strong imagination, if we do not have full faith in our capabilities. It is our faith in our own ability that makes us aspire for something and make efforts to fulfill it. No task is impossible for man. We can do everything, no matter how big or small. We should have confidence that if we have done a little thing well, then we can do a bigger thing well too. We should never forget that life is very bright when we focus on what truly matters to us. We should focus on our goal, believe in our own ability and achieve whatever we aim for.



"You only live once, but if you do it right, once is enough." – *Mae West*

CARREER GUIDANCE AND COUNSELLING

Nandita Baishya
Associate Professor
Deptt. of English

When I passed my H.S., I was debating on what to study. Geography was my favorite subject but those days very few colleges had it in their curriculum. Options were very few. When there was a proposal of setting up a career Guidance and Counselling cell in our college I was happy. I remember my problems in making a right choice and wanted to help my students as the educational scene is rapidly changing, as are the curriculam in the last few years, making it important to prepare the youth fo face their future student life is getting more and more complex and they have to tackle many situations. They need expert halp and this can be given through Career Guidance and Counselling, both in school and in college. A large number of students in colleges and universities have problems in making adjustments to their new environment. Insecurity, conflict, loneliness, academic problems, sexual problems etc. Create emotional conflict among students. Students coming from rural to urban society too, have adjustment problem, making it even more necessary to help them to ease their tension and anxieties. Guidance and counselling plays a very fundamental role in higher education. It has always been the aim of teachers to help students towards a better future. It has been seen that even in ancient Universities of India like Taxila and Nalanda, the learned gurus were helping students in making the right choice. But in those days the number of students were less. In today's world where a wide range of courses and different job opportunities are available and there is cut-throat competition and complexities of day-to-day life it has become even more important to help the students. Various attempts have been made to set up such services in colleges since 1945 but the first full-time service was set up only in 1958 in Baroda University. This included students' education and vocation and research-related guidance. In 1961 Allahabad University, with assistance from United States Educational Foundation in India opened up a Career guidance and counselling centre. The foundation collaborated with UGC in this venture. Slowly other



"In three words I can sum up everything I've learned about life: it goes on."
– Robert Frost

Universities too started having such centres. The UGC in consultation with the Ministry of Education has recommended the opening of such cells in all Colleges. It has become even more necessary under the recent accreditation system (NAAC).

A guidance and counselling cell should help students choose their course and also help in dealing with emotional and psychological problems and is a very important part of an institution. In USA it is called Student Personal Service and it includes placement, financial aid, academic and non-academic help. They have a very effective and efficient way of dealing with students. Guidance is assistance provided by counselors to help an individual to take a decision. Problems can be solved at the very initial stage with proper help and this in turn will play an important role in the welfare of the society and, in turn, in the development of the nation. The scope of Guidance & Counselling is very vast and with the expanding of the education system it has become almost impossible to make the right choice without help and guidance. This process can be started as soon as the students come for admission in college by helping them in selecting the options available. This can be done by an information service or the admission cell. Here teachers can help students in selecting the right subject keeping in view placement. Such a programme will, ofcourse, need a well equipped staff.

Students life is getting more complex and they have to tackle many situations. They need expert help and this can be given through Guidance & Counselling opened up in (schools &) colleges. Guidance & Counselling can be started as soon as the students come for admission in colleges by helping them in selecting the options available. This can be called the Information service or the Admission Service. Here the students are guided keeping in mind their interest and placement of jobs. For this proper person will be required. And such centre will need a well trained staff. This can be provided by the college teachers or by counselling staff who can win the confidence of the students. Today's problem is not only of unemployment but also of choosing the right subject. Selecting subjects scholarship, Universities etc all require counselling. All options start after Higher Secondary and there are so many that Guidance & Counseling is very helpful. It is therefore high time that Schools and Colleges offered Guidance..... as part of their curriculum and facilities available. Thus Guidance & Counselling should --

1. help students plan their future.
2. hold seminars and talk on different subjects regarding carreer choice.
3. keep information & supply forms for admission to educational institute.
4. encouraging them to gather information regarding facilities/scholarship availability in various institute.
5. information on placement & research facilities.
6. orientation course for the students appearing for interview etc.



"The weak can never forgive. Forgiveness is the attribute of strong."
– Mahatma Gandhi

A NIGHT BEFORE THE EXAMINATION

Rashmi Rekha Gogoi
B. Sc. 3rd Semester
Zoology Department

Exams are always fearful. They bring fear, anxiety, tension and worry along with them. The night before the examination is just horrible. The students who fear more often loose sleep. They even stop eating. They just want to read and read. We the students often come across such situation. We don't want anyone to disturb us while we are studying. The students who have not completed studying their lessons, becomes more and more aggressive. They want to study everything at a time. They pass the whole night in tension. And in the morning it is often seen that some even don't get time to take breakfast. They become so busy in reading. This behaviour may affect the students to appear their exam well and also harm the students health. So, the students should study hard from early of the session and try to complete their daily works on their respective days.

So, the last conclusion is that -- NEVER WAIT FOR TOMMORROW DO IT NOW.



LORD, PLEASE GIVE ME THE STRENGTH TO STUDY.

"Life is what happens to us while we are making other plans."
–*Allen Saunders*



মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱনাদৰ্শ

লক্ষ্যজ্যোতি কোঁৱৰ
স্নাতক পঞ্চম ষান্মাসিক
বিজ্ঞান শাখা

মহা মহা পুৰুষৰ চানেকীৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত
অভিনয় শেষ হ'লে,
আয়ু বেলি মাৰ গ'লে, থৈ যাব পাৰো খোজ সময় বালিত

পৃথিৱীত যেতিয়াই অধৰ্মই গা কৰি উঠে, যেতিয়াই অজ্ঞানতাৰ ফলত ধৰ্মৰ গ্লানি হয়, তেতিয়াই সেই সমূহৰ পৰা পৃথিৱীক ৰক্ষা কৰিবলৈ একোজন মহান আত্মাৰ আৱিৰ্ভাৱ হয়। পোন্ধৰ শতিকাত অসমতো অধৰ্মই গা কৰি উঠিছিল। আমাৰ সমাজখন হৈ পৰিছিল এক ব্যভিচাৰী তথা উশৃংখলিত সমাজ। সেই সময়ত মানুহবিলাক সৎ পথৰ পৰা বিচলিত হৈ ব্যভিচাৰী হৈ পৰিছিল। অন্ধবিশ্বাসে সেই সময়ত গা কৰি উঠিছিল। এই পতনমুখী অসমীয়া সমাজখনক একতাৰ ডোলেৰে যিজন মহান আত্মাই বান্ধি থৈ গ'ল, তেওঁৰে হৈছে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। আহিন মাহৰ শুক্লা দশমী তিথিত ১৪৪৯ খৃঃ (১৩৭১ শক)ত কুসুম্বৰ ভূঞা আৰু সত্যসন্ধ্যাৰ ঔৰসত নগাঁৱৰ ৰৱদোৱাৰ আলিপুখুৰীত শ্ৰীমন্ত শঙ্কৰে জন্ম লাভ কৰিছিল। সৰুতে পিতৃ-মাতৃক হেৰুওৱা শঙ্কৰৰ বুঢ়ীমাক খেৰসূতি আইয়ে তেওঁক তুলিতালি ডাঙৰ-দীঘল কৰিছিল। বাল্য কালছোৱা শঙ্কৰৰ মাজত কিছু অলৌকিকতাৰ প্ৰাৰ্দুভাৱ দেখা গৈছিল। বাল্যকালতে ভৰা লুইত সাঁতুৰি পাৰ হোৱা, ষাঁড় গৰুক শিঙত ধৰি বগৰাই দিয়াকে আদি কৰি অন্যান্য অসাধাৰণ কামেৰে বাল্যকাল সময়ছোৱা পাৰ কৰিছিল। বাৰ বছৰ বয়সলৈকে শঙ্কৰে সাঁতুৰি-নাদুৰি ৰং-ৰহইচ কৰি অতিক্ৰম কৰিছিল। এনেকৈ শংকৰৰ বয়স পাৰ হোৱাত বুঢ়ীমাক খেৰসূতি আইয়ে তেওঁক মহেন্দ্ৰ কন্দলিৰ টোলত বিদ্যা শিক্ষা আৰম্ভ কৰাৰ নিমিত্তে পঢ়িবলৈ পঠাই দিলে। প্ৰথম ব্যঞ্জন বৰ্ণ শিকাৰ পিছতেই আখৰ জোটাই এটি পয়াৰ ছন্দত ঈশ্বৰৰ ৰূপ বৰ্ণাই সুন্দৰ শুৱলা ভাৱত কবিতা লিখি গুৰু মহেন্দ্ৰ কন্দলিৰ হাতত দিলে। শংকৰৰ সেই কবিতাটি হৈছে –

কৰতল কমল কমল দল নয়ন।
ভৱন দহন গহন বন শয়ন।।
নপৰ নপৰ পৰ সতৰক সময়।
সভয় সভয় ভয় সমহৰ শততয়।।
শৰতৰ বৰ শয় হত দশ বহণ।
খগধৰ নগধৰ ফনধৰ শয়ন।
জগদঘ সণহৰ ভৱ ভয় তৰণ।
পৰপদ লয় কৰ কমলজ নয়ন।




জীৱনত যিবোৰ কাম কৰি যোৱা হয়, সেই কামবোৰ সূচাৰু ৰূপে কৰাটোৱেই সেই কামবোৰ কৰাৰ পুৰস্কাৰ।
– শ্বেক্সপিয়েৰ।

কবিতাটো পঢ়ি গুৰু মহেন্দ্ৰ কন্দলি এক প্ৰকাৰ হতবাক হৈ পৰিছিল। কেৱল ব্যঞ্জনবৰ্ণ শিকিয়ে ৰচনা কৰা এনে মনোমোহা এটি কবিতা পঢ়িব পাই গুৰু মহেন্দ্ৰ কন্দলি আনন্দিত হৈ পৰিছিল আৰু শংকৰক হিয়া ভৰা আশীৰ্বাদ প্ৰদান কৰিছিল। এনেদৰে শংকৰে লাহে লাহে অলপ দিনৰ ভিতৰতে ভাষা জ্ঞান আয়ত্ব কৰিলে। শংকৰৰ বুদ্ধি আৰু শাস্ত্ৰ আয়ত্তৰ কৌশল দেখি মহেন্দ্ৰ কন্দলিয়ে তেওঁক 'বিজয় পণ্ডিত' বুলি অভিহিত কৰিছিল। সোতৰ বছৰ বয়সত তেওঁ শিক্ষা সাং কৰি মহেন্দ্ৰ কন্দলিক গুৰু দক্ষিণাসহ বিদায় মাগিলে।

১৩৯২ শকত শংকৰদেৱে হৰি বাৰভূঞাৰ পুত্ৰী সূর্য্যৱতীৰ পাণি গ্ৰহণ কৰে। এনেদৰে গৃহস্থী ধৰ্ম পালন কৰি থকাৰ পিছত ১৩৯৬ শকত সূর্য্যৱতীৰ গৰ্ভত এটি কন্যা সন্তান জন্ম হয়। সেই কন্যাটিৰ নাম ৰাখিলে 'মনু'। মনুৰ জন্মৰ ন-মাহৰ পিছতেই সূর্য্যৱতীয়ে ইহ-সংসাৰ ত্যাগ কৰিলে। সূর্য্যৱতীৰ মৃত্যুৱে শংকৰক শোকস্তব্ধ কৰি তুলিছিল। লাহে লাহে মনু ডাঙৰ হৈ আহিব ধৰিলে। মনুৰ সাত বছৰ বয়সত শংকৰে উপযুক্ত দৰা বিচাৰি ৰামচন্দ্ৰ কায়স্থৰ পুত্ৰ হৰিৰ হাতত নিজ কন্যাক অৰ্পণ কৰিলে। ঘৰৰ সকলো দায়িত্ব জোঁৱায়েকৰ হাতত অৰ্পণ কৰি তীর্থ ভ্ৰমণলৈ যাত্ৰা আৰম্ভ কৰিলে। এনেদৰে বাৰ বছৰ কাল তীর্থ ভ্ৰমণৰ অন্তত শংকৰ নিজ ঘৰলৈ ঘুৰি আহিল।

ইয়াৰ পিছত সৰিয়হ তলিত নামঘৰ মণিকূট বনাই তিনি প্ৰসঙ্গ হৰিনাম শ্ৰৱণ কীর্ত্তন কৰি থাকিল। ইয়াৰ অলপ দিনৰ পিছতে বুঢ়ীমাক খেৰসূতিৰ মৃত্যু হয়। বুঢ়ীমাকৰ শ্ৰাদ্ধ নিয়ম মতে কৰি পুনৰ ধৰ্ম চর্চাত লাগিল। জ্ঞাতি কুটুম্ব তথা পিতামহ জয়ন্ত মাধৱে শংকৰক পুনৰ বিবাহৰ বাবে অনুৰোধ



জনায়। তেওঁ ইচ্ছা নথকাৰ সত্ত্বেও অৱশেষত অনুৰোধ পেলাব নোৱাৰি কালিকা ভূঞাৰ কন্যা কালিন্দী আইৰ লগত পুনৰ বিবাহত বহিব লগা হয়। বিবাহৰ পিছতো শংকৰে বৰদোৱাৰ আলিপুখুৰীত ধৰ্ম চর্চা কৰি থাকিল। সেই সময়তে শংকৰদেৱৰ বৰপুত্ৰ গুৰু চৰিতৰ লেখক "ৰামচৰণ ঠাকুৰৰ" জন্ম। পুত্ৰ জন্মৰ খবৰ পোৱাত তেওঁ আনন্দ নকৰি বিষাদ মতেৰে এটি গীত লিখিছিল। পাছলৈ সেই গীতটিক 'বৰগীত' হিচাপে স্বীকৃতি দিছিল। গীতটি হৈছে –

"পাৱে পৰি হৰি, কৰোঁহো কাতৰি, প্ৰাণ ৰাঘবি মোৰ।
বিষয় বিষধৰ, বিষে জৰজৰ, জীৱন নবহে আৰ।।
অথিৰ ধনজন, অথিৰ জীৱন, অথিৰ এহু সংসাৰ।
পুত্ৰ পৰিবাৰ, সবহি অসাৰ, কৰবো কাহেৰি সাৰ।।

আনুমানিক ষোড়শ শতিকাৰ দ্বিতীয় দশকত তদানীন্তন ৰাজনৈতিক পৰিস্থিতিৰ বাবে শংকৰে ভূঞা সকলৰ লগত ব্ৰহ্মপুত্ৰ পাৰ হৈ আহোম ৰাজ্যৰ উত্তৰ পাৰে গাংমৌত আশ্ৰয় লয় আৰু ইয়াৰ পাছত ধুঁৰাহাট বেলগুৰিত বসতি স্থাপন কৰে। ইয়াতে শংকৰদেৱ লগত মাধৱদেৱৰ সংযোগ স্থাপন হয়। এই সংযোগক 'মণিকাঞ্চন সংযোগ' বুলিব পাৰি। এই মিলনে অসমত ধৰ্ম, সাহিত্য, সংস্কৃতিৰ প্ৰেক্ষাপটকেই সলনি কৰি পেলালে। বহুতো ঘাত-প্ৰতিঘাতৰ মাজত শংকৰদেৱৰ জীৱন অতিবাহিত হৈছিল যদিও তেওঁ মূল লক্ষ্যৰ পৰা বিচলিত হোৱা নাছিল। তেখেতৰ সাহিত্য সম্ভাৰে আজিও অসমীয়া সমাজখনক চহকী কৰি ৰাখিছে। ধৰ্ম সংস্কৃতিত শংকৰে এক নতুন যুগৰ সূচনা কৰিছিল। সেই সময়ৰ এক বিশৃংখলিত সমাজখনক তেখেতে এক নৱ ৰূপ প্ৰদান কৰিছিল। এইজনা মহান আত্মাই একশৰণ নামধৰ্ম প্ৰচাৰে অসমীয়া জাতিক একতাৰ ডোলেৰে বান্ধি পেলাইছিল। শংকৰদেৱৰ অনুপম সৃষ্টি "কীর্ত্তন ঘোষা" অসমীয়া সমাজৰ এক মূল্যৱান সম্পদ। অসমীয়া সাহিত্যত "কীর্ত্তন ঘোষা" এফালে যেনেকৈ যুগ নির্ণায়ক, আনফালে তেনেকৈ ধৰ্মান্ধতাৰ পৰা নৱ বৈষ্ণৱবাদৰ জ্যোতি বিলোৱা প্ৰতিবাদী অস্ত্ৰ। ইয়াৰ উপৰিও নন গীত, কাব্য, নাট আদিৰে অসমৰ আকাশ-বতাহ মুখৰিত হৈ পৰে, অসমীয়া সাহিত্য-সংস্কৃতিত এক নৱজাগৰণৰ সূচনা হৈ পৰে।

শংকৰদেৱে অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱর্তনেৰে অসমীয়া জাতিটোক সঞ্জীৱিত কৰাৰ লগতে সাহিত্য, শিক্ষা

ব্যস্ততা নথকা মনবোৰ চৈতানৰ বাহ। – লীলা গগৈ



আদি সকলো দিশ সম্পদেৰে পৰিপূর্ণ কৰি থৈ গৈছে। শংকৰদেৱৰ অমৰ ৰচনা সমূহৰ ৰীতি বা ৰূপ অনুসৰি ছটা ভাগত বিভক্ত কৰিব পাৰি। সেইকেইটা হৈছে কাব্য, অনুবাদমূলক, গীত, নাট, ভক্তিমূলক আৰু নাম প্ৰসঙ্গ।

কাব্য ঃ শংকৰদেৱৰ জীৱনৰ প্ৰথম ৰচনা কাব্য হৈছে হৰিশ্চন্দ্ৰ উপাখ্যান। এই উপাখ্যানত ভগৱান বিষ্ণুৰ শ্ৰেষ্ঠতাৰ কথা প্ৰতিপন্ন কৰিছে। শংকৰদেৱৰ আন এখন গ্ৰন্থ হৈছে 'ৰুক্মিণী হৰণ'। এই কাব্যৰ মুখ্য কাহিনী ভাগ হৰি বংশৰ আৰু ভাগৱতৰ পৰা লোৱা হৈছে। ইয়াৰ উপৰি অজামিল উপাখ্যান, গ্ৰাহ-গজেন্দ্ৰৰ যুদ্ধ, অমৃত মন্থণ, কুৰুক্ষেত্ৰ আদি অন্যতম। শংকৰদেৱৰ কাব্যসমূহত মূলতঃ ভগৱানৰ মহিমা প্ৰকট কৰি অনুপম কাহিনী প্ৰকাশ কৰিছে।

অনুবাদমূলক ঃ শংকৰদেৱে 'দশম' ভাগৱতৰ কিছু স্কন্ধ আৰু ৰামায়ণৰ 'উত্তৰাকাণ্ড' অনুবাদ কৰিছিল। অনুবাদমূলক গ্ৰন্থৰ ভিতৰত 'দশম' খনেই শ্ৰেষ্ঠ।

গীত ঃ শংকৰদেৱৰ গীতসমূহক মূলতঃ দুটি ভাগত বিভক্ত কৰিব পাৰি। বৰগীত আৰু ভটিমা। গীতসমূহত মূলতঃ ব্ৰজাৱলী ভাষা ব্যৱহাৰ কৰা হৈছে। গীতৰ গাম্ভীর্য্য তথা বৈশিষ্ট্য তথা সুৰৰ বৈশিষ্ট্যতাই গীতসমূহক অন্যন্য ৰূপ প্ৰদান কৰিছে। সেয়েহে শংকৰৰ গীতসমূহক 'বৰগীত' ৰূপে আখ্যা দিয়া হৈছে। শংকৰদেৱে মুঠতে বাৰকুৰি বৰগীত ৰচনা কৰিছিল। কিন্তু বর্তমানে ৩৫ টা গীতহে প্ৰচলিত। উল্লেখ্য যে শংকৰদেৱৰ প্ৰথম বৰগীতটি হ'ল -
- 'মন মেৰি ৰাম চৰণেহি লাগু।'

শংকৰদেৱৰ ভটিমা গীত মূলতঃ তিনি প্ৰকাৰৰ, দেৱ ভটিমা, ৰাজ ভটিমা, নাটকীয় ভটিমা। বৰগীতৰ দৰে ভটিমাৰ ভাষাও ব্ৰজাৱলী।

নাট ঃ অসমীয়া সংস্কৃতিত 'নাট'ৰ মূল জন্মদাতা হৈছে শ্ৰীমন্ত শংকৰদেৱ। তেওঁৰ নাট এটা অংকৰে পৰিপূর্ণ বাবে ইয়াক অংকীয়া নাট বুলিও কোৱা হয়। তেওঁৰ চিহ্নযাত্ৰা নাটখনিৰ লিখিত লিপি উদ্ধাৰ হোৱা নাই যদিও এই নাটখনি অভিনয়ৰ কথা চৰিত পুথিত পোৱা যায়। মহাপুৰুষ জনাৰ আন কেইখন নাট হ'ল – পত্নী প্ৰসাদ, কালিয় দমন, কেলি গোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ আৰু ৰাম বিজয়।

ভক্তিমূলক ঃ শংকৰদেৱে মূলতঃ চাৰিখন ভক্তি তত্ত্বমূলক গ্ৰন্থৰ ৰচনা কৰিছিল। এইকেইখন হৈছে – ভক্তি প্ৰদীপ, ভক্তি ৰত্নাকৰ, অনাদি পাতন, নিমি নৱসিদ্ধ সংবাদ। এই গ্ৰন্থসমূহত আধ্যাত্মিক আৰু ভক্তিৰ কথা বিস্তৃত ৰূপত বর্ণিত হৈ আছে।

নাম প্ৰসঙ্গ ঃ শংকৰদেৱৰ সাহিত্যিক জীৱনৰ মূল কীর্তিস্তম্ভ হৈছে "কীর্ত্তন" আৰু "দশম"। "গুণমালা" হৈছে শংকৰদেৱৰ নাম প্ৰসংগৰ আন এখন পুথি। মহাৰাজ নৰনাৰায়ণৰ আদেশত হাতী মাৰি ভুৰুকাত ভৰাই আনিবলৈ কোৱাত 'গুণমালা' পুথিখন ৰচনা কৰিছিল। এই 'গুণমালা' পুথিখন শংকৰদেৱে এবাতিৰ ভিতৰত লিখি উলিয়াইছিল।

এনেদৰে শংকৰদেৱে কাব্য, গীত, নাটলৈকে এক বর্ণিল সম্ভাৰ অসমীয়া সাহিত্যত অৱদান দি গৈছে। ভাৰৰ গভীৰতা, বর্ণনাৰ গাম্ভীর্য্য, শ্ৰীকৃষ্ণৰ ঐশ্বৰিক বিৱৰণ আদিয়ে মহাপুৰুষ জনাৰ সৃষ্টিক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। এইজনা মহান আত্মাই ভাদ মাহৰ শুক্লা দ্বিতীয়া তিথি, ১৪৯০ শকত দিনৰ ডেৰ প্ৰহৰত নশ্বৰদেহ ত্যাগ কৰে। প্ৰায় ছকুৰি বছৰ জীয়াই থাকি ধৰ্ম, সাহিত্য, সংস্কৃতিৰে গুৰুজনাই বিভিন্ন জাতি-উপজাতিক লগ লগাই যি একতাৰ ডোলেৰে অসমীয়া জাতিক বান্ধি থৈ গ'ল। তাৰ বাবে শংকৰদেৱ আমাৰ সকলোৰে বাবে যুগ-যুগান্তৰ ধৰি চিৰ নমস্য হৈ থাকিব।






জীৱনক গতিশীল কৰি ৰাখিব নোৱাৰিলে জীৱনৰ সোৱাদ হেৰাই যায়। – লক্ষ্যধৰ চৌধুৰী

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু তেওঁৰ জীৱনাদৰ্শ

ৰমানন্দ পেগু

'কলাগুৰু' আখ্যাৰে আভৰণ পিন্ধোৱা অসম আকাশৰ ভোটাতৰা, দলিত-পীড়িতৰ আশাৰ প্ৰদীপ, হিয়াৰ আমঠু, কল-কলনাদকাৰী মহাবাহু ব্ৰহ্মপুত্ৰৰ দৰে বিশাল ব্যক্তিত্বৰ অধিকাৰী, সুউচ্চ হিমালয়ৰ দৰে স্থিতপ্ৰজ্ঞ, অচল অটল বিষ্ণুপ্ৰসাদ ৰাভা আছিল একাধাৰে কবি, নাট্যকাৰ, গীতিকাৰ, প্ৰৱন্ধকাৰ, সমালোচক, নৰ্তক, সংগীতজ্ঞ, অভিনেতা, চিত্ৰকৰ, খেলুৰে, সুবক্তা, সমাজসেৰী, বিপ্লৱী ৰাজনীতিবিদ আৰু আছিল উত্তৰ-পূব ভাৰতৰ সংস্কৃতিৰ প্ৰতীক স্বৰূপ, সুন্দৰৰ পূজাৰী, দৰিদ্ৰ শোষণমুক্ত এখনি সুন্দৰ কলা সংস্কৃতিৰে ভৰপূৰ সমাজ প্ৰতিষ্ঠা কৰিব বিচৰা শিল্পী। তাতোতকৈ সঁচা অৰ্থত তেওঁ আছিল জনতাৰ শিল্পী। ৰাইজৰ হিয়া কোঁহৰ পৰা এটুপি এটুপি সুন্দৰৰ ৰং বুটলি আনি ৰাভাই নিজৰ মন কোঁহত ভৰাই লৈছিল আৰু সেই মনকোঁহকে ৰহঘৰা মৌ কোঁহ ৰচি তাৰ পৰা টোপাল টোপাল ৰং নিগৰি উলিয়াই ৰাইজৰ মাজত বিলাই দিছিল।

এইগৰাকী জীৱন সংগ্ৰামী শিল্পীয়ে ১৯০৯ চনৰ ৩০ জানুৱাৰীত ৰূপৰ চৰুত হাত থৈ সেই সময়ৰ ইংৰাজ চৰকাৰৰ উচ্চ খাপৰ ঢাকাস্থ পুলিচ চুবেদাৰ চৰ্দাৰ গোপাল চন্দ্ৰ ৰাভাৰ গৃহত জন্মগ্ৰহণ কৰে। বিষ্ণুৰাভাৰ প্ৰাথমিক শিক্ষা ঢাকা চহৰত সৈনিক স্কুলত আৰম্ভ হয়। এই ল'ৰালি কালছোৱাতে তেওঁ পিতাকৰ পৰাই বাঁহী (চিফুণ) বজোৱা, চেতাৰ বজোৱা ইত্যাদি বিদ্যা, খেলা-ধূলা, নাট, সংগীত আদি সকলোতে পাৰ্গতালি লাভ কৰে। সাত বছৰ বয়সতে অকণি ৰাভাই আলিবাবা নামৰ নাটকত অভিনয় কৰি দৰ্শকৰ পৰা প্ৰশংসা বুটলিবলৈ সক্ষম হয়। ১৯১৭ চনত দেউতাকৰ মৃত্যুৰ পিছত বিষ্ণুৰাভা তেজপুৰলৈ আহে। ১৯২৬ চনত তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত দৰং জিলাৰ সকলো পৰীক্ষাৰ্থীৰ ভিতৰত সৰ্বোচ্চ স্থান অধিকাৰ কৰি প্ৰৰেশিকা পৰীক্ষা পাছ কৰে আৰু "কুইন এম্‌প্ৰেছ" পদক লাভ কৰে। উচ্চ শিক্ষাৰ বাবে বিষ্ণু ৰাভাই কলিকতালৈ গৈ চেণ্টপ'ল কলেজত আই, এছ, ছি পঢ়ি ১৯২৮ চনত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। তাৰ পিছত তেওঁ বিপণ কলেজ, কোচ বিহাৰৰ ভিক্টোৰিয়া কলেজ আৰু ৰংপুৰৰ কাৰ মাইকেল কলেজত পঢ়ে। ১৯২৯ চনত প্ৰথমে পদাৰ্থ বিজ্ঞানত অনাৰ্চ লৈ বি,এছ, ছি পঢ়িবলৈ লয় যদিও পিছত তেওঁ কলা বিভাগতহে পঢ়িবলৈ লয়। সেই সময়তে মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতবৰ্ষৰ কোটি কোটি জনসাধাৰণে অহিংস ব্ৰতেৰে স্বদেশী আন্দোলনত জঁপিয়াই পৰে। ইংৰাজ চৰকাৰে কঠোৰ দমন নীতিৰে এই আন্দোলন বন্ধ কৰিবলৈ প্ৰজাৰ ওপৰত নিৰ্মম অত্যাচাৰ চলায়। ফলত প্ৰজাসকল বিক্ষুব্ধ হৈ আৰম্ভ কৰিলে বিক্ষোভৰ। এই বিক্ষোভৰ লেলিহান শিখাই সাহসী স্পষ্টবাদী ছাত্ৰনেতা বিষ্ণুপ্ৰসাদ ৰাভাৰ লুইতপৰীয়া তেজত বিদ্ৰোহৰ অগনি জ্বলাই তুলিলে। আৰু এদিন মাজনিশা ৰিজেল্ট হাট্‌চনৰ বঙলাৰ



আত্ম ত্যাগৰ অবিহনে কোনো দেশেই কেতিয়াও উন্নতি কৰিব পৰা নাই আৰু কোনো জাতি গঢ়ি উঠিব পৰা নাই।
– মহাত্মা গান্ধী



ৰাভাৰ জীৱনৰ প্ৰতি কোঁহে কোঁহে আঁকা আছিল শিল্প আৰু সুন্দৰৰ প্ৰতিচ্ছবি, দলিত পীড়িতৰ অন্তস্ক্ৰিত আশা আকাঙ্খা, ভৱিষ্যত দিক দৰ্শনৰ স্পষ্ট বিদ্ৰোহ আৰু উত্তৰণৰ প্ৰয়াস। সেয়েহে তেওঁ এখন হাতত কলম আৰু আনখন হাতত ষ্টেনগান লৈ শদিয়াৰ পৰা ধুবুৰীলৈ বিপ্লৱী সংগ্ৰামী আৰু জাগৰণ গীতেৰে অসমৰ আকাশ আলোড়িত কৰি তুলিছিল। বিচাৰিছিল ধনী আৰু দুখীয়াৰ মাজত বৈষম্য দূৰ কৰিবলৈ। আৰু প্ৰতিক্ৰিয়াশীল শোষক শ্ৰেণীটোক নিচিহ্ন কৰিবলৈ তেওঁ জীৱনজোৰা সংগ্ৰামত লিপ্ত

নঙলা মুখত আৰু কোঁচবিহাৰৰ ৰাজপ্ৰসাদৰ সিংহ দুৱাৰত 'ইউনিয়ন জেক' নমাই তাৰ ঠাইত ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছৰ ত্ৰিৰংগা পতাকা নিৰ্ভয় মনেৰে উৰুৱাই দিলে। ফলশ্ৰুতিত বিষ্ণুৰাভাক ভিক্টোৰিয়া কলেজৰ পৰা বহিষ্কাৰ কৰি দিয়া হ'ল। ইয়াতেই বিষ্ণুৰাভাৰ বিপ্লৱী মনৰ পৰিচয় ফুটি উঠিছে। ১৯৩১ চনত তেওঁৰ কলেজীয়া জীৱনৰ ইতি পৰে।

অসম তথা বাহিৰৰ নানা অনুষ্ঠান-প্ৰতিষ্ঠানত ৰাভাদেৰে গীত আৰু নৃত্য কলা পৰিৱেশন কৰি প্ৰশংসিত হৈছিল। ১৯৪০ চনত শিৱৰ তাণ্ডৱ নৃত্য প্ৰদৰ্শন কৰি তেওঁ শ্ৰেষ্ঠ শিল্পী হিচাপে সেই সময়ৰ কাশী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ পৰা "ভাৰতৰ শ্ৰেষ্ঠ কলাবিদ" আৰু কলাগুৰু উপাধি লাভ কৰিছিল।

অসমীয়া সাহিত্যলৈ ৰাভাদেৰে বাচকবনীয়া অৱদান দি থৈ গৈছে। ৰাভাৰ এই লিখনিবিলাকৰ মাজতেই তেওঁৰ চিন্তাধাৰা আদৰ্শ উজ্জ্বলকৈ প্ৰতিফলিত হৈছে। ৰাভাৰ প্ৰায়বোৰ লিখনিৰে মূল আদৰ্শ সমাজতান্ত্ৰিক বাস্তৱবাদ। 'বৃহত্তৰ অসমৰ পৰিকল্পনা' শ্ৰীশ্ৰীশংকৰদেৱ বৰবায়ন', হিয়াৰ পুং, মামীৰ হাৰ আদি প্ৰৱন্ধ, গল্প, উপন্যাস মিছিং কলেঙ, একাংকিকা নাটক মুক্তি দেউল, নৃত্য নাটিকা- সোণপাহি আদি লিখনিত এই আদৰ্শ প্ৰস্ফুটিত হৈ উঠিছে।

ৰাভাৰ জীৱনৰ প্ৰতি কোঁহে কোঁহে আঁকা আছিল শিল্প আৰু সুন্দৰৰ প্ৰতিচ্ছবি, দলিত পীড়িতৰ অন্তস্ক্ষৰিত আশা আকাঙ্খা, ভৱিষ্যত দিক দৰ্শনৰ স্পষ্ট বিদ্ৰোহ আৰু উত্তৰণৰ প্ৰয়াস। সেয়েহে তেওঁ এখন হাতত কলম আৰু আনখন হাতত ষ্টেনগান লৈ শদিয়াৰ পৰা ধুবুৰীলৈ বিপ্লৱী সংগ্ৰামী আৰু জাগৰণ গীতেৰে অসমৰ আকাশ আলোড়িত কৰি তুলিছিল। বিচাৰিছিল ধনী আৰু দুখীয়াৰ মাজত বৈষম্য দূৰ কৰিবলৈ। আৰু প্ৰতিক্ৰিয়াশীল শোষক শ্ৰেণীটোক নিচিহ্ন কৰিবলৈ তেওঁ জীৱনজোৰা সংগ্ৰামত লিপ্ত হৈছিল।

সমাজবাদ প্ৰতিষ্ঠাৰ সংগ্ৰামত ৰাভাই কাৰ্লমাৰ্ক্সৰ দৃষ্টিভংগীৰ লগত পৰিচয় হৈ লেনিন বাদৰ সম্যক জ্ঞানৰ উপলব্ধিৰে ৰাইজৰ লগত মিলি গৈ, ৰাইজৰ হিয়াৰ আমঠু হৈ দৰিদ্ৰ কৃষক-বনুৱাৰ মুক্তিৰ হকে যুঁজিবলৈ যোৱাটো ৰাভাৰ জীৱনাদৰ্শৰ এক অবিস্মৰণীয় দিশ। এই মাৰ্ক্সবাদী দৃষ্টিভংগীনো কি তাক চমুকৈ উল্লেখ কৰা হ'ল –

১) জগতৰ সকলো বস্তু পৰিৱৰ্ত্তনশীল। সকলো বস্তুৰে ক্ৰমবিকাশ চলি আছে। পুৰণিৰ গৰ্ভতহে নতুনৰ আৰ্বিভাৱ হয়।

২) প্ৰত্যেক বস্তুৰে পৰিৱৰ্ত্তন আহে বিৰোধৰ মাজেদি। ইতিহাসতো দেখিবলৈ পোৱা যায় বিৰোধৰ বন্ধ। সামাজিক প্ৰকৃতিৰ মূলতে আছে সমাজৰ ভিতৰত দ্বন্দ।

৩) আৰ্থিক অৱস্থা সামাজিক জীৱনৰ আটাইতকৈ ডাঙৰ কথা। য'তেই শ্ৰেণীভেদ দেখা যায় তাতেই শ্ৰেণী সংগ্ৰামে প্ৰধান বিষয়ৰূপে ধৰা দিয়ে। কমিউনিষ্ট সকলে এই সত্যক স্বীকাৰ কৰি লয়। আনবিলাক মতত বৈজ্ঞানিক দৃষ্টিভংগী নথকাত শ্ৰেণী সংগ্ৰামৰ তাৎপৰ্য্য বুজিবলৈ অসমৰ্থ হয়। ফলত ভুল পথে পৰিচালিত হয়।

৪) প্ৰকৃততে যি বাস্তৱ অৱস্থাৰ ওপৰত সমাজৰ বহিঃপ্ৰকাশ কৰে, সেইটো সমাজৰ আৰ্থিক গঠনৰ বাহিৰে আন একো নহয়। উপাদানৰ প্ৰকৃতি হ'ল সেই বাস্তৱ জ্ঞানৰ মূল কথা। যুগে যুগে উপাদানৰ প্ৰকৃতি বদলি হোৱাৰ দৰে ভিন ভিন সমাজৰ উদ্ভৱ হয়।

৫) প্ৰচলিত গণতন্ত্ৰ বুৰ্জোৱা গণতন্ত্ৰ। ই শ্ৰেণী নিৰপেক্ষ নহয়। মাত্ৰ শোষক শ্ৰেণীৰ স্বাৰ্থকহে ই ৰক্ষণাবেক্ষণ দিয়ে।

মাৰ্ক্সীয় দৰ্শনৰ লগত শংকৰদেৱৰ সাংস্কৃতিক সমন্বয় তথা সাম্যবাদৰ মণিকাঞ্চন সংযোগ ঘটোৱাটো বিষ্ণুৰাভাৰ জীৱনাদৰ্শৰ আন এটা গুৰুত্বপূৰ্ণ দিশ। মহাপুৰুষ জনাৰ কথা, কাম আৰু সৃষ্টিৰ মাজেদি যি সমতাৰ ভাৰ প্ৰকাশ পাইছিল তাৰ প্ৰতি লোক জীৱনক আকৃষ্ট কৰাত ৰাভাই বিশেষ গুৰুত্ব আৰোপ কৰিছিল।

বিষ্ণুপ্ৰসাদ ৰাভা আছিল যুক্তি সংগ্ৰামৰ অক্লান্ত সৈনিক। সাম্ৰাজ্যবাদী বৃটিছক ওফৰাই দেশে স্বাধীনতা লাভ কৰাৰ পিছত গণতান্ত্ৰিক শাসন ব্যৱস্থাতো তথাকথিত বুৰ্জোৱা গণতন্ত্ৰই বাহাল থকাত ৰাভাই এহাতে ষ্টেনগান লৈ বজ্ৰকণ্ঠে ঘোষণা কৰিছিল "ইয়ে আজাদী ঝুথ হেই।" যেতিয়া চাৰিওফালে শোষক শ্ৰেণীৰ শোষণত কৃষক বনোৱাৰ মৃতপ্ৰায় অৱস্থা হৈছিল, তেতিয়া ইহদি জাতিয়ে গোৱাৰ দৰে 'মেচিন গানেৰ সন্মুখে' এই ফুলেৰ গান গাবলৈ ৰাভাৰ অন্তৰে কান্দি উঠিছিল। বুৰ্জোৱা ধনী শ্ৰেণীৰ কু-চক্ৰান্ত দেখি



আত্ম ত্যাগৰ অবিহনে কোনো দেশেই কেতিয়াও উন্নতি কৰিব পৰা নাই আৰু কোনো জাতি গঢ়ি উঠিব পৰা নাই।
– মহাত্মা গান্ধী

তেওঁ গাইছিল –

ধনী! মহাজন!! জমিদাৰ!!!
হুচিয়াৰ! হুচিয়াৰ!
শেষ যুদ্ধৰ আমি বনোৱা
পৃথিৱীৰ হালোৱা বনুৱা
হ'ম বিজয়ী আমি দুখীয়া
ক'ত ৰবি ধনী এইবাৰ।

পৃথিৱীৰ এজন দার্শনিক কালমার্ক্সয়ে যেনেকৈ পৃথিৱীৰ ইতিহাসৰ অমৃত পান কৰি বৈপ্লৱিক আৰু বৈজ্ঞানিক চিন্তাৰ প্ৰবাহে নিপীড়িত, অৱহেলিত, লাঞ্ছিত, অপমানিত লোকসকলৰ মুক্তিৰ পথ উন্মুক্ত কৰি থৈ গ'ল। ঠিক সেইদৰে অসমৰ বিষ্ণুৰাভাই দলিত, পীড়িত লোকসকলৰ মুক্তিৰ হকে লিখিছিল –

গাম পীড়িতৰ চিৰ বিজয়ৰ গান
ফিৰাই আনিম দলিতৰ সন্মান
মৰা জগতৰ হৃদয়ত ঢালি প্ৰাণ
আনিম ধৰাত চিৰ শান্তিৰ আভাষ।

কৃষক বনুৱাৰ জয়গান গাই ৰাভাই স্বাগতম জনাইছিল এটা নতুন যুগৰ –

ভাঙ্ ভাঙ্ ভাঙ্ ভাঙ্
লোহাৰ শিকলি ভাঙ্
ছিঙ্ ছিঙ্ ছিঙ্ ছিঙ্
দাসৰ বান্ধোন ছিঙ্
খোল খোল খোল
কাবাৰ ফাটেক খোল
ভাঙ্ ভাঙ্
দুৱাৰৰ দাঙ
হালোৱা হুজুৱা হেৰা মজদুৰ কিষাণ
মুক্তিমান, মুক্তিমান মুক্তিমান।

এজন জাতীয়তাবাদী যোদ্ধা হিচাপে বিষ্ণুৰাভা নাছিল বিচ্ছিন্নতাবাদী আৰু সংকীৰ্ণমনা। গীতৰ লহৰে, সুৰৰ ঝংকাৰে, শব্দৰ ছন্দেৰে তেওঁ পৃথিৱীৰ হালোৱা-বনুৱাৰ জয়গান গাইছিল। ত্যাগ, নিষ্ঠা, সংযম, অক্লান্ত পৰিশ্ৰম আৰু আদর্শৰে মৃতপ্ৰায় অসমীয়াৰ সমাধিস্থ চেতনাক উজ্জীৱিত কৰি অসমীয়া জাতিক শংকৰদেৱৰ আদর্শেৰে একীভূত কৰি, ভাতৃত্ববোধেৰে উদ্বুদ্ধ কৰি এখন বৃহত্তৰ অসম গঢ়াৰ সপোন দেখাই নহয়, তাক বাস্তৱত ৰূপ দিবলৈও বিচাৰিছিল বিষ্ণুৰাভাই। ৰাভাই ২ য় বছৰ ২১ তম্ সংখ্যা আৱাহনত লেখিছিল – "অসমৰ অত্যাচাৰিত আৰু অৱনত জাতিসমূহক আন আন উন্নত জাতিৰ লগতে একে আসনতে ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনীতিজ্ঞ আৰু সমাজনেতা সকলে এতিয়াৰে পৰাই চেষ্টা কৰক। তাকে নকৰিলে অৱনত জাতিসকলৰ বুকুত বিদ্রোহৰ অগ্নি জ্বলাই অসমত এটা গৃহকন্দলৰ বাঁহ সাজি দিয়া হ'ব।" ৰাভাৰ এই সতর্কবাণীয়ে আজিৰ বাস্তৱকে দোঁহাৰিছে।

এইগৰাকী জীৱন সংগ্ৰামী শিল্পী সাধকৰ জীৱনাদর্শৰ বিষয়ে লিখি শেষ কৰিব বিচৰাটো অমূলক ধাৰণা মাথোন। এই মহান শিল্পী গৰাকী জীৱনৰ শেষছোৱাত দু�ৰাৰোগ্য কর্কট ৰোগত আক্ৰান্ত হৈ ১৯৬৩ চনৰ ২০ জুনৰ ২-২০ বজাত শেষ নিশ্বাস ত্যাগ কৰি সুন্দৰৰ ৰাজ্যলৈ গুচি গ'ল। বাজি ৰ'ল জীৱন নাটৰ শেষ ৰাগিনী কল্যাণ খৰমান। বিষ্ণুৰাভা আজি আমাৰ মাজত নাই সঁচা, কিন্তু তেওঁৰ আদর্শ, অফুৰন্ত কর্ম প্ৰেৰণা কালজয়ী হৈ জীয়াই থাকিব।



উৎস ঃ ডিব্রুয়ান (১৯৯৪-৯৫ বর্ষ) (পৃষ্ঠা - ১৭-১৯), সম্পাদক ঃ অমিয় কুমাৰ বড়া



RONALD A. FISHER-THE FATHER OF STATISTICS

Dr. Jugeswar Baruah
HOD and Astt. Prof.
Dept. of Statistics

"Natural selection is not Evolution "-R.A.Fisher

Introduction

Statistics is the science that deals with collection, analysis and valid interpretation of numerical data. The subject statistics is linked with almost all branches of disciplines-arts, science, commerce, humanities, engineering etc. Numerically, data on every subject are common and hence it can easily be covered by the subject statistics. A large number of scientists, mathematicians, economists, writers and philosophers have developed the subject independently with their valuable contributions from different fields. Their writings, derived models and theories made the subject independent from the patriarchal branch- Mathematics. Most of the applied and theoretical problems can easily be solved by the modern statistical tools and techniques. Many new concepts and methodologies developed by the researchers and scientists are incorporated in recent advances of statistics. Among the mass of scientists, mathematicians, philosophical writers and statisticians, R.A. Fisher has been honored with "The Father of statistics". In this short writing, a brief journey of the great human being is elucidated.

From Birth to Education

In 1890, R. A. Fisher was born in England with lucky twins and one of seven children. After a few years of his birth, his mother passed away. In 1904, he entered the school of Harrow for higher studies. There, he was won Neeld medal for writing an open mathematical essay and was awarded a scholarship to study in the Cambridge University, UK. Due to his poor eyesight, he had a hard time in reading and writing (from his autobiography mentioned by his daughter Joan). In Cambridge, he developed himself as a Biologist, especially in the field of Evolutionary Biology. During the period of Cambridge, in 1911, he formed the "Cambridge University Eugenic Society". In 1912, Fisher graduated with distinction in Mathematical tripos and obtained BA in Astronomy from Cambridge University.

Academic Experience

After graduating, Fisher moved to Canada for working in a farm and became the academic advisor of James Hopwood Jeans. In 1915, he began to teach Mathematics and Physics at Rugby. In 1919, Fisher joined in the "Rothamsted Agricultural Experimental Station" and worked for 14 years. He developed many new concepts and theory at this research station and published the



"Everything you can imagine is real." – *Pablo Picasso*

great ideas in the form of famous book "Statistical Methods for Research Workers", which is considered as a handbook for researchers and scientists even today. In 1933, Fisher joined in the Cambridge University as a professor.

Achievements

Basically, Ronald A. Fisher interested with the subjects Statistics and Biology, in which he had used Mathematics to combine Mendallian Genetics and Natural selection. For his scientific temper and contributions to these subjects, in 1929, he was elected as member of the famous Royal Society of Britain. He was honored by many famous medals such as Guy medal, Darwin-Wallace medal, Royal medal, Coplie medal etc.

Academic Fields

Among a list of different academic fields, Ronald Fisher mainly contributed and developed the theories and concepts in the following three broad topics. He also wrote on medical science, fiction and other areas.

- Statistics
- Evolutionary Biology
- Genetics

Published Books

The famous published books of R.A. Fisher are briefly mentioned here.

- The Design of Experiments (1935)
- The Genetical Theory of Natural Selection (1930)
- Statistical Methods for Research Workers (1925) with F.Yeats.
- The Correlation between Relatives on the Supposition (1918)
- The Concepts of Likelihood (1921)
- Statistical Tables (1947)
- Creative Aspects of Natural Law (1950)
- Statistical Methods and Scientific Inference (1956)
- Palliative Day Care (Medical science book)
- Mid City Errands (fiction)

Contribution to Statistics

Though statistics is much older than Fisher, he made one of the greatest and influential impacts to the field of modern statistics not only in the terms of 'theories', but also in day to day used statistical 'terminologies'. He first initiated the terms Pararneter', 'Null Hypothesis' and developed "ANOVA' in Design of experiments and 'z-distribution' in mathematical statistics. He derived the distribution of correlation coefficients. During the period of Rothamsted agricultural Station, Fisher developed the famous 'test of significance procedure' and 'Analysis of Variance (ANOVA)' to analyze the immense data obtained from crop experiments. He also initiated the terms "Maximum Likelihood Estimation (MLE) and Fiducial Inference. He derived various sampling procedure and basic principles for design of experiments. The famous writer and statistician, A. Hald has rightly remarked that "Fisher was a genius who almost single-handedly created the foundations for modern statistical science". From the point of these investigations, Fisher can undoubtedly be called the honorable "Father of statistics".

Conclusion

R.A.Fisher has laid the strong and basic foundation for the subject Statistics. for which the subject developed rapidly in different directions. The name of this famous personality has always been enlightened in the field of Statistics. The founder of modern statistics, famous Statistician and Biologist, Ronald A. Fisher died at Adelaid, Australia on 29th July, 1962.

Source:

- Wikipaedia
- Internet

"A room without books is like a body without a soul." – Marcus Tullius Cicero




মহামানৰ বুদ্ধ

মূল বঙালী ঃ ৰেজাউল কৰিম
অনুবাদ ঃ বৌডিন্‌থন্‌ গগৈ
ডিব্রুগড়

মানৰ সভ্যতাৰ বুৰঞ্জীৰ ফালে দৃষ্টিপাত কৰিলে চকুৰ আগত ভাঁহি উঠে মহামানৰ বুদ্ধৰ দিব্য মূৰ্তিজনা। তেওঁৰ মুখমণ্ডলত সৰগৰ আভা। কণ্ঠত তেওঁৰ শান্তিৰ বাণী। অন্তৰত তেওঁৰ সমস্ত জীৱৰ প্রতি অনুপম দয়া। বুৰঞ্জীৰ অগণন নৰ-নাৰীৰ মাজত এই উদাৰ, মহান আৰু বিৰাট মানুহজনক অনায়াসে চিনা যায়। তেওঁ গোটেই জীৱন জুৰি মানৱৰ মুক্তি আৰু নির্বানৰ আমোঘবাণী প্রচাৰ কৰি ফুৰিছিল। বুদ্ধ মানৱ-বুৰঞ্জীত এক অতুলন দান। পাপে ভৰা ধৰাত তেওঁ আছিল শান্তি, প্রীতি আৰু আনন্দৰ অফুৰন্ত প্রসৱন। এই অনন্ত শান্তিৰ উৎসৰ পৰাই মানৱ কল্যাণৰ অমৃত-ধাৰা দিশে দিশে প্ৰৱাহিত হৈছে। বুদ্ধ কোনো দেশ বা জাতিৰ গণ্ডীত আৱদ্ধ নহয়, তেওঁ সমগ্র মানৱজাতিৰ কল্যাণৰ আধাৰ।

বুৰঞ্জীত আৰু বহু মহামানৱৰ অমৰ অৱদানৰ কথা লিখা আছে, কিন্তু বুদ্ধই বহু দিশত সেইসকলৰ মাজত বিশিষ্টতা অর্জন কৰিছে। বহু মহামানৱৰ শৈশৱ কঠোৰ দৰিদ্রতাৰ সৈতে সংগ্রাম কৰি অতিবাহিত হৈছে, কিন্তু বুদ্ধ আছিল ৰজাৰ নন্দন অধিৰাজকুমাৰ। ৰাজ্যৰ ভাৱী উত্তৰাধিকাৰী বুলি তেওঁ পৰম যত্ন আৰু আদৰত প্রতিপালিত হৈছিল, কিন্তু তেওঁ সেইবোৰ দুইহাতে আঁতৰাই ঠেলি দি ৰাজকাৰেঙৰ বাহিৰলৈ ওলাই গৈছিল- নিজৰ মুক্তিৰ বাবে নহয়, সমগ্র মানৱজাতিৰ কল্যাণৰ বাবে ৰাজসম্পদ ত্যাগ কৰি ওলাই গৈছিল। আন মহামানৱসকলে বিচাৰিছিল পৃথিৱীত ঈশ্বৰৰ ৰাজত্ব প্রতিষ্ঠা কৰিবলৈ। তেওঁলোকে দেখিছিল যে, মানুহে ঈশ্বৰক ভুলভাৱে অধিষ্ঠিত কৰিছে। সেই ঈশ্বৰৰ সৈতে মানুহৰ সম্পর্ক স্থাপন কৰাটোৱেই আছিল তেওঁলোকৰ প্রধান ব্রত! কিন্তু বুদ্ধ আহিছিল সকলো জীৱৰ মঙ্গলৰ বাবে ঈশ্বৰৰ বাণী মানুহৰ মাজত প্রচাৰ কৰিবলৈ নহয়, বৰং মানুহৰ মাজত মানৱ ধর্ম প্রতিষ্ঠা কৰিবলৈহে মর্ত্যভূমিত বুদ্ধৰ শুভাগমন হৈছিল। "মই ঈশ্বৰৰ প্রেৰিত পুৰুষ" এই বুলি তেওঁ দাবী কৰা নাছিল। তেওঁ বিচাৰিছিল, মানৱ সমাজক সকলো প্রকাৰৰ দুখৰ পৰা উদ্ধাৰ কৰিবলৈ। তেওঁ সঁচাকৈয়েই মানৱ-ধর্ম প্রচাৰ আৰু প্রতিষ্ঠিত কৰিছে। তেওঁৰ নিচিনা মানৱদৰদী জগতত বেছি জন্মগ্রহণ কৰা নাই। মানৱ মঙ্গল সাধন, এয়েই আছিল তেওঁৰ জীৱনৰ প্রধান ব্রত। তেওঁৰ ধর্ম সঁচাকৈয়ে মানৱ ধর্ম।

ধর্ম প্রচাৰ কৰিবলৈ বুদ্ধৰ কোনোদিন হেঙ্‌দাঙ্‌ ধাৰণ কৰিব লগা হোৱা নাছিল। তেওঁৰ বাণী "অহিংসা পৰম ধর্ম"। এই মহাবাণী যাৰ জীৱনৰ সাৰ-শিক্ষা, তেওঁৰ ওচৰত হেঙ্‌দাঙ্‌ৰ শক্তি অকিঞ্চিৎকৰ। গতিকেই তেওঁ কোনো ধৰণৰ অস্ত্র-শস্ত্র প্রয়োগ কৰিবলৈ বোধ কৰা নাছিল। অহিংসাৰ আদর্শক কোনোৱেও এইভাৱে দৈনন্দিন জীৱনত প্রয়োগ কৰা নাই। তেওঁৰ অৱলম্বিত পন্থাই যে, বিশ্বশান্তিৰ সপক্ষে উৎকৃষ্ট পন্থা তাক আজিৰ জগতে মর্মে-মর্মে উপলব্ধি কৰিছে। যীশুখ্রীষ্টৰ কেইবাশ বছৰৰ পূর্বত বুদ্ধই প্রথম বাস্তৱ জীৱনত অহিংসা আৰু প্রেমৰ আদর্শ প্রতিষ্ঠা কৰে। তেওঁৰ ভক্ত-অনুৰক্তসকলে দিশে দিশে তেওঁৰ এই মহান বাণী প্রচাৰ কৰি জগতত শান্তি প্রতিষ্ঠাৰ পথক সহজ আৰু স্বচ্ছন্দ কৰি তোলে। যীশুখ্রীষ্টই যেতিয়া প্রেমৰ বাণী প্রচাৰ কৰে, তেতিয়া পেলেস্তাইন দেশত বুদ্ধৰ আদর্শৰ প্রভাৱ অসীম। গতিকে "Sermon on the Mount" বাণীত যে বুদ্ধৰ প্রভাৱ আছে, এই কথা অস্বীকাৰ কৰা নাযায়। পৰৱর্তী যুগত শ্রীচৈতন্য আৰু গান্ধীজী প্রমুখ মহামানৱসকলে যে, অহিংসা আৰু প্রেমৰ বাণী প্রচাৰ কৰিছে, তাৰো উৎস হৈছে বুদ্ধৰ বাণী। ইছলাম ধর্মৰ চুফীবাদীসকলৰ বহুলাংশই বুদ্ধৰ আদর্শৰ দ্বাৰা প্রভাৱিত হৈছিল, তাৰ প্রমাণ আছে। বর্তমান যুগত প্রচলিত বহু ধর্মৰ ওপৰত বুদ্ধৰ প্রভাৱ



পাছত থাকা, আগৰ আসন তুমিয়েই পাবা। হেঁচি-ঠেলি আগত বহিব খুজিলে গতা খাবা। – লাউৎজে

আছে। আজি জগতত যে বিশ্ব শান্তিৰ কথা উঠিছে তাৰ মূলতে আছে বৌদ্ধ প্ৰভাৱ। হত্যা কৰি নহয়, ধ্বংসৰ পথেৰে নহয় -- প্ৰেম, প্ৰীতি আৰু অহিংসাৰ পথেৰেহে মানুহৰ মুক্তি বা নিৰ্বান, এই কথা বুদ্ধৰ ওচৰত বিশ্বমানৱে আকৌ নতুনকৈ শিকিব লাগিব।

বুদ্ধৰ দূৰদৃষ্টিলৈ ধন্যবাদ। আঢ়ৈ হাজাৰ বছৰৰ আগতে তেওঁ বিশ্বমানৱৰ তথা সমগ্ৰ জীৱৰ কথা গভীৰভাৱে চিন্তা কৰিছিল। পৃথিৱীত বোধহয়, তেওঁৱেই প্ৰথম আন্তৰ্জাতিক মানুহ যিজনে দেশ আৰু জাতিৰ গণ্ডীৰ অতিক্ৰম কৰি সদৌ জগতৰ কথা ভাবিছিল, ভাৰত দেশৰ সৈতে সদৌ বিশ্বৰ সংযোগ স্থাপনৰ কথা তেওঁৱেই প্ৰথম ভাবিছিল। তেওঁ ভাৰত দেশৰ "নাদৰ ভেকুলী"ৰ সংকীৰ্ণতা ভাঙি পেলাইছিল আৰু ভাৰত দেশখনক বিশ্বৰ আগত দাঙি ধৰিছিল। কবিয়ে (ৰবীন্দ্ৰ নাথ ঠাকুৰ) কৈছে ঃ "সন্তান যাৰ তিব্বত, চীন, জাপানেই নহয়, তৎকালীন জ্ঞাত সমগ্ৰ বিশ্বত বুদ্ধৰ প্ৰভাৱ বিস্তৃত হৈছিল। মিছৰ গ্ৰীচ, ৰোম, পাৰস্য, ৰাছিয়া প্ৰভৃতি দেশতো তেওঁৰ প্ৰভাৱ পৰিলক্ষিত হয়।

কি যে আছিল বুদ্ধৰ শিক্ষা, যি ইমান সহজে বিশ্বমানৱক আকৰ্ষণ কৰিছিল। তেওঁৰ শিক্ষাৰ মূল নীতি আছিল উদাৰতা। প্ৰথম জীৱনত তেওঁ নানা পথ লৈ সাধনা কৰিছিল, কিন্তু নিজৰ অভিজ্ঞতাৰ পৰাই বুজিলে যে, বাহ্যিক ক্ৰিয়া-কাণ্ড, আচাৰ-বিচাৰৰ মাত্ৰাধিক্যই সমস্ত পথকে পঙ্কিল কৰি তুলিছে। কেৱল বাদানুবাদ, তৰ্ক আৰু বিশৃঙ্খলতাই



> কি যে আছিল বুদ্ধৰ শিক্ষা, যি ইমান সহজে বিশ্বমানৱক আকৰ্ষণ কৰিছিল। তেওঁৰ শিক্ষাৰ মূল নীতি আছিল উদাৰতা। প্ৰথম জীৱনত তেওঁ নানা পথ লৈ সাধনা কৰিছিল, কিন্তু নিজৰ অভিজ্ঞতাৰ পৰাই বুজিলে যে, বাহ্যিক ক্ৰিয়া-কাণ্ড, আচাৰ-বিচাৰৰ মাত্ৰাধিক্যই সমস্ত পথকে পঙ্কিল কৰি তুলিছে।

সাৰ (বস্তু) হৈছে। একদল লোকে "Abstract" চিন্তাতেই সমস্ত শক্তি নিয়োগ কৰিছে, বাস্তৱতাৰ দিশলৈ ক'তো কাৰোৱেই দৃষ্টি নাই। সন্মুখত গণমানৱ পৰি আছে, তেওঁলোকেই দেখোন জাগ্ৰত জীৱন্ত ভগৱান। কিন্তু সেইফালে লক্ষ্য নাই - লক্ষ্য আছে কোনো এক অচিন্তনীয় অদৃশ্য অনাদি শক্তিৰ ওপৰত, ইয়াত কিন্তু বিশ্বৰ কল্যাণ নাই। সন্মুখত এটা সুনির্দ্দিষ্ট বাস্তৱ বস্তু বিদ্যমান বিৰাটমান মানৱ। এওঁলোকৰেই কল্যাণ সকলোতকৈ আগ ধৰি কৰিব লাগিব। বুদ্ধই দেখিলে যে প্ৰচলিত পন্থাত এওঁলোকৰ বাবে একোকে কৰিব পৰা নহ'ব। বহু চিন্তা আৰু ধ্যানৰ পাছত তেওঁ আৱিষ্কাৰ কৰিলে যে, সমগ্ৰ বিশ্ব এটা সুনির্দ্দিষ্ট আইন বা বিধিৰ দ্বাৰা নিয়ন্ত্ৰিত। নানা পৰিৱৰ্তন আৰু বিৱৰ্তনৰ মাজত বিশ্বচক্ৰ অহৰহঃ ঘূৰি-মেলি আছে। ধীৰে ধীৰে বুদ্ধৰ মনৰ বিমূঢ়-বিবুদ্ধি কাটি গ'ল, আন্ধাৰ আঁতৰিল, তেওঁ বোধি বা জ্ঞান লাভ কৰিল। কপিলাবস্তুক সিদ্ধাৰ্থই "বুদ্ধ" বা আলোকিত মহামানৱৰূপে আত্মপ্ৰকাশ কৰিল।

তাৰ পিছত বুদ্ধই প্ৰচাৰ কাৰ্য্যত লাগিল। সমস্ত প্ৰকাৰৰ দ্বন্দ্ব, দ্বেষ, কলুষ, কালিমা দূৰ কৰি জীৱনকেই পৱিত্ৰ, মহান আৰু সুন্দৰ কৰি যে তুলিব লাগিব এইটোৱেই হ'ল তেওঁৰ প্ৰধান কথা। তেওঁ শিষ্যসকলক উপদেশ দিলে ঃ নিজৰ মুক্তিৰ কথা চিন্তা কৰাৰ আগতে সকলো মানুহৰ কল্যাণৰ বাবে জীৱন উৎসৰ্গ কৰিব লাগিব। তেওঁ মানুহক কোনো "Creed" শিক্ষা দিয়া নাছিল। তেওঁ সকলো সময়ত যুক্তিৰ আশ্ৰয় ল'বলৈ উপদেশ দিছিল। বুদ্ধৰ সমস্ত দৃষ্টিভঙ্গী আছিল যুক্তিপূৰ্ণ। আৰু এই যুক্তিৰ বলতেই তেওঁ মানুহক আকৃষ্ট কৰিছে। তেওঁ কয় যে, ভক্তিৰ ভক্তি হ'ব লাগে সত্য আৰু যুক্তিৰ বাহিৰে সত্যৰ প্ৰতিষ্ঠা নহয়। বুদ্ধৰ মতে, " ব্ৰহ্ম বিহাৰ"ৰ অৰ্থ এই নহয় যে, সাধক মানৱ সমাজৰ পৰাই বিছিন্ন হৈ থাকিব লাগিব। বৰং "ব্ৰহ্ম বিহাৰ"ৰ অৰ্থ এইয়ে যে, সাধক এনেকুৱা এটা মহৎ চিন্তাৰ মাজত নিমজ্জিত থাকিব লাগিব, যাৰ ফলত সমগ্ৰ হৃদয়ৰ পৰাই হিংসা দূৰ হৈ যায় আৰু প্ৰেমৰ দ্বাৰা পূৰ্ণ হয়। বুদ্ধই তেওঁৰ শিষ্য সকললৈ

কেতিয়াও কোনো কথাতে শপত নাখাবা। কাৰণ তুমি ইচ্ছা কৰি এডাল ক'লা চুলিকো বগা কৰিব নোৱাৰা।

কৈছিল ঃ বিনা প্ৰমাণে একোকেই গ্ৰহণ নকৰিবা, শাস্ত্ৰীয় পুথি নহয়, ঐতিহ্যও নহয়, আনকি তেওঁৰ (বুদ্ধৰ) নিজৰ নামৰ দোহাই দিও তেওঁলোকে যাতে পৰিচালিত নহয়। গোপন সত্য বুলি তেওঁ কোনো বস্তুৰ অস্তিত্ব স্বীকাৰ নকৰে। তেওঁ কয় যে, আমাৰ মনৰ মাজত যে বিবেক আছে, সেইটোৱেই হৈছে চৰম পথ-প্ৰদৰ্শক। তেওঁ ধৰ্ম বিষয়েও স্বাধীন চিন্তাক সমৰ্থন কৰে। এই দিশত বুদ্ধ আধুনিক যুগৰ পূৰ্বগামী। অনুদাৰতা বা উদাৰতাহীনতাক তেওঁ ধৰ্মৰ প্ৰধান শত্ৰু বুলি ভাবে। ধৰ্ম বিষয়ত ব্যক্তিগত মতৰ স্বাধীনতা পাশ্চাত্য জগতত বহুদিন ধৰি স্বীকাৰ কৰা নাই। ধৰ্মৰ নামত তাত যে ক'ত উৎপীড়ন। বুদ্ধই আঢ়ৈ হাজাৰ বছৰৰ আগতেই ধৰ্ম বিষয়ত পৰিপূৰ্ণ স্বাধীনতাৰ অধিকাৰ ঘোষণা কৰি গৈছে। গতিকে এইটো কোৱা যাব পাৰে যে, আঢ়ৈ হাজাৰ বছৰৰ আগতে জন্ম হ'লেও বুদ্ধ মনে-প্ৰাণে একেবাৰেই আধুনিক আছিল। তেওঁ সমস্ত মতবাদক ধৈর্য্য সহকাৰে বিবেচনা কৰিবলৈ উপদেশ দিছে। তেওঁৰ সন্মুখত কোনোৱে আনৰ ধৰ্ম নিন্দা অথবা অযৌক্তিক সমালোচনা কৰিলে সেইজনক থমকাই দিয়ে। তেওঁ পৰম উদাৰতাৰে সকলো মতবাদৰ প্ৰতি সহৃদয়তাপূৰ্ণ ব্যৱহাৰ কৰে। বিৰুদ্ধ মতবাদক শান্ত-বিশ্বাস, ধীৰ-ব্যৱহাৰেৰে খণ্ডণ কৰে। কেতিয়াও খং বা নিন্দা কৰি বিৰোধীক আক্ৰমণ কৰা নাই। মুঠতে তেওঁ সকলো ক্ষেত্ৰতে এটা উদাৰ মনোভাৱ আৰু ইয়াৰ ব্যৱহাৰৰ অভ্যাস সৃষ্টি কৰাত সহায় কৰিছে। ছক্ৰেটিছ বা যীশুখ্ৰীষ্টই সেই উদাৰ মনোভাৱ বা ইয়াৰ অভ্যাস সৃষ্টি কৰিব নোৱাৰাৰ বাবে দেশবাসীৰ হাততেই নিহত হৈছিল। কিন্তু বুদ্ধই এনেকুৱা এটা আবহাওয়া বা বাতাবৰণ সৃষ্টি কৰিছিল যে তেওঁৰ বিৰুদ্ধবাদী সকলো ভক্তিভাৱে তেওঁৰ ওচৰত মূৰ দোঁৱাইছিল।

আঢ়ৈ হাজাৰ বছৰ ধৰি বুদ্ধৰ প্ৰভাৱ পৃথিৱীময় ব্যাপ্ত হৈ পৰিছে। পৃথিৱীত ক'ত পৰিৱৰ্তন আৰু বিৱৰ্ত্তন হৈ গ'ল, কিন্তু তথাপিও বুদ্ধৰ শিক্ষা আজিও অচল হোৱা নাই। আজি এই 'ৰণ' উন্মত্ত পৃথিৱীৰ মানুহ আকৌ বুদ্ধৰ পথকেই অৱলম্বন কৰিবলৈ সচেষ্ট হৈছে। গান্ধীজীৰ অহিংসা-মন্ত্ৰ, সর্বোদয়-পৰিকল্পনা, বিনোৱাজীৰ ভূ-দান যজ্ঞ, এইবিলাক বুদ্ধৰেই পন্থা। ডাঙৰ ডাঙৰ ৰাষ্ট্ৰই নিৰস্ত্ৰীকৰণৰ চেষ্টা কৰিছে। বহু মানৱ-হিতৈষী নেতাৰ কণ্ঠত বিশ্বশান্তিৰ কথা উচ্চাৰিত হৈছে, এই সকলোৱেই বুদ্ধৰ পন্থাৰ প্ৰতি আগ্ৰহৰ বাহিৰে আন একো নহয়। আঢ়ৈ হাজাৰ বছৰৰ আগেয়ে বুদ্ধই যি অহিংসাৰ মন্ত্ৰ মানুহক দান কৰিছিল, আজি, আন একোৱে নহয়, একমাত্ৰ সেই অহিংসাৰ মন্ত্ৰেৰেহে মানুহক আসন্ন ধ্বংসৰ পৰা উদ্ধাৰ কৰিব পাৰে।





মানুহৰ লগত সদায় হাঁহি মুখে কথা ক'বা। কোনেও তোমাক বেয়া পালে তুমি তাৰ কু-চর্চা নকৰিবা।

– হজৰত মহম্মদ

ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালাৰ নাটৰ গীত ঃ এটি ৰূপৰেখা

ড° অদিতি বৰুৱা
সহযোগী অধ্যাপিকা
সংস্কৃত বিভাগ



ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালা আধুনিক অসমীয়া সঙ্গীতৰ নব্য ৰূপদাতা। তেখেতেই প্রথমে অসমীয়া লোকসঙ্গীতসমূহ পুনৰুদ্ধাৰ কৰি তাক আধুনিক গীতত আৰোপ কৰি নতুন ৰূপেৰে সজাই তুলিছিল। তেখেতৰ গীতৰ সম্বন্ধে আলোচনা কৰিলে দেখা যায় যে এই গীতসমূহ প্রাচ্য আৰু পাশ্চাত্য ভাৱৰ এক অপূর্ব সংমিশ্রণ। তদুপৰি তেখেতৰ প্রতিটো গীতৰেই কথা আৰু সুৰে বহন কৰিছে একক সুকীয়া বৈশিষ্ট্য।

জ্যোতিপ্রসাদ আগৰৱালাৰ দ্বাৰা ৰচিত নাটকসমূহ অসমীয়া সাহিত্যৰ এক অপূর্ব সম্ভাৰ। লগতে এই নাটসমূহ কথা আৰু গীতেৰে অতি সুন্দৰকৈ সজাই তুলিছিল। এই লিখনীত তেখেতৰ নাটৰ গীতসমূহৰহে ৰূপৰেখা আলোচনা কৰিবলৈ লোৱা হৈছে। উল্লেখযোগ্য যে এই গীতসমূহ নাট্যকাৰে বিষয়বস্তুৰ লগত খাপ খোৱাকৈ ৰচনা কৰিছিল। প্রধানকৈ দুটা উদ্দেশ্য আগত ৰাখি গীত সংযোজন কৰালৈ লক্ষ্য কৰি সত্যেন্দ্র শর্মাই জ্যোতিপ্রসাদ ৰচনাৱলীত এই কাৰণ এনে দৰে প্রকাশ কৰিছে —'..... প্রথম আৰু প্রধানকৈ হ'ল চৰিত্রৰ মানসিক অৱস্থাৰ চিত্রণ। দ্বিতীয়টো পৰিবেশ পৰিস্থিতিৰ উজ্জ্বলতা বা গাম্ভীর্য বঢ়াবৰ কাৰণে অথবা আনন্দমুখৰ নাইবা বিষাদঘন কৰিবৰ উদ্দেশ্যে বিভিন্ন স্থানত গীত সংযোজন কৰা দেখা যায় (জ্যোতিপ্রসাদ ৰচনাৱলী, পৃ. ৭০)।

ইয়াৰে 'শোণিত-কুঁৱৰী' নাটখনৰ মূল হৈছে পৌৰাণিক। শোণিত কুঁৱৰী নাটৰ মূল উপজীব্য হ'ল বাণ ৰজাৰ জীয়ৰী উষা আৰু শ্রীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ প্রণয়। উষাৰ সখী চিত্রলেখাই সখীয়েক উষাৰ লগত সপোনত দেখা অনিৰুদ্ধ কোঁৱৰৰ সৈতে ঘটোৱা মিলন, এই কার্যত স্বাভাৱিক ভাৱেই উৎপন্ন হোৱা উষাৰ পিতৃ বাণৰ ক্রোধ, হৰি হৰৰ যুদ্ধ আৰু প্রণয়ৰ সফল পৰিণতিৰে নাটকৰ পৰিসমাপ্তি ঘটিছে। প্রকৃতিৰ অপৰূপ সৌন্দর্য আৰু প্রণয় চিত্রণ এই নাটখনৰ প্রতিটো গীততে সুন্দৰকৈ প্রকাশ পাইছে। নাটখনৰ প্রথম অঙ্কৰ পদুমকলি নাচৰ গীতটিয়ে পদুম আৰু সূর্যৰ প্রণয় চিত্র অঙ্কণ কৰাৰ লগতে পৰবর্তী সময়ত উষা আৰু অনিৰুদ্ধৰ মিলনৰ কাহিনীকো অতি সুন্দৰকৈ সূচাইছে। ঠিক তেনেদৰে 'বোৱাঁ বোৱাঁ দখিণ মলয়া, তটিনী গোৱাঁ' আৰু 'আমি কৰি ফুৰোঁ বিয়াকুল' গীত দুটিয়ে লিখকৰ প্রকৃতি চিত্রণ আৰু 'আমাৰে সখীয়া আকুল বিয়াকুলে', 'অ' সখী আহিব পিয়া', 'ৰূপহ কোঁৱৰৰ চুমা পৰশতে' এই গীতকেইটিয়ে প্রণয় চিত্র অঙ্কনত থকা নাট্যকাৰৰ দক্ষতাৰ সূচনা কৰিছে। সখীৰ বিদায়ৰ সময়ত চিত্রলেখাৰ মনত ওপজা অকলশৰীয়া ভাৱেও তেখেতৰ লিখনীৰ পৰশত প্রাণ পাই উঠিছে এনেদৰে 'চৰাই বনৰীয়া মুকলিমূৰীয়া, গাৰ বনৰীয়া গীত; মনে উৰোঁ উৰোঁ, কৰি তোৰ লগতে মোৰে উৰণীয়া চিত'।

ৰূপকোঁৱৰৰ 'কাৰেঙৰ লিগিৰী' নাটখনত ঘাইকৈ আহোম যুগ আৰু সেই সময়ৰ সামাজিক নীতি-নিয়ম আৰু কু-সংস্কাৰৰ কাহিনীৰ মাজেৰে চিত্রিত হৈছে সুন্দৰ কোঁৱৰ-শেৰালী আৰু অনঙ্গ-কাঞ্চনমতীৰ প্রণয়। এই নাটত সুন্দৰ কোঁৱৰ, অনঙ্গ আৰু কাঞ্চনমতীৰ দৰে বিপ্লৰী চৰিত্র থাকিলেও অৱশ্যে ইয়াৰ গীতসমূহত বিদ্রোহী চেতনাৰ ভাৰ আৰু সুৰ দেখিবলৈ পোৱা নাযায়। নাটকখনিৰ এই চৰিত্রসমূহৰ মাজত সমাজৰ কুসংস্কাৰৰ বিৰোধিতা কৰাৰ এক মানসিকতা পৰিস্ফুট হোৱাৰ লগতে প্রণয়ৰ সুকোমল অনুভূতি আৰু মনোমোহা প্রকৃতিয়ে নাট্যকাৰৰ লিখনীৰ মাজেৰে ভুমুকি মাৰিছে। এই নাটৰ 'সোণৰ পালেঙতে অ' মনেতৰা', 'যাউতিযুগীয়া ধনে মোৰ অ', 'বাৰিষাৰে ঘন ঘোৰ, বজালি প্রাণত মোৰ' গীত কেইটিত প্রকাশ পাইছে লিগিৰী শেৰালীৰ অন্তৰৰ গভীৰ প্রেমৰ আকূতি। প্রকৃতিৰ ৰূপৰেখা প্রকাশ পাইছে 'বনৰীয়া আমি বনৰ চৰাই' আৰু 'পর্বততে ফুলিলে ৰঙানোকৈ ফুলে কলি' গীত দুটিত। নাটখনত কৃষ্ণৰ বর্ণনাৰে বিশ্বায়নৰ চেতনা প্রকাশ পোৱা 'মোৰে জীৱনৰে সখা কৃষ্ণ' আৰু 'অ' সোঁৱৰণী সমিধান দিয়াঁ' গীত দুটিত প্রকাশ পাইছে গভীৰ দার্শনিক তত্ব।

ৰূপকোঁৱৰৰ 'ৰূপালীম' নাটখনো এখন গীতিধর্মী নাট আৰু ইয়াৰ কাহিনী সম্পূর্ণৰূপে কাল্পনিক। প্রকৃতিৰ ৰূপ বর্ণনা এই নাটৰ 'জিৰ জিৰ জিৰ জিৰ নিজৰি', 'জিলিকা পাখিৰে অ' সোণ ম'ৰা চৰাই' আদি গীতত প্রকাশ পোৱাৰ লগতে 'জয় আলোকময়' গীতটিত প্রকাশ পাইছে সুন্দৰৰ জয়গানেৰে এক বিশ্বজনীন ভাৱনা। প্রেমৰ স্বর্গীয় দেহাতীত বর্ণনাৰ পৰিবর্তে 'অ' সখী আজি যৌৱন বন জুৰি' গীতটিত প্রকাশ পাইছে মণিমুগ্ধৰ ৰূপালীমৰ প্রতি তীব্র দৈহিক বাসনা। ইয়াত ইতিভেনৰ দৰে বিপ্লৰী চৰিত্রৰ বক্তব্যত প্রতিবাদী সুৰ বাজিলেও গীতসমূহত তেনেধৰণৰ সুৰ আৰু ভাৰ দেখিবলৈ পোৱা নাযায়।

সাধুকথাৰ আধাৰত ৰচনা কৰা 'নিমাতী কইনা' ৰূপকোঁৱৰৰ অন্য এখন কাল্পনিক নাটক। এইখন নাটৰ প্রথম গীত 'আজি পুৱতি কিহৰে আৰতি'ত নবীনৰ জয়গানেৰে এক সামগ্রিক জীৱন দর্শন প্রকাশিত হোৱা যেন অনুভৱ হয়। নিদ্রিত পৃথিৱীত নতুন প্রভাতে ভুমুকি মৰা কথাই যেন অজ্ঞানতাই আৱৰি থকা বিশ্বৰ জনগণৰ মন জ্ঞানৰ পোহৰেৰে বিকশাই তোলাৰ ইঙ্গিতহে দিছে। নাটখনৰ আন দুটি গীত 'নিমাতী কইনা নাহাঁহি মইনা' আৰু 'জোনাকী কাৰেঙত কোনে বীণ বায়'-- নাটৰ কাহিনীৰ লগত সংপৃক্ত হৈ আছে। আকৌ চিৰসুন্দৰৰ আৰাধনাও ৰূপকোঁৱৰে কৰিছে এই গীতটিৰে —

'চিৰসুন্দৰ! হে চিৰসুন্দৰ!
মোৰ ৰাগ কৰবীৰে পতা লবি পূজা
তোৰে সুৰেৰে মই
ৰচিলোঁ কতনো গান
বুজা নুবুজা
লবি পূজা।'

তদুপৰি এইখন নাটত সেউজীয়া প্রকৃতিয়েও অতি সুন্দৰকৈ ধৰা দিছে 'সেউজী সেউজী সেউজী অ" আৰু 'সাত সাগৰৰ দেশ বিদেশৰ তেৰ নদীৰ পাৰে' এই গীত দুটিৰ মাধ্যমেৰে। ৰহস্যময় অনন্তৰ অন্ত বিচাৰি হাবাথুৰি খোৱা ৰূপকোঁৱৰে যেন 'জাগা -- জাগা, নক্ষত্রৰ প্রভাতে প্রভাতে, হাঁহা-- সকলো সন্ধিয়াৰে, ভুবনে ভুবনে বিয়পি' এই গীতটিৰে প্রভাতী নক্ষত্র আৰু সন্ধিয়া জাগ্রত হ'বলৈ সকলোকে আহ্বান জনাইছে। নাট্যকাৰৰ কলমেৰে নিগৰি অহা অন্য এটি অভিনৱ গীতে পৃথিৱীক যেন জগাই তুলিব খুজিছে এনেদৰে—'জাগা অভিনৱ ছন্দে, মৌন মুগ্ধ যত শব্দ কমল দল, কণ্ঠে কণ্ঠে অর্বুদ বৃন্দে, জাগা অমৃত সুৰবাণী পৰমানন্দে'। এই গীতটিত প্রকাশ পোৱা বিশ্বজনীন ভাৱে সহজেই সকলোৰে অন্তৰ স্পর্শ কৰে।

ৰূপকোঁৱৰৰ অন্য এখনি নাটিকা হ'ল 'সোণপখিলী'। এইখন তেখেতৰ এখনি অসম্পূর্ণ কাব্যনাটিকা। নাটখনিৰ পাত্র-পাত্রীৰ নামসমূহ যেনে কবিতাকুমাৰ, চিন্তাকুমাৰ, ছন্দিতা, কল্পিতা আদিয়ে কবিৰ কাব্যিক মনৰ লগতে নাটখনিৰ কাহিনীও যে কাব্যাশ্রিত আৰু কল্পনাশ্রিত তাৰ ইঙ্গিত দিয়ে।

'জোনোৱালী নিশাৰ
ৰূপোৱালী পোহৰে
চকুৰ পাহিত
কাৰ ছবি আঁকি যায়'

এই গীতটিক যেন নাটিকাখনিৰ 'theme song' -- মূল গীত বুলি ক'ব পাৰি। নাটিকাখনিৰ অন্য এটি প্রধান গীত

'মোৰ অজি সন্ধিয়াৰ
গানৰ কথা
প্রাণেৰে মনেৰে সুৰেৰে গঁথা'

গীতটিত যেন নাট্যকাৰৰ কবি মনৰ প্রতিচ্ছবিহে ফুটি উঠিছে এনে ভাৱ হয়। নাটিকাখনিত থকা বাওনাৰ গীতটি অৱশ্যেই পৰিবেশ সূচক গীত।

জ্যোতিপ্রসাদৰ অন্য এখন সামাজিক নাট হ'ল 'খনিকৰ'। এইখন নাটৰ 'নীল আকাশৰ এটা তৰা, এটা তৰা অ', তাৰ পোহৰে তাৰ পোহৰে, বাটটি চিনি ল'--- এই গীতটিত যেন জ্ঞানৰ পথেৰে বাট বুলাৰ আহ্বানহে শুনিবলৈ পোৱা যায় এনে ভাৱ হয়। নাটখনৰে অন্য এটি গীত-- 'মোৰ মনে মনে, হিয়াৰ বনে বনে, আন্ধাৰে আন্ধাৰে, কি ফুল ফুলালি' গীতটিতো শুনিবলৈ পোৱা যায় সুন্দৰৰেই সাধনা আৰু জয়গান।

জ্যোতিপ্রসাদৰ অন্য এখন শ্রেষ্ঠ নাট হ'ল 'লভিতা'। মন



এজন বেয়া মানুহ হ'বলৈ কম সময় লাগে। কিন্তু এজন ভাল মানুহ হ'বলৈ যথেষ্ট সময়ৰ প্রয়োজন।
— মহাত্মা গান্ধী



শিক্ষক এডাল মমবাতিৰ দৰে, যি নিজে গলি আনক পোহৰাই দিয়ে। — নেতাজী সুভাষ চন্দ্র বসু

কৰিব লগীয়া যে তেখেতৰ নাটসমূহৰ ভিতৰত 'লভিতা' নাটকতেই গীতৰ সংখ্যা সৰহ। নাটখনৰ প্ৰায়খিনি গীতেই স্বদেশপ্ৰেমমূলক আৰু প্ৰতিটো শব্দই বহন কৰিছে জাতীয় চেতনা। ক'ৰবাত এই জাতীয় চেতনা অগ্নি-স্ফুলিঙ্গলৈকো ৰূপান্তৰিত হৈছে। এইখন নাট তেখেতে ৰচনা কৰিছিল জাতীয় আন্দোলনৰ পটভূমিত আৰু সেয়ে এই নাটৰ গীতবোৰৰ এক সুকীয়া বৈশিষ্ট্য আছে। এই নাটত ব্যক্তিগত আবেগে ৰাজনৈতিক ৰূপ লোৱা দেখা যায় লভিতা চৰিত্ৰৰ মাজেৰে। স্বাধীনতা আন্দোলনৰ বিষয়ে, জাতীয় কংগ্ৰেছৰ বিষয়ে বুজি নোপোৱা লভিতাই এজনী সৰু ছোৱালীয়ে হাতত ত্ৰিৰঙ্গা পতাকা লোৱাৰ বাবেই পুলিচৰ অত্যাচাৰ সহিব লগীয়া হোৱাত ক'ব নোৱাৰাকৈয়ে প্ৰতিবাদ কৰিছে আৰু এনেদৰেই ব্যক্তিগত ক্ষোভ, আবেগ পৰিণত হৈছে ৰাজনৈতিক ক্ষোভ আৰু অবেগলৈ।

'লভিতা' নাটখনত স্বদেশৰ স্বাধীনতা ৰক্ষা কৰিবলৈ আগবাঢ়ি অহা ডেকা-ডেকেৰীয়ে গাইছে –

'অ' আমাৰ গাঁও
আমাৰ গাঁৱৰ মান ৰাখি
মৰিবলে যাওঁ আমি
মৰিবলে যাওঁ।।'

তদুপৰি শিৰাই শিৰাই প্ৰবাহিত হোৱা দেশপ্ৰেমে যে অন্তৰত নিহিত হৈ থকা মৃত্যু ভয় দূৰ কৰি অসমীয়া যুৱক-যুৱতীক দেশৰ হকে আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগাইছিল তাৰো প্ৰমাণ পোৱা যায় এই গীতটিৰ পৰা —

'যুগান্তৰৰ আন্ধাৰ জিনি
আগবাঢ়ি যা নও যোৱান
তোৰ হাতত উৰে বিজয়ী নিচান।'

সেইখন নাটকৰে যৱনিকাৰ ফালে নাট্যকাৰে দেশ মাতৃক তুতি কৰিছে এনেদৰে–

'লুইতৰ আকাশত তৰাৰ তৰাৱলী
পাৰত দীপাৱলী তেজেৰে মোৰ
আই নেকান্দিবি
থাপনাত তেজেৰে বন্তি দিলেহি
ল'ৰা-ছোৱালীয়ে তোৰ'

লক্ষণীয় যে এই গীতটিতো নাট্যকাৰৰ দেশপ্ৰেমেই ফুটি উঠিছে।

নাটকখনৰ আৰম্ভনীতে 'লুইতেদি যাৱ ক'ৰে নাৱৰীয়া, তই ক'ৰে নাৱৰীয়া ঐ' আৰু 'মোৰ বাৰীত ফুলিলে ইন্দ্ৰজিত মালতী' গীত দুটিত প্ৰকৃতি চিত্ৰণৰ সৈতে ৰজিতা খুৱাই মানসিক অৱস্থাবো বৰ্ণনা পোৱা যায়। এইখন নাটৰে আন এটি সৰ্বজনপ্ৰিয় গীত হ'ল -- 'অ' আমাৰ গাঁও, আমাৰ গাঁৱৰ মান ৰাখি, মৰিবলে যাঁও'। এই গীতটিত শস্য-শ্যামলা অসমৰ গাঁৱৰ এখন সুন্দৰ চিত্ৰৰ লগতে পেটৰ ভাত আৰু গাৰ বস্ত্ৰৰ অভাৱত উমি উমি জ্বলি উঠা সাধাৰণ মানুহৰ অন্তৰৰ বিদ্ৰোহো ফুটাই তুলিছে।

জ্যোতিপ্ৰসাদৰ অন্য এখন চুটি আৰু অসম্পূৰ্ণ নাটক হ'ল 'কনকলতা'। অসমৰ স্বাধীনতা যুদ্ধৰ এগৰাকী ছহিদ কনকলতাক লৈ ৰচনা কৰা অসম্পূৰ্ণ নাটখনিত থকা 'কোন ক'ত আছ , আহ অ' ডেকা ল'ৰা, তই সমুখত হ' থিয়, মাতৃপূজাৰ ভাগ ল'বলৈ দেৰি কৰ কিয়?' গীতটিত প্ৰকাশ পাইছে জাতীয় চেতনা আৰু অসমৰ সাধাৰণ অথচ শুৱনী ছোৱালীক দেশমাতৃৰ পূজাত ভাগ ল'বলৈ কৰা আহ্বান।


এনেদৰে দেখা যায় যে জ্যোতিপ্ৰসাদে পৰিবেশৰ লগত খাপ খুৱাই নাটসমূহত গীত সংযোজন কৰিছে। তেখেতৰ নাটৰ গীতত এহাতে যিদৰে প্ৰকৃতি আৰু প্ৰণয় জীৱন্ত হৈছে, আনহাতে তেনেদৰে জীৱন্ত হৈ উঠিছে পৰিস্থিতিৰ লগত একাত্ম হোৱা মানুহৰ মানসিক অৱস্থা। উষা-অনিৰুদ্ধৰ প্ৰণয়ৰ লগতে প্ৰকাশ পাইছে সখীয়েকৰ লগত হ'বলগীয়া আগন্তুক বিচ্ছেদৰ দুখত দুখী চিত্ৰলেখাৰ মানসিক অৱস্থা। শেৱালীৰ সুন্দৰ কোঁৱৰৰ প্ৰতি থকা গোপন ভালপোৱাৰ লগতে ৰাজকীয় মৰ্যাদা অক্ষুণ্ণ ৰাখিবৰ বাবে কৰা সুন্দৰ কোঁৱৰৰ প্ৰচেষ্টা, যি শেষত ৰূপ পাইছে গভীৰ দাৰ্শনিক তত্ত্বৰূপে। মণিমুগ্ধৰ ৰূপালীমৰ প্ৰতি থকা দৈহিক আকৰ্ষণ ৰূপান্তৰিত হৈছে এক বিশ্বজনীন ভাৱনালৈ, য'ত চিৰসুন্দৰৰ আৰাধনাই প্ৰাধান্য লাভ কৰিছে। সাধাৰণ গাঁৱৰ ছোৱালী লভিতাৰ অন্তৰত অত্যাচাৰী পুলিচ আৰু ভীৰু প্ৰেমিক গোলাপৰ প্ৰতি সৃষ্টি হোৱা বিদ্ৰোহ ক'ব নোৱাৰাকৈয়ে ৰূপান্তৰিত হৈছে স্বদেশপ্ৰেমলৈ। ওপৰৰ আলোচনাৰ পৰা নাট্যকাৰ জ্যোতিপ্ৰসাদে বৰ সচেতন ভাৱে যে নাটকত গীত সংযোজন কৰিছিল সেই কথা সহজেই উপলব্ধি কৰিব পাৰি। এনেদৰে নাটকৰ সৌন্দৰ্য বৃদ্ধি কৰি বিষয়-বস্তুক সৰ্বজন মনোগ্ৰাহী কৰি তোলাত নাট্যকাৰ জ্যোতিপ্ৰসাদ সফল হৈছে বুলি ক'ব পাৰি।

প্ৰাসঙ্গিক গ্ৰন্থ ঃ

(১) জ্যোতিপ্ৰসাদ ৰচনাৱলী, (সঃ) গোঁহাই হীৰেন, অসম প্ৰকাশন পৰিষদ, ২০১৩।

(২) জ্যোতি মনীষা, বৰুৱা প্ৰহ্লাদ, বনলতা, ডিব্ৰুগড়, ২০০৯।

অধ্যয়নে এজন লোকক সম্পূৰ্ণ মানৰ হিচাপে গঢ়ি তোলে। — ফ্ৰানিছ বেকন



অসমৰ প্ৰাকৃতিক সম্পদ আৰু ইয়াৰ সংৰক্ষণ

নমিতা বৰগোহাঁই
স্নাতক তৃতীয় ষাণ্মাসিক
কলা শাখা

প্ৰকৃতিয়ে শ্যামলী শোভাৰে আভূষিত কৰি ৰাখিছে অসমক। অপৰিসীম বৈভৱেৰে প্ৰকৃতিয়ে অসমক ঐশ্বৰ্য্যশালী কৰি ৰাখিছে। অসমৰ পাহাৰ-ভৈয়ামৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যই প্ৰতিজন মানুহৰ মন-প্ৰাণ শিহৰিত কৰি তুলিব। অসমৰ খাল-বিল, নদী, জৈৱ-বৈচিত্ৰ, বনাঞ্চল, সেউজীয়া পাহাৰৰ বিনন্দীয়া ৰূপে সকলো লোককে যেন হাত বাউল দি মাতে। ইয়াৰ জলবায়ু নাতিশীতোষ্ণ। সেয়েহে ইয়াৰ উষ্ণতাৰ তাৰতম্য দেখিব পোৱা যায়। এনে মনোমোহা প্ৰাকৃতিক সম্পদেৰে সমৃদ্ধিশালী অসম আজি দুষ্টচক্ৰৰ কৰাল গ্ৰাহত পৰিছে। ক্ৰমান্বয়ে জৈৱ বৈচিত্ৰসমূহ ধ্বংসৰ গৰাহত পৰিব ধৰিছে। ইয়াৰ বাবে আমি আৰু আমাৰ সমাজখনে মুখ্যতঃ দায়ী। এনে মনোমোহা সম্পদসমূহ সংৰক্ষণৰ প্ৰচেষ্টা লোৱাটো আমাৰ প্ৰতিজন নাগৰিকৰে এক গুৰু দায়িত্ব।

প্ৰকৃতিৰ প্ৰায় সকলোখিনি আশীৰ্বাদ লাভ কৰিছে অসমে। বনজ সম্পদৰ পৰা আৰম্ভ কৰি খনিজ সম্পদলৈকে অসম দেশৰ ভিতৰতে এক চহকী ৰাজ্য। বনজ সম্পদ সমূহৰ কথা ক'বলৈ গ'লে প্ৰথমে আমি বনাঞ্চলৰ কথায়ে ক'ব লাগিব। বৰ্তমান অসমৰ বনাঞ্চলসমূহৰ ধ্বংসযজ্ঞ আৰম্ভ হৈছে। এফালৰ পৰা গছ কাটি তাত চিন্তাশক্তিৰ অধিকাৰী মানুহে নিজৰ বসতিস্থল গঢ়ি তুলিছে। ফলত বনাঞ্চলৰ মাত্ৰা হ্ৰাস পাইছে। ইয়াৰ ফল অৱশ্যে মানুহে ভোগ নকৰা নহয়.। অবাধ বন ধ্বংসৰ ফলত জলবায়ুৰ উষ্ণতা বৃদ্ধি পাব ধৰিছে, বৰষুণৰ মাত্ৰা হ্ৰাস পাব ধৰিছে। পাহাৰ ধ্বংসৰ ফলত ভূমিস্খলনৰ দৰে দুৰ্যোগে দেখা দিছে। এনেদৰে প্ৰকৃতিয়েও নিজৰ কালৰূপ ধাৰণ কৰিছে। অন্যান্য বনাঞ্চলৰ বাদেও যিকেইখন সংৰক্ষিত বনাঞ্চল, সেই সংৰক্ষিত বনাঞ্চল সমূহতো কিছুমান দুষ্ট প্ৰকৃতিৰ লোকে নিজৰ কোপ দৃষ্টি পেলাইছে। অসমৰ পাঁচখন মূলতঃ সংৰক্ষিত বনাঞ্চল আছে। সেই কেইখন হৈছে – কাজিৰঙা অভয়াৰণ্য, মানাহ অভয়াৰণ্য, নামেৰি অভয়াৰণ্য, ডিব্রু চৈখোৱা অভয়াৰণ্য, উৰাং অভয়াৰণ্য। ইয়াৰ উপৰিও ভালেকেইখন বন্যপ্ৰাণী অধ্যুষিত অঞ্চল আছে। কিন্তু ইয়াৰ সঠিক পৰিচৰ্যা আজিকোপতি হোৱা নাই। কাজিৰঙাৰ এক বিশাল পৰিসৰৰ ভূমি বৰ্তমানে কিছুমান বেদখলকাৰীৰ কবলত পৰা দেখিব পোৱা গৈছে। তাৰ উপৰিও এই বনাঞ্চলসমূহত পোৱা মূল্যৱান গছ যেনে– শাল, চেগুন, গমাৰি, তিতাচপা আদি সম্পদসমূহ লুপ্ত পাব ধৰিছে আৰু বহিঃৰাজ্যত চো�ৰাংভাবে বিক্ৰী কৰি এচামে মুনাফা লুটা দেখা গৈছে। শিমলু কাঠ, যাক জুইশলা শিল্পৰ প্ৰাণ বুলি কোৱা হয় সেইসমূহ গছ আজি লুপ্তপ্ৰায় হ'ব ধৰিছে। তাৰোপৰি বাঁহ-বেতৰ অসমৰ ভূমিত প্ৰচুৰ পৰিমাণে পোৱা যায়। এই বাঁহ-বেতৰ পৰা বিভিন্ন ধৰণৰ সামগ্ৰী প্ৰস্তুত কৰিব পৰা যায়। এই বাঁহ-বেত সমূহৰো উচিত সংৰক্ষণৰ প্ৰয়োজনীয়তা আহি পৰিছে।

অসমৰ অতি মূল্যৱান আন এক সম্পদ হৈছে বন্যপ্ৰাণী। অসমৰ বনাঞ্চল সমূহত বহুতো আপুৰুগীয়া জীৱ কুলে বসবাস কৰি আহিছে। বাঘ, হৰিণা, হাতী, গঁড়, ভালুক আৰু বিভিন্ন ধৰণৰ চৰাই-চিৰিকতিৰে এক অপূৰ্ব ভূমি অসম। কিন্তু কিছু বছৰ ধৰি এইসমূহ জীৱকুলে চৰম দুৰ্যোগৰ মাজেৰে দিন কটাইছে। অসম এশিঙীয়া গঁড়ৰ বাবে বিশ্ব বিখ্যাত। কিন্তু আজি এই এশিঙীয়া



অহংকাৰী মানুহবোৰ কুকুৰাৰ দৰেই। কুকুৰাই ভাৱে সি ডাক দিয়াৰ কাৰণেহে ৰাতি পুৱালে

— জৰ্জ ইলিয়ট

গঁড় বিলুপ্তিৰ পথত। ভাৰতত থকা মুঠ ৩,৫৫৫ টা গঁড়ৰ অধিকাংশই অসমৰ বনাঞ্চলসমূহত বসতি কৰি আহিছে। ২০০০ চনত অসমত মুঠ ২,০০০ টা গঁড়ে বাস কৰিছিল। ইয়াৰে পবিতৰা অভয়াৰণ্যত বিশ্বৰ ভিতৰত আটাইতকৈ বেছি গঁড় পোৱা গৈছিল। ২০১৪ চনত গঁড়ৰ সংখ্যা ২,৫৪৪ লৈ বৃদ্ধি হৈছিল যদিও বহুকেইটা গঁড়ে চোৰাং চিকাৰীৰ হাতত প্ৰাণ দিব লগা হৈছিল। এনেদৰে অসমৰ গৌৰৱ হিচাপে স্বীকৃত এশিঙীয়া গঁড়ৰ সংখ্যা লাহে লাহে কমি আহিব ধৰিছে। তাৰোপৰি বাঘ, ভালুক, হাতীকে আদি কৰি বহুতো জীৱ-জন্তুৰ অস্তিত্বৰ প্ৰতি ভাবুকি আহি পৰিছে। হাতীৰ দাঁত এক আপুৰুগীয়া সম্পদ। এই হাতী দাঁতসমূহ বিদেশলৈ ৰপ্তানিৰ জৰিয়তে এচাম অসাধু লোকে শ শ কোটি টকা উপাৰ্জন কৰি আহিছে।

যিহেতু অসম এখন নদী মাতৃক দেশ। সমগ্ৰ অসম ভূমি নদীৰ এক সুন্দৰ আলোকেৰে শোভাসিত। লুইত ব্ৰহ্মপুত্ৰ (ভাৰতৰ একমাত্ৰ পুৰুষ নদী) অসম মাতৃৰ চৰণ ধুই শ শ যুগ ধৰি প্ৰবাহিত হৈ আছে এক বিনন্দীয়া, মনোমোহা আভাষ লৈ। লুইতৰ উপনৈসমূহ যেনে - - চেচা, কপিলী, ধনশিৰি, কলং, সোৱণশিৰি আদিয়ে অসমৰ চাৰিসীমাইদি প্ৰবাহিত হৈ আছে। লুইত ব্ৰহ্মপুত্ৰ অসমৰ প্ৰাণ। কিন্তু আজি এই লুইতক জীৱশ্ৰেষ্ঠ মানৱে দূষিত কৰি তুলিছে। লুইতক ভেটা দি নিৰ্মাণ কৰিছে বৃহৎ বৃহৎ বান্ধ। ইয়াৰ ফল অৱশ্যে জীৱ শ্ৰেষ্ঠই ভোগ কৰিবলগীয়া হৈছে। বাৰিষাৰ বৰষুণে অসমৰ নদী সমূহক উফন্দি উঠাইছে। ফলত বানপানীয়ে অসমৰ সমগ্ৰ অঞ্চল বুৰাই পেলোৱা দেখা গৈছে। তদুপৰি কাজিৰঙাৰ মনোমোহা পৰিৱেশক প্ৰতিবছৰে অহা বানে বুৰাই পেলাইছে। এনেদৰে বিনন্দীয়া লুইতে সময়ত ধ্বংসৰ ৰূপো গ্ৰহণ কৰে। অসমৰ নৈ-বিল সমূহত মাছ-কাছই উভৈনদী। এইবোৰো আমাৰ এক বৃহৎ প্ৰাকৃতিক সম্পদ। কিন্তু বৰ্তমানে অবাধে মাছ-কাছসমূহ চিকাৰৰ বলি হৈছে। জুন-জুলাই মাহত মাছ-কাছসমূহৰ প্ৰজননৰ সময়। চৰকাৰে এই সময়ত মাছ মৰাত নিষেধাজ্ঞা প্ৰকাশ কৰে যদিও সেই নিষেধাজ্ঞালৈ বহুতে কাণসাৰ নিদি অবাধে মাছ সমূহৰ চিকাৰ চলাই যায়।



অসমৰ প্ৰাকৃতিক সম্পদৰ আটাইতকৈ মূল্যৱান সম্পদেই হৈছে অসমৰ খনিজ সম্পদ। প্ৰকৃতিয়ে অসমক হিয়া ভৰি এই খনিজ সম্পদৰ উপহাৰ দিছে। এটা সময়ত অসমৰ খনিজ সম্পদে সমগ্ৰ ভাৰতবৰ্ষক উজলাই তুলিছিল। ডিগবৈত থকা তেল শোধনাগাৰ এছিয়া মহাদেশৰ আটাইতকৈ পুৰণি শোধনাগাৰ ৰূপে পৰিচিত। ভৰপূৰ খনিজ সম্পদৰ গৰাকী সত্ত্বেও অসমত যিটো হাৰত খনিজ সম্পদৰ সু-ব্যৱহাৰ হ'ব লাগিছিল বৰ্তমানেও সেই সু-ব্যৱহাৰ যথোপযুক্তভাবে হোৱা দেখা নাযায়। অসমত নুমলীগড় শোধনাগাৰ, ডিগবৈ শোধনাগাৰ, বঙাইগাঁৱ শোধনাগাৰ, গুৱাহাটী, দুলিয়াজানকে ধৰি কেইবাটাও শোধনাগাৰ স্থাপিত হৈছে। কেন্দ্ৰ চৰকাৰে গেছ ক্ৰেকাৰ প্ৰকল্পও স্থাপন কৰিছে। যদিহে এইসমূহ সম্পদক কেন্দ্ৰই যথোপযুক্তভাবে ব্যৱহাৰ কৰে তেন্তে প্ৰগতিৰ দিশে অসম আগুৱাই যোৱাটো নিশ্চিত। তাৰোপৰি কয়লা, চূণশিল আদি সম্পদেৰে অসমখন প্ৰতিপত্তিশালী কিন্তু ইয়াৰ উচিত প্ৰয়োগ বৰ্তমানেও হোৱা দেখিবলৈ পোৱা নাযায়। কামৰূপ আৰু গোৱালপাৰা অঞ্চলত এক বিস্তীৰ্ণ অঞ্চলত 'ফুলাৰ্চ আৰ্থ' সঞ্চিত হৈ থকা বুলিও জানিব পৰা গৈছে। এইসমূহ সম্পদক উচিত প্ৰয়োগ বৰ্তমানেও হোৱা দেখা পোৱা নাযায়

প্ৰকৃতিয়ে আমাৰ অসমক ভৰপূৰ ভাণ্ডাৰ প্ৰদান কৰি বৈভৱশালী কৰি ৰাখিছে। প্ৰকৃতিয়ে অযাচিতে আগবঢ়াই দিয়া অমূল্য অৱদানখিনি সংৰক্ষণ তথা ৰক্ষণাবেক্ষণ দিয়াটো প্ৰতিজন নাগৰিকৰে এক প্ৰাথমিক কৰ্তব্য। নিশ্চিতভাৱে চৰকাৰে যথেষ্ট আঁচনি ৰূপায়ণ কৰিছে আমাৰ এই প্ৰাকৃতিক সম্পদসমূহ ৰক্ষণাবেক্ষণৰ বাবে। কিন্তু কেৱল চৰকাৰৰে দায়িত্ব নেকি এই সম্পদৰ ৰক্ষণাবেক্ষণৰ? নিশ্চয় নহয়। আমাৰ প্ৰতিজন নাগৰিকৰ তথা চৰকাৰৰ ৰৰমুৰীয়া বিষয়াসকলে ইয়াক লৈ সদ্‌ভাব প্ৰদৰ্শন কৰাটো নিতান্তই আৱশ্যক। নিজৰ আপোন সম্পদ বুলি চিন্তা কৰি আঁচনিসমূহ সহৃদয়তাৰে ৰূপায়ণ কৰাটো মহান কাম হিচাপে বিবেচিত হ'ব। আৰু আমি প্ৰতিজন সাধাৰণ নাগৰিকেও নিজৰ মৌলিক কৰ্তব্য বুলি ভাবি আমাৰ সম্পদসমূহক ৰক্ষণাবেক্ষণ দিয়া উচিত। এই আহ্বান আমাৰ চোৰাংচিকাৰীসকললৈও। আমাৰ আপুৰুগীয়া সম্পদসমূহক ৰক্ষণাবেক্ষণ দিয়াটো তেওঁলোকৰো দায়িত্ব। বৰ্তমানে গঁড় হত্যাই এক নিকৃষ্ট ৰূপ ধাৰণ কৰিছে। এই চোৰাংচিকাৰী সকলেও চিন্তা কৰা উচিত অসম গৌৰৱ এশিঙীয়া গঁড় তেওঁলোকৰো সম্পদ নহয়নে? এই এশিঙীয়া গঁড়ে বিশ্ব দৰবাৰত তেওঁলোককো গৌৰৱান্বিত নকৰেনে? আমি প্ৰতিজনে আপোন মনেৰে আমাৰ সম্পদসমূহ ৰক্ষা কৰিলে নিশ্চিত ৰূপে অসম এক জাকতজিলিকা দেশ হৈ উঠিব।

অসত্যবাদীক সত্য ভাষণৰ দ্বাৰা জয় কৰিব পাৰি। — শ্ৰীসত্যবাদী



ডিব্রুগড় চহৰৰ প্ৰদূষণ ঃ এক চমু আভাস

বিকাশ শইকীয়া
স্নাতক পঞ্চম যান্মাসিক
বিজ্ঞান শাখা

পৰিৱেশ কি?

'পৰিৱেশ' শব্দটোৰ অৰ্থৰ পৰিসৰ বিশাল। সাধাৰণ ভাষাত ক'বলৈ গ'লে, পৰিৱেশ হৈছে কোনো এটা জীৱৰ চাৰিওফালৰ জৈৱিক বা অজৈৱিক উপাদান সমষ্টিয়ে সৃষ্টি কৰা এক অৱস্থা। পৰিৱেশৰ ধাৰণাটো আপেক্ষিক। কিয়নো এটা জীৱ বা জনসংখ্যা বা এটা অঞ্চলৰ সাপেক্ষেহে পৰিৱেশৰ সংজ্ঞা দিব পৰা যায়।

'চাহ নগৰী' হিচাপে বিখ্যাত ডিব্রুগড় নগৰ হৈছে দ্ৰুতভাৱে উত্থান হোৱা অসমৰ অৰ্থনৈতিক প্ৰাণকেন্দ্ৰসমূহৰ অন্যতম। ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰত অৱস্থিত ডিব্রুগড় চহৰ সাগৰপৃষ্ঠৰ পৰা 104m উচ্চতাত অৱস্থিত। বাৰ্ষিক গড় বৰষুণৰ পৰিমাণ 2400mm। তদুপৰি বাৰ্ষিক গড় উষ্ণতা 23.90^{0}c, আনহাতে গড় আৰ্দ্ৰতাৰ পৰিমাণ 74% হিচাপে লিপিবদ্ধ। কিছু আন্নিক গুণযুক্ত মাটিবিশিষ্ট ডিব্রুগড় বিশেষকৈ ধান আৰু চাহ খেতিৰ বাবে উৎকৃষ্ট ৰূপে বিবেচিত হৈছে। ডিব্রুগড় চহৰৰ অৰ্থনীতি প্ৰধানতঃ প্ৰাকৃতিক তেল, প্ৰাকৃতিক গেছ, চাহ উৎপাদন, পৰ্যটন, শক্তি উৎপাদন, সাৰ উৎপাদন আদিৰ ওপৰতে নিৰ্ভৰশীল। তদুপৰি ডিব্রুগড় চহৰত শিক্ষা উদ্যোগ আৰু স্বাস্থ্য সেৱা উদ্যোগে এক বিশেষ ভূমিকা পালন কৰি আহিছে।

দুখৰ বিষয় যে অনুপম প্ৰাকৃতিক পৰিৱেশৰ অধিকাৰী ডিব্রুগড় চহৰৰ পৰিৱেশ দিনকদিনে বিঘ্নিত হৈছে। বিভিন্ন উৎসৰ পৰা উৎপন্ন হোৱা পেলনীয়া আৱৰ্জনা ইয়াৰ এক প্ৰধান কাৰক হিচাপে চিহ্নিত হৈছে।

ডিব্রুগড় চহৰত উৎপন্ন হোৱা আৱৰ্জনাৰ প্ৰধান উৎসসমূহ

ডিব্রুগড় চহৰ এখন দ্ৰুতভাৱে উন্নয়ণশীল অৰ্থনৈতিক কেন্দ্ৰৰূপে চিহ্নিত হৈছে। যিদৰে বিভিন্ন উদ্যোগসমূহে ডিব্রুগড় চহৰখনক অৰ্থনৈতিকভাৱে সবল কৰি তোলাত সহায় কৰিছে, তেনেদৰে আৱৰ্জনা সৃষ্টিৰ দ্বাৰা ডিব্রুগড়ক যথেষ্ট প্ৰদূষিত কৰিছে। তেনে আৱৰ্জনাৰ উৎসসমূহৰ ভিতৰত তলত উল্লেখ কৰা উৎসসমূহ প্ৰধানৰূপে বিবেচিত হৈছে।

i) **হস্পিতেল**

ডিব্রুগড়ৰ অৰ্থনীতিৰ প্ৰধান ভেঁটি হিচাপে বিবেচিত হোৱা নাৰ্ছিংহোমসমূহে দৈনিক যথেষ্ট পৰিমাণৰ বায়'মেডিকেল আৱৰ্জনা উৎপন্ন কৰে। এনে আৱৰ্জনাত বিভিন্ন ৰাসায়নিক পদাৰ্থ, তেজস্ক্ৰিয় পদাৰ্থ আৰু জৈৱিক পদাৰ্থ যেনে তেজ আদি থাকিব পাৰে। এইবোৰৰ সঠিক নিষ্কাষণ নহ'লে বিভিন্ন ধৰণৰ স্বাস্থ্য সমস্যাৰ সৃষ্টি কৰিব পাৰে।

ii) **ঘৰুৱা আৱৰ্জনা**

২০১১ চনৰ লোকপিয়ল মতে ডিব্রুগড়ত প্ৰায় ১৩,২৬,৩৩৫ সংখ্যক লোকে বসবাস কৰি আছে। শিক্ষা লাভ বা বিভিন্ন উদ্যোগত সংস্থাপনৰ উদ্দেশ্যৰে অহা লোকৰ সংখ্যাও ডিব্রুগড়ত দিনকদিনে বৃদ্ধি হৈছে। এনে এক বৃহৎ জনসংখ্যাই দৈনিক উৎপন্ন কৰা ঘৰুৱা আৱৰ্জনাই ডিব্রুগড়ত যথেষ্ট সমস্যাৰ সৃষ্টি কৰিছে। এনে আৱৰ্জনাত অন্তৰ্ভুক্ত থাকে গাড়ী-মটৰৰ



সময় যদি থাকে; ভাল কামত, সৃষ্টিশীল কামত খৰছ কৰিব লাগে — ভৱেন্দ্ৰনাথ শইকীয়া

আৱৰ্জনা, বেটাৰী, ইলেকট্ৰনিকচৰ আৱৰ্জনা, পাৰাযুক্ত বিভিন্ন লাইট বাল্ব আৰু এমনিয়া, মিথেল, সীহ আদিৰ দৰে ক্ষতিকাৰক দ্ৰব্য।

iii) **গাড়ী-মটৰ**

বৰ্দ্ধিত জনসংখ্যাৰ সৈতে ডিব্রুগড়ত বৃদ্ধি হৈছে যান-বাহনৰ সংখ্যাও। যান-বাহন সমূহেও বিভিন্ন ধৰণৰ আৱৰ্জনাৰ ভিতৰত গেছীয় আৱৰ্জনা যেনে হাইড্ৰ'কাৰ্বন, নাইট্ৰজেন অক্সাইড, CO, ছালফাৰ অক্সাইড আদি প্ৰধান। তদুপৰি গাড়ীৰ বেটাৰী, পেলনীয়া সামগ্ৰী আদিয়ে যথেষ্ট অপকাৰী আৱৰ্জনাৰ সৃষ্টি কৰে।

iv) **উদ্যোগ**

ডিব্রুগড়ত সৰু-বৰ বহুতো কাৰখানা উদ্যোগ গঢ় লৈ উঠিছে। এনে উদ্যোগসমূহৰ ভিতৰত চাহ উদ্যোগসমূহ, সাৰ কাৰখানা, প্ৰাকৃতিক গেছৰ পুং, BCPL আদিয়ে প্ৰধান। এনে উদ্যোগ-কাৰখানাসমূহে যথেষ্ট আৱৰ্জনাৰ সৃষ্টি কৰে। তদুপৰি বহু ক্ষেত্ৰত এনে আৱৰ্জনা সঠিক নিষ্কাষণ নকৰাকৈয়ে নদীত এৰি দিয়াৰ উদাহৰণ আছে। শেহতীয়াভাৱে BCPL ত সৃষ্টি কৰা আৱৰ্জনাই চেচা নদীৰ মাছ খোৱাৰ অনুপযুক্ত কৰা বুলি অভিযোগ উত্থাপিত হৈছে।

v) **বজাৰ**

ডিব্রুগড়ত প্ৰায় ১০ খন সৰু-বৰ বজাৰ স্থান আছে। এনে ঠাইসমূহে প্ৰতিদিনাই যথেষ্ট পৰিমাণৰ জৈৱিক-অজৈৱিক আৱৰ্জনা উৎপন্ন কৰে। পলিথিন বেগৰ ব্যৱহাৰ, পৰিকল্পনাহীন বজাৰ ব্যৱস্থা আদিয়ে যথেষ্ট সমস্যাৰ সৃষ্টি কৰা দেখা গৈছে।

আৱৰ্জনাৰ প্ৰকাৰ

আৱৰ্জনাসমূহ সৰল পৰ্যায়লৈ জৈৱিক প্ৰক্ৰিয়াৰদ্বাৰা পচন হোৱা বা নোহোৱাৰ ওপৰত ভিত্তি কৰি দুটা ভাগত ভগোৱা হৈছে

i) **জৈৱ নিম্নিকৰণ আৱৰ্জনা** - যিবোৰ আৱৰ্জনা জৈৱিক প্ৰক্ৰিয়াৰ দ্বাৰা সৰল পৰ্যায়লৈ পৰিৱৰ্তন হয়, তেনেবোৰ আৱৰ্জনাক জৈৱ নিম্নিকৰণ আৱৰ্জনা বোলা হয়।

ii) **জৈৱ অনিম্নিকৰণ আৱৰ্জনা** - যিবোৰ আৱৰ্জনা জৈৱিক প্ৰক্ৰিয়াৰ দ্বাৰা সৰল পৰ্যায়লৈ পৰিৱৰ্তন নহয়, তেনেবোৰ আৱৰ্জনাক জৈৱ অনিম্নিকৰণ আৱৰ্জনা বোলা হয়।

জৈৱ নিম্নিকৰণ আৱৰ্জনাসমূহ প্ৰদূষণৰ সৃষ্টি কৰিলেও তেনে প্ৰদূষণ সাধাৰণতে সাময়িক হোৱা দেখা যায়।আনহাতে জৈৱ অনিম্নিকৰণ আৱৰ্জনাসমূহৰ প্ৰদূষণ দীৰ্ঘস্থায়ী হোৱাৰ সম্ভাৱনা বেছি থাকে।

আৱৰ্জনাসমূহে মাটি, পানী আৰু বায়ু বিভিন্ন ধৰণে দূষিত কৰা দেখা যায়।

আৱৰ্জনাসমূহে ডিব্রুগড়ত প্ৰধানতঃ তলত দিয়া ধৰণে মাটি প্ৰদূষিত কৰা দেখা গৈছে –

প্ৰকৃতিয়ে যিবোৰ আৱৰ্জনাৰ সৃষ্টি কৰে, তেনে আৱৰ্জনাসমূহে প্ৰাকৃতিক ব্যৱস্থাৰ জৰিয়তেই মাটিৰ লগত মিহলি হৈ যায় যদিও মানুহে সৃষ্টি কৰা আৱৰ্জনাসমূহে যথেষ্ট পৰিমাণে মাটি প্ৰদূষিত কৰে। ডিব্রুগড় এখন 'চাহ নগৰী' হিচাপে বিখ্যাত। ইয়াৰ চাহ উদ্যানসমূহত অৰ্গেনফচফেট, অৰ্গেনক্ল'ৰিণ, কাৰ্বামেট আদি কীটনাশক যথেষ্ট পৰিমাণে ব্যৱহৃত হয়। এনে ৰাসায়নিক দ্ৰব্যসমূহে মাটি প্ৰদূষিত কৰে। তদুপৰি, উদ্যোগসমূহৰ পৰা নিৰ্গত বিষাক্ত গেছ তথা বৈধ আৰু অবৈধ ইটাভাটাসমূহে জিলাখনত সৃষ্টি কৰা প্ৰদূষকসমূহে মাটি দূষিত কৰাত অপকাৰী ভূমিকা হৈছে। তদুপৰি নাৰ্ছিংহোম বা আন হস্পিতেলসমূহে উৎপন্ন কৰা বায়'মেডিকেল আৱৰ্জনাসমূহে মাটি প্ৰদূষিত কৰাৰ অভিযোগ সততে ডিব্রুগড়ৰ সচেতন নাগৰিকমহলে কৰা দেখা যায়। তদুপৰি, মাইজান ঘাটৰ ওচৰত যি ঠাইত পৌৰসভাই আৱৰ্জনা পেলায়, সেই ঠাইত মাটি প্ৰদূষিত হোৱাটো স্বাভাৱিক। কিয়নো এনে আৱৰ্জনাসমূহ পেলোৱাৰ আগত বা পিছত কোনো নিষ্কাষণ ব্যৱস্থা প্ৰশাসনে লোৱা দেখা নাযায়।

ডিব্রুগড়ৰ প্ৰদূষণৰ বিভিন্ন কাৰকসমূহে পানী প্ৰদূষণ কৰাও দেখা যায়। ডিব্রুগড়ৰ নামৰূপত থকা সাৰ কাৰখানাই যি সাৱৰা আৱৰ্জনা পানীভাগত এৰি দিয়ে তেনে আৱৰ্জনাই শেলুৱৈ সৃষ্টি কৰা বহু ক্ষেত্ৰত দেখা যায়। ফলত পানী প্ৰদূষিত হয় আৰু মাছ-কাছৰা অন্যান্য জলজ প্ৰাণীয়ে প্ৰয়োজনীয় অক্সিজেনৰ পৰা বঞ্চিত হয়। তদুপৰি নতুনকৈ গঢ়ি উঠা গেছ ক্ৰেকাৰ উদ্যোগে সৃষ্টি কৰা আৱৰ্জনাই ডিব্রুগড়ৰ চেঁচা নৈৰ মাছ খোৱাৰ অনুপযুক্ত কৰাৰ অভিযোগ উঠিছে। শৰৎ ঋতুত পালন কৰা দুৰ্গোৎসৱৰ সময়ত প্ৰতিমাসমূহৰ যিসমূহ কিছুমান অসাধু খনিকৰে বিষাক্ত লেড বা অন্যান্য বিষাক্ত দ্ৰব্যযুক্ত পদাৰ্থ ব্যৱহাৰ কৰি সাজে, তেনে ৰং বা পদাৰ্থযুক্ত প্ৰতিমাসমূহে বিসৰ্জন ঘাটৰ পানী প্ৰদূষিত কৰাৰ অভিযোগ সততে উঠা দেখা যায়।

ডিব্রুগড়ৰ বৰ্দ্ধিত যান-বাহন, বৰ্দ্ধিত উদ্যোগ তথা বৰ্দ্ধিত জনসংখ্যাই সৃষ্টি কৰা আৱৰ্জনাই বায়ু প্ৰদূষণ কৰা দেখা গৈছে। যিহেতু ডিব্রুগড়ত শেহতীয়াকৈ জনসংখ্যা যথেষ্ট বৃদ্ধি হৈছে, বৰ্দ্ধিত জনসংখ্যাৰ চাহিদা পূৰণ কৰিবলৈ কিছুমান নতুন স্থায়ী আৰু অস্থায়ী বজাৰ গঢ়ি উঠিছে। এনে বজাৰসমূহে সৃষ্টি কৰা আৱৰ্জনাসমূহে যথেষ্ট বায়ু প্ৰদূষিত কৰা দেখা গৈছে। বৰ্দ্ধিত ৰাজহুৱা যান-বাহনৰ বেছিভাগেই ডিজেল চালিত। সেয়েহে এনে যান-বাহনসমূহে যথেষ্ট বায়ু প্ৰদূষিত কৰে। বৰ্দ্ধিত জনসংখ্যাৰ লগত ব্যক্তিগত যান-বাহনৰ সংখ্যাও যথেষ্ট বৃদ্ধি হৈছে। ইয়াৰ উপৰিও গেছ ক্ৰেকাৰ, সাৰ

কাৰখানা ইত্যাদি বিভিন্ন উদ্যোগসমূহে সৃষ্টি কৰা গেছীয় আৱৰ্জনাই অঞ্চলটোৰ বায়ু প্ৰদূষিত কৰিছে আৰু বতৰ পৰিৱৰ্তন কৰাৰো প্ৰমাণ পোৱা গৈছে। এনেবোৰ কাৰকৰ উপৰিও ঘৰুৱা আৱৰ্জনাসমূহেও যথেষ্ট বায়ু প্ৰদূষিত কৰা দেখা যায়।

প্ৰতিকাৰৰ উপায়

প্ৰদূষণ মানৱ সমাজৰ বাবে এক ব্যাধিস্বৰূপে চিহ্নিত হৈছে। যদিও এই ব্যাধি সম্পূৰ্ণৰূপে প্ৰতিকাৰ কৰিব নোৱাৰি বা ইয়াক সম্পূৰ্ণৰূপে উৎখাত কৰিব নোৱাৰি, কিন্তু এই প্ৰদূষণৰ হাৰ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিব যথেষ্ট পৰিমাণে কমাব পাৰি। এনে পদক্ষেপসমূহ তলত উল্লেখ কৰা হ'ল –

i) সজাগতা সৃষ্টি ঃ প্ৰদূষণ ৰোধ কৰিবৰ বাবে বিভিন্ন চৰকাৰী বা বেচৰকাৰী সংগঠনৰ সহায়ত মানুহৰ মাজত প্ৰদূষণৰ বিৰূপ প্ৰভাৱৰ বিষয়ে সজাগতা সৃষ্টি কৰিব পৰা যায়।

ii) আইন প্ৰণয়ন ঃ প্ৰদূষণ ৰোধৰ সুবিধাৰ্থে বিভিন্ন আইন প্ৰণয়ন কৰা হৈছে উদাহৰণস্বৰূপে

1) জল প্ৰদূষণ নিয়ন্ত্ৰণ আৰু ৰোধ আইন, ১৯৭৪
2) বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ আৰু ৰোধ আইন, ১৯৮১
3) পৰিৱেশ ৰক্ষণাবেক্ষণ আইন, ১৯৮৬

এই আইনসমূহৰ সঠিক ৰূপায়ণৰ সুবিধাৰ্থে ১৯৭৫ চনৰ ২ জুন তাৰিখে "প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ, অসম" গঠন কৰা হয়, এই পৰিষদে প্ৰকৃতিৰ ৰক্ষণাবেক্ষণ আৰু প্ৰদূষণ নিয়ন্ত্ৰণৰ লগত জড়িত আইনসমূহৰ ৰূপায়ণত সহায় কৰে আৰু বিভিন্ন উদ্যোগ-কাৰখানা, হস্পিতেল আদিৰ পৰা সৃষ্টি হ'ব পৰা প্ৰদূষণৰ প্ৰতি নজৰ ৰাখে।

iii) জৈৱ অনিম্নিকৰণ আৱৰ্জনাৰ পৰিমাণ হ্ৰাস কৰি – যিবোৰ আৱৰ্জনা প্ৰাকৃতিক উপায়েৰে সৰল পৰ্যায়লৈ ৰূপান্তৰিত নহয়, তেনেবোৰ আৱৰ্জনা জৈৱ অনিম্নিকৰণ আৱৰ্জনা বুলি কোৱা হয়। তেনে আৱৰ্জনাৰ সৃষ্টিকাৰী সামগ্ৰীৰ ব্যৱহাৰ ৰোধ কৰি প্ৰদূষণ ৰোধ কৰিব পৰা যায়। এই ক্ষেত্ৰত ডিব্রুগড় প্ৰশাসনে পলিথিন বেগৰ ব্যৱহাৰ ৰোধ কৰি বিশেষ পদক্ষেপ লোৱা দেখা গৈছে যদিও ই সম্পূৰ্ণৰূপে সফল হৈ উঠা নাই। তদুপৰি কিছুমান জৈৱ অনিম্নিকৰণ আৱৰ্জনা পুনঃ ব্যৱহাৰ বা চক্ৰীয়কৰণৰ জৰিয়তে এনে প্ৰদূষণ ৰোধৰ ব্যৱহাৰ ল'ব পৰা যায়।

iv) কঠিন আৱৰ্জনা ব্যৱস্থাপনা ঃ যদিও ডিব্রুগড় চহৰত প্ৰতি ঘৰৰ পৰা জাবৰ সংগ্ৰহ কৰাৰ আনুষ্ঠানিক ব্যৱস্থা নাই, ডিব্রুগড়ৰ পৌৰসভাই বিগত ১০ বছৰত সৰু-বৰ বহুতো ডাষ্টবিনৰ ব্যৱস্থা কৰিছে। এনে ডাষ্টবিন সমূহৰ পৰা পৌৰসভাই ট্ৰেক্টৰযুক্ত ট্ৰেইলাৰ,ট্ৰাক আৰু জেচিবিৰ সহায়ত জাবৰ সংগ্ৰহ কৰে আৰু মাইজানঘাটৰ ওচৰৰ এক নিৰ্দ্দিষ্ট স্থানত জাবৰসমূহ পেলায়। এই সম্পূৰ্ণ ব্যৱস্থা বিজ্ঞানসন্মত নোহোৱাৰ ফলত ডিব্রুগড়ৰ বাসিন্দাসকলে যথেষ্ট কষ্ট পায়। এনে কঠিন আৱৰ্জনাসমূহৰ সঠিক ব্যৱস্থাপনাৰ বাবে অসম চৰকাৰে ডিব্রুগড়ৰ ঘোৰামৰাৰ ওচৰত মাটি আবণ্টন দিছে যদিও এই প্ৰকল্প আজিকোপতি সফল হৈ উঠা নাই।

v) বায়'মেডিকেল আৱৰ্জনা ব্যৱস্থাপনা ঃ ডিব্রুগড়ৰ অৰ্থনীতি ইয়াৰ নাৰ্ছিংহোম তথা চৰকাৰী হস্পিতেল আদিসমূহৰ ওপৰত বিশেষভাৱে নিৰ্ভৰশীল। এনে প্ৰতিষ্ঠানসমূহে সৃষ্টি কৰা বায়'মেডিকেল আৱৰ্জনাসমূহ দহনৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়তহে মাত্ৰ ইনচিনেৰেটৰ আছে। এনে আৱৰ্জনাসমূহ অতিশয় অপকাৰী। এনে আৱৰ্জনা নিষ্কাষণৰ বাবে বেছি পদক্ষেপ গ্ৰহণ কৰি ইয়াৰ পৰা হোৱা প্ৰদূষণ ৰোধ কৰিব পৰা যায়।

vi) নিজৰ প্ৰদূষণ সৃষ্টিকাৰী অভ্যাস সলনি কৰা ঃ যিমানেই প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে আইন প্ৰণয়ন হ'লেও প্ৰদূষণ ৰোধৰ বাবে জনসাধাৰণে নিজক সলনি কৰিলেহে প্ৰদূষণ ৰোধ সম্ভৱপৰ হৈ উঠিব। পলিথিন বেগৰ ব্যৱহাৰ নকৰা, বৃক্ষৰোপণ কৰা, আৱৰ্জনাৰ সঠিক নিষ্কাষণ কৰা পৰিয়াল তথা সমাজত প্ৰদূষণ ৰোধৰ বাবে সজাগতা সৃষ্টি কৰা আদি সু অভ্যাসসমূহ প্ৰদূষণ ৰোধ কৰাত যথেষ্ট সহায়ক বিবেচিত হ'ব।

প্ৰসংগ পুথি

পৰিৱেশ বাতৰি (Issue of Environmental Bulletin : Pollution Control Board, Assam. Vol :- XIX/No-1/ April-June, 2016)
প্লাষ্টিক ঃ মানৱ জাতিৰ প্ৰতি ভাবুকি। (2011)
অনুবাদ ক্ষীৰধৰ বৰুৱা

ভোগবাদ আৰু বৰ্জিত দ্ৰব্য পৰিৱেশৰ ওপৰত ইহঁতৰ প্ৰভাৱ

ড° দিলীপ কলিতা
সহকাৰী অধ্যাপক
উদ্ভিদ বিজ্ঞান বিভাগ

ভোগবাদ আৰু বৰ্জিত দ্ৰব্য ঃ জীয়াই থাকিবৰ বাবে সকলো জীৱকে খাদ্য আৰু বাসস্থানৰ প্ৰয়োজন। মানৱ প্ৰজাতিক ইয়াৰ উপৰিও লজ্জা আৰু শীত নিবাৰণৰ বাবে প্ৰয়োজন হয় বস্ত্ৰ। এই তিনিবিধ সামগ্ৰী মানৱ প্ৰজাতিৰ বাবে আদিম অৱস্থাৰ পৰাই প্ৰয়োজনীয়। লাহে লাহে মানৱ সভ্যতাই বিকাশ লাভ কৰিলে। মানৱ সমাজত উন্নতিৰ পথত আগুৱাই যাবলৈ ধৰিলে। মানুহৰ মগজুৰ কৰ্ষণৰ ফলত মানুহৰ জীৱন ধাৰণৰ মানদণ্ড সলনি হ'বলৈ ধৰিলে। নতুন নতুন আহিলা-পাতি, যন্ত্ৰ-পাতি আৱিষ্কাৰ হ'ল। শিল্প উদ্যোগৰ প্ৰসাৰ সাধন হোৱাৰ লগতে যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰো উন্নতি হ'বলৈ ধৰিলে। শিল্প উদ্যোগত নিতে ন' ন' সামগ্ৰীৰ সৃষ্টি হ'বলৈ ধৰিলে আৰু এই সামগ্ৰীবোৰ ব্যৱহাৰৰ জৰিয়তে মানৱ সমাজে লাহ-বিলাহত জীৱন যাপন কৰিবলৈ আৰম্ভ কৰিলে। আমি বৰ্তমান এনে অৱস্থাত উপনীত হৈছো যে আমাৰ প্ৰয়োজনীয় সামগ্ৰীৰ তালিকা এখন প্ৰস্তুত কৰাটো কেৱল জটিলেই নহয়; ই এটা অসম্ভৱ কাম হৈ পৰিল।

ভোগবাদ কাক বোলে ?

ভোগবাদ বুলিলে মানৱৰ দ্বাৰা সম্পদ অতিমাত্ৰা সংগ্ৰহ কৰি লাহ-বিলাহত জীৱন অতিবাহিত কৰাটোকে বুজা যায়। আমাৰ কেৱল অতি প্ৰয়োজনীয় সম্পদখিনি পৰিৱেশৰ পৰা আহৰণ কৰি জীৱন অতিবাহিত কৰাটো ভোগবাদ নহয়। ই হ'ল মিতব্যয়িতা।

ভোগবাদৰ কাৰণ আৰু ইয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় ঃ

(১) মানুহৰ জীৱন ধাৰণৰ মানদণ্ড সাল-সলনি। বিজ্ঞানীসকলৰ চমক প্ৰদ আৱিষ্কাৰ সমূহে মানুহৰ জীৱন ধাৰণৰ মানদণ্ড বহু পৰিমাণে সাল-সলনি কৰিলে। মানুহ আৰাম প্ৰিয় হোৱাৰ উপৰিও লাহ-বিলাহত জীৱন যাপন কৰিবলৈ লোৱাত ভোগবাদে মানৱ সমাজত খোপনি পুতিবলৈ সুবিধা পালে।

(২) জনসংখ্যা বৃদ্ধিও ভোগবাদৰ বাবে দায়ী। জনসংখ্যা যিমানে বৃদ্ধি পাব ব্যৱহৃত সামগ্ৰীৰ পৰিমাণো সিমানে বৃদ্ধি পাব। সেয়েহে অধিক সন্তান জন্ম দিয়াটোও এক প্ৰকাৰ ভোগবাদক প্ৰশ্ৰয় দিয়া।

(৩) পুঁজিপতিসকলে ব্যৱসায় আৰু মুনাফা বঢ়াবলৈ নতুন নতুন সামগ্ৰীৰ উৎপাদন কৰিব ধৰিছে। একেটা বস্তুকে প্ৰতিবছৰে নক্সাৰ সামান্য সাল-সলনি কৰি বজাৰত মেলি দিছে। উচ্চ-বিত্ত আৰু মধ্য বিত্তসকলে আধুনিক নক্সাৰ (design) বস্তুৰ প্ৰতি আকৰ্ষিত হৈ ঘৰত থকা সত্ত্বেও নতুনটো কিনিবলৈ ইচ্ছা কৰে। একেটা বস্তুকে নক্সাৰ সামান্য সাল-সলনি কৰি উদ্যোগপতিসকলৰ ধনী ব্যক্তিসকলক আকৰ্ষণ কৰাটো এটা কৌশল মাত্ৰ। এনেদৰে নক্সাৰ সামান্য সাল-সলনি কৰাৰ ক্ষেত্ৰত উদ্যোগপতিসকলৰ মাজতো প্ৰতিযোগিতা হয়।

ভোগবাদ নিয়ন্ত্ৰণ কৰাৰ উপায় ঃ

ভোগবাদ সম্পূৰ্ণ নিৰ্মূল কৰাটো সম্ভৱ নহয় যদিও মানুহৰ মানসিকতাৰ পৰিৱৰ্তন কৰি ইয়াৰ মাত্ৰা হ্ৰাস কৰিব পাৰি অৰ্থাৎ ইয়াক নিয়ন্ত্ৰণ কৰিব পাৰি এখন পৰিৱেশ মিত্ৰ পৃথিৱী গঢ়ি তুলিবৰ বাবে আমি ভোগবাদৰ পৰিৱৰ্তে মিতব্যয়িতাক অধিক গুৰুত্ব দিয়াৰ সময় সমাগত। চৰকাৰেও প্ৰয়োজন সাপেক্ষে লাহ-বিলাহৰ সামগ্ৰী যেনে- শীত তাপ নিয়ন্ত্ৰিত যন্ত্ৰ, ব্যক্তিগত গাড়ী, পুতলা, ফাকুৱাত ব্যৱহাৰ কৰা ৰং, প্ৰসাধন সামগ্ৰী, ঘৰত ব্যৱহাৰ কৰা মাৰ্বল, টাইলচ্ দামী ঘড়ী, দামী ৰঙীন টি. ভি., মাদক দ্ৰব্য, দামী আ-অলংকাৰ ইত্যাদিৰ ওপৰত কৰ-কাটল বৃদ্ধি কৰি ভোগবাদক কিছু পৰিমাণে নিয়ন্ত্ৰণ কৰিব পাৰে। ভোগবাদক নিয়ন্ত্ৰণ কৰিবৰ বাবে স্বেচ্ছাসেৱী সংগঠন সমূহে যত্ন কৰিব পাৰে। স্বেচ্ছাসেৱী সংগঠন সমূহে ভোগবাদৰ বিৰুদ্ধে জনসচেতনতা বৃদ্ধিত আগভাগ ল'ব পাৰে।

ভোগবাদ নিয়ন্ত্ৰণ কৰিবৰ বাবে বিশ্বৰ প্ৰত্যেক ৰাষ্ট্ৰৰ মাজত বুজাপৰা আৰু সহযোগিতাৰ প্ৰয়োজন। এখন দেশে আন এখন দেশৰ বজাৰ দখল কৰিবৰ বাবে কেতবোৰ অতি আকৰ্ষণীয় প্ৰয়োজনহীন সা-সামগ্ৰী উৎপাদন বন্ধ কৰাটো অতি প্ৰয়োজন। পলিথিন, টাইলচ্ মাৰ্বল পাথৰ, দামী গাড়ী আদিৰ উৎপাদন উৎপাদন স্থলীতে কমাব লাগিব। এই ক্ষেত্ৰত চৰকাৰ যথেষ্ট কঠোৰ হোৱাটো বাঞ্ছনীয়। ইয়াৰ অন্যথাই ভোগবাদৰ ফচল বৰ্জিত দ্ৰব্যই গোটেই পৃথিৱী চানি ধৰিব। আমাক অৰ্থনৈতিক উন্নয়ণৰ প্ৰয়োজন আছে ই সত্য কিন্তু এই উন্নয়ণ সাধন কৰিবৰ বাবে আমি কোন দিশত আগবঢ়া উচিত, কোন দিশত অৰ্থনৈতিক উন্নয়ন হ'লে আমি এখন পৰিৱেশ মিত্ৰ পৃথিৱী আশা কৰিব পাৰো সেই বিষয়ে প্ৰত্যেক ৰাষ্ট্ৰৰে বুদ্ধিজীৱী, বিজ্ঞানী তথা ৰাষ্ট্ৰ প্ৰধানসকলৰ সম্যক জ্ঞান থকাটো বাঞ্ছনীয়।

ভোগবাদক ভিত্তি কৰি বিশ্বৰ জনসংখ্যাৰ শ্ৰেণী বিভাজন ঃ ভোগবাদক কেন্দ্ৰ কৰি বিশ্বৰ জনসংখ্যাক দুটা বৃহৎ ভাগত বিভক্ত কৰিব পাৰি; মানুহৰ জনাধিক্য আৰু ভোগ জনাধিক্য।

(১) **মানুহৰ জনাধিক্য ঃ** যেতিয়া জনসংখ্যাৰ তুলনাত খাদ্যৰ উৎপাদন, অন্যান্য প্ৰয়োজনীয় সা-সামগ্ৰী, পানী, ভূমি, খনিজ সম্পদ আদিৰ পৰিমাণ কম হয় তেতিয়া এই পৰিৱেশৰ সৃষ্টি হয়। সাধাৰণতে আফ্ৰিকা আৰু দক্ষিণ এচিয়াৰ অনুন্নত দেশবোৰৰ পৰিৱেশ এনে ধৰণৰ। এই অৱস্থাত এচাম লোকে ভোগ কৰাৰ সুবিধা লাভ কৰে আনচামে সুবিধা নাপায়। এনেবোৰ দেশত উৎপাদিত সামগ্ৰীৰ পৰিমাণ জনসংখ্যাৰ তুলনাত অতি কম হোৱাৰ বাবে জনমুৰি ব্যৱহাৰ কৰা সামগ্ৰীৰ পৰিমাণ কম হয়।

(২) **ভোগ জনাধিক্য ঃ** উন্নত দেশসমূহত এই অৱস্থা দেখা যায়। এনে অৱস্থাত জনসংখ্যাৰ পৰিমাণ কম বাবে জনমুৰি ব্যৱহাৰ কৰা সামগ্ৰীৰ পৰিমাণ বেচি বাবে ভোগৰ পৰিমাণ অধিক হয়। এনেবোৰ দেশত বৰ্জিত সামগ্ৰী উৎপাদন অনুন্নত দেশবোৰতকৈ বহু গুণে বেচি।

বৰ্জিত দ্ৰব্য কাক বোলে ?

বৰ্জিত দ্ৰব্য বুলিলে মানুহে এবাৰ ব্যৱহাৰ কৰাৰ পিছত পুনৰ ব্যৱহাৰ নকৰি যিবোৰ সামগ্ৰীক পেলাই দিয়ে সেইবোৰ সামগ্ৰীক বৰ্জিত দ্ৰব্য অথবা উচ্ছিষ্ট উপজাত দ্ৰব্য বোলে। ইহঁতক পেলনীয়া সামগ্ৰী নতুবা আবৰ্জনা বুলিও কোৱা হয়।

বৰ্জিত সামগ্ৰীৰ প্ৰকাৰ ঃ

বৰ্জিত সামগ্ৰীবোৰক দুই ভাগত ভগাব পাৰি। পৰিৱেশত সহজে পচন যোৱা আৰু পৰিৱেশত সহজে পচন নোযোৱা।

(১) **পৰিৱেশত সহজে পচন যোৱা ঃ** ইহঁত জৈৱিক পদাৰ্থ। এইবোৰ পৰিৱেশত থকা অণুজীৱ যেনে জীৱাণু, ভেঁকুৰ আদিয়ে সহজে পচন নিয়াব পাৰে। পৰিমাণ কম হ'লে ইহঁতে পৰিৱেশৰ বিশেষ অনিষ্ট সাধন নকৰে।


(২) **সহজে পচন নোযোৱা ঃ** যিবোৰ আৱৰ্জনা আমাৰ পৰিৱেশত থকা অণুজীৱ যেনে- জীৱাণু, ভেঁকুৰ আদিয়ে সহজে পচন নিয়াব নোৱাৰে যেনে- পলিথিন, প্লাষ্টিক জাতীয় সামগ্ৰী, ৰাসায়নিক সাৰ, ৰাসায়নিক কীটনাশক আদি। প্ৰথম প্ৰকাৰৰ বৰ্জিত পদাৰ্থসমূহ আমি পচন সাৰ প্ৰস্তুত, জীৱ গেছ উৎপাদন আদি কামত পুনৰ ব্যৱহাৰ কৰিব পৰা যায়। ইয়াৰ বাবে লাগে মাথো জনসচেতনতা। এই প্ৰকাৰৰ বৰ্জিত পদাৰ্থই আমাৰ পৰিৱেশৰ বিশেষ হানি-বিঘিনি নকৰে।

ভোগবাদ বাবে উৎপন্ন হোৱা অধিক ভাগ বৰ্জিত সামগ্ৰী দ্বিতীয় শ্ৰেণীত পৰে অৰ্থাৎ ইহঁত পৰিৱেশত সহজে পচন নহয় আৰু পৰিৱেশৰ বিশেষ ক্ষতি সাধন কৰে। ইহঁতক তলত দিয়া ভাগ সমূহত ভগাব পাৰি।

(১) **শিল্প উদ্যোগৰ আৱৰ্জনা ঃ** শিল্প উদ্যোগত সৃষ্টি হোৱা গেছীয় পদাৰ্থ, ৰাসায়নিক দ্ৰব্য কেতবোৰ গোটা পদাৰ্থ এই শ্ৰেণীৰ ভিতৰত পৰে। উদাহৰণস্বৰূপে তৈল উদ্যোগৰ আৱৰ্জনাই অসমৰ দুলীয়াজান, ডিগৰৈ, শিৱসাগৰ জিলাৰ বহু অঞ্চল প্ৰদূষিত কৰিছে।

(২) **খনিজ আৱৰ্জনা ঃ** বিভিন্ন খনিজাত পদাৰ্থসমূহ উদ্‌ঘাটন কৰাৰ সময়ত খনিৰ আশে পাশে এই পদাৰ্থ সমূহ বা আকৰ সমূহৰ টুকুৰাবোৰ পৰি পৰিৱেশ প্ৰদূষিত কৰে। আমাৰ অসমৰ পাটকাই পাহাৰৰ কয়লাৰ মুক্তখননৰ ফলত তিনিচুকীয়া জিলাৰ লিডু অঞ্চল প্ৰদূষণৰ কৱলত পৰিছে।

(৩) **কৃষিজাত আৱৰ্জনা ঃ** কৃষিক্ষেত্ৰত প্ৰয়োগ কৰা





ৰাসায়নিক সাৰ, জীৱনাশক যেনে- অপতৃণ নাশক, কীটনাশক, পতংগ নাশক, শস্যৰ মৰণামৰা আৰু চাফা কৰাৰ সময়ত ওলোৱা খেৰ, পতান, তুঁহ আদি এই শ্রেণীৰ ভিতৰত পৰে।

(৪) **পামত উৎপাদন হোৱা আৱর্জনা ঃ** পোহনীয়া জন্তু, পক্ষী আদিৰ মল-মূত্ৰ, সিহঁতে খোৱা দানাৰ অৱশিষ্ট অংশ, সিহঁতৰ চিকিৎসাৰ বাবে ব্যৱহাৰ কৰা খালী ঔষধৰ পেকেট, বটল, অৱশিষ্ট দৰৱ এই শ্রেণীৰ ভিতৰত পৰে।

(৫) **চিকিৎসালয়ৰ বর্জিত পদার্থ ঃ** ৰোগীয়ে ব্যৱহাৰ কৰা কাপোৰ-কানি, ৰোগীয়ে ব্যৱহাৰ কৰা খাদ্যৰ অৱশিষ্ট অংশ, ব্যৱহাৰ কৰা চিৰিঞ্জ, ঔষধৰ খালী বটল পেকেট, অব্যৱহৃত ঔষধ আদি এই শ্রেণীৰ আবর্জনাৰ ভিতৰত পৰে।

(৬) **পৌৰ আৱর্জনা ঃ** পৌৰসভাৰ অর্ন্তভুক্ত অঞ্চলৰ বাসগৃহ, দোকান পোহাৰ, বজাৰ-সমাৰ আদিত উৎপন্ন হোৱা বিভিন্ন প্রকাৰৰ আৱর্জনা এই শ্রেণীৰ ভিতৰত পৰে।

(৭) **তেজস্ক্রিয় আৱর্জনা ঃ** তেজস্ক্রিয় আৱর্জনা সমূহ অতি বিপদজনক। তেজস্ক্রিয় ৰশ্মিসমূহ আণৱিক শক্তি প্রকল্পত বিশেষ ভাবে উৎপন্ন হয়। ইহঁত কর্কট ৰোগ, ছালৰ ৰোগ আদিৰ কাৰক।

(৮) **ইলেকট্রনিক আৱর্জনা ঃ** ব্যৱহাৰ কৰাৰ পিছত পেলাই দিয়া ইলেকট্রনিক সামগ্রীবোৰে এনে আৱর্জনাৰ সৃষ্টি কৰে।

(৯) **বিপদজনক আৱর্জনা ঃ** এনে আৱর্জনাই পৰিস্থিতি তন্ত্রৰ বিশেষ ভাবে হানি-বিঘিনি কৰে। যান-বাহন, শিল্প উদ্যোগত উৎপন্ন হোৱা ৰাসায়নিক উপজাত দ্রব্য, খনিজ ধাতুৰ প্রকৰণৰ সময়ত উৎপন্ন হোৱা আৱর্জনাবোৰ এই শ্রেণীত পৰে। ফেয়ন গেছ এনে আৱর্জনাৰ এটা উদাহৰণ। ই অজন স্তৰৰ ক্ষতিসাধন কৰি আহিছে।

(১০) **পূজা-পাতল উৎসৰ আদিত সৃষ্টি হোৱা আৱর্জনা ঃ** পূজা-পাতলৰ বাবে ব্যৱহাৰ কৰা বিভিন্ন ৰং, পূজাৰ বতৰত শিশুৰ খেলনা সামগ্রী, আদিয়েও পৰিৱেশৰ ক্ষতি সাধন কৰে। তদুপৰি পূজাৰ মূর্তিবোৰ জলাশয়ত বিসর্জন দিয়াৰ বাবেও জলাশয়বোৰ প্রদূষিত হয়।

বর্জিত দ্রব্যৰ পুঞ্জীভৱন (Waste product accumulation) ঃ লাহ-বিলাহত জীৱন যাপন কৰিবৰ বাবে মানৱ সমাজে বিভিন্ন প্রকাৰৰ ভোগ্য সামগ্রীসমূহ অতিমাত্রা ব্যৱহাৰ কৰিবলৈ লোৱাত উৎপাদন হোৱা বর্জিত পদার্থসমূহ পৃথিৱীৰ উপৰিভাগত জমা কৰা আৰু বায়ুমণ্ডলত পৰিশ্রাৱন হোৱাটো অতি জটিল হৈ পৰিছে। ভোগবাদৰ ফচল হিচাপে যিমান পৰিমাণৰ বর্জিত পদার্থ বাহিৰ হয় যিমানখিনি বর্জিত পদার্থ পৰিৱেশে পচন নিয়াব নোৱাৰে। লাহ-বিলাহৰ সামগ্রীসমূহৰ পৰা উৎপন্ন হোৱা বর্জিত পদার্থৰ সামগ্রীৰ পৰিমাণ অতি বেছি। কেতিয়াবা কেতিয়াবা মানৱ সমাজে এইবোৰ ধ্বংস কৰিবৰ বাবে ৰাসায়নিক দ্রব্য ব্যৱহাৰ কৰে। ইয়াৰ দ্বাৰা বর্জিত পদার্থৰ কৰাল গ্রাসৰ পৰা সামগ্রিক ভাবে ৰেহাই পোৱা যেন লাগিলেও প্রকৃততে ৰেহাই পোৱা নাযায়। এই ৰাসায়নিক যৌগসমূহে ভূমি অণুজীৱ সমূহৰ অনিষ্ট সাধন কৰি ভূমি পৰিস্থিতি তন্ত্রৰ বৃহৎ ক্ষতি সাধন কৰে। প্লাষ্টিকৰ সামগ্রীসমূহ সূর্য্যৰ পোহৰত লাহে লাহে ধ্বংস প্রাপ্ত হয় যদিও বহু বছৰ লাগে। লাহ-বিলাহৰ সামগ্রীবোৰৰ টোপোলা বন্ধা কাগজ, ৰচী, কার্ড, বর্ড, থার্মক'ল আদিৰ লাহ-বিলাহৰ সামগ্রী টোপোলা বন্ধা সামগ্রীবোৰৰ পৰা সৃষ্টি হোৱা বর্জিত পদার্থ। এনে বর্জিত পদার্থ উৎপাদনত আমেৰিকাই বিশ্বৰ ভিতৰত শীর্ষস্থান অধিকাৰ কৰিছে (প্রায় ৩২%), তাৰ পিছতে আছে জার্মানী (প্রায় ৩০%) আৰু তৃতীয় স্থান দখল কৰিছে সমগ্র বিশ্বৰ ২১ শতাংশ উৎপাদন কৰি নেদাৰলেণ্ডে। আমাৰ দেশো বর্জিত পদার্থ উৎপাদনত পিছ পৰি থকা নাই।

বর্জিত সামগ্রীয়ে সাগৰীয় প্রদূষণকে ধৰি বহুতো পৰিৱেশজনিত সমস্যাৰ সৃষ্টি কৰিছে। ভূমি প্রদূষণ, বায়ু প্রদূষণৰ বাবেও ইহঁত জগৰীয়া।

ভোগবাগ আৰু বর্জিত দ্রব্যৰ সম্পর্ক ঃ

এটা কথা মন কৰিবলগীয়া যে ভোগবাদৰ লগত বর্জিত সামগ্রীৰ এক ওতঃপ্রোত সম্বন্ধ আছে। যিমানে আমাৰ সমাজত উপভোগ্য সামগ্রীৰ পৰিমাণ বৃদ্ধি পাব অর্থাৎ আমি যিমানে ভোগবাদক (consumerism) প্রশ্রয় দিম সিমানে বর্জিত দ্রব্যৰ পৰিমাণ বৃদ্ধি পাব। ভোগবাদৰ লগত পৰিৱেশ প্রদূষণ, প্রাকৃতিক সম্পদৰ অৱক্ষয়, জীৱকুলৰ বিপর্য্যয় আদি বিষয় সমূহো সাঙোৰ খাই আছে। এই বিষয়ে তলত পৃথকে পৃথকে চমুকৈ আলোকপাত কৰা হ'ল।

অর্থনৈতিক উন্নয়ন আৰু ভোগবাদ ঃ অর্থনৈতিক উন্নয়ন অর্থাৎ জনমূৰি আয় বৃদ্ধিৰ লগত ভোগবাদৰ পোনপটীয়া সম্পর্ক আছে। এখন দেশৰ অর্থনৈতিক উন্নয়ন যিমানে ক্ষিপ্র গতিত হ'ব অর্থাৎ জনমূৰি আয় যিমানে বৃদ্ধি পাব সিমানে ভোগবাদৰ প্রকোপ বৃদ্ধি পাব যাৰ ফলত বর্জিত পদার্থৰ পৰিমাণ বৃদ্ধি পাব।

ভোগবাদ আৰু পৰিৱেশ বিপর্য্যয় ঃ

ভোগবাদ আৰু পৰিৱেশৰ মাজত পোনপটীয়া সম্পর্ক আছে। উদ্যোগীকৰণ আৰু নগৰীকৰণত ভোগবাদে অৰিহণা যোগায় আহিছে। উদ্যোগীকৰণ আৰু নগৰীকৰণৰ স্বার্থত হাবি-বননি মুকলি কৰি পৃথিৱীৰ ওপৰৰ সেউজ আৱৰণ ধ্বংস কৰা হৈছে। ৰাস্তাঘাট, পথ, জাহাজঘাট, বিমানঘাটী নির্মাণ কৰিবৰ বাবে কৃষিভূমি আৰু পোহনীয়া জন্তুৰ চৰণীয়াভূমি অধিগ্রহণ কৰা হৈছে যাৰ ফলত কৃষি ভূমিৰ নাটনি হৈছে, চৰণীয়া পথাৰৰ অভাৱ হৈছে। চৰণীয়া পথাৰৰ অভাৱত পোহনীয়া জন্তু যেনে- গৰু, ম'হ, ছাগলী আদি বনাঞ্চলত চৰিবৰ বাবে মেলি দিয়াত পোহনীয়া জন্তুৱে অৰণ্যৰ ক্ষতি সাধন কৰিছে। তদুপৰি যান-বাহন, শিল্প-উদ্যোগৰ ধোঁৱাই, জাৱৰ-জোঁথৰে আমাৰ পৰিৱেশ প্রদূষিত কৰিছে। লাহ-বিলাহত জীৱন অতিবাহিত কৰিবৰ বাবে উদ্যোগ সমূহে নানা ধৰণৰ সামগ্রী বজাৰত মেলি দিছে। এই সামগ্রীসমূহ তৈয়াৰ কৰিবলৈ প্রয়োজন হোৱা কেঁচামাল যেনে- বনজ সম্পদ (কাঠ, বাঁহ, বেত আদি), খনিজ সম্পদ অতিমাত্রা অৰণ্যৰ পৰা আহৰণ কৰাত হাবি-বননিৰ পৰিমাণ কমি আহিছে। তদুপৰি উচ্চবিত্তসকলে হকে-বিহকে নির্মাণ কৰা বৃহৎ বৃহৎ অট্টালিকা, ঘৰৰ ভিতৰত প্রয়োজনতকৈ অধিক পৰিমাণে ৰখা ফার্নিচাৰ আদিৰ বাবেও বনজ সম্পদৰ অপব্যৱহাৰ হৈছে। পৰিৱেশবিদসকলৰ মতে পৃথিৱীৰ জলবায়ু নিকা কৰি ৰাখিবলৈ পৃথিৱীৰ উপৰিভাগৰ কমেও ৩৩% ভূমি বনাঞ্চল হ'ব লাগে। কিন্তু সমীক্ষামতে পৃথিৱীৰ বনাঞ্চলৰ পৰিমাণ মাত্র ২৫%। বনাঞ্চলৰ পৰিমাণ কমি অহাৰ বাবেই পৃথিৱীৰ বুকুত থকা বহুতো জীৱ-প্রজাতি বিলুপ্তিৰ কৰলত পৰাৰ উপৰিও ভূমিস্খলন, বানপানী আদিৰ প্রকোপ বৃদ্ধি পাব ধৰিছে। ভোগবাদৰ বাবেই যান-বাহন আৰু শিল্প উদ্যোগৰ সংখ্যা অতিমাত্রা বৃদ্ধি পোৱাত শক্তি সম্পদৰ নাটনি হোৱাত বিদ্যুৎ শক্তি আৰু পাৰমাণৱিক শক্তিৰ ওপৰত অধিক গুৰুত্ব প্রদান কৰিব লগা হৈছে। বিদ্যুৎ উৎপাদন কৰিবৰ বাবে নির্মাণ কৰা বৃহৎ নদীবান্ধবোৰে বানপানীকে ধৰি বিভিন্ন ধৰণৰ পৰিৱেশজনিত সমস্যাৰ সৃষ্টি হৈছে।

মুঠতে ভোগবাদ পৰিৱেশ প্রদূষণ, প্রাকৃতিক সম্পদৰ অৱক্ষয়, বানপানী ভূমিস্খলন, অজন স্তৰৰ অৱক্ষয়, অম্লবৃষ্টি, ভূমণ্ডলৰ উষ্ণতা বৃদ্ধি, তাপ প্রদূষণ, সাগৰীয় প্রদূষণ জীৱ-প্রজাতিৰ অৱলুপ্তি আদি পৰিৱেশজনিত সমস্যাৰ বাবে জগৰীয়া। ভোগবাদে সামাজিক পৰিবেশো বিনষ্ট কৰি আহিছে।

ভোগবাদ আৰু বিশ্ব ঃ

বর্তমান ভোগবাদৰ কৱলৰ পৰা বিশ্বৰ কোনো দেশেই মুক্ত হ'ব পৰা নাই। জাপানীসকলে নিজৰ পৰম্পৰা, ভাষা, কলা-সংস্কৃতি খুব ভাল পায় আৰু শ্রদ্ধা কৰে। তেওঁলোকে এতিয়াও তেওঁলোকৰ সাতামপুৰুষীয়া নীতি-নিয়মবোৰ মানি চলে। কিন্তু এনে এখন দেশো বর্তমান ভোগবাদৰ চিকাৰ হৈছে। শীত-তাপ নিয়ন্ত্রিত ঘৰ দুৱাৰ, ব্যক্তিগত দামী যান-বাহন, দামী ৰঙীন টি.ভি., ম'বাইল ফোনৰ চেট আদি জাপানীসকলৰ এতিয়া নিত্য ব্যৱহার্য্য সামগ্রী। জাপানৰ বজাৰ ফাষ্ট ফুড, টিনৰ খাদ্য, সুন্দৰ সুন্দৰ চিত্র, দামী দামী পুতলা, ম'বাইল ফোনৰ চেট আদিৰে ভৰপুৰ।

সংযুক্ত গণৰাজ্য (United kingdom), ফ্রান্স, জার্মানী আদি ইউৰোপৰ দেশ সমূহেও ভোগবাদৰ লগত সহযোগিতা কৰি আহিছে। কমিউনিষ্ট চৰকাৰ পতনৰ পিছত ৰাছিয়া, পূব জার্মানী আদি দেশতো ভোগবাদে গা কৰি উঠিছে আৰু মানুহে জীৱনটো লাহ-বিলাহত কটাই ভাল পোৱা হৈছে। বেংকক, চিংগাপুৰ, হংকং আদি ভোগবাদৰ স্বর্গলৈ ৰূপান্তৰিত হৈছে। চীন দেশত কমিউনিষ্ট শাসন চলি থকা সত্বেও লাহ-বিলাহৰ সামগ্রীৰে এই দেশৰ বজাৰ ভৰি পৰাৰ উপৰিও 'Fashion show' ৰ ধুমধাম উঠিছে। দক্ষিণ এচিয়া আৰু আফ্রিকাৰ দুখীয়া দেশবোৰো ভোগবাদৰ কৱলত বৰ বেয়া ধৰণে পৰিছে। এইবোৰ দেশৰ কেৱল উচ্চ মধ্যবিত্ত আৰু উচ্চবিত্ত শ্রেণীটোৱেহে লাহ-বিলাহৰ সামগ্রী যেনে- ফ্রিজ, শীত-তাপ নিয়ন্ত্রিত যন্ত্র, বাচন ধোৱা যন্ত্র, টাইলচ, মার্বল পাথৰ, দামী ৰঙীন টি. ভি., দামী দামী অলংকাৰ আদি ক্রয় কৰিবলৈ সমর্থ হৈছে। দুখীয়াসকলে কেৱল ধনী শ্রেণীৰ হাতলৈ মুখলৈ চাবলগীয়াত পৰিছে। অন্ন, বস্ত্র, বাসস্থানৰ সমস্যাই তেওঁলোকক জুৰুলা কৰিছে। উদ্যোগপতিসকলে কেৱল ধনী শ্রেণীটোক আকর্ষণ কৰিবলৈ যত্নবান হোৱাটো পৰিলক্ষিত হৈছে। সেয়েহে এইবোৰ দেশত দুখীয়া আৰু চহকীসকলৰ মাজত জীৱন ধাৰণৰ মানদণ্ডৰ ক্ষেত্রত আকাশ পাতাল প্রভেদ দেখা গৈছে। এইবোৰ কাৰণত চুৰি, ডকাইতিৰ দৰে অসামাজিক কাম-কাজো বৃদ্ধি পাইছে।

ভোগবাদৰ ক্ষেত্রত আমেৰিকা যুক্তৰাষ্ট্রই বিশ্বৰ সকলো ৰাষ্ট্রকে চেৰ পেলাই আহিছে। এই দেশত ধনী লোকৰ সংখ্যা কল্পনাতীত ভাবে বৃদ্ধি পাব ধৰিছে। 'Select club of America Milionaries' সভ্যৰ সংখ্যা বৃদ্ধি পাব ধৰিছে। প্লাষ্টিক সামগ্রীৰ ব্যৱহাৰ, ৰঙীন টি. ভি., শীত-তাপ নিয়ন্ত্রিত দামী গাড়ী, শীত তাপ নিয়ন্ত্রিত ঘৰ এতিয়া আমেৰিকাবাসীৰ বাবে সাধাৰণ সামগ্রী। তেওঁলোকে পানীৰ পৰিৱর্তে খাই বজাৰৰ দামী দামী ফলৰ ৰস। গড় হিচাপত এজন আমেৰিকানে প্রতি দিনে প্রায় ১.৭৫ লিটাৰ বজাৰৰ পৰা ক্রয় কৰা দামী ফলৰ ৰস যেনে- ক'ক, স্প্রিন্ট আদি

আলাপত মিত্রতা জন্মে। — ৰঘূবংশ

আত্মীয় স্বজনক দেখিলে দুখীৰ দুখ-পূর্ণ হৃদয়ৰ দুৱাৰ মেল খায়। — কুমাৰ সম্ভৱ।

খায় যিটো বিশ্বৰ প্ৰতিজন লোকে গড় হিচাপত ব্যৱহাৰ কৰাতকৈ প্ৰায় ৭ গুণ অধিক। আন আন প্ৰাকৃতিক সম্পদ যেনে খনিজ ইন্ধন, বিদ্যুৎ শক্তি, আদি ব্যৱহাৰৰ ক্ষেত্ৰত আমেৰিকাৰ স্থান শীৰ্ষত। আমেৰিকাত পৃথিৱীৰ মাত্ৰ পুঞ্জ লোকে বাস কৰে কিন্তু পৃথিৱীৰ মুঠ ৩০% প্ৰাকৃতিক সম্পদ আৰু ৪০% শক্তি ব্যৱহাৰ কৰে আমেৰিকানসকলে।

ভোগবাদক অধিক প্ৰশ্ৰয় দি বৰ্জিত সামগ্ৰী সৃষ্টিত অধিক অৱিহণা যোগাই আহিছে উন্নত দেশসমূহে। উন্নয়নশীল দেশসমূহৰ উচ্চবিত্ত আৰু মধ্যবিত্ত শ্ৰেণীটোও এই ক্ষেত্ৰত পিছ পৰি থকা নাই। আমাৰ দেশৰ নগৰ মহানগৰ সমূহো ভোগবাদৰ ফচল বৰ্জিত সামগ্ৰীৰ অৰ্থাৎ আৱৰ্জনাৰ স্বৰ্গলৈ ৰূপান্তৰ হৈছে। ভোগবাদৰ ফলত পৃথিৱীৰ প্ৰাকৃতিক সম্পদৰ অবক্ষয়, পৰিবেশ প্ৰদূষণ আদিয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। বৰ্জিত সামগ্ৰীয়ে আমাৰ পৰিবেশৰ ভাৰসাম্যতা বিনষ্ট কৰিছে। সেয়েহে প্ৰকৃতিৰ হানিকাৰক ভোগবাদক অধিক প্ৰশ্ৰয় নিদি 'পৰিবেশ মিত্ৰ' মিতব্যয়িতাক আকোঁৱালি লৈ বহনক্ষম উন্নয়নৰ দ্বাৰা উন্নতিৰ জখলাত আগুৱাই এখন চিৰসেউজ, আবৰ্জনবিহীন, প্ৰাকৃতিক সম্পদ তথা জীৱ বিচিত্ৰতাৰে ভৰপুৰ সুন্দৰ পৃথিৱী ভৱিষ্যত প্ৰজন্মৰ বাবে এৰি থৈ যোৱাটো আমাৰ পৱিত্ৰ আৰু মহান কৰ্তব্য। আমি জীৱনৰ বাটত আগুৱাই যাওঁতে প্ৰকৃতিৰ পৰা প্ৰয়োজনতকৈ অধিক সংগ্ৰহ কৰি প্ৰকৃতিৰ অনিষ্ট সাধন নকৰাটো হ'ব লাগে আমাৰ জীৱনৰ ব্ৰত।

পৰিবেশৰ বিভিন্ন সমস্যাসমূহৰ বিষয়ে আলোচনা কৰোতে এটা কথা বুজা যায় যে জনসচেতনতা অবিহনে পৰিবেশ সম্বন্ধীয় সমস্যাসমূহ সমাধান কৰিব পৰা নাযায়। অনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰা প্ৰত্যেকজন ব্যক্তিয়েই পৰিবেশ সুৰক্ষাৰ ক্ষেত্ৰত সচেতন হ'ব বুলি আশা কৰিব নোৱাৰি। আনহাতে বহুতো অশিক্ষিত লোকো পৰিবেশ সুৰক্ষাৰ ক্ষেতত সচেতন। পৰিবেশ সুৰক্ষাৰ ক্ষেত্ৰত যি সকল ব্যক্তি সচেতন তেওঁলোকে পৰিবেশ সুৰক্ষাৰ বিষয়ে সচেতন নোহোৱা ব্যক্তি সকলক পৰিবেশৰ গুৰুত্বৰ সম্পৰ্কে বুজাই বঢ়াই সচেতন কৰি তোলাটো অতি প্ৰয়োজন। বৰ্তমান আকাশ বাণী, দূৰদৰ্শন, বাতৰি কাকত, চৰকাৰ, স্বেচ্ছাসেৱী সংগঠন আদিয়ে জনসাধাৰণক পৰিবেশ সুৰক্ষাৰ দিশত সচেতন কৰি তুলিবলৈ যত্ন কৰি আহিছে। ই শুভ লক্ষণ। সমাজৰ প্ৰতিজন ব্যক্তিয়ে পৰিবেশৰ বিপৰ্য্যয় হ'লে আমাৰ মানৱ জাতিৰ তথা সমুদায় জীৱকুলৰ যে বিপদ হ'ব সেই কথা অনুভৱ কৰি পৰিবেশৰ বিপৰ্য্যয় ৰোধ কৰাত তথা পৰিবেশ সুৰক্ষাৰ বাবে আগবাঢ়ি আহিলেহে আমাৰ পৰিবেশ সুৰক্ষিত হ'ব।



আনৰ দুখ ডাঙৰ হ'লেও সি শীতল। — বিক্রমোর্বশীয়

THE MYSTERY OF BERMUDA TRIANGLE SOLVED

Fahmida Najnin Hoque
B Sc 2nd Sem
Deptt of Chemistry

It is one of the most mysterious place on the Earth's surface. It is learnt that since long a large number of boats, ships and planes passing through the Bermuda triangle were missing from the year 1947-1975. According to two research scientists the mystery of ranished ships and air planes in the region dubbed "The Bermuda Traiangle" has been solved.


The Bermuda Triangle simply suffers from an acute case of natural gas that heats oven and boils water specially methane is the culprit behind the mysterious dissappearences and loss of water and aircraft. Oceanographic surveyors of the sea floor in the area of the Bermuda Triangle and the North Sea region between continental Europe and Great Britain have discovered significant quantities of methane hydrates and older eruption sites.

The methan normally frozen at great pressure as gas hydrates embedded within subterranean rock -- can become dislodged and transform into gaseous bubbles expanding geometrically as they explode upwards. When these bubbles reach the surface of the water they soar into the air, still expanding upwards and outwards. Any ships caught within the methane megabubble immediately lose all buoyancy and sink to the bottom of the sea.

Aircraft falling victims to these methane bubbles will lose their engine perhaps igniting the mathane surrounding then and immediately lifts as well ending their flights by diving into the ocean and swiftly plummeting to the sea bottom.

Using the latest in computer modelling, two scientist Monaghan and May tested their theory. They built a large tank filled with water to stimulate the regions of the earth where ships and planes have reportedly disappeared over the last century, and launched large methane gas bubbles from the bottom of the tank towards a toy ship floating on the surface of the water.

The results were impressive and the physical tests mirrored the computer model. The two found that the ship sank if it was between the middle of a bubble and its outer edge. If the ship was far enough away from the edge of the bubble or directly over it, the ship would sail on safely. Despite not sinking, however if the methane bubble was big enough and the ship was positioned at or near the centre of the bubble when it surfaced, every one on the ship could be asphyxiated. This would account for several famous cases where ships were found in the Triangle with everyone aboard dead without a scratch



"We will become who we are meant to become." – *Mahatma Gandhi*


SANITATION SUCCESS

Pranab Paul
Dept of Botany
Dibru College

In our childhood we all must have read story 'Dirty bath water' form 'Jataka' tales where in one day the royal horses refused to even touch the water where they otherwise bathed regularly. The king's minister on investigation found the water had become dirty and thus found the reason for such odd behavior. The moral the story presented was' Even animal value cleanliness'. We understand such stories but for it remain confined to one's household.

When I was a small kid I enjoyed my summer vacation in my maternal uncle's house in a village. Everything was great about it from catching fishes, crabs and plucking fresh vegetables from garden, eating jackfruit, palm, leteku and so on, but for one thing in the morning. Nature's call took me a long distance at a backyard with a pot of water where I had to give up in a raised platform. My forehead will have lot of wrinkles and I would be forced to have a look at what the hell would look like. One can appreciate such a thing only if he has gone through such an experience. I may have some readers who might by now develop wrinkles in the forehead with their nose raised.

But after few years such a scenario had changed as the toilet was well built. And that was the last time I thought of sanitation and its problems. Of course during all these years our town was gradually growing dirtier and there was garbage where ever you went. Sanitation and its problem were lost somewhere until recently when through 'Swatch Bharat Mission' the problem was brought to light and was seen to be actively or passively taking interest in t thing. 'Sanitation' and 'Cleanliness' suddenly became th word. Under the able leadership of our Prime Ministe Narendra Modiji these practices have attained signifi and active participation. There is an urge by the municipality and the citizens as a whole to make their lo their village, their town and their country clean. It is a but natural that thoughts culminate into action. The th process had begun and as teachers we can understand it as there would be request in different occasion to d lectures on such topics. And in such an invitation where I had to give a lecture to teachers of 'Ekal Vidyalaya' of Assam I went through the literature and



"It is health that is real wealth and not pieces of gold and silver."
– Mah

resources and came to know a lot about this whole concept of sanitation. I shared the knowledge with them and would also love to share it with my students through this article.

Let us first start by understanding what 'Sanitation' exactly means? The english oxford dictionary says 'the equipment and systems that keep places clean, especially by removing human waste'. But Sanitation as a whole covers a whole lot of things including

- Safe collection, storage, treatment, disposal or recycling of human excreta.
- Management of solid waste.
- Drainage and disposal or recycling of household waste water.
- Management of industrial and other wastes.

Let us see the whole thing in perspective starting from

- Reason for sanitation.
- Measures for proper sanitation practice and its economic cost.
- Present scenario.
- Case studies.

According to world water Development Report, 2014 almost 200, 000 people will move to the world's cities daily, with 91% of this growth expected in cities of developing countries. All these are evident if one gives a look of its own city or town they live in. Population concentration will lead to a lot of problems with problems of sanitation. Also in our villages this concept of sanitation has to be developed.

If sanitation is not proper human population has to face a lot of problems.

- Daily exposure to unpleasant environment.
- Disturbing the ecological balance of the environment.
- Pollute drinking water.
- Providing breeding sites for disease carrying vectors (flies and insects).



- Causes eutrophication leading to BOD and also loss of biodiversity.
- Transmission of many infectious diseases such as cholera, typhoid, infectious hepatitis, polio, diarrhea, ascaris etc.

According to a WHO (2004) report about 1.8 million people die annually from diarrhoeal disease where 90% children are under five years. Infection with trachoma is the leading global cause of preventable blindness. Six million people worldwide are permanently blind due to trachoma. It is mostly spread due to poor sanitation.

Proper sanitation methods will reduce the risk of health hazards and spread of infectious diseases. So we have to understand what proper sanitation means.

Proper sanitation involves

- ✓ The isolation of the user from their own excreta.
- ✓ Prevent vectors (insects, flies etc) to come in contact with the excreta.
- ✓ Inactivating the pathogens in the excreta before it enters the environment.

This can be achieved by two ways viz. on site disposal and off-site disposal. On-site disposal involves storing and treating wastes where they are produced, for example ventilated improved pit (VIP)

"I have always imagined that Paradise will be a kind of library."– Jorge Luis Borges

latrines, pour flush toilets and septic tanks. But the sludge in septic tanks requires off-site disposal and treatment. In off-site disposal well developed sewage systems transport wastes off-site where they can be treated and destroyed.

Of course all these requires huge amount of money. On site disposal is more economically viable than off-site disposal. But overall economic benefit is much more than the amount utilized when we consider the following.

- Medical cost associated with treating disease due to improper sanitation.
- Increased attendance and increased productivity.
- Increase in tourist flow and tourist income.
- Better water quality and better living conditions.

According to the United Nations, economic loss suffered by developing countries is estimated to be around US dollar 260 billion annually. India has the highest number of people practicing open defecation in the world is at 597 million. To change all these steps are being taken by the government at different levels. Ministry of Urban development Government of India has drafted National Urban Sanitation Policy (NUSP) to make all Indian cities and towns totally sanitized. Different rankings will be given based on the performance.

Green Category – Healthy and Clean city.

Blue Category – Recovering but still diseased city.

Black Category – Cities needing considerable improvement.

Red Category – Cities on the brink of public health and environment emergency and needing immediate remedial action.

None of the Indian cities or towns has come under green category. Some of the state capitals like Srinagar, Shimla, Raipur, Bhopal and Dehradun are categorized under the red category while other state capitals are categorized under the black category.

Another important initiative is 'National School Sanitation Initiative' started with the mission to achieve 100% sanitation. Our Prime Minister Shri Narendra Modiji has pledged to have 111 million toilets and achieve an end to open defecation by 2019.

To present before you t at North-eastern states performance in this regard is really heartening and shows the path to the rest of the country. Sikkim under Pawan Chamling led total sanitation campaign for the state. It constructed about 98,043 household latrines. Nearly 1772 schools were covered by the sanitation campaign under the central government's Nirmal Bharat Sanitation Drive. The Sikkim Government also made it mandatory to have functional sanitary toilets at home for candidates filling nominations for contesting Panchayat elections. A functional toilet was also made mandatory to availing benefit and grants from the government. Apart from all these, strict fines have been imposed on violators. Meghalaya is another north-eastern state which has sanitation success.

There are innumerous small interesting individual and community level stories which are really interesting and motivating. Four students living in Nagapattinam district of Tamil Nadu crowd funded money from their classmates to build a toilet far their friend who did not have it. Another very interesting story is of a 16 year old girl of Kukkadu village near Mudigae in Karnataka, whose father refused to build a toilet for her and her mother, received a surprise gift from Panchayat officials who built her a toilet in one day. A woman from Guntur district in Andhra Pradesh gifted a toilet to her son's bride on the occasion of their marriage.

A clean place to live is everyone's wish. As Mahatma Gandhi said 'sanitation is more important than independence'. Heaven is not somewhere what we have not seen but is a place which is clean and green. Let us all do our bit to make the place of our living heaven where our children will live.

"There is no friend as loyal as a book." – *Ernest Hemingway*

শদিয়াৰ পৰিৱৰ্ত্তন

দীপিকা শর্মা
ছেখোৱা ঘাট

শদিয়াৰ পৰিৱৰ্ত্তন লিখিবলৈ লওঁতে মুৰ্কংচেলেকৰ পৰা আৰম্ভ কৰিব লাগিব নহলে আধৰুৱা হ'ব। মুৰ্কংচেলেক মিছিং সকলৰ বসতি স্থান। ঠাইখন বৰ মনোৰম, কেউপিনে মাথো প্ৰকৃতিৰ শোভা। মুৰ্কংচেলেক নামটো মিছিং নাম. মুৰ্কং মানে টকা চেলেক মানে চাপৰি অৰ্থাৎ টকাৰ চাপৰি। সৰু সৰু চাং ঘৰবোৰ বাঁহ-খেৰেৰে আটোমটোকাৰিকৈ বনোৱা বৰ সুন্দৰ। চাং ঘৰতে তেওঁলোকৰ সকলো সুবিধা থাকে। তেওঁলোকৰ স্বভাৱ বৰ সহজ-সৰল। সহজেই তেওঁলোকে মিতা (বন্ধু) মিতিনি (বান্ধবী) পাতি ল'ব পাৰে।

তেতিয়া ইংৰাজৰ শাসন আছিল, তেওঁলোকে এই মনোৰম ঠাইখনতে বার্ড কোম্পানী নামেৰে এটা কোম্পানী খুলিছিল। কোম্পানীত এটা প্লাইউদ্ ফেক্টৰীও খুলিছিল। তিনিজন চাহাবৰ তত্বাৱধানত কোম্পানীৰ সকলো কাম হৈছিল ইংৰাজসকল কর্ম্ম পটু তীক্ষ্ণ বুদ্ধিৰ আছিল, সময়ক তেওঁলোকে অধিক মূল্য দিছিল। দুপৰীয়া বাৰ বজাত আহাৰ খায় কিন্তু এটা মেচিনৰ নট্-বল্টু কেইটাও বাৰটা বজাত কচিব লাগে। তেওঁলোকে বাওঁহাতে আহাৰ খায়, সোঁহাতে নট্, বল্টুকেইটা কচি দিয়ে। কোম্পানীত তেওঁলোকে বহুত মানুহ নিয়োগ কৰিছিল অসমীয়া-অনা অসমীয়া কলিকতাৰ বেঙ্গলী মানুহ বহুত আছিল। বনুৱাবোৰ আনিছিল উৰিষ্যাৰ পৰা। মোৰ দেউতাই কোম্পানীতে চাকৰি কৰিছিল। মোৰ জন্ম ১৯৩৪ চন মুৰ্কংচেলেকতে হৈছিল। আমি বাৰজন বাই-ভনী, ককাই-ভাই মুৰ্কংচেলেকৰ পানী বায়ু সেৱন কৰি তাৰ মাটিতে ডাঙৰ-দীঘল হৈছিল। কোম্পানীয়ে পাতি দিছিল দুখন স্কুল এল. পি আৰু এম. ই স্কুল। আমি তাতে পঢ়িছিলো কোম্পানীয়ে এখন হস্পিটেল আৰু জংঘলী অফিচো খুলি দিছিল কর্মচাৰীসকলৰ ঘৰবোৰ কাঠৰ চাং ঘৰ বনাই দিছিল। কোম্পানীত হাতীয়েও কাম কৰিছিল কাঠৰ ডাঙৰ কুণ্ডাবোৰ শুৱডালেৰে মেৰিয়াই এঠাইৰ পৰা আন ঠাইলৈ নিছিল। হাতীয়ে এনেকৈ কাম কৰি থাকোতে মই কিতাপ-শ্লেটকেইটাক সাৱতি ধৰি হাতীৰ চাৰি ঠেঙৰ তলেৰে সৰকি স্কুললৈ যোৱা অভ্যাস হৈছিল। ভীম বৰ দেউৰীয়ে বার্ড কোম্পানীত চাকৰি কৰিছিল। তেওঁৰ হাতী আছিল। হাতীয়েও কোম্পানীৰ কাম কৰিছিল। তেওঁ বৰ ধনী, সন্মানী আৰু যশস্বী লোক আছিল। মোৰ বিয়াত মোক গুণাৰ ফুল থকা পাটৰ মেখেলা-চাদৰ এযোৰ দিছিল। ইংৰাজসকলে চিকাৰ কৰি বৰ ভাল পাইছিল। কেতিয়াবা পহু চিকাৰ কৰিবলৈ গ'লে মোৰ দেউতাক লগত লৈ গৈছিল। দেউতাক লাইচেন্সসহ বন্দুকও দিছিল। কেতিয়াবা দুটা-তিনিটা পহু মাৰি নাঁৱত আনিছিল। এদিন চিকাৰলৈ গৈ একোকে নেপাই হতাশ মনেৰে ভাগৰত খন্তেক জিৰাও বুলি ভাবি দীঘল টিলা এটা দেখি তাতে আটাই কেইজন বহিল। বহাৰ লগে লগে টিলাটো লৰচৰ কৰিছে তাৰ ওপৰত গজি থকা পাতলীয়া ঘাঁহ-বনবোৰো লৰিছে। তেওঁলোকে উঠি গৈ ভালকৈ চাই দেখে যে এটা ডাঙৰ বুঢ়া অজগৰ সাপ একে ঠাইতে লৰচৰ কৰিব নোৱাৰাকৈ পৰি আছিল। সন্মুখেদি কিবা চিকাৰ পাৰ হৈ গলেই উশাহত টানি আনি ভক্ষণ কৰি জীয়াই আছিল। কেতিয়াবা দিনত চৰাই চিকাৰ কৰিবলৈ গ'লে মোৰ মা-দেউতাকো লগত লৈ গৈছিল লগতে ময়ো গৈছিলো। হাঁইঠা, পৰঘুমা, ধনেশ, পাকৈঢোৰা ইমান ধুনীয়া চৰাইবোৰ মাৰি আনে। মই হাতেৰে চুই মৰা চৰাইবোৰকে মৰম কৰিছিলো। হাবিত প্ৰচুৰ পৰিমাণে বনৰীয়া শাক-পাত দেখিছিলো। লহপহীয়া ঢেঁকীয়া শাকবোৰ। এডাল

পাপক ঘিণ কৰিবা, পাপীক নহয়। — যীশু খ্ৰীষ্ট



ঢেকীয়া চাৰি-পাঁচ হাত দীঘল আছিল। তেলী কচু, বন কল, বেত গাজ, ভেঁকুৰী তিতাবোৰ ৰৰ শকত আৰু কোমল আছিল। মেমচাহাববোৰে হাবিতে বেত বাকলি গুচাই কোমল গাজ ৰ অংশ চোবাই খাইছিল। ভেঁকুৰী তিতাও কেঁচাই খোৱা দেখিছিলো। এখন বহুত ডাঙৰ মধুৰী বাগিছা, বগৰী বাগিছা, অন্য ফলৰ বাগিছা দেখিছিলো। গছবোৰ তেনেইচাপৰ। হাতেৰে ফলবোৰ ছিঙিব পাৰি। দেখিলে ভাব হয় এইবোৰ ঠাই কোনোবা যুগত ঋষি-মুনিৰ আশ্রম আছিল। ইংৰাজৰ শাসন কালত আমিবোৰ তেওঁলোকৰ অধীনত আছিলো যদিও আমাৰ প্রতি তেওঁলোক বৰ দয়ালু আছিল। হীন ভাৱ নাছিল। তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰ আমাৰ লগত খেলা-ধূলা কৰিবলৈ আমাৰবোৰৰ ঘৰলৈ পঠিয়াই দিছিল।

তেওঁলোকৰ যেতিয়া বৰদিন ২৫ ডিচেম্বৰত হয়। সেইদিনা তেওঁলোকে সকলো কর্মচাৰীৰ ঘৰলৈ বৰদিনৰ উপহাৰ পঠাইছিল। এখন ডাঙৰ থালত আখবোদ, কাঠ বাদামৰ পেষ্টা, কাজু, আঙুৰ, কিছুমিছ, খেজুৰ, আপেল, চেৰী আদিৰে থালখন ভৰাই দিছিল আৰু সোঁমাজতে এটা সোণৰ মোহৰ দিছিল। ইতিমধ্যে ২ য় বিশ্বযুদ্ধ লাগিছিল। মুৰ্কংচেলেকত আমেৰিকান সৈন্যই ভৰি পৰিছিল। বার্ড কোম্পানীটো বিশ্বযুদ্ধতে ধ্বংস কৰিবলৈ বহুত চেষ্টা কৰিছিল দিনে-ৰাতিয়ে উৰাজাহাজে তলে তলে ঘূৰি পহৰা দি আছিল। লোণ আইন হৈছিল। কেৰাচিন তেলৰ অভাৱ হৈছিল। ৰাতি সকলো মানুহৰ ঘৰ আন্ধাৰত থাকিবলগীয়া হৈছিল। পোহৰ দেখিলে শত্রুৱে আক্রমণ নকৰিব বুলি। আকাশতে উৰাজাহাজে গুলী কৰা দেখিছিলো। এনেকৈ কেতিয়াবা উৰাজাহাজত জুই লাগি ঘূৰি ঘূৰি ব্রহ্মপুত্রত পৰি যোৱা দেখিছিলো। কর্মচাৰীৰ ঘৰে ঘৰে বিপদৰ পৰা ৰক্ষা পাবলৈ ইংৰাজী এন আখৰটোৰ দৰে একোটা চেলটাৰ বনাই দিছিল বিপদ সংকেত বাজিলেই কানত কপাহ গুজি চেলটাৰত সোমাবলগীয়া হৈছিল। হঠাৎ ক'ৰবাত জুই লাগিলে নুমুৰাবৰ বাবে ঘৰে ঘৰে বালি মজুত ৰাখিছিল। আমেৰিকান সৈন্য বাহিনী সকলো সময়তে সষ্টম হৈ থকাৰ বাবে বার্ড কোম্পানী ৰক্ষা পৰিল। ইতিমধ্যে স্বাধীনতা আন্দোলনে গা কৰিবলৈ ধৰিছিল। মাজে মাজে ইন্দিৰা মিৰি আহি স্কুলত আন্দোলনৰ বক্তৃতা দিছিল। আন্দোলনৰ গীত গাইছিল। তেওঁ গোৱা গীতৰ দুফাঁকিমান তুলি দিলো —

বাজে বাজে ৰণ নিচান
জাতীয়তন্ত্রে সমূহ মন্ত্রে
বাজিছে যন্ত্রে বিজয়ৰ গান
দীনা-হীনা জননী মোৰ
নোশোভে তন্দ্রা নিদ্রা ঘোৰ
দীপ্ত গর্ব্বে দীপ্ত গর্ব্বে
যাধিম কার্য পাহৰি প্রাণ
বল বল বল অ' বল
ফুলাই বুকুৰ উচ্ছ শিৰ
দেহৰ ভক্তি হিয়াৰ শক্তি
ধর্ম্মই আমাৰ আমি বীৰ
বিজুলী চমকে আগুৱাব ভৰি
খোজত উঠিব ধৰণী কঁপি
লণ্ড ভণ্ড খণ্ড খণ্ড
বিঘিনী নাশিব
জগতৰ

মহামানৰ মহাত্মা গান্ধীয়ে অহিংসা নীতিৰে বিনা অস্ত্রৰে আন্দোলন কৰি ১৯৪৭ চনৰ ১৫ আগষ্ট ভাৰতক স্বাধীন কৰিলে কতজনে জেল খাটিলে, কত শ্বহীদ হ'ল। অসমৰ কনকলতা, কুশল কোঁৱৰ, মুকুন্দ কাকতি লেখত ল'বলগা। স্বাধীন ভাৰতৰ প্রধান মন্ত্রী হ'ল জৱাহৰলাল নেহৰু। অসমৰ মুখ্যমন্ত্রী হ'ল গোপীনাথ ৰৰদলৈ (তেতিয়া প্রধান মন্ত্রী বুলিছিল)। গোপীনাথ ৰৰদলৈ

কলাকাৰে নিজৰ প্রয়াসত ভাগৰি পৰিব নেজানে। — মহাত্মা গান্ধী

মুখ্যমন্ত্রী হৈ মুৰ্কংচেলেকলৈ গৈছিল। তেওঁ নাঁৱত পাৰ হৈ কবু ঘাটৰ পৰা এখন জীপ গাড়ীত মুৰ্কংচেলেক পাইছিল। মানুহবোৰে তেওঁক আদৰিবলৈ আলিৰ দুইকাষে থিয় হৈ আছিল। স্কুলৰ ল'ৰা-ছোৱালীবোৰক সকলোতকৈ আগত দিছিল। শাৰীটোৰ প্রথমতে মোক দিছিল। এখন হাতত বন্দে মাতৰম লেখা পতাকাখন এখন হাতত তেওঁক পিন্ধাবলৈ এডাল ফুলৰ মালা। জীপখন আহি আমাৰ সন্মুখত ৰখালে। মোৰ হাতত থকা পতাকাখনলৈ চাই নমস্কাৰ জনালে। মই মালাধাৰ পিন্ধাবলৈ ঢুকি নাপাও তেতিয়া তেওঁ জীপৰ পৰা নামি আহি চাপৰি দিলে তেতিয়াহে মই ইমান ওখ-পাখ, শকত-আবত মন্ত্রীজনক মাল পিন্ধাব পাৰিলো। মালা পিন্ধি তেওঁ মোক মূৰতে হাতখন দিলে। তাৰ পিছত জীপত উঠি বার্ড কোম্পানীৰ ফালে গ'ল। মই ভাবিলো মোৰ মূৰত হাত দি তেওঁ মোক আশীৰ্বাদ দি গ'ল। ভাৰত স্বাধীন হোৱাৰ পাছতে মোৰ এম, ই বৃত্তি পৰীক্ষা পালেহি। পৰীক্ষা শদিয়াত হ'ব। আমাৰ স্কুলৰ পৰা চাৰিজন ল'ৰা-ছোৱালী বাছনি হ'ল। ক্রমে টাকাব চন্দ্র পেগু, চন্দ্র ধৰ দেউৰী, মহেন্দ্র গগৈ আৰু মই আমাৰ লগত স্কুলৰ হেড্ ছাৰ শ্রীযুত জীতেন কাকতি মহাশয়জনে ছোৱালী এজনী হোৱা বাবে মোৰ লগত মোৰ আইতা গৈছিল। আমি পৰীক্ষাৰ বাবে প্রস্তুত হৈ সেই পুৱা সাতটা মান বজাত শদিয়ালৈ বুলি গণি ড্রাইভাৰৰ গাড়ীত উঠিলো। তেতিয়া মুৰ্কংচেলেকত মাত্র এখনেই গাড়ী আছিল। আমি ৰংদৈ চাপৰি হৈ কবু ঘাট পালো লগে লগে শদিয়া ঘাটলৈ যোৱা মাৰ নাঁৱত উঠিলো ব্রহ্মপুত্রখন তেতিয়া ঠেক আছিল। ইপাৰৰ পৰা সিপাৰলৈ জোৰকৈ চিঞৰ এটা মাৰিলে শুনা গৈছিল। শদিয়া ঘাটত থকা গাড়ী মানুহ দেখা পোৱা গৈছিল। আবেলি আমি শদিয়া ঘাট পাই লগে লগে গাড়ীত উঠি চাপাখোৱা পাৰ হৈ শদিয়া পালো। মোৰ ইমান ভাল লাগিছে শদিয়াৰ গছ-গছনিবোৰ দেখি। যেনিয়ে চাওঁ মাথো প্রকৃতিৰ শোভা। আমি গাড়ীৰ পৰা নামি আগৰ বন্দোৱস্ত মতে আত্মীয়ৰ ঘৰত থাকিবলৈ গলো। পিছদিনা ছাৰে আমাক লৈ গ'ল পৰীক্ষাৰ বাবে বলিয়া বাবা থানত চাকি দিবলৈ। পিছদিনাৰ পৰা আমাৰ পৰীক্ষা আৰম্ভ হ'ল। পৰীক্ষা সুকলমেই হৈ গ'ল। পিছদিনা আমি ছাৰৰ লগত শদিয়া চাবলৈ বুলি ওলালো খোজেৰেই কুণ্ডিল নগৰত থকা ভীষ্মক ৰজাৰ ৰাজধানী পালোগৈ। ৰজাৰ ৰাজ হাউলি কুণ্ডিলৰ পাৰতে আছিল। বৰা চাউল আৰু হাঁহ কণীৰে। বনোৱা চেপেটা ইটাৰ খহি যোৱা বেৰবোৰ তেতিয়াও আছিল। আমি হাতেৰে চুই চাইছিলো। হাউলিৰ সন্মুখত এখন ডাঙৰ ফুলনি বাৰী আছিল। যত্ন নোহোৱা বাবে ফুল গছবোৰ বৰ ওখ হৈছিল। ফুলবোৰ দেশীয় ফুল আছিল। তেতিয়াও দুই-চাৰি পাহ ফুল ফুলি থকা দেখিছিলো। তাৰ পৰা অলপ আহি দেখিছিলো। তাৰ পৰা অলপ আহি দেখিছিলো কুণ্ডিল নদীৰ ওপৰত এখন বাঁহৰ ওলমা একমাত্র দলং। সেই দলং খনেৰে পাৰ হৈ ইফালে সিফালে অহা-যোৱা কৰিছিল। কাঠৰ দলং তেতিয়া নাছিল। দলঙৰ অলপ ওচৰতে এটা ওখ বাট যেন এটা মথাউৰি। ৰাজ হাউলিৰপৰা অলপ আঁতৰতে এটা মন্দিৰ আছিল বুলি অনুমান কৰিছিলে ৰুক্মিনীয়ে সেই মন্দিৰত পূজা কৰিবলৈ আহোঁতে শ্রীকৃষ্ণই সেই ওখ বাটটোতে ৰথ ৰখাইছিল আৰু ৰুক্মিনীক হৰণ কৰি নিছিল। আমি কৃষ্ণ-ৰুক্মিনীক নেদেখিলেও ৰথ ৰখোৱা বাটটোকে ঘূৰি ঘূৰি চালো। তাৰ পৰা খোজেৰেই আহি আমি ডি, চি বঙলাৰ চৌহদত সোমালো। আমাক দেখুৱালে মানৰ দিনৰ এটা বৰটোপ আৰু অৰণ্যত পায় অন্য দুটা শিলৰ স্তম্ভত দুটা সাপ মেৰাই ফেট্ তুলি থকা দেখিলে জীৱন্ত সাপ যেন লাগে। সেইবোৰ বস্তু গুৱাহাটীৰ মিউজিয়ামত সংৰক্ষণ কৰি থৈছে। তেতিয়া শদিয়াৰ বাট-পথবোৰ কেঁচা আছিল, গাড়ীও নাছিল। শদিয়া ঘাটৰ পৰা এখন গাড়ী চলিছিল মানুহৰ ঘৰবোৰ বাটাম দিয়া বেৰৰ কেঁচা ঘৰ আছিল। খেতিয়েই প্রধান জীৱিকা আছিল। দোকান-বজাৰ একো নাছিল। বর্ত্তমান শদিয়া বহুত পৰিৱর্ত্তন হ'ল। বহুত উন্নতি হ'ল হাইস্কুল হ'ল, কলেজ হ'ল, আলি-পদুলি পকা হ'ল। মানুহৰ ঘৰ-দুৱাৰবোৰো পকী হ'ল। আমি পৰীক্ষা দিয়া হলঘৰটো তেতিয়া কাঠৰ বাটাম দিয়া চশম বেঢ়া কেঁচা আছিল এতিয়া বৰ ধুনীয়া কৰিলে। হাইস্কুল, কলেজ দূৰৰ পৰাই জিলিকি থাকে। শদিয়াত বিশেষ বুঢ়া-বুঢ়ী থান, বলিয়া বাবা থান আৰু বৈৰাগী মঠ আছে। বৈৰাগী মঠত এজোপা গছৰ তলতে এজন বৈৰাগীয়ে দিনে-নিশাই তপস্যা কৰি থাকোতে গছৰ গুৰিতে তেওঁক কোনেও নেদেখা হ'ল। মানুহে গছজোপাকে বিশ্বাস কৰি গছৰ গুৰিতে নৈৰেদ্যৰ শৰাই, ধূপ-চাকি, গুৱা-পান, অৰিহণা দি মনৰ বাসনা-কামনা পূর্ণ হ'বলৈ ভক্তিৰে সেৱা জনায়। পাছলৈ তাত নামঘৰ এটাও সাজি দিলে। শদিয়াৰ তাহানি কালৰ পৰাই মানুহৰ স্বভাৱবোৰ বৰ সহজ-সৰল আৰু সৎ স্বভাৱৰ আছিল সেইবাবে শদিয়াত সৎ ফুল ফুলে বুলি মই ভাবো। আগতে শদিয়ালৈ যাবলৈ নাঁৱত দিনটো লাগিছিল। ধলা-শদিয়া দীর্ঘতম দলংখনে ৰিং মাৰিলেই পোৱা হ'ল ১৯৫০ চনৰ বৰ ভূমিকম্পই ঠেক ব্রহ্মপুত্রখন সাগৰ হেন কৰি ইকুল সিকুল নেদেখা হ'ল। সেই ভূমিকম্পতে কুণ্ডিল নগৰৰ ৰজাৰ ৰাজধানী ৰাজ হাউলি সকলো নদীৰ বুকুত জাঁহ গ'ল। ৫০ চনৰ ভূমিকম্পতে মুৰ্কংচেলেকৰ বার্ড কোম্পানীৰ সকলোবোৰেই ব্রহ্মপুত্রই খহাই চিন চাব নাইকিয়া কৰিলে। বৃত্তি পৰীক্ষা দিয়াৰ পাছতেই মোৰ বিয়া। ১৯৪৯ চনত মই জ্যোতিপ্রসাদ আগৰৱালা বাগান তামোলবাৰীত আছিলো। মোৰ স্বামী স্বর্গীয় তনুৰাম শর্মা। তামোলবাৰী বাগানৰ অফিচত ২৫ টকা দৰমহাত ২ য় কেৰাণী

দিনত আধা বা এঘণ্টা শুলে নিজকে মানুহে কর্মঠ ৰূপত পাব পাৰে। — উইনষ্টন চার্চিল

কাম কৰিছিল। ঘাই ঘৰ আছিল জাঁজী দ গাঁও। মাহেকৰ মূৰত ২৫ টকা দৰমহা আনি নিজৰ বাবে ২৫ টকা ৰাখি ১০ টকা দেউতাকলৈ অর্থাৎ মোৰ শহুৰলৈ মনি অর্ডাৰ কৰি পঠাইছিল। দেউতাই সেই ১০ টকা মণি অর্ডাৰ পাই আনন্দত কৈছিল মোৰ মাছ-মাংসৰে ভাত খোৱাৰ পাছত গাখীৰ ভাত খাব পালে যেনেকুৱা ভাল লাগে। মোৰ ল'ৰাই পঠোৱা ১০ টকা পালে তাৰ দুগুণ আনন্দ লাগে। জ্যোতিপ্রসাদে ডিব্রুগড়ৰ নিৱাসী ভূএগ্ন ফৈদৰ জীয়ৰী দেৱযানী ভূএগ্নক বিয়া কৰাইছিল। তেওঁলোকৰ যুগ্ম জীৱনৰ সাক্ষী হিচাবে সাতোটি সন্তান হ'ল। পাঁচজনী ছোৱালী, দুটা ল'ৰা। ক্রমে জয়শ্রী আগৰৱালা, জ্ঞানশ্রী (ভনী), সত্যশ্রী (উকু), সোণশ্রী (সোণমা), মনশ্রী (মন মা), বাম্পু, কম্পু দুটা ল'ৰা। তেওঁলোকৰ পৰিয়ালবর্গৰ লগত আমাৰ দুয়োজনৰে ঘনিষ্ঠ সম্পর্ক হ'বলৈ ধৰিলে। মোৰ স্বামী ল'ৰা-ছোৱালী কেইটাৰ ঘৰুৱা শিক্ষক আছিল। জ্যোতিপ্রসাদ চাহ বাগানৰ মালিক আছিল যদিও চৌখিন নাছিল। তেওঁৰ জীৱন বৰ সৰল-সহজ আছিল। যদিও মাৰোৱাৰী আছিল কিন্তু আমিষ খাইছিল। জ্যোতিপ্রসাদে বগা ৰং বৰ ভাল পাইছিল। তেওঁৰ পিন্ধনত বগা পায়জামা, বগা গেঞ্জী, বগা পাঞ্জাৰী পিন্ধিছিল। তেওঁ বৰশী বায় ভাল পাইছিল। বাসগৃহৰ পাছফালে থকা নৈখনত বৰশী বায় মাছ ধৰিছিল। ৰাতি যেতিয়া খোৱা-বোৱা শেষ কৰি ল'ৰা-ছোৱালীবোৰ শুই পৰে, ঘৰখন নিজান হয় তেতিয়া জ্যোতিপ্রসাদে গীতা পঢ়ে, সুন্দৰৰ সাধনা কৰে। প্রত্যুষতে উঠি প্রাতঃ ভ্রমণ কৰি পঢ়ুওৱাৰ নিত্য কর্ম শেষ কৰি তেওঁৰ গৃহৰ আগফালৰ দীঘল বাৰান্দা ভৰি থকা চকী-মেজৰ কায চাপি বহি লিখিবলৈ আৰম্ভ কৰে। লিখি থকা অৱস্থাত তেওঁৰ ওচৰলৈ কোনো যাব নোৱাৰে। এনেদৰে লিখি থাকোতে তেওঁৰ আঠু কাঢ়ি ফুৰা ল'ৰাটোৱে গৈ লিখি থকা অৱস্থাত দেউতাকৰ ভৰিতে ধৰি আমনি কৰোতে উঠি আহি ল'ৰাটো দাঙি আনি ফুলনিখনলৈ পেলাই দিছিল। তেওঁ বাগানখনৰ ফালে ওলাই গ'লে হাতত ষ্টীলৰ ষ্টিক এডাল লৈ গৈছিল সেইডাল খুলিব-জপাব পৰা ধৰণৰ আছিল। তেওঁ ঘৃৰি ঘৃৰি চাহ বাগান চাওঁতে ষ্টিকডাল খুলি তাতে বহিছিল। এনেদৰেই দিনবোৰ পাৰ হৈছিল। সৰুজনী ছোৱালী জন্ম হোৱাৰ পাছত প্রসূতি ৰোগত আক্রান্ত হৈ ডিব্রুগড়ৰ মেডিকেলত দেৱযানীৰ মৃত্যু হয়। মৃত্যুৰ খবৰ পোৱাৰ লগে লগে বাসগৃহ লোকে লোকাৰণ্য হ'ল। বাগানৰ কর্মচাৰী, বনুৱা তেওঁলোকৰ আত্মীয় ভৰি পৰিল ডিব্রুগড়ৰ পৰা লগে লগে আইতাকো আহিল। মেডিকেলৰ ছাত্র কেইজনমানে মৃতদেহ নিজা বাসগৃহলৈ আনিলে মৃতদেহ কঢ়িয়াই অনা ছাত্র কেইজনক জ্যোতিপ্রসাদে সুন্দৰভাৱে সোধপোচ কৰি পঠালে। মৃতদেহটোৰ কৰিব লগা কামখিনি সুন্দৰকৈ কৰি বাসগৃহৰ চাৰিওফালে তিনিবাৰ প্রদক্ষিণ কৰালে। জ্যোতিপ্রসাদে মৌন হৈ নিয়াৰিকৈ কামবোৰ কৰি গ'ল। কণ কণ দেৱশিশু কেইটাই মাথো অবাক লাগি আছিল। তাৰ পাছতে শ্মশান যাত্রা আৰম্ভ হ'ল। মোৰ স্বামী শ্মশানলৈ যোৱা বাবে মই অকলে থাকিব নোৱাৰো সেইকাৰণে জ্যোতি প্রসাদে নিজৰ দ্বিতীয় কন্যা জ্ঞানশ্রীক ৰাতি মোৰ লগত থাকিবলৈ চকিদাৰৰ যোগে পঠাই দিছিল। তেওঁ বৰ মহান আছিল। লাহোৱাল পোৱাৰ আগতে বুঢ়া দলং এখন আছে। দলঙৰ কাষৰ শ্মশানত দেৱযানীৰ নিথৰ দেহাটো চিতাত তুলি অগ্নি সংযোগ কৰি জ্যোতি প্রসাদে চিতাৰ কাষতে মৌন হৈ বহি চিতাৰ পৰা কুণ্ডলী পকাই ওপৰলৈ যোৱা ধোঁৱাখিনিলৈ এক মনে চাই আছিল। তেওঁ চাগে ভাবিছিল আমাৰ যুগ্ম জীৱনৰ সাক্ষী সাতোটি সন্তানৰ গুৰুভাৰখন মই অকলে ল'ব লাগিব। শ্মশানৰ কাম শেষ কৰি বাসগৃহলৈ আহি গা ধুই পৰিস্কাৰ হৈ চকী এখনত বহি কান্দিবলৈ ধৰিলে। কোনো মানুহে তেওঁৰ ওচৰ চাপিবলৈ তেওঁক বুজাবলৈ সাহস গোটাব পৰা নাই। কান্দি কান্দি ভাগৰি নিজেই শান্ত হ'ল। শ্রাদ্ধ বিধি সকলো কাম সুকলমেই শেষ কৰিলে। জ্যোতি প্রসাদ পুনৰ সকলো ফালে ব্যস্ত হৈ পৰিল। আগৰ দৰে। কিছুদিনৰ পাছতে বৰ জীয়েক জয়শ্রী কন্যাকাল হ'ল। আমাৰ নিয়ম মতেই তোলনি বিয়াখন ধুমধামেৰে পাতিলো। দেৱযানীৰ মৃত্যুৰ পাছত মই সদায়েই তেওঁলোকৰ ঘৰলৈ যাব লাগে, নগ'লে আইতাকে মানুহ পঠাই দিয়ে মোক নিবলৈ। এদিম মই অকলে তেওঁলোকৰ ঘৰলৈ গৈ আছিলো। তামোলবাৰীত দুটা বৰ ডাঙৰ গৰু আছিল। মাইকী মানুহ দেখিলে খুচিবলৈ খেদি আহে। মই গৈ থাকোতে গৰু দুটা মোৰ ফালে আহি আছিল দেখি ভয়ত মই কি কৰিম বুলি একেঠাইতে ৰৈ দিলো। জ্যোতি প্রসাদে ঘৰৰ পৰা সকলো দেখি আছিল। তেওঁ হাতত ষ্টিকডাল লৈ আহি গৰু কেইটা খেদি মোক বিপদৰ পৰা ৰক্ষা কৰিলে। মোক ক'লে যোৱা, এতিয়া ভয় নাই। জ্যোতি প্রসাদ বৰ সৰল অন্তৰৰ আছিল। দুখীয়াৰ প্রতি সহানুভূতিশীল আছিল বৰ পুতৌ কৰিছিল আৰু বৰ দানী আছিল। ১৯৫০ চনৰ ১৫ আগষ্টত গধূলি সাতমান বজাত হঠাৎ আহিল বৰ ভূমিকম্প। পৃথিৱী তল-ওপৰ কৰিব ধৰিলে। মানুহবোৰে দিনটো স্বাধীনতা দিৱসত আনন্দ উৎসৱ কৰি গধূলি প্রত্যেকৰ পদুলিয়ে পদুলিয়ে বন্তি জ্বলাই (তেতিয়া সেই দিনটোত বন্তি জ্বলোৱাৰ নিয়ম আছিলে) ভাগৱত জিৰণি লৈছিল। তেনেকুৱাতে ভূমিকম্প আহিল মানুহবোৰ ঘৰৰ পৰা বগুৱা বায় বাটলৈ ওলাই আহিল। কোনো মানুহ থিয় হৈ থাকিব নোৱাৰা হ'ল বাটৰ ঘাঁহত খামুচি ধৰি থাকিব লগা হৈছিল। চাৰিওফালে যেন প্রলয় পৃথিৱী ধ্বংস হ'ব। মানুহবোৰৰ মনত জাতিভেদ ভাৱ নাইকিয়া হৈছিল। একেটা নামঘৰ-গীর্জাঘৰ, মচজিদত সকলো এক

যদি সুখী হোৱাই জীৱনৰ একমাত্র লক্ষ্য হ'লহেঁতেন,
তেনেহ'লে ককুৰ, মেকুৰী বা ভেড়াই আমাৰ আদর্শ হ'ল হেঁতেন। — এলবার্ট আইনষ্টাইন



হৈ ভগৱানক প্রার্থনা কৰিছিল। পোন্ধৰ দিন ভূমিকম্প দি আছিল। কুঁৱাৰ পানী নিজে নিজে ওপৰেদি ওলাইছিল। গছবোৰ এবাৰ ইফালে পৰে আকৌ সিফালে পৰে। জ্যোতিপ্রসাদে পোহৰ হোৱাৰ লগে লগে হাতত ষ্টিকডাল লৈ বনুৱা লাইন, কর্মচাৰী লাইন সকলোতে খবৰ লৈ তেওঁৰ বাসগৃহৰ কাষেৰে ৰৈ যোৱা চেচা নৈৰ পাৰ পালেগৈ। ভূমিকম্পৰ জোকাৰণিত নদীৰ পানী আৰু মাছবোৰ দুই পাৰে সিঁচৰিত হৈ পৰি আছিল। নৈখনত গেছ হৈ গৈছিল। গছৰ পৰা চৰাই বাঁহবোৰ তলত পৰি গৈছিল জ্যোতিপ্রসাদে ডেউকা ভগা, ঠেং ভগা চৰাই পোৱালীবোৰ বুটলি আনি যত্ন লৈ টোপ খুৱাই ডাঙৰ কৰি পুনৰ হাবিত মেলি দিছিল। তেওঁৰ টি.বি বেমাৰ হৈ স্বাস্থ্য বেয়া হ'বলৈ ধৰিলে। চিকিৎসাৰ বাবে তেওঁ ছিলংলৈ যাবৰ বাবে ঠিক কৰিলে। মই নিচেই ওচৰৰ পৰা তেওঁৰ সান্নিধ্য পাইছিলো। কিন্তু তেওঁক মই চিনি নাপালো, তেওঁক মই বুজিব নোৱাৰিলো। তেওঁ যে এজন বাগানৰ মালিকৰ উপৰিও সাহিত্যিক, কবি, নাট্যকাৰ, চিত্রকাৰ আছিল। জয়মতী চিনেমাখনৰ চিত্র গ্রহণ কৰি শব্দ গ্রহণ নকৰাকৈ তামোলবাৰীত সকলোকে দেখুৱাইছিল। তেওঁ যাবৰ সময়ত আমাক কাপোৰ চিলোৱা ছিঙ্গাৰ মেচিন এটা, সপ্তকাণ্ড ৰামায়ণ এখন, নিজে লিখা কাৰেঙৰ লিগিৰী এখন আৰু জাতীয় সঙ্গীত এখন নিজ হাতে আমাক দি গৈছিল। ইমান মহৎ লোক এজনক বুজিব নোৱাৰি মনলৈ অনুতাপ আহে। জ্যোতি প্রসাদে তামোলবাৰী এৰাৰ লগে লগে আমাৰ থাকিবলৈ অলপো মন নোযোৱা হ'ল। আমি তাৰ পৰা গুচি আহিলো। স্বামীয়ে চাকৰি ইস্তাফা দিলে। ১৯৫২ চনত ধলা বাগানত চাকৰি পালে। ধলালৈ আহি দেখিলো ৫০ চনৰ বৰ ভূমিকম্পত পুৰণা ছৈখোৱা ঘাটৰ চিন মোকাম নাই। ভূমিকম্পৰ তিনি-চাৰি বছৰৰ পাছৰ পৰা প্রলয়ঙ্কাৰী বানপানী খহনীয়াই পুৰণা ছৈখোৱাৰ দোকান-বজাৰ, মাৰোৱাৰী গোলা মানুহৰ ঘৰ-বাৰী সকলো খহাই ব্রহ্মপুত্রৰ বুকুত জাঁহ গ'ল। ৰেল ষ্টেচন, ডাকঘৰ, সকলো খহাই চিন-চাব নাইকিয়া কৰিলে। ৰেলখন ভাপৰ ইঞ্জিনৰ দ্বাৰা চলিছিল। বুৰঞ্জী প্রসিদ্ধ কেচাইখাইতি শালখনলৈ ভাবুকি দিছিল। এবাৰ কেচাইখাইতি শালৰ ফালে সুঁতি লোৱা দেখি দেউৰীজনে কমিটিৰ লগত ঠিক কৰিলে। ৰাতিয়েই দেউৰীজনক (পূজাৰী) সপোনত মোক মোক কোনেও ইয়াৰ পৰা নিব নোৱাৰা। মই য'তে আছো ততে থাকিম। ব্রহ্মপুত্র মোক প্ররেশ কৰিব নোৱাৰে। ৰাতিপুৱা দেউৰীজনে চাই দেখিলে ব্রহ্মপুত্রই অন্য ফালে সুঁতি ল'লে, কেচাই খাইতি একেদৰে আছে। তেওঁ জাগৃত আৰু বহুত মাহাত্ম্য আছে। বেলেগ ঠাইৰ মানুহে কৈছিল ধলা বৰ গেলা জংঘলী কিন্তু বোকাতহে পদুম ফুলে। ধলা-শদিয়া সংযোগী দীর্ঘতম সেঁতুখনে গেলা জংঘলী ঠাই পৃথিৱী বিখ্যাত হ'ল শদিয়াৰ মানুহবোৰ ঠগ-প্রৱঞ্চক নাছিল। সহজ-সৰল আছিল। সৎ পথত চলিছিল। সকলো সৎ স্বভাৱৰ আছিল বাবে শদিয়াত সৎ ফুল ফুলে বুলি মই ভাবো। ভাৰতৰ প্রধান মন্ত্রী মোদীজীয়ে ধলা-শদিয়া সংযোগী দীর্ঘতম দলংখন ভূপেন হাজৰিকাৰ নামেৰে নামাকৰণ কৰা বাবে নথৈ সুখী হৈছো। তেখেতলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল। ভগৱানৰ ওচৰত তেখেতৰ দীর্ঘজীৱি কামনা কৰিলো। ভূপেন হাজৰিকাৰ জন্মস্থান শদিয়া। তেওঁ ব্রহ্মপুত্রক লৈ ৰচা গানটো পর্বত-ভৈয়ামৰ সকলো মানুহৰ প্রতি আপোন ভাৰ এই সকলোবোৰ মিলি দীঘল সেঁতুখন হ'ল। এই সেঁতুৰে ভূপেন হাজৰিকাক সকলোৰে অন্তৰত চিৰদিন জীয়াই ৰাখিব। তেওঁ মৰিও চিৰকাল অমৰ হৈ থাকিব।





"গুণ কেতিয়াও ধর্মৰ সমান সন্মান নহয়।"— মার্ক টেৱেইন

যাত্রা ঃ ৰিং এটা বাটৰ

ড° প্রমানীতা বড়া
নৃতত্ত্ব বিভাগ

"শদিয়ানো কি?
ৰিং এটাৰ বাট
সৎফুলবোৰ.....
ফুলি আছে তাত।"
শদিয়া .....

অসমৰ উত্তৰ পূব প্রান্তত অৱস্থিত তিনিচুকীয়া জিলাৰ শদিয়া নামৰ চহৰখনি চোৱাৰ হেঁপাহ সৰুৰে পৰা মনত পুহি ৰাখিছিলো। সুবিশাল ব্রহ্মপুত্র পাৰ হৈ পোৱা শদিয়াৰ সৎফুলবোৰনো কেনেকুৱা? ক'ত লাগি থাকে? ..... ইত্যাদি কথাই সৰুৰেপৰাই অনুসন্ধিৎসু কৰি তুলিছিল মোৰ মনটো..... অৱশেষত যেনিবা মোৰ ভাগ্য উদয় হ'ল ৰিং এটাৰ বাট শদিয়ালৈ যাবলৈ সুবিধা এটা পালো। ডিব্রুগড়ৰ পৰা তিনিচুকীয়া হৈ শদিয়ালৈ প্রায় ৪/৫ ঘণ্টামান লাগে বুলি গম পাই ভালেই পালো তথাপিতো অলপ ভয় ভয়ো লাগিছিল ..... এক সপ্তাহৰ বাবে কলেজৰ ল'ৰা-ছোৱালী লৈ ব্রহ্মপুত্র পাৰ হৈ শদিয়াৰ মানুহবোৰৰ মাজত থাকিবলৈ যোৱা সাতদিনৰ বাবে ঘৰৰ গৃহস্থৰ ওপৰত ঘৰৰ সমস্ত দায়িত্ব এৰি থৈ যোৱা ইত্যাদি এশ এবুৰি চিন্তাই মনটোক বেৰি ধৰিলে..... ভাবিলো ভাৰতৰ বিভিন্ন ঠাই ফুৰাৰ অভিজ্ঞতা আছে যেতিয়া কোনো কথা নাই, নিশ্চয় পাৰিম ..... পাৰিবই লাগিব..... সেয়েহে সাহস গোটালো। তাতে ভাতৃ বিশ্বই (শদিয়াৰ বাসিন্দা) সকলো ক্ষেত্রতে সহায় কৰিম বুলি আশ্বাস দিয়াত মনোবল বাঢ়িল। ছাত্র-ছাত্রীসকলৰ মাজত দেখা মনৰ উদ্যম, স্ফূর্তি, একতা আদিয়ে মোক আৰু উৎসাহিত কৰি তুলিলে। শাৰীৰিক আৰু মানসিকভাৱে প্রস্তুত হৈ মই শদিয়ালৈ বুলি টালি-টোপোলা বান্ধিলো.....

ফেব্রুৱাৰী মাহৰ সেমেকা বতৰৰ কোমল পুৱাটিত মই গৈ যেতিয়া কলেজ পাওঁগৈ তেতিয়া ইতিমধ্যেই বন্দোৱস্ত আছিল। সময় তেতিয়া পুৱা ৮ বাজিছে। ল'ৰা-ছোৱালীবোৰে ইতিমধ্যেই তেওঁলোকৰ বেগসমূহ বাহখনৰ ওপৰত উঠালে। গতিকে বিলম্ব নকৰি আমি আমাৰ ২৯ জনীয়া, দলটোৱে যাত্রা আৰম্ভ কৰিলো। যাত্রা শব্দটো এই কাৰণেই উল্লেখ কৰিছো..... যে মই ভবাতকৈ আশা কৰাতকৈ এই যাত্রা সঁচায়ে এক অনন্য আছিল..... মোৰ বাবে.....

প্রায় এক ঘণ্টামানৰ মূৰত আমি আহি তিনিচুকীয়া চহৰ সোমালোহি। ইতিমধ্যে কিনকিনীয়া বৰষুণ এজাক আৰম্ভ হৈছিল। সেই বৰষুণৰ মাজতেই বাহৰ পৰা আমি আটায়ে নামিব ধৰিলো। বৰষুণজাকৰ বাবে নামিয়েই মই ফুটপাথৰ দোকান এখনলৈ গৈ ছোৱালীবোৰকো তেনেকৈ আশ্রয় ল'বলৈ কলো। ভাবিলো বৰষুণজাক কমিলে থানঠিত লগাব লাগিব সিহঁতক, কিন্তু হেণ্ডিমেনৰ উৎপাতৰ কোবত উপায়ন্তৰ হৈ ল'ৰাবোৰক বাহৰ ওপৰৰ পৰা বস্তুবোৰ নমাবলৈ ক'লো। কথামতেই কাম। ওপৰৰ পৰা বস্তুবোৰ এটা দুটাকৈ সিহঁতে নমাবলৈ ধৰিলে। তেতিয়াহে মোৰ চকুত পৰিল ..... প্রকাণ্ড প্রকাণ্ড হল্ডল পোন্ধৰটা, কোৰিয়ান কম্বলৰ ঠাক, অন্যান্য সৰু সৰু বেগবোৰ..... মুঠৰ ওপৰত প্রায় ৪০/৫০ টা বিভিন্ন প্রকাৰৰ বেগ, বেগৰ



পাহাৰটো দেখি মোৰ চকু কপালত উঠিলগৈ। ভবাই নাছিলো ইমানবোৰ টোপোলা হ'ব বুলি। এটা হল্ডলটো চাৰিটাই দাঙিব লগা অৱস্থা....., সেই ঠাণ্ডাটো মোৰ মূৰটো গৰম উঠি গ'ল..... এইসোপা বেগ লৈ কেনেকৈ টুকুৰা-টুকুৰিকৈ বাহত যাব পাৰি বাৰু??? উপায়ো নাই? পিছে ল'ৰা-ছোৱালীবোৰৰ ধৈর্য্য, শৃংখলিত কর্ম আৰু মনৰ স্ফূর্তি দেখি মোৰ মনৰ খং মনতে মাৰ গ'ল। আমাক তাতে নমাই বাহখন গুছি যোৱাৰ লগে লগে বৰষুণজাকো ক্রমান্বয়ে বাঢ়িবলৈ ধৰিলে ..... আটায়ে বৰ বিবুদ্ধিত পৰিলো ..... ইমানসোপা বেগ লৈ ৰাস্তাৰ কাষৰ দোকানত সোমাবলৈও বেয়া.... এৰি থৈ যাবলৈও ভয়..... ইফালে ফেৰ্‌ফেৰিয়া বতাহজাক ..... ছাতি নিছিলো যদিও বেগত সোমাই থকাত সেই মূহুর্ত্তত উলিয়াই ল'বলৈও অসুবিধা হ'ল। উপায় নাপাই বৰষুণৰ মাজেৰেই আমি টালি-টোপোলাসহ ফুটপাথৰ ওপৰেদিয়েই তিনিচুকীয়া বাহ আস্থানৰ ভিতৰত ৰৈ থকা আমাৰ ২ য় খন বাহলৈ বুলি আগবাঢ়িলো.... তিনিশ মিটাৰ মান টালি-টোপোলাসহ আটায়ে খোজ দিব লগা হ'ল।

১১-৩০ বজাত যাবলগীয়া বাহখনত ইতিমধ্যেই অন্যান্য যাত্রীবোৰ উঠিবলৈ আৰম্ভ কৰিছিলেই..... ল'ৰাহঁতে পুনৰ সিহঁতৰ বেগবোৰ দ্বিতীয়খন বাহৰ ওপৰত উঠাবলৈ আৰম্ভ কৰিলে। দুটামানে তলৰপৰা দাঙি দিছে..... মাজতে থকা দুটাই তাক বাহৰ একেবাৰে ওপৰত থকা হেণ্ডিমেনক বেগবোৰ চমজাই আছে..... হঠাতে প্রকাণ্ড হল্ডল এটাৰ পৰা গাৰু এটা ওলাই তলত পৰিবলৈ ধৰোতেই তলত ৰৈ থকা অন্য এজন যাত্রীয়ে থাপ মাৰি ধৰিলতহে ৰক্ষা। বস্তুবোৰ উঠা-নমা কৰোতে সেই প্রকাণ্ড মানুহ চাৰিজনে কঢ়িয়াই অনা হল্ডলটো খুলি যোৱাত অঘটনটো ঘটিল। হেণ্ডিমেনজনে মেল খাই যোৱা হল্ডলটোৰ ওপৰত অন্যান্য বেগবোৰ দি অস্থায়ীভাৱে সমস্যাটোৰ সমাধান কৰিলে ..... ক্ষণিকৰ বাবে সকলোৱে স্বস্তিৰ নিশ্বাস পেলালে।

তিতা কাপোৰ-কানিৰে বাহৰ ছিটত চেপা খাই বহি যোৱা কিমান কষ্টকৰ সেয়া ছাগৈ বহলাই নকলেও হ'ব। তাতে দুই ছিটৰ মাজৰ ব্যৱধান ঠেক হোৱাৰ আৰু অসুবিধাৰ সৃষ্টি কৰিলে। গৰম চাহ একাপৰ বৰকৈ প্রয়োজনবোধ কৰিলো। কিন্তু তলৈ নামি গৈ খাই আহিবলৈও দিগদাৰ । যাত্রীৰ ভিৰো বাঢ়ি গৈ আছিল। কাৰণ ধলা ঘাটলৈ যাবলৈ সেই সময়ত কেৱল সেইখনেই Connecting বাহ... সেইখনত গৈ ব্রহ্মপুত্র পাৰ হৈ আকৌ সিপাৰৰ Connecting বাহত উঠি শদিয়া পাওঁতে প্রায় ৫.৩০ মানেই বাজেগৈ বোলে। গতিকে দিনে-পোহৰে ঘৰ সোমাব বিচৰা সিপাৰৰ মানুহবোৰে বাহখন ভৰি পৰিল। লৰচৰ হ'ব নোৱাৰা অৱস্থা..... অৱশ্যে ডুমডুমা, কাকপথাৰ ইত্যাদি ঠাইৰ মানুহো আছিল বাহখনত। গতিকে তপত চাহৰ সোৱাদ মনতে ৰৈ গ'ল। আগদিনা মোৰ একমাত্র ল'ৰাটোৱে হেণ্ডবেগটোত ভৰাই দিয়া uncle chips দুটাকে উলিয়াই ললো খাম বুলি। ভাবিলো ঠাণ্ডা বতৰত গৰম পকৰীৰ সলনি এইটোকে খোৱা যাওক..... কি যে মজা লাগিল তাৰে এডুখৰি মুখত লৈ সেইদিনাখন অনুভৱ কৰিলো..... ল'ৰা-ছোৱালীবোৰে কিয় ইমান chips খাই ভাল পায়। প্রথম পেকেটটো শেষ হওঁ হওঁ হৈছিলহে, তেনেতে পিছফালে বহি যোৱা প্রায় আঠ বছৰমান ল'ৰা এটাৰ কান্দোন আৰম্ভ chips বিছাৰি.... ল'ৰাৰ মন। তাতে মোক খোৱা দেখিলে। তাক এৰি মাক তললৈ যাবলৈও টান পাইছে chips কিনিবলৈ। সেয়েহে মোৰ ওচৰত থকা ইটো পেকেট তাক দিবলৈ বাধ্য হ'লো। লগত লৈ যোৱা পানীৰ বটলটো খুলি পানীকে খাবলৈ ধৰিলো। তাতো বিপদ.... বাহৰ ভিতৰৰ ওপৰৰ Carrier ৰত ঠাহ খাই থকা বেগবোৰৰ মাজৰ পৰা পলিথিনৰ বেগ এটা আহি মোৰ মূৰৰ ওপৰতে পৰিলহি। অকস্মাতে ঘটনাটো ঘটা বাবে মই খাবলৈ লোৱা পানীৰ বটলটো ছিটিকি তলত পৰিলগৈ.... মনত বিভিন্ন বেয়া ভাৰে জুমুৰি দি ধৰিলে। সেমেকা বতৰে মোৰ মনটোও সেমেকাই তুলিলে। মনে মনে নেদেখাজনৰ ওচৰত প্রার্থনা জনালো যাতে তেৰাই ভালে কুশলে আমাক নির্দ্দিষ্ট ঠাই পোৱাইগৈ .....

মাকুম পাৰ হৈ বাহখন ডুমডুমা সোমোৱাৰ লগে লগে বৰষুণজাক এৰিবলৈ ধৰিল। ভাবিলো খিৰিকিখন খুলি দিও বুলি। পিচে বিফল হ'লো..... খিৰিকিৰ গ্লাচ নুখুলে, ... জাম লাগি থকা বাবে। উপায়ন্তৰ হৈ তেনেদেৰেই বহি থাকিলো। পাছৰ ছিটবোৰত বহা ল'ৰা-ছোৱালীবোৰক ভিৰৰ বাবে চোৱাৰো উপায় নাছিল। মাথোন সিহঁতৰ কথাবোৰহে কাণত পৰিছিলহি। কথাবোৰৰ পৰা গম পালো সিহঁতে ঠিকেই enjoy কৰি গৈছে।

প্রায় ডেৰ ঘণ্টামান যোৱাৰ পাছত ঢলাগেট পালোগৈ। ঈশ্বৰক ধন্যবাদ যে বতৰো বহুত মুকলি হ'ল। তাৰ পৰা সোঁহাতে ফাটি যোৱা বাটটোৱেদি আমাৰ বাহখন আগবাঢ়িল ৰাস্তা তেনেই বেয়া। শিলগুটি দিয়া। ঠায়ে ঠায়ে গাঁত। মোৰ কাষতে বহা মানুহগৰাকীয়ে হঠাতে তেওঁৰ চাদৰৰ আঁচলেৰে নাক-মুখ ঢাকি লোৱা দেখি মই আচৰিত হ'লো। ভাবিলো বন্ধ বাহত কিবা গোন্ধ ওলাইছে কিজানি??? কিন্তু উৰহী গছৰ ওৰটো অলপ দূৰ যোৱাৰ পাছতহে বুজি পালো। বাহখন যেন ধূলিৰ গুহা এটাৰ ভিতৰলৈহে যেন সোমাই গৈছে। এনে লাগিল। চাৰিওফালে কেৱল ধূলি আৰু ধূলি। লাহেকৈ মইও ষ্টলখনেদি নাক-মুখ ঢাকি ল'লো। ঢলা-শদিয়া দলঙৰ কাম চলি থকাৰ বাবে ৰাস্তা নির্মাণ কৰিবলগীয়া



হোৱাত এনেবোৰ ধূলিৰ উৎপাত যাত্ৰীসকলে সদায়েই ভোগ কৰিবলগীয়া হয়। ধূলিৰ মাজেৰে আগবাঢ়ি যোৱা আমাৰ বাছখনে প্ৰায় ১-৪৫ মান বজাত আমাক ঢলাঘাট পোৱালেগৈ।

বৰষুণৰ পাছত মুকলি হোৱা বতৰত সন্মুখত ৰৈ থকা ফেৰীবোৰ দেখি পাই ল'ৰা-ছোৱালীবোৰ চিঞৰি উঠিল বাছৰ পৰা মুকলি বতাহ ল'বলৈ। দলং চাবলৈ গোটেই মখাই উৎপাত লগালে। পিছে মোৰহে চিন্তা লাগিল। ওপৰত load কৰি থোৱা বস্তুসমূহক নমোৱাটো লৈ ..... এইবাৰ যে সেইখিনি ফেৰীত উঠাব লাগিব। খোল খাই যোৱা হ্ণ্ডটো ল'ৰাবোৰে নাৰিকলৰ ৰছীৰে অথালি-পথালিকৈ বান্ধি বাছৰ পৰা নমাই চাৰিটাই ধৰি ফেৰীত উঠালেগৈ। বৰষুণে ইতিমধ্যেই বেগবোৰ তিয়াই পেলাইছিল। যাহওঁক এইবাৰ বৰষুণ নাই, বস্তু-বাহানিবোৰ ফেৰীত উঠাই ল'ৰা-ছোৱালীবোৰক ঘাটৰে হোটেলত ভাত খাবলৈ কৈ মইও আন এখন হোটেলত ৰুটী দুখনমান গৰম চাহ একাপেৰে সৈতে খাই ললো। ৰঙা ৰঙাকৈ ভাজি থোৱা বিভিন্ন মাছবোৰ দেখি ভাতেই খাবলৈ মন গৈছিল যদিও ঠাণ্ডা লাগি থকাৰ বাবে নাখালো।

হোটেলৰ পৰা ওলায়েই চকুত পৰিল ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মিয়মান ঢলা-শদিয়া সংযোগী সেই দীঘল দলংখন। মনটো ভাল লাগিল। ইমানদিনে Internet ত দেখা পোৱা সেই বিখ্যাত দলংখন নিজ চকুৰে দেখা পাই মন অভিভূত হৈ পৰিল। ৯.১৫ কিঃমিঃ দীঘল দলংখন অসম-অৰুণাচলৰ সম্বন্ধক যে আৰু সুদৃঢ় কৰিব ই ধ্ৰুৱপ। ল'ৰা-ছোৱালীবোৰে "ছেলফি" তোলাত ব্যস্ত হৈ পৰিল। পিছে বেছি সময় তাত ৰ'বলগীয়া নহ'ল। ফেৰীত উঠিবৰ সময় হোৱাত আমি আটায়ে গৈ টুলুং ভূটুং কৰি থকা ফেৰীত বহিলোগৈ। ছাত্ৰীবোৰে লগত নিয়া তামোলৰ টোপোলা ব্ৰহ্মপুত্ৰৰ বুকুত সভক্তিৰে উচৰ্গা কৰি নেদেখাজনক স্মৰণ কৰিলে।

প্ৰায় ৪০ মিনিটমানৰ পাছত আমি ছৈখোৱাঘাট পালোগৈ। নাৱত বিশেষ একো অসুবিধা নহ'ল যদিও ছানাৱালা এটাৰ ছানা ভাল বিক্ৰী হ'ল আমাৰ ল'ৰা-ছোৱালীবোৰৰ পৰা। কেঁচা বুট, কটা পিঁয়াজ, কটা কেঁচা জলকীয়া, নেমুৰ ৰস, আদাৰ সৰু সৰু টুকুৰা দিয়া ছানাকিটা খাই কিমান যে ভাল লাগিছিল। ঘাটত নাওঁখন ৰখোৱাৰ লগে লগে পুনৰ লৰা-ঢপৰা আৰম্ভ হৈ গ'ল আমাৰ পাহাৰ সদৃশ বেগবোৰ নমোৱাক লৈ। হেন্দোলদোল কৰি থকা নাৱৰ পৰা গধুৰ বেগ নমোৱা কিমান কষ্টকৰ সেইদিনাই বুজি পালো। তাতে বিয়াগোম হ্ণ্ডটো আছেই। পাৰত বস্তুবোৰ থানথিত লগাই থাকোতেই লাগিল আকৌ হুলস্থূল। বিপ্লৱে (laboratory bearer) আহি কলেহি যে Instrument থকা বিভাগীয় বেগটো বিচাৰি পোৱা নাই। মোৰ কাণ-মূৰ গৰম হৈ গ'ল। কি হ'ব এতিয়া? ক'ত এৰা হ'ল বেগটো? সেইটো নহ'লে যে field work সম্ভৱেই নহ'ব?

আমাৰ দু�ৰৱস্থা দেখি হয়তো ভগৱানো সুপ্ৰসন্ন হ'ল। ভাইটি বিশ্বৰ তৎপৰতাত গম পালো ডিব্ৰুগড়ৰ পৰা তিনিচুকীয়ালৈ অহা বাছখনতে বেগটো এৰি অহাৰ কথা। লগতে সি আমাক পাছদিনাই বেগটো আমাৰ হাতত পৰাৰ ব্যৱস্থা কৰি দিয়াৰ আশ্বাস দিলে। এই ছেগতে ভাইটি বিশ্বলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

পাৰত ৰৈ থকা ৩ য় খন বাছত ল'ৰা-ছোৱালীবোৰে পুনৰ বস্তুবোৰ উঠাবলৈ লাগি গ'ল..... বেচেৰাহঁতৰ অৱস্থা কাহিল। কেইবাৰ যে বেগবোৰ উঠা-নমা কৰিবলগীয়া হৈছে??? উপায়ো নাই। তথাপিও সিহঁতৰ মনোবল দেখি মইও সিহঁতক উৎসাহিত কৰিবলৈ লাগি গ'লো। ক'লো "journey to the field" শিৰোনামাত এইবোৰ অভিজ্ঞতাও সন্নিৱিষ্ট কৰিব লাগিব বুলি।

সকলো যাত্ৰীকে উঠাই বাছখনে নিজৰ গতি আৰম্ভ কৰোতে প্ৰায় ৩ মানেই বাজিল। ঘাটৰ পৰা মূল ৰাস্তালৈ উঠিবলৈ লওতেই গাড়ীখনৰ চকা বোকাত লাগি ধৰিল। মূল ৰাস্তাটো ঘাটৰ পৰা



সত্যই কিছুমান মানুহকহে সন্তুষ্টি দিয়ে। — মার্ক টোৱেইন

যথেষ্ট ওখত হোৱাৰ বাবে বাছখনৰ পাছফালৰ অংশটো দাং খাই পৰিল। যাত্ৰীবোৰৰ মাজত চিঞৰ-বাখৰ লাগিল। গাড়ীখন লুটি খাই পৰি যোৱাৰ আশংকা কৰি। বাছখনৰপৰা কিছু যাত্ৰী নামি বাছখন ঠেলাত লাগি গ'ল। অৱশেষত যেনিবা প্ৰায় ১৫ মিনিটমানৰ পাছত বাছখন গৰাটোৰ পৰা মূল ৰাস্তাত উঠিবলৈ সময় হ'ল। ঈশ্বৰক ধন্যবাদ আৰু যে বিশেষ ডাঙৰ একো বিপদ নহ'ল।

তাহানিতে শুনা "গৈ নোপোৱা গাঁৱৰ" উক্তিযাৰ মনত পৰি গ'ল। শদিয়ানো কি? ৰিং এটাৰহে বাট কথাষাৰৰ সত্যসত্যতা ভাবিবলৈ বাধ্য হ'লো। আৰু কিমান দূৰ??ক'ত আছে শদিয়া??? ঘড়ী চাই দেখিলো ৪.২৫ বাজিছে। ইতিমধ্যেই আন্ধাৰ হৈছিলেই। এইবাৰ আৰু ধৈর্য্য ধৰি থাকিব নোৱাৰিলো। বিশ্বক সুধিয়েই পেলালো ..... আৰু কিমান দূৰ??বিশ্ব.. মোৰ মনৰ অৱস্থাটো দেখি বিশ্বই ক'লে "মেম আৰু দুটা ষ্টপেজৰ পাছতে নামিব পাৰিম আমি।" মনটো ভাল লাগি গ'ল। কিন্তু সেই দুটা ষ্টপেজৰ ব্যৱধান যে কমেও আধা ঘণ্টা হ'ব সেইয়া ঘড়ীটো চালতহে বুজি পালো। প্ৰায় পাঁচ বাজিবৰ হ'ল। ছৈখোৱাঘাটত কিনি লোৱা পানীৰ বটলটো খুলি পানী এঢোক খাবলৈ লওঁতেও বিশ্বই পাছফালৰ পৰা চিঞৰিলে, "মেম নামক পালোহি।" বাছখন Circuit House ৰ সন্মুখত ৰ'লগৈ। বাছৰপৰা নামি এটা দীঘলীয়া উশাহ ললো। ৰক্ষা অৱশেষত যেনিবা আমি আমাৰ গন্তব্য স্থান পালোহি।

ইতিমধ্যেই সম্পূৰ্ণ আন্ধাৰ হৈ যোৱাত আমি Circuit House ৰ ভিতৰলৈ বুলি খোজ ললো ভাবিলো বন্দৱস্ত কৰি থোৱা ৰূমত সোমাইয়ে বিছনাত দীঘল দি পৰিম বুলি। পিছে ভবা কথা নহয় সিদ্ধি বাটত আছে কণা বিধি। ছাত্ৰীবোৰৰ নামত alloted Circuit House ৰূমকেইটা বৰ সুবিধাজনক নেদেখিলো। অৱশ্যে সেই সময়ত তাত Govt Guest ৰ সংখ্যাও বেছি হোৱাৰ বাবে বেলেগ ৰূমবো ব্যৱস্থা সম্ভৱপৰ হৈ নুঠিল। পুনৰবাৰ বিবুদ্ধিত পৰিলো। এফালে আন্ধাৰ ৰাতি, আনফালে ভোক আৰু ভাগৰ কি যে কৰো?? পিছে ভাইটি বিশ্বই পুনৰবাৰ মোক সকাহ দিলে। আমি অধ্যয়ন কৰিবলগীয়া গাঁওখনৰ ওচৰতে Forest Dept. I.B (Inspection Bunglow) থকাৰ কথা কোৱাত তেওঁলোকক লগত লৈ মই তালৈ বুলি ৰাস্তা হ'লো.... ঈশ্বৰক ধন্যবাদ যে আমি বিচৰা ধৰণেৰে I.B টো উপযোগী আছিল। ল'ৰা-ছোৱালীবোৰে বস্তু-বাহানিবোৰ এখন টেম্পুত লৈ আনি I.B পোৱালেহি। তেতিয়া ৰাতি প্ৰায় ৭ মান বাজিছিল। মনে মনে গালো .... শদিয়ানো কি ৰিং এটাৰ বাট। ৰাতিপুৱা ৮ বজাৰ পৰা ৰাতি ৭ বজালৈকে কৰা এই অবিৰত যাত্ৰাৰ যেনিবা অৱশেষত সামৰণি পৰিল। ভাগৰি পৰা মোৰ শৰীৰটোৱে পাছদিনাখন শদিয়াৰ সৎফুলবোৰ চোৱাৰ হেঁপাহ মনতে পুহি ৰাখিলো।



"প্রত্যেক দিনেই জীৱনৰ শেষ দিন বুলি কাম কৰি যোৱা।" — জিম কৰবেট

মাছ, সপোন আৰু বৰষুণ

সুদীপ্ত শঙ্কৰ বৰা

মেটেকাবোৰৰ মাজে মাজে দুই-এডাল দল গজি উঠিছে। বৰশীৰ ডাঁৰিডালৰ আগটোৰে সি মেটেকাবোৰৰ আহ-পাহবোৰ মুকলি কৰি দিলে আৰু একে আপাহতে বোকাবোৰো ঘোদালি দিলে। বানপানীত হেলিকপ্টাৰেৰে সাহায্য দিয়াৰ দৰে সি টোপটো পানীৰ মাজলৈ সুমুৱাই দিলে। বাপেকলৈ তাৰ মনত পৰিল, দলবোৰৰ দৰে দাঢ়ি থকা বাপেকলৈ, যি তালৈ সদায় আবেলি কিবা নহয় কিবা এটা আনিছিলেই, অতি পৰম আগ্রহত।

সি বৰশীত আমৰলিৰ টোপ গাঁঠি দিছে। তাৰ চকু থৰ হৈ আছে পুঙাটোৰ ওপৰত, যিটো সমকোণীয়াকৈ পানীৰ মাজত টোপনি গৈ আছে। খুউব যেন আত্মীয় এনে ভাবত মেটেকাবোৰ পুঙাটোৰ ওচৰলৈ চাপি-কুঁচি গৈছে।

পুঙাটো নিশ্চয় এজন সন্ন্যাসী, যি কিবা এটা বৰ পোৱাৰ আশাত পানীৰ মাজত থিয় হৈ ধ্যান কৰি আছে। মেটেকাবোৰ অপেশ্বৰী হৈ সন্ন্যাসীৰ ধ্যান ভংগ কৰিবলৈ চেষ্টা কৰি আছে, কিন্তু পৰা নাই। কিন্তু অৱশেষত তেখেতৰ চিত্ত হৰণ কৰিব। যদি সেই দিপলীপ্‌জনী এটা বৰালি মাছেই হয় - সি ভাবিলে।

সি জানে আমৰলিৰ টোপত বেছিকৈ মাগুৰহে খুটিয়ায়হি। বৰালি মাছৰ কথা মনত পৰোঁতে তাৰ বাপেকৰ চকুহাললৈ মনত পৰি গ'ল, যিকেইটা বৰালিৰ পিঠিটোৰ দৰেই সম্পূর্ণ ঢেলা আছিল 'ঢেলা চকু'। তাৰ হাঁহি উঠি গ'ল। তাৰ বাপেকে মাজে সময়েহে মদ খাইছিল, অথচ ঢেলা চকু।

পুঙাটো কঁপি উঠিল। আকৌ নিস্তব্ধ, আকৌ কঁপি উঠিল। অলপপৰৰ পিছত সম্পূর্ণ অৱশ হ'ল। সি উত্তেজনাহীনভাৱে বৰশীটো দাঙি আনিলে। কোমল আমৰলিৰ টোপটো সৰি পৰিল। হয়তো মিছামাছে খালে, এই মিছামাছবোৰৰ ওপৰত তাৰ খংটো ভমক্‌কৈ উঠিল। সিহঁতৰ কোনোবাটো হয়তো মার্বল খেলৰ বাবে ভৰিৰ গোৱোহাৰে আটোম-টোকাৰিকৈ কৰা গাঁতটোত পেট পেলাই শুই আছে, দুটামান হয়তো 'ৰঙা'ৰ ফটা খুৰাৰ খোজৰ খাজে খাজে আউজি আছে। তাৰ স্পষ্টকৈ মনত আছে। খৰালিৰ দিনকেইটাত সি আৰু তাৰ ভায়েকৰ লগৰ ৰঞ্জিত, হেমন্ত, ক্ষীৰোদহঁতে তাতে মার্বল টোৱাইছিল। এই বাৰিষা, সি যিজোপা বটৰ তলত পৰম সুখত বৰশী বাই আছে, খৰালিৰ দিনকেইটাত তাৰ তলতে মার্বল টোৱাইছিল, পিছফালৰ বড়া খুড়াহঁতৰ জানৰ লগত চুপতি মাৰিছিল। সিহঁতৰ বাৰীৰ মাটি প্রায় চাৰি কঠা। ঘৰৰ ভেটিটো ওখ। পিছফালৰ মাটিখিনি যথেষ্ট দ, বিশেষকৈ সৰু ঢিপ কৰি পেলাইছে। এই ঢিপটোতে তাৰ মৰমৰ বটজোপা আছে। অলপ দূৰতে, জেওৰাখনলৈকে সিহঁতৰ মাটিৰ সীমা। সিফালে বড়া খুড়াহঁতৰ ঘৰটো ওখ ভেটিটোৰে যথেষ্ট দূৰত। অৱশ্যে এটা পুখুৰী দুয়ো ঘৰৰ জেওৰাৰ নাতি দূৰত আছে। তাত প্রতিবছৰে খুড়াই নানা মাছৰ পোনা মেলি দিয়ে। বাৰিষা পানীৰে গোটেইখন উপচি পৰিলে পুখুৰীটো, সিহঁতে মার্বল খেলা ঠাইটুকুৰা, মার্বল খেলৰ গাঁতটো, বড়া খুড়াহঁতৰ 'ৰঙা'ই 'চোৰ-চোৰ' মনেৰে সন্তর্পণে দিয়া খোজকেইটা ইত্যাদি ইত্যাদি সকলোৰে চিন-মোকাম নাইকিয়া হয়। খুড়াৰ পুখুৰীৰ বৌ-বৰালি, কুঢ়ি সকলো পিটনিডৰালৈ ঢাপলি মেলে আৰু পিটনিৰ চেঙেলী গৰৈ আদিবোৰে খুড়াৰ পুখুৰীত পিক্‌নিক্ পিক্‌নিক্ খেলে। খুড়া সৰল

মাতৃয়ে নিজৰ সন্তানক যেনেকৈ ভাল পায়, ঠিক তেনেদৰে সমগ্র পৃথিৱীখনকে ভাল পাবলৈ শিকিবা । — বুদ্ধদেৱ

যিমান তাতোকৈ বেছি উদাসীন। সেইবোৰ লৈ মন-কাণ নিদিয়ে। খুড়া আকাশৰ দৰে - সি কল্পনা কৰে।

বাৰে বাৰে আমৰলিৰ টোপ গাঁঠি দিছে আৰু বাৰে বাৰে সৰি পৰিছে। এনেদৰে আৰু নোৱাৰি। এইবাৰ সি বৰলৰ টোপ এটা গাঁঠি দিলে, খুড়াৰ পুখুৰীৰ জিৰণীয়া কুঢ়ি এটা ধৰা পৰেই কিজানি। সি কালিয়েই বোপাইদেউৰ গোহালিৰ পৰা বৰলৰ টোপ এবাঁহ আনি থৈছে।

'এই টোপটোৰ যদি এটা কুঢ়ি ধৰিব পাৰোঁ, তেন্তে সেইটো কাক দিম বাৰু? ছেঃ কটা, গণ্ডগোলেই লাগিল নহয়।'

সি তাৰ নিজৰ কাণ দুখনে শুনাকৈ অলপ ডাঙৰকৈ ক'লে। সি জানে, তাৰ মাক এই ভৰ দুপৰীয়া পাটীত পৰি আছে। ওচৰত কোনো নাই। গতিকে ডাঙৰ এযাৰ কথা নিজৰ লগত পাতোতেনো কিহৰ লাজ। বগলী এটাই অলপ দূৰতে পানীলৈ ৰ' লাগি চাই আছে অৱশ্যে।

অদৰকাৰী কথা কিছুমান ভাবি ভাবি তাৰ মগজটো ঘোলা হৈ গ'ল। পকেটত বিড়ি এমুঠি আছিল। তাৰ এটা উলিয়াই জ্বলাই ল'লে। বটজোপাৰ গাতে আউজি বহিল। ওপৰেৰে দুটা বগলী উৰি গ'ল।


'হকে বিহকে ক'ত যায় জানো এইজাক!' 'কি কৰ কৰি থাক ভাই। মাত্র বেয়া কামফেৰা নকৰিবিহঁক দেই মোৰ মূৰৰ ওপৰত।' বটজোপাৰ অলপ ওপৰত ৰমলিয়াই থকা কাউৰী দুটালৈ চাই সি ক'লে।

পৰহি পলাশ আহিছিল। সি বি.এ. পাছ কৰি উঠিছে। এম.এ. পঢ়িবলৈ যাব হেনো। তাৰো এম.এ. পঢ়িবলৈ খুব মন আছে। বি.এ.ৰ পিছত এবছৰ ঘৰতে শুই-বহি কটাই তাৰ আমনি লাগিছে। সি জানেও এম. এ.টো পাছ কৰিলেই গাঁৱৰ এম.ভি. স্কুলখনৰ খালী হৈ থকা পদটোত সোমাব পৰা যাব। মাকক কথাটো সুধি চাইছিল। মাকে সিমান এটা গুৰুত্ নিদিলে। তেওঁৰ মতে গাঁৱতে খেতি খোলা পাতিলেই সকলো চিজিল লাগিব।

সি বিড়িটোত দীঘল দীঘলকৈ দুটা হোপা মাৰিলে। ফিৱ্‌ফিৰীয়া বতাহ এজাক মাৰি আছে। বিড়িটো দুগুণে জ্বলি উঠিছে। বতাহজাকো ঘন হৈ আহিছে।

মূৰটো সোঁহাতৰ ফালে সামান্য বেঁকা কৰাত সি এটা ঘৰ দেখা পালে, জানহঁতৰ ঘৰ, যিটো ঘৰত এখন খিৰিকী আছিল, খিৰিকীত এখন মুখ আছিল, যিখন মুখ জানৰ বাদে আনৰ কাৰোৰে নাছিল। সি তাইলৈ চাই তাইক জোকোৱাৰ বাবে বিড়িটোত আৰু দুটামান হোপা মাৰি দেখুৱালে। খিৰিকীখনৰ পৰা এখন হাত ওলাই আহিল, এটা থাপৰ মৰাৰ ভংগিমাত। যিখন হাতৰ মালিকনীয়ে তাৰ বিড়ি খোৱা স্বভাৱটো দেখিব নোৱাৰে আৰু যিখন হাতৰ মালিকনীক সি ভাল পাবলৈ আৰম্ভ কৰিছে। সি বিড়িটো দলিয়াই দিলে আৰু লাহেকৈ এটা হাঁহি মাৰি দিলে।

কোন টলকতনো পুঙাটো পানীৰ মাজত বুৰ গৈ আছে, সি



বন্দুকৰ গুলীয়ে আদর্শক কেতিয়াও হত্যা কৰিব নোৱাৰে — জ্যোতি প্রসাদ আগৰৱালা

গমকে নাপালে। নিশ্চয় এটা ডাঙৰ মাছ। ডাঁৰডাল তাৰ মাকৰ ফালৰ আজো আইতাকৰ পিঠিটোৰ দৰে ধেনুভিৰীয়া হৈ পৰিছে। সি চিপ্ মাৰিলে। লাহেকৈ ডোলডাল পুনৰ পানীৰ মাজলৈ কোঁ-কোঁকৈ সোমাই গ'ল। সি হাতখনত এটা টন্টননি আৰু লাওখোলাৰ পিছফালে চুলিবোৰৰ মাজতে এটা জিন্‌জিননি অনুভৱ কৰিলে। কাণ দুখনৰ লতি দুটা গৰম হৈ উঠিল। সি এবাৰ টানিলে .... এবাৰ ঢিলাই দিলে ..... এবাৰ টানিলে ..... এবাৰ ঢিলাই দিলে। পানীত কঁপনি উঠিছে। তাৰ চকুৰ গুৰিত পানীৰ ভিৰ। তাতো কঁপনি উঠিছে। কপালত বিন্দু বিন্দু ঘাম। সমগ্ৰ দেহত এক অজান উৎকণ্ঠা, যিটো হয়তো চিৰ-আকাংক্ষিত। হাতৰ পেশীত টনটনোৱা আন্দোলন। এক মায়াৰী পৰিৱেশে তাৰ সমগ্ৰ সত্তাক জাৰি-জোকাৰি গৈছে। অলপ আঁতৰেৰে সি নাম নজনা চৰাই এটা সশব্দে উঠি গৈছে। চাৰিওফালে কিবা এক ৰহস্যৰ আৱেশ।

মাজতে একোবত সি জোৰেৰে এটা চিপ্ মাৰিলে। ৰ'দত জিলিকি উঠা এটা কাৰুকার্য খচিত দেহাৰে এহাত দীঘল কুঢ়ি এটা বনৰ পাতবিলাকক চঞ্চল কৰি ছটফটাই পৰি আছে। তাৰ কোৱাৰিয়েদি বৰশীৰ এটা মূৰ ফালি ওলাই আহিছে। ভায়েক, মাক আৰু তাৰ নিজৰ বাবে ধুনীয়াকৈ আঁতি যাব।

কচুপাতখিলাৰ মাজতে মাটিৰ চপৰা কেইটামানৰ মাজতে কেঁচু কেইডালমান সি আনি থৈছে। তাৰ এটা অংশও সি ব্যৱহাৰ কৰা নাই। এতিয়া অন্ততঃ সি সিহঁতক ব্যৱহাৰ কৰিব পাৰিব মুকলিমুৰীয়াকৈ।

সি আকৌ আউজি বহিল। বিড়ি এটা আকৌ জ্বলাই ল'লে। খিৰিকীখনত সেই বিশেষ মুখখন নাই। সি সেই মুখখনক ভাল পায়। তাই যেন এজনী কুঢ়ি মাছ। সি কল্পনা কৰি ভাল পালে। সি আকাশখনলৈ চালে, যিখনৰ এটা চুকত অলপমান ডাৱৰ গোট খাইছেহি। সি যেন ক'ৰবাত এটা ৰস পাইছে। তাৰ দেউতাকৰ চকু দুটা ৰঙালি মাছৰ দৰে, জানজনীৰ মুখখন কুঢ়ি মাছৰ দৰে, সি নিজে কি সি নাজানে। কিন্তু সি জানে কচুপাতখিলাৰ মাজতে যিকেইডাল কেঁচু জোঁট-পোঁট লাগি কিল-বিল কৰি আছে, সেইকেইডাল আচলতে তাৰ মাক। সি বহুদেৰিলৈকে ভাবি চালে। সি বাৰু এইবোৰৰ মাজতে কোনটোনো হ'ব। ৰৰশীটো হ'ব নেকি বাৰু? নে ৰৰশীৰ টোপকেইটা? সি ৰৰশীৰ টোপ হ'ব নোৱাৰে, কাৰণ ৰৰশীৰ টোপকেইটা ইতিমধ্যে সি জানৰ বাবে অনা কিতাপ দুখন, তাৰ বিড়িৰ ধোঁৱা, মুখৰ হাঁহি ইত্যাদি ইত্যাদি বুলি চিনাক্ত কৰিছেই। সি বাৰু কাইলৈ পিটনিডৰাত ঢেলপুঙা দিবলগীয়া গৰৈ মাছটো নেকি, যাৰ কোনো ভৱিষ্যৎ নাই .. সি ভীষণ ভয় খালে।

কেতিয়ানো আকাশত ডাৱৰে সভা পাতিলেহি সি ক'বই নোৱাৰিলে। ঢোঁৰা সাপ এডাল পানী ফালি আগুৱাই গৈছে। 'আকাশত ডাৱৰে দেখা দিলেহি যেতিয়া আৰু এতিয়া মাছে টোপত মুখ দিয়াৰ কোনো লক্ষণেই নাই।' সি জানে।

ৰৱষুণজাক আহিবলৈ এতিয়াও অলপ সময় বাকী। এটা বিষন্ন আবেলি যে তাৰ বাবে ৰৈ আছে, সেইটো বুজিবলৈ আৰু বাকী নাথাকিল। ফিৰ্‌ফিৰীয়া বতাহজাক তীব্রতৰ হৈ উঠিছে। সি সময়ছোৱা উপভোগ কৰিছে।

সি অলপ সময়ৰ আগতে বড়া খুড়াক আকাশৰ লগত কৰা ৰিজনিটো অতি ডাঙৰকৈ 'আনে শুনিলেও শুনক' -- এনে ভাবেৰে নাকচ কৰিলে। খুড়া যদি আকাশেই হয়, তেন্তে কোন সময়তনো ডাৱৰ আগুৰি ধৰিব তাৰ কোনো পাট্টা নাই আৰু যদি তেনে হয়ো, সি জানে, সি তাৰ কুঢ়িজনীৰ মানে জানজনীৰ হাতখন কোনো কালে নাপাব।

সি বিড়ি মুঠি পানীলৈ দলিয়াই দিলে। অলপ সময়ৰ আগতে সি মনতে কৰা ৰিজনিবোৰ খুব ডাঙৰকৈ চিঞৰি নাকচ কৰিবলৈ মন গ'ল। অথচ, সি চিঞৰিবও নোৱাৰে, মানুহে তাক হাঁহিব। এই মুহূর্ত্তত তাৰ দেউতাকলৈ পুনৰ মনত পৰি গ'ল, যাৰ চকু দুটা আছিল ৰঙালি মাছৰ পিঠিটোৰ দৰে ঢেলা, কিন্তু যিজনে আনন্দেৰে নিজৰ জীৱন কটাই দিলে। সি তাৰ দেউতাকৰ দৰেই এটা সৰল জীৱন জীব খোজে। কিন্তু সি নাজানে, তাক পৃথিৰীয়ে তেনে এটা জীৱন জীয়াই থাকিবলৈ দিব নে নিদিয়ে। দেউতাকলৈ তাৰ চেৰেং চেৰেঙকৈ মনত পৰিছে। যি তালৈ প্রত্যেক আবেলিয়ে আনিছিল এটা লজেন্স গুটি অথবা হৰিনামৰ দোকানৰ এটা লবঙ্গ, যিবোৰ আছিল তাৰ বাবে নিত্য নতুন। বড়া খুড়াই জানজনীৰ হাতখন তাৰ হাতত দিব নে নাই সি নাজানে, কিন্তু সি জানে এই আহিবলগা আবেলিতেই স্বর্গীয় দেউতাকে তাক দিব এটা সৰল জীৱনৰ অনন্য আকাংক্ষা।

'বোপাই, ঘৰৰ ভিতৰলৈ সোনকালে ব'ল। দীঘলঠেঙীয়াৰ ঠেংবোৰ গধূৰ হৈ আহিছে। সাপৰ দেহৰ দৰে চেঁচা এটা মাত অঁকাই-পকাই ভাঁহি আহিল। সি ঘূৰি চালে। সি য'ত আউজি কল্পনাৰ সাগৰত উটিছে, ভাঁহিছে, তাৰ ঠিক অলপ দূৰতে থিয় হৈ আছে। কেঁচুৰ দৰে কোঁচ-মোচ খাই থকা, জেকা-মাটিৰ দৰে নিস্তেজ, তাৰ দুখুনী আই। খুড়া যদি আকাশেই হয়, তেন্তে কোন সময়তনো ডাৱৰে আগুৰি ধৰিব তাৰ কোনো পাট্টা নাই আৰু যদি তেনে হয়ো, সি জানে, সি তাৰ কুঢ়িজনীৰ মানে জানজনীৰ হাতখন কোনো কালে নাপাব।

যি নিজৰ দেশক ভাল নাপায়, সি একোকে ভাল পাব নোৱাৰে । — বাইৰণ



তর্পন

ডঃ আশুতোষ ভট্টাচার্য্য
গণিত বিভাগ

গৰম বন্ধৰ পিছতে কলেজ খুলিছে। কিন্তু ক্লাছ পাতি হোৱা নাই। ছাত্র-ছাত্রীৰ ভর্ত্তি চলি আছে। অহা সপ্তাহৰ পৰা ক্লাছ আৰম্ভ হ'ব বুলি অধ্যক্ষ মহোদয়ে জনাইছে। গতিকে কমন ৰুমত প্রতিদিনে গৈ হাজিৰা বহীত চহী কৰি কলেজত অলপ বহি ঘূৰি আহোঁ। কেতিয়াবা দবা খেলিবলৈ বহি যাওঁ কমন ৰুমত। এদিন, তেনেদৰে বহি আছোঁ কমন ৰুমত। অধ্যাপক এজনৰ লগত কথা পাতি আছোঁ। এনে সময়ত কলেজৰ বেহাৰাজন আহি মোৰ ওচৰ চাপিলে, "আপোনাক মাতিছে Sir ।" "কোনে?" মই ল'ৰাজনৰ মুখলৈ চালো।

'বাহিৰত ল'ৰা এজনে আপোনাক মাতিছে।' -- মই বাহিৰলৈ আহিলো। দেখিলো সঁচাকৈ কমন ৰুমৰ সন্মুখত ল'ৰা এজন থিয় হৈ আছে। মই ভাবিছিলো নিশ্চয় ভর্ত্তি হোৱাৰ বাবেই ল'ৰাজনে মোক লগ ধৰিব খুজিছে। প্রত্যেক বছৰেই ল'ৰাজনে মোক লগ ধৰিব খুজিছে। প্রত্যেক বছৰেই এনে হৈ থাকে। সময় মতে ফর্ম জমা দিয়া নহয় নাইবা ভর্ত্তিৰ চিট নাপাই ছাত্র-ছাত্রীবোৰে অধ্যাপকক লগ ধৰে, কিজানি বা ভর্ত্তিৰ সুবিধা পায়। মইও ল'ৰাজনক তেনেই ভাবিছিলো। কিন্তু ল'ৰাজনৰ কথা শুনি মই আচৰিত হ'লো। "মই Sir আপোলোকৰ কলেজত স্নাতক শ্রেণীৰ প্রথম মহলাত নাম লগাইছো।"

"কি কম্বিনেছন তোমাৰ?"

"ফিজিক্স, ম্যাথমেটিক্ছ আৰু কেমিষ্ট্রি। ম্যাথমেটিক্ছত মেজৰ লম বুলি ভাবিছো।'

মই ভালকৈ ল'ৰাটোৰ মুখলৈ চালো। সুধিলো -- "তোমাৰ নাম কি?"

"অনিল শর্মা"

মোৰ মনত পৰিল যে ২ দিন আগতে Major বিচাৰি ছাত্র-ছাত্রীৰ যি বাছনি হৈছে তাত অনিল শর্মা নামটো পাইছো। বাছনি তালিকাত ল'ৰাৰ নামটো প্রথমতেই আছে। মই হাঁহি কলো "মেজৰ দিয়াৰ বাছনি তালিকাত তোমাৰ নামটো প্রথমেই আছে।"

"হয় Sir"

'তেন্তে?' মই ভাবিব নোৱাৰিলো আৰু কি কাৰণত ল'ৰাজনে মোক লগ ধৰিছে।

এয়া , Sir অংক কেইটা যদি চাই দিয়ে, ল'ৰাজনে বহী এটা আগবঢ়াই দিলে।

'কি অংক?'

'স্নাতক শ্রেণীৰ। মেজৰ বিষয়ৰ।'


'কিন্তু তোমাৰ ক্লাচ পাতিতো আৰম্ভ হোৱা নাই। অহা সপ্তাহত আৰম্ভ হ'ব।"

"মই ঘৰতে পঢ়ি কৰিছো। নিয়মটো শুদ্ধ হৈছে নে নাই।'

".....ল'ৰাজনৰ পৰা মই বহীখন ললো। এবাৰ ভাবিছিলো ল'ৰাজনক বহীখন ঘূৰাই দিওঁ আৰু কৈ দিওঁ ক্লাচ আৰম্ভ

মানুহে জ্ঞানৰ কর্ম কৰিলেহে মানুহ নামৰ গৰাকী হ'ব পাৰে। — সত্যনাথ বৰা





হ'লে যেন লগ ধৰে। কিন্তু ল'ৰাজনৰ মুখলৈ চাই না কৰিব নোৱাৰিলো। বহীখন নোলোৱা হ'লে ল'ৰাজনে বেয়া পালেহেঁতেন।

"ঠিক আছে দিয়া। মই চাই দিম। কেইদিনমান পিছত বহী লৈ যাবা।"

ল'ৰাজনে গুছি গ'ল। মইও বহীখন আনি নিজৰ শ্বেল্‌ফত ভৰাই থলো। পিছত বহীখন চাই দিম। মোৰ দৈনন্দিন ব্যৱস্থাত মই ল'ৰাজনৰ কথা, বহীৰ কথা পাহৰি গলো। ক্লাছ আৰম্ভ হৈছে। ক্লাছ ৰেজিষ্টাৰত ল'ৰাজনৰ নাম আছে কিন্তু শ্ৰেণীত ল'ৰাজনৰ উপস্থিত দেখা নাই। প্ৰায় ১৫ দিন পাৰ হ'ল। এদিন মোৰ ছোৱালীজনীক স্কুলত থৈ ঘৰ পাওঁতেই দেখিলো অনিল বাহিৰৰ কোঠাত বহি আছে মইয়েই প্ৰথম মাত লগালো।

"কি হে, ক্লাছ পতিতো আৰম্ভ। তোমাক দেখা নাই দেখোন। ক্লাছ কৰা নাই নেকি?"

'নাই কৰা Sir। মোক দেখি ল'ৰাজন থিয় হৈ গ'ল।

'বহা। কিয় ক্লাছ কৰা নাই।"

"দেউতাৰ বেমাৰ। মেডিকেলত ভর্ত্তি হৈছিল। কালি ঘৰলৈ আহিছে।

"অ', এতিয়া ভাল পাইছে নে?"

"অলপ অলপ পাইছে।"

"ক্লাছ কৰা। মেজৰ ক্লাছো আৰম্ভ হৈছেতো,

"কালিৰ পৰা কলেজলৈ যাম। মোৰ বহীখন চোৱা হৈছে নেকি Sir !'

মোৰ এইবাৰ মনত পৰিল বহীৰ কথা। কলেজত চেল্‌ফৰ ভিতৰতে যি ভৰাই থৈছো, মই আৰু চোৱা নাই। সঁচাকৈ বৰ লাজ পালো। অনিলক সেই কথাই ক'লো,

'Sorry অনিল। তোমাৰ বহীৰ কথা মই পাহৰি গৈছো ২ দিনৰ ভিতৰতেই চাই দিম।'

'একো নাই ছাৰ পিছত দিলেও হ'ব।' অনিল যাবৰ কাৰণে থিয় হ'ল।

কলেজত আহি মই চেল্‌ফ খুলি অনিলৰ বহীখন চাবলৈ আৰম্ভ কৰিলো। ত্ৰিকোণমিতিৰ ভালেকেইটা অধ্যায় শেষ কৰি অংক কৰিছে। কিছুমান অংক চাই বৰ আচৰিত হ'লো। এজন স্নাতক মহলাৰ ছাত্ৰই প্ৰথম চেষ্টাতেই ইমান টান অংক কৰিব নোৱাৰে। বহীখন চাই এটা কথা বুজিলো। ল'ৰাজন ভাল। পঢ়াশুনাত চোকা। ইয়াক যদি Guidance দিব পৰা যায় তেন্তে ভাল Result কৰিব পাৰিব। আমাৰ কলেজখন চহৰৰ একেবাৰে এটা চুকত হোৱাৰ বাবে ভাল ল'ৰা-ছোৱালী আমাৰ কলেজলৈ নাহে। স্থানীয় আৰু এখন কলেজত ভর্ত্তি হয়। গতিকে সঁচাকৈ এজন ভাল ল'ৰা কলেজত ভর্ত্তি হৈছে দেখি ভাল লাগিল। ভাল ল'ৰা-ছোৱালী থাকিলে অধ্যাপনা কৰি ভাল লাগে। ক্লাছত যোগ দিয়াৰ পিছৰ পৰা দেখিছো অনিল বৰ Serious। মোৰ সহকৰ্মী কেইজনক ও মই অনিল সম্বন্ধে সুধিছো। সকলোৱেই এক মত যে ল'ৰাজন চোকা। ব্যৱহাৰ পাতিও ভাল। এনে ধৰণৰ ল'ৰা বহুদিন আমাৰ কলেজত ভর্ত্তি হোৱা নাই।

অনিলক পাই মোৰ ও ভাল লাগিল। মোৰ সৰু ভাইটিৰ মৰমেৰে মই তাক ব্যৱহাৰ কৰিবলৈ ললো। কলেজ বন্ধ থাকিলে ঘৰলৈ আহে, যিমান সহায় কৰিব পাৰো কৰি দিওঁ, কেতিয়াবা মোৰ কিতাপ লৈ যায় আকৌ ঘূৰাই দিয়ে। এদিন মই সুধিলো "তোমাৰ ঘৰত কোন কোন আছে।"

'দেউতা, মা, মই, সৰু ভনী এজনী আৰু পেহী'

'দেউতাই কি কাম কৰে।'

'দেউতাৰ কাম নাই। আগতে P. and T ত কাম কৰিছিল। বেমাৰ হোৱাৰ কাৰণে অৱসৰ লৈছে।

মই আচৰিত হৈছিলো। আৰু সুধিলো।

'তোমালোক চলা কেনেকৈ?'

'দেউতাৰ পেঞ্চনৰ টকাৰে'

'আজিকালিৰ দিনত অকল Pension ৰ টকাই চলিব পাৰেনে? তাৰ উপৰিও তোমাৰ

ধর্ম নহ'লে কোনো মানুহ জীয়াই থাকিব নোৱাৰে। — মহাত্মা গান্ধী



কলেজৰ খৰছ আছে।"

'ঘৰত মা, আৰু পেহীয়ে চিলাই কৰে আৰু মই ও টিউছন দুটা কৰো।'

ইমান দিন হৈছে অনিলৰ লগত মই চিনাকি হৈছো। কিন্তু ইয়াৰ আগতে কোনোদিনো অনিলৰ ঘৰৰ কথা জানিব বিচৰা নাই। সিদিনা অনিলৰ ঘৰৰ অৱস্থা জানি বেয়াহে লাগিল। মই কলো "এদিন তোমাৰ মাক লগত আনিবাচোন। কথা পাতিম, অনিল ৰাজী হ'ল আনিম Sir, আপোনাক লগ ধৰিবৰ কাৰণে মায়েও বাৰে বাৰে কৈ আছে"। ইয়াৰ দুদিন পাছতেই অনিল মাকক লৈ মোৰ ঘৰলৈ আহিল। চিনাকি হোৱাৰ পাছত অনিলৰ মাকে ক'লে Sir, কেইটামান টকা আনিছিলো আপোনাৰ কাৰণে।"

মই আচৰিত হৈ সুধিছিলো, 'কিয় দিব লাগে মোক?'

'আপুনি Sir অনিলৰ কাৰণে ইমান খাটিছে। টিউচন লৈ আছে আপোনাৰ ওচৰত। মইতো তেনেকৈ একো দিব পৰা নাই।' মই হাঁহিছিলো। অনিলৰ মাকক কৈছিলো, 'আপুনি পইচা দিব নালাগে অনিলে Pass কৰি চাকৰিত সোমালে তাৰ প্ৰথম মাহৰ দৰমহাৰ পৰা মোৰ fees লম। কি অনিল, তেতিয়া দিবানে?' অনিলে হাঁহিছিল। সিদিনা অনিলৰ মাকে ঘৰৰ বহু কথা শুনাইছিল। গিৰিয়েকৰ পেঞ্চনৰ টকাৰ আধা তেওঁৰ দৰৰ কিনাতেই খৰছ হয়। বাকী টকাৰে ক'ত ঘৰ চলিব? গতিকে বাধ্য হৈয়েই চিলাইৰ কাম হাতত লৈছে। অনিলেও ৰাতিপুৱা চাহ একাপ খাই পঢ়াবলৈ ওলাই যায়। তাৰপৰাই বাহিৰে বাহিৰে কলেজলৈ গুচি আহে। যিদিনা টিউচন থাকে সিদিনা ভাত খাই আহিব নোৱাৰে। কলেজৰ পৰা গৈয়েই চাৰিটামান বজাত ভাতকেইটা খায়। শুনি মোৰ বৰ বেয়া লাগিছিল। মোৰ তাৰ টিউচনৰ কাৰণে বহুদিন ৰাতিপুৱাই আহিছে। কিন্তু কোনোদিনেই মই খোৱাৰ কথা সোধা নাই। নিশ্চয় সেইকেইটা দিনত আনিলে নোখোৱাকৈ কলেজ কৰিছে। অনিলে মাকক লৈ ওলাই যোৱাৰ পিছত মই মোৰ পত্নীক মাতি অনিলৰ কথা কৈছিলো "বুজিছা এতিয়াৰ পৰা অনিল আহিলে মই নাথাকিলেও তাক চাহ জলপান দিবা। বৰ দুখীয়া ঘৰৰ ল'ৰা। ভাল মতে Pass কৰিব পাৰিলেই হয়।"

কলেজৰ বছেৰেকীয়া পৰীক্ষা শেষ হৈছে। প্ৰতিবছৰেই মাৰ্চ মাহৰ পৰা জুন মাহলৈকে পৰীক্ষাৰ Season আৰম্ভ হয়। এই সময়ত কলেজত শ্ৰেণী আৰু নহয়। নতুন পাঠ্যক্ৰম আৰম্ভ হওঁতে হওঁতে আগষ্ট মাহ পাৰ হৈ যায়। পৰীক্ষা শেষ হোৱাৰ পাছত মই অনিলক মাতি ক'লো, "এতিয়া কলেজ বন্ধ। ক্লাচ পাতিও নহব গতিকে এই কেইমাহৰ ভিতৰত বাকীখিনি Course শেষ কৰা। পিছে কলেজ খুলিলে Revision ৰ সময় পাবা।

'হয় Sir'

তেন্তে তুমি কালিৰপৰা পুৱাৰ ভাগতেই ঘৰলৈ আহি যাবা। মইও free আছো, গতিকে অসুবিধা নহয়।

'যাম Sir , কিন্তু কাইলৈ যাব নোৱাৰিম। ১৫ দিনৰ পিছত অনিল পঢ়িব আহিব বুলি গুচি গ'ল। মইও ঘৰত বহি তাৰ বাকী থকাখিনি Sir সম্বন্ধে চিন্তা কৰিলো। পৰীক্ষাৰ প্ৰশ্ন কাকত কেইখনমান গোটাই থলো। সি পঢ়িবলে, আহিলে তাক প্ৰশ্নখিনি লিখিবলৈ কম। সাধাৰণতে গৰম বন্ধত মই পৰিয়ালৰ সৈতে বাহিৰলৈ ফুৰিবলৈ ওলাওঁ। যদিও গৰমৰ সময় ভ্ৰমণৰ বাবে উপযুক্ত সময় নহয়, কিন্তু গৰমৰ বন্ধ আৰু পূজাৰ বন্ধৰ বাহিৰে আমি দীঘলীয়া ছুটি নাপাওঁ। বছৰৰ বাকী সময়ত কেজুৱেল লীভৰ বাহিৰত ফুৰিবৰ কাৰণে ছুটি নাই।

কিন্তু এইবাৰ ক'তো যোৱা নহ'ল। ঘৰতে মোৰ পত্নীয়ে কথাটো এবাৰ উলিয়াইছিল। "এইবাৰ বাহিৰলৈ নাযায় নেকি?"

"কেনি যাবা। দেখিছা কি ভয়ানক গৰম। প্ৰতিবছৰে ওলাওঁ আৰু ছোৱালীজনীৰ কষ্ট হয়। এইবাৰ বাদ দিয়া। চাওঁ পূজাৰ সময়ত যাব পাৰো হয়তো।"

তেখেতে বুজিলে যে মোৰ এইবাৰ যোৱাৰ ইচ্ছা নাই আচলতে মই ভাবি আছিলো যে মই যদি এমাহৰ কাৰণে বাহিৰলৈ যাওঁ, তেন্তে অনিলৰ পঢ়াশুনাত বিঘিনি ঘটিব পাৰে। সময়ত Course শেষ নহ'ব Part - 1 পৰীক্ষাত সি ভাল পার্চেণ্ট মোৰ সেয়েই লক্ষ্য আছিল। ইতিমধ্যে তাৰ বছেৰেকীয়া পৰীক্ষাৰ Major ৰ বহী দুখন চাইছিলো। শতকৰা আশীৰ ওপৰত আছে তাৰ নম্বৰ। বহী দুখন চাই মোৰ ভাল লাগিছিল। বুজিছিলো মোৰ খাটনি অসার্থক নহ'ব। ভাগ্য তাৰ অলপ ভাল হ'লে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পাব পাৰে। মই অনিল অহাৰ কাৰণে বাট চাই আছিলো।

কিন্তু ১৫ দিন পাৰ হৈ ২০ দিন গ'ল। প্ৰায় ১ মাহ পাৰ হ'বৰ হৈছে। অনিলৰ পাত্তা নাই। মোৰ খং উঠিল তাৰ কাৰণে মই ফুৰিবলৈ যোৱা বন্ধ কৰিছো। আৰু ল'ৰাজনৰ কোনো চিন্তা নাই। ..... ইতিমধ্যে অসমৰ ৰাজনৈতিক আকাশত যেন এটা ধুমুহা আহিল। যি শান্ত বাতাবৰণৰ কাৰণে অসমৰ ইমান খ্যাতি আছিল, তাত যেন দীৰ্ঘদিন ধৰি লাহে লাহে অলপ অলপকৈ বিষ জমা হৈ আছিল। এদিন কেনেবাকৈ কত যেন এটা বিস্ফোৰণ হ'ল। তাৰ ধুমুহা চাৰিও পিনে বিয়পি পৰিলে আমাৰ সৰু চহৰ ডিব্রুগড়তো তাৰ প্ৰভাৰ পৰিল।

প্ৰায় এমাহৰ পিছত আনিলে ঘৰত আহি মোক লগ ধৰিলে।

আকাৰ ইঙ্গিতত কাম কৰে, নিজৰ কাম গোপনে ৰাখে, সুযোগ বুজি আহাৰ গোটায়, লক্ষ্য বিষয়ত নির্ভুল আৰু লক্ষ্যবস্তু পাবলৈ হেলা নকৰে এই — পাঁচটা গুণ কাউৰীৰ পৰা শিকিব লাগে। — চাণক্য



তাৰ চেহেৰাটো চাই মই আচৰিত হ'লো। মুখৰ সেই কোমল ভাৱটো নাই। এই ১ মাহতে তাৰ বয়স যেন কেইবা বছৰো বাঢ়ি গৈছে। অনিল যেন কলেজৰ কিতাপ সন্ধানী পটুৱৈ নহয়, he is a man now, মই সুধিলো।

"কি হ'ল ইমান দিন ক'ত গৈছিলো? পঢ়াশুনা আৰম্ভ নকৰা নেকি" মই ইচ্ছা কৰিয়েই তাৰ চেহেৰাৰ কথা নুসুধিলো।

"আহিম Sir, অহা সপ্তাহৰ পৰা আহিম। এই কেইদিন হাতত এটা কাম আছে। তাক শেষ কৰিয়েই আহিম।"

"কি ইমান কাম কৰি ফুৰিছা হে? এমাহৰ পিছত আহিছা। পঢ়াশুনাত লাগিবা নে আকৌ কাম কৰি ফুৰিবা।" মই খং সামৰিব নোৱাৰিলো। অনিলে একো নকলে। ১ মাহৰ পিছত আহিব বুলি কৈ গ'ল। ১ মাহৰ পিছত অনিল যেন আগৰ অনিল নহয়। তাৰ ছাঁ মাথোন। আগৰ নিচিনা পঢ়াত মন নাই। ১ ঘণ্টাও যাব নিদিয়ে কয়, "আজি থাকক Sir, মোৰ যাব লাগিব।" চাহ-জলপানৰ কাৰণেও বহি নাথাকে। কোনোমতে পঢ়া শেষ কৰি লৰ মাৰে। এদিন মই সঁচাকৈয়ে অনিলক কলো "এৰা অনিল, তুমি গুৱাহাটীৰ পৰা ঘূৰি অহাৰ পিছতেই লক্ষ্য কৰিছো তোমাৰ পঢ়াশুনাত মন নাই। তুমি পৰীক্ষা নিদিয়া নেকি? পঢ়াশুনাত মন নাই তেন্তে আৰু নাহিবা। মিছাকৈ মোৰো সময় নষ্ট হৈছে"

মোৰ কথা শুনি অনিলৰ মুখখন যেন কলা হৈ গ'ল। সি গুৱাহাটীৰ পৰা ঘূৰি অহাৰ পিছত মই তাৰ মুখত হাঁহি দেখা নাই



কিন্তু মোৰ কথাখিনিয়ে তাৰ অন্তৰত যে স্পৰ্শ কৰিছে মই বুজিলো। লাহে লাহে অনিলে ক'লে, "মই আপোনাক গোটেই কথাখিনি কম Sir কিন্তু আজি নহয়। মই আজি যাওঁ। অহা সপ্তাহত আহিম।" অনিল যোৱাৰ পিছত মোৰ মনটো বেয়া লাগিল। মোৰ পত্নীক কথাখিনি কওঁতেই তেখেতে ক'লে

"কেলে তুমি অনিলক ইমান টানকৈ কৈছা? নিশ্চয় সি বেয়া পাইছে। তাৰ ঘৰৰ কথাটো আমি গোটেইখিনি নাজানো হয়তো কিবা responsibility আছে। সেই কাৰণেই সি পঢ়াত মন দিব পৰা নাই।'

মই প্ৰাৰ্থনা কৰি আছিলো যেন মোৰ পত্নীৰ কথাখিনিয়েই সঁচা হয়। মই তলে তলে আন কিবা ভাবি আছিলো ৰাজনৈতিক অস্থিৰতাই অনিলৰ নিচিনা এটা ভাল ল'ৰাক ও গ্ৰাস কৰক মই বিচৰা নাই।

ইয়াৰ পিছৰ ঘটনাখিনি যেন দ্ৰুত গতিত ঘটি আছিল ১ সপ্তাহ পিছত অনিল যে আহিম বুলি কৈ গৈছিল নাহিল। এদিন অধ্যক্ষ মহোদয়ে ফোন কৰি মোক ঘৰলৈ মাতিলে। মই বহোতেই তেখেতে ক'লে, "এটা বৰ জৰুৰী কথাৰ কাৰণে আপোনাক ঘৰলৈ মাতিছো।" 'ক'ক, Sir মই চিন্তিত হৈ পৰিছিলো। ইমান কি জৰুৰী কথা আছে যে মোক ঘৰলৈ মাতি ক'ব লাগিছে। "আপোনালোকৰ Dept, ত অনিল শৰ্মা বুলি কোনো আছে নেকি?"

"আছে Sir এইবাৰ বছেৰেকীয়া পৰীক্ষাও দিছে।"

মই Information পাইছো ল'ৰাজনে – বাহিনীত যোগ দিছে। যোৱাকালি থানাৰ OC মোৰ ঘৰলৈ আহিছিল তেখেতে কৈছে। তেওঁ আৰু কৈছে যে ল'ৰাজন শিকিবৰ কাৰণে আপোনাৰ ঘৰলৈ যায়। গতিকে ভট্টাচার্য্য সাৱধান হওক।"

এটা ঠাণ্ডা সোঁত মোৰ ৰাজহাঁড়েদি তললৈ নামি গ'ল যেন। হে ভগৱান মই যি সন্দেহ কৰিছিলো তাকেই সঁচা হ'ল। মই শুনিলো অধ্যক্ষ মহোদয়ে মোক সুধিলে।

"আপুনি জানে নেকি যে সি বাহিনীত যোগ দিছে। "নহয় Sir। মই সঁচাকৈ নাজানো।"

"মইও সেই কথাই OC জনক কলো। মোৰ বন্ধু মানুহ। মোৰ কথা বিশ্বাস কৰিছে। কিন্তু ইয়াৰ পিছত চাব। জানেইতো আজিকালি দিনবোৰ কি বেয়া হৈছে।" মই আৰু তাত বহি থাকিব নোৱাৰিলো। ঘৰলৈ উভতি আহি অধ্যক্ষ মহোদয়ে কোৱা কথাখিনি মোৰ পত্নীক কলো। তেওঁ শুনি বৰ আচৰিত হ'ল। নিমাত হৈ গ'ল যেন। পিছত ক'লে, সিদিনা তাৰ মুখলৈ চাই মই সেই সন্দেহেই কৰি আছিলো।

আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা, নিজে শুদ্ধ আৰু পৰিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা। — চক্ৰেটিচ



'অ তাৰ ঘৰত গৈ খবৰ এটা কৰিম নেকি?' মই সুধিলো "নহয় নাযাবা তুমি। পুলিচে নিশ্চয় Watch কৰি আছে। গলে বিপদ হ'ব।

মই তেখেতৰ কথাটো স্বীকাৰ কৰিলো। মই ভাবি ঠিক কৰিব নোৱাৰিলো অনিলৰ নিচিনা ল'ৰাইও নিজৰ বুদ্ধি বিবেচনা এৰি দি কিয় পঢ়া শুনা এৰি দিলে? যিকোনো নাম কৰিব হ'লে প্ৰথমতে নিজকেই তাৰ যোগ্য কৰিব লাগে। পঢ়াশুনা এৰি দিলে জীৱনত কি থাকে? কিন্তু এইবোৰ চিন্তা হে। অনিলক পালে তাক বুজাই কলোহেঁতেন। .... মই অনিল সম্বন্ধে চিন্তা কৰা এৰি দিলো। মোৰ কাম-কাজতে মন দিলো।

প্ৰায় ১ মাহমান পাৰ হ'ল এদিন সন্ধিয়াৰ সময়ত মই বাহিৰৰ কোঠালীত বহি কিতাপ পঢ়ি আছো। ল'ৰা এটা সোমালে। "নমস্কাৰ Sir ল'ৰাজন ওচৰত থিয় হৈ থাকিল "মই তোমাক চিনিব পৰা নাই।"

"মই ইয়াত নাথাকো। অনিলে এখন চিঠি দিছে আপোনাক সেইখন দিবলৈ আহিছো।" ল'ৰাজনে পকেটৰ পৰা এটা Envelop উলিয়াই টেবুলত থ'লে। ক'লে "মই নবহোঁ Sir। মই যাওঁ।" ল'ৰাজন ওলাই গ'ল। মই চিঠিখন খুলিলো। মাত্ৰ তিনিটা লাইন লিখিছে অনিলে। "শ্ৰদ্ধেয় Sir, মোক ক্ষমা কৰিব। মই আহিম বুলি কৈ গৈছিলো, কিন্তু কথা ৰক্ষা কৰিব নোৱাৰিলো। জানো মোৰ কথা ভাবি আপোনাৰ কষ্ট হ'ব। ক্ষমা কৰিব।

ইতি

আপোনাৰ সৰু ভাইটি অনিল

তলৰ লিখাটো চাই মোৰ বুকুখন পৰি গ'ল যেন। দাদা বুলিয়েই ভাবিছিলা যদি মোৰ লগত এবাৰও কথা নাপাতিলা কিয়? কোনো এটা সিদ্ধান্ত লোৱাৰ আগতে মোৰ পৰামৰ্শ নিবিচাৰিলা কিয়?

ইয়াৰ প্ৰায় ২ মাহ পিছৰ ঘটনা। চাবুৰাৰ ওচৰত এখন হাবিত পুলিচৰ লগত – বাহিনীৰ কৰ্মীৰ এটা সংঘৰ্ষ হয়। বাহিনীৰ যি কেইজন কৰ্মী নিহত হৈছিল তাৰ ভিতৰত অনিল ও এজন। ফটো আৰু নাম বাতৰি কাকতত, ছপা হৈছিল। নাম নহয়, ল'ৰাজনৰ বাওঁ চকুৰ তলৰ তিলটো চাই মই ধৰিব পাৰিছিলো ল'ৰাজন। অনিলেই, অনিল শৰ্মা।





উৎস ঃ ডিব্রুয়ান, ১৯৯৩-৯৪ বর্ষ (পৃষ্ঠা ঃ ৪৫) সম্পাদক ঃ শ্রী নীলিম কুমাৰ দাস

দুঃস্বপ্নৰ বাঁহীত কৰুণ সুৰ

শশাংক জ্যোতি গগৈ
বিজ্ঞান শাখা

"কৌস্তভ, অ কৌস্তভ, উঠাচোন। ইমান দেৰিলৈকে কিয় শুই থাকা নো?"

গা ধুই অহা মুনমীৰ অভিমানী ভৰা খণ্ডত কৌস্তভ সাৰ পাই উঠিল। মুনমীৰ তিতা চুলি তাইৰ ৰঙা ব্লাউজটোৰ পিঠিফালে তিয়াই পেলাইছে। কৌস্তভে তাইৰ হাতত ধৰি তাৰ গাৰ ফালে টানি আনিলে। লগে লগে তাই চিঞৰি উঠিল, "সেই বদমাছটো, উঠা যোৱা" বুলি কৈ উচাট মাৰি ৰুমৰ পৰা ওলাই গ'ল।

তাই ওলাই যোৱা ফালে চাই কৌস্তভে ভাবিলে। এই মুনমীৰ কাৰণেই সি এটা দুঃস্বপ্নৰ পৰা এটি সুন্দৰ জীৱন ঘূৰাই পাইছে। কেনে আছিল সেই সময়খিনি। আহঃ ভাবিলে তাৰ নিজৰে কিবা লাগে। মুনমী তাৰ জীৱনলৈ অহাৰ বহুদিনলৈ সি আগৰ দৰেই আছিল। কিন্তু তাইৰ মৰম আৰু ব্যৱহাৰে তাক বধ কৰি পেলালে। তাইৰ সাহস আৰু ধৈর্য্যতা দেখি সি তবধ খাই গৈছে। তাৰ সকলো কথা জানিও তাক কিয় ইমান মৰমৰ মাজত ৰাখিব পাৰিছে। কিয় প্রতিটো কামতে তাক চকু ৰাখিছে? তাক ইমান ভাল পায় নে তাই? তাইৰো জীৱনত তাৰ দৰে হোৱা নাইতো? ধেৎ তাইৰ কিয় হ'ব তেনেকুৱা। কিন্তু তাইৰ দৰে তাক কোনোবাই কিয় নুবুজিলে। কিয় তাক বুকু শুদা কৰি এৰি গ'ল। মুনমীক এতিয়া যিমান মৰম কৰে তাইক কৰা মৰমৰ সমান নহয়। ভয় হয় জানোচা মুনমীও যদি তাক এৰি গুছি যায়।

কোননো এই? যাক পাহৰিব খুজিও পাহৰিব পৰা নাই। স্বপ্নালী তাইৰ নাম। কিন্তু সি এদিনো ভবা নাছিল, স্বপ্নালী তাৰ বাবে মাথোঁ এটি দুঃস্বপ্ন আছিল। এটা জীয়া সপোন কেনেকৈ যে থানবান হৈ গৈছিল। সেই দিনটোৰ স্বপ্নই আজিও তাক খেদি ফুৰে। তাইৰ কাৰণে কি কৰা নাছিল সি। তাইৰ প্রতিটো অভিমান, খং, হাঁহি সি বিনাদ্বিধাই গ্রহণ কৰিছিল। দুখৰ বোজা কেতিয়াও জাপি নিদিছিল তাইক। কিন্তু তাৰ বিনিময়ত তাই তাক কি দিলে। মাথোঁ কষ্টকৰ এটা জীৱন। তাহাঁতৰ সাত বছৰীয়া প্রেমৰ ফল যে বিষাদ হ'ব সি কেতিয়াও কল্পনা কৰা নাছিল। কিমান যে ৰোমাণ্টিক আছিল সেই দিনবোৰ।



ব্রহ্মপুত্র পাৰৰ পার্কত আবেলিৰ বেলিৰ সৌন্দর্য উপভোগ কৰি, পাতলীয়া, গুৰুতৰ নাইবা অর্থহীন কথা-বার্তাত দুয়ো প্রেমৰ গভীৰতালৈ কেনেকৈ সোমাই গৈছিল গমকে পোৱা নাছিল।

"সৌ চৰাই দুটালৈ চোৱা। কেনেকৈ দুইটাই

আমি অনুভৰ কৰিব পৰা আটাইতকৈ সুন্দৰ বস্তুটো হ'ল ৰহস্য, সকলো প্রকৃত কলা আৰু বিজ্ঞানৰ ইয়েই হ'ল উৎস। - আইনষ্টাইন

খেলিব লাগিছে। আহঃ আমিও যদি চৰাই হ'লোহেঁতেন। মন গ'লেই উৰি গ'লোহেঁতেন ন।"

কি হ'ল একো এটা নোকোৱা যে। হ'ব নামাতিবা যোৱা মোক আজিৰ পৰা" কৈ স্বপ্নালীয়ে অভিমান দেখায়। লগে লগে কৌস্তভে নানা কথা কৈ তাইৰ অভিমান ঠিক কৰিব লগাত পৰে।

আকৌ কেতিয়াবা ক'ব, "শুনা, মই যদি মৰি যাওঁ, তুমি বহুত ভাল পাবা ন। বেলেগ এজনীক বিয়া কৰাবা।"

"ধেৎ পাগলীজনী, মই থাকোঁতে তোমাক কিয় মৰিব দিম। কোনোৱে নিব নোৱাৰে মোৰ পৰা তোমাক।"

"সঁচা কৈছা নে মোৰ সোণ। মইয়ো তোমাক এৰি কলৈকো নাযাওঁ।" এইবুলি কৈ তাই কৌস্তভৰ বুকুৰ মাজত কুচিমুচি সোমাই পৰে। আৰু সিও তাইক দুহাতেৰে সাৰটি লয়।

কিন্তু সেই কলা দিনটোৱে তাৰ জীৱনলৈ অমানিশা নমাই আনিলে। ৰাতিপুৱা শুই উঠি সি অফিচলৈ যাবলৈ সাজু হৈছিল। তেতিয়াই স্বপ্নালীৰ দেউতাকে তাঁলৈ ফোন কৰি ক'লে যে সি এতিয়াই শংকৰদেৱ হস্পিতেললৈ আহিব লাগে। স্বপ্নালীক ভর্তি কৰোৱা হৈছে। তাক তাইৰ ঘৰৰ সকলোৱে চিনি পায়। তাহাঁতৰ প্রেমক আকোঁৱালিও লৈছে দুইখন ঘৰে। মাথোঁ এতিয়া বিয়া হোৱাৰ কথা।

দেউতাকৰ কথা শুনি সি চিন্তিত হ'ল। কালি ৰাতি ফোনত কথা পতা ছোৱালীজনীৰ হঠাৎ কি হ'ল। সি তৎক্ষণাত হস্পিতেললৈ গ'ল। কিন্তু সেই দিনটো তাৰ বাবে এটা বিষাক্ত আছিল। সি গৈ পোৱাৰ আগতেই তাই এই মায়া এৰি গ'ল। সি প্রথমে বিশ্বাস কৰিব পৰা নাছিল। বাৰে বাৰে ডাক্তৰক ভালদৰে চাবলৈ অনুৰোধ কৰিছিল। অৱশেষত সি হাৰ মানিলে। পাগলৰ দৰে ভ্রম বকিবলৈ ল'লে। মদ আৰু চিগাৰেট তাৰ সংগী হ'ল। ঘৰৰ মানুহে তাক বুজাইও তাক ঠিক কৰিব নোৱাৰিলে। দিন-ৰাতি মাথোঁ মদৰ ৰাগিত মাতাল হৈ থাকে। মাক-দেউতাকে তাক বিয়া পাতি দিবলৈ ঠিক কৰিলে। কিন্তু সি কোনোপধ্যেই মান্তি নহ'ল। দিনক দিনে বেছিকৈ মাতাল হ'বলৈ ধৰিলে। উপায় নাপাই মাকহঁতে তাক জোৰ কৰি মুনমীৰ লগত বিয়া কৰাই দিলে। কিন্তু সি মুনমীক সদায়ে বেয়া ব্যৱহাৰ কৰিলে। তাইক কোনোদিনে মতা নাছিল। আনকি বিয়া হোৱা দিন ধৰি তাইৰ মুখেই চোৱা নাছিল। কিন্তু তাইৰ অশেষ ধৈর্য্য আৰু মনোবলৰ বাবে সি হেৰুওৱা জীৱন ঘূৰাই পালে।


"কৌ উউউ....স্ত....ভভভ.... কি হ'ল তোমাৰ। এনেকৈ জলকা মাৰি অথনিৰে পৰা কি ভাবি আছা। যোৱা বাথৰুমত পানী গৰম কৰি থৈ দিছো। মুখখন ধুই লোৱাগৈ। মই ব্রেকফাষ্ট ৰেদি কৰোঁগৈ।" মুনমীৰ চিঞৰত সি বাস্তৰলৈ ঘূৰি আহিল। এটি মিচিকিয়া হাঁহি মাৰি কৌস্তভ বাথৰুমলৈ গ'ল।



অন্ততঃ কৰণ পৱিত্র নহ'লে পাণ্ডিত্য কোনো মূল্য নাই। শগুণ যিমানেই ওপৰত উৰি নাথাকক কিয়, তাৰ চকু সদায় তলৰ মৰাশৰ ওপৰত। - মহাত্মা গান্ধী

আঁউসী ৰাতিত কিহৰ এই বিননি

শশাংক জ্যোতি গগৈ
বিজ্ঞান শাখা



ল'ৰাটো গাখীৰ খাই থাকোঁতে শুই গ'ল। এতিয়াহে শিখাই ভালদৰে উশাহ ল'ব পাৰিছে। অথনিৰে পৰা ল'ৰাটোৱে কান্দি চিঞৰি কমখন অশান্তি কৰিলেনে। তাই অকলে মানুহজনীয়ে ভাতেই বনাব নে ল'ৰাকেই চাব। ইফালে নয়নো ঘৰত নাই। তাই ঘড়ীটোলৈ চালে। নিশা ১০ বাজি গৈছে। আজিও তাৰ অহা দেৰি হ'ব। ফোন কৰিলেও কোনো সঁহাৰি নিদিয়ে। দেৰি হোৱাৰ কাৰণ সুধিলে বিশেষ একো নকয়। মালিকে কাম বেছি দিছে বুলি কৈ ভাত খাই শুই যায়। তাইৰ লগত কথা পাতিবলৈ সমূলি ইচ্ছা নকৰে। ৰাতিপুৱাও ৭ বজাতে খুৱাই বুৱাই পঠিয়াব লাগে। তাৰ পিছত তাই আৰু ল'ৰাটো দিনটো ঘৰত অকলে থাকে। ওচৰৰ মানুহবোৰকো তাই চিনি নাপায়। এই ঠাইখনলৈ অহা তাহাঁতৰ বেছিদিন হোৱা নাই। আগতে নয়নৰ বন্ধু এজনৰ পেহীয়েকৰ ঘৰত আছিল। শিখাই এই পেহীয়েকক ভগৱান দেখা দি শ্ৰদ্ধা কৰে। তেওঁৰ বাবেই আজি তাহাঁত দুটাই সংসাৰ কৰিব পাৰিছে। প্ৰথমে পেহীয়েকে তাহাঁতক এই নতুন ঘৰলৈ আহিবলৈ বাধা দিছিল। কেওঁ কিছু নোহোৱা বিধৰা পেহীয়েকে তেওঁৰ লগতে একেবাৰে থাকিব কৈছিল। নয়ন আৰু শিখাক তেওঁ নিজৰ সন্তানৰ দৰে মৰম কৰিছিল। কিন্তু তাৰ তুলনাত নয়ন আৰু শিখাৰ মাক-দেউতাকে কি কৰিলে তেওঁলোকক। উফ্ সেইকেইদিন কিমান যে অশান্তিৰ সৃষ্টি হৈছিল দুইখন ঘৰত। তাই সেই অতীতলৈ ঘূৰি গ'ল।

সেইদিনা শিখাৰ কলেজৰ প্ৰথম দিন। কাকো চিনি নোপোৱা শিখাই তাইৰ ক্লাছৰ আগত ৰৈ আছিল। দূৰৈত এজাক চিনিয়ৰ ল'ৰাই নৱাগতসকলৰ লগত কথা পাতিছে। তাইক যাতে তাহাঁতি নামাতে সেয়ে ভগৱানৰ নাম লৈ আছিল। তাই এনেও লাজকুৰীয়া তাতে ইমান জাক ল'ৰাৰ



অন্ধ কাৰক অভিশাপ দিয়াতকৈ এডাল মমবাতি জ্বলাই দিয়াটোহে অতি আৱশ্যক । — কনফুচিয়াচ

আগত কেনেকৈ থিয় হ'ব নিজেও নাজানে। কিন্তু কথাতে কয় য'তে ৰাতি, তাতে বাঘৰ ভয়। তাইৰো সেইটোৱে হ'ল। ল'ৰাজাক তাইৰ ওচৰলৈ আহিল। কিন্তু তাই ইমানে ভয় খালে যে ভয়তে চকু মুদিব লগা হ'ল। কোনে কি কৈছে তাই একো শুনা নাছিল কিন্তু শেষত এজনে কোৱা শুনিলে।

"অই ব'ল। এইজনী ভয়তে কিবা হৈছে। আৰু দেৰি কৰিলে হিতে কিবাহে হ'ব।" আসঃ কোন এই সুন্দৰ কণ্ঠগৰাকীজন যিয়ে তাইৰ মনক বুজি পাইছে। তাই চকু মেলি চাওঁতে ওচৰত কাকো নেদেখিলে। ল'ৰাজাক আঁতৰি গৈছে কিন্তু তাৰ মাজৰ পৰা সেই সুন্দৰ কণ্ঠগৰাকীজনক ধৰিব নোৱাৰিলে। তাই কল্পনাৰ পৃথিৱীত নিজেই সেই পুৰুষক আঁকিবলৈ ল'লে। তাই নিজেও আচৰিত হ'ল যিজনী ছোৱালী ইমান লাজকুৰীয়া, সেইজনীয়ে এটা কণ্ঠৰ ওচৰত নিজৰ লাজ আত্মসমৰ্পণ কৰিব লগা হ'ল। তাইৰ যি লাজ আছিল, সেই লাজেই সেই পুৰুষৰ অন্তৰ চুইছিল। আৰু প্ৰথমে বন্ধুত্ব তাৰ পিছত প্ৰেমলৈ সলনি হৈছিল দুয়োৰে সম্পৰ্ক। এই প্ৰেম তেতিয়াহে পূৰ্ণ হ'ব যেতিয়া সম্পৰ্কই বিবাহৰ ৰূপ লয়। তাকে বিশ্বাস কৰি দুয়ো দুয়োকে নিজৰ কৰি লোৱাৰ বাবে প্ৰতিবদ্ধ হ'ল। কিন্তু তাহাঁতৰ এই সম্পৰ্কত হেঙাৰ হৈ ৰ'ল দুয়োখন ঘৰ। কোনো এজনে এই সম্পৰ্কক গ্ৰহণ কৰিবলৈ অমান্তি হ'ল। কিন্তু নিজৰ প্ৰতিশ্ৰুতিত অটল থকা নয়ন আৰু শিখাই কেইজনমান বন্ধু-বান্ধৱীৰ উপস্থিতিত মন্দিৰত বিবাহ কাৰ্য সম্পূৰ্ণ কৰিলে। এই খবৰ পাই দুয়োখন ঘৰে তাহাঁতৰ বিৰুদ্ধে পুলিচক গোচৰ দিলে। মাক-দেউতাকৰ এনে কাৰ্যই দুয়োকে হতাশ কৰিলে। কি কৰিব ক'ত থাকিব একো ভাবি নাপালে। ইফালে নয়নৰ নতুন চাকৰিটোৰ বাবে বেলেগ ঠাইলৈ যাবলৈ অসুবিধা হ'ল। অৱশেষত নয়নৰ বন্ধু এজনে উপায় এটা দিলে। বন্ধুজনৰ বিধৱা পেহীয়েক এগৰাকী অকলে থাকে। তেওঁৰ ওচৰতে সদ্যহতে থাকিব পাৰিব। প্ৰথমে নয়নে কথাটো মানি লোৱা নাছিল। সি ভাৰাঘৰতে থকাৰ কথা ভাবিছিল। কিন্তু তাৰ হাতত ভাৰাঘৰত থাকিব পৰাকৈ হাতত টকা নাছিল। উপায়ন্তৰ হৈ বন্ধুজনৰ সৈতে দুয়োটা পেহীয়েকজনীৰ ওচৰলৈ গ'ল। পেহীয়েকে একেষাৰকে তাহাঁতক থাকিবলৈ দিবলৈ মান্তি হৈছিল।

কোনো সন্তান নথকা অকালতে স্বামীহাৰা হোৱা পেহীয়েকে তাহাঁত দুয়োটাক নিজৰ সন্তানৰ দৰেই মৰম কৰিছিল। পেহীয়েকৰ অশেষ মৰমৰ বাবে চাওঁতে চাওঁতে তাত প্ৰায় দুবছৰ থাকিল। তাত থাকোঁতেই তাহাঁতৰ এটি পুত্ৰ সন্তান জন্ম হৈছিল। সেইদিনা যে পেহীয়েকৰ কিমান আনন্দ লাগিছিল। তেওঁ নিজেই সৰুসু�ৰাকে ওচৰ-চুবুৰীয়াৰ মাজত পাৰ্টিও দিছিল। তেনেকৈ কেইমাহ মান যোৱাৰ পিছত নয়ন বেলেগ এখন চহৰলৈ বদলি হৈছিল। সেয়ে তাৰ পৰা গুচি গৈ নতুন ঠাইত ভাৰাঘৰত থকাৰ কথা ভাবিলে। ইতিমধ্যে নয়ন আৰ্থিকভাৱে কিছু টনকিয়াল হোৱাৰ বাবে নতুন ঠাইত ঘৰ এটাই চাই আহিল। ইফালে পেহীয়েকে কথাটো গম পাই তাহাঁতক ইয়াতে থাকিবলৈ জোৰ কৰিছিল। শিখাক তেওঁৰ ওচৰত থৈ নয়নক অকলে তাত থাকিবলৈ কৈছিল। নয়ন আৰু শিখাৰ অশেষ বুজনিত তেওঁ মানি লৈছিল কিন্তু মনত যেন আঘাত পালে। দুদিন পিছতেই তাহাঁতি তাৰ পৰা নতুন ঠাইলৈ যাবলৈ ওলাল। কিন্তু পেহীয়েকক অকলশৰীয়াকৈ এৰি যাবলৈ পাই শিখাৰ দুখ লাগিল। তাই পেহীয়েকক সাৱটি কান্দি দিলে। যাবলৈ সময় হোৱাত নয়নে শিখাক মাতিলে। কিন্তু শিখা তেতিয়াও পেহীয়েকক সাৱটি ধৰি আছিল। যেতিয়া নয়নে জোৰেৰে মাতিছিল শিখা চক্ খাই সাৰ পাই গ'ল। তেতিয়াহে গম পালে তাই ইমান সময় সপোনহে দেখি আছিল। বাহিৰৰ পৰা যে নয়নে মাতি আছে গমে পোৱা নাছিল।

তাই ঘড়ীটোলৈ চালে। ১ বাজি পাৰ হৈ গৈছে। আসঃ আজিও নয়নৰ ইমান দেৰি হ'ল। এটা গভীৰ হুমুনিয়াহে তাইৰ মনটো বেয়া লাগিল। লাহেকৈ বিচনাৰ পৰা উঠি দুৱাৰখন খুলিবলৈ গ'ল।



আমি কিমান দিন থাকো সেইটো লেখত ল'বলগীয়া কথা নহয়; কেনেকৈ জীৱন যাপন কৰো সেইটোহে কথা — কেইলি

জীৱনৰ সৌন্দৰ্য

ড° প্ৰহ্লাদ কুমাৰ বৰুৱা

জীৱনৰ সৌন্দৰ্য বোলা কথাষাৰৰ অৰ্থবোধ সহজে নহয়। কোনো স্থূল বস্তুৰ সৌন্দৰ্য বুলিলে বুজিবলৈ সহজ। ফুলৰ সৌন্দৰ্য, পৰ্বতৰ সৌন্দৰ্য বুলি ক'লে বুজিবলৈ একো টান নহয়। আনকি মানুহজনৰ সৌন্দৰ্য অথবা তিৰোতাগৰাকীৰ সৌন্দৰ্য বুলি কলেও বুজিবলৈ সহজ। কিন্তু জীৱন সৌন্দৰ্য বোলা কথাষাৰ বুজি পাবলৈ যথেষ্ট আহুকাল। কাৰণ মানুহৰ জীৱন বুলি হাতেৰে চুব পৰা, চকুৰে দেখিব পৰা কোনো এটা স্থূল ৰূপ নাই। মানুহৰ জীৱন এক বিমূৰ্ত ধাৰণা মাত্ৰ। মানুহৰ জীৱনৰ এই বিমূৰ্ত ধাৰণাটো গঢ় লৈ উঠে কিছুমান গুণৰ সমষ্টিৰ আধাৰত।

জীৱন যিহেতু এটা বিমূৰ্ত ধাৰণা গতিকে এই বিমূৰ্ত ধাৰণাটোৰ সৌন্দৰ্য বিচাৰ যথেষ্ট জটিল কাম। কাৰণ কিছুমান গুণৰ আধাৰত গঢ় লৈ উঠা মানুহৰ জীৱনৰ সৌন্দৰ্য অতি সূক্ষ্ম। কিন্তু এই সূক্ষ্ম সৌন্দৰ্য আনে অনুভৱ কৰিব পাৰে মানুহৰ চিন্তা-ভাৱনা, আচৰণ, কাৰ্য আৰু প্ৰাত্যহিক জীৱন পদ্ধতিৰ মাজেদি। অৰ্থাৎ একোজন ব্যক্তিৰ চিন্তা-ভাৱনাবোৰ কেনেকুৱা, আচৰণেইবা কেনেকুৱা, ব্যক্তিজনে কৰা কামবোৰ কেনেকুৱা আৰু দৈনন্দিন জীৱনত মানুহজনে কেনে ধৰণৰ জীৱন-যাপন কৰে — সেইবোৰৰ মাজেদিয়ে মানুহজনৰ জীৱনৰ সৌন্দৰ্যৰ স্বৰূপটো প্ৰকাশ পায়।

মানুহৰ জীৱনৰ সৌন্দৰ্য সাধাৰণতে গঢ় লৈ উঠে মানুহৰ গুণাৱলীৰ ওপৰত। যি মানুহৰ চিন্তা-ভাৱনা সুস্থ, সেই মানুহৰ কাম-কাজ আৰু আচৰণো পৰিমাৰ্জিত। উশৃঙ্খল হৈ থকা কোঠা এটা দেখি ভাল লাগে জানো? কিন্তু পৰিপাটিকৈ সজাই থোৱা কোঠা এটা দেখিলে মনটো ভাল লাগে। কাৰণ পাৰিপাত্য বা শৃঙ্খলাবদ্ধতাৰ মাজেদিয়ে সৌন্দৰ্য প্ৰকাশ পায়। জীৱনৰ বেলিকাও সেই একে কথা। কথা-বাৰ্তা, কাম-কাজ, আচৰণ আদি যাৰ পৰিমাৰ্জিত, তেনে মানুহৰ জীৱনৰ সৌন্দৰ্য ফুটি উঠে।

পৰিমাৰ্জিত জীৱন-যাপন কৰিবলৈ হ'লে মানুহৰ বিবেকৰ সুস্থতা লাগিব। যাৰ বিবেকবোধ দুৰ্বল অথবা চনকা, তেনে মানুহৰ মন আৰু মানসিকতা অসুস্থ হ'বই। বিবেকবোধ দুৰ্বল হ'লেই মানুহে অশালীন কাৰ্যত লিপ্ত হ'ব পাৰে। বিশেষকৈ

মানুহৰ জীৱনৰ সৌন্দৰ্য সাধাৰণতে গঢ় লৈ উঠে মানুহৰ গুণাৱলীৰ ওপৰত। যি মানুহৰ চিন্তা-ভাৱনা সুস্থ, সেই মানুহৰ কাম-কাজ আৰু আচৰণো পৰিমাৰ্জিত। উশৃঙ্খল হৈ থকা কোঠা এটা দেখি ভাল লাগে জানো? কিন্তু পৰিপাটিকৈ সজাই থোৱা কোঠা এটা দেখিলে মনটো ভাল লাগে। কাৰণ পাৰিপাত্য বা শৃঙ্খলাবদ্ধতাৰ মাজেদিয়ে সৌন্দৰ্য প্ৰকাশ পায়। জীৱনৰ বেলিকাও সেই একে কথা। কথা-বাৰ্তা, কাম-কাজ, আচৰণ আদি যাৰ পৰিমাৰ্জিত, তেনে মানুহৰ জীৱনৰ সৌন্দৰ্য ফুটি উঠে।

জীৱন ত্যাগ কৰিব পৰা জনেহে জীৱন ভোগ কৰিব পাৰে। — মহাত্মা গান্ধী

বিবেকবোধ অস্থিৰ হৈ পৰে যৌৱনকালত। যৌৱনৰ দৈহিক শক্তিয়ে যুৱক-যুৱতীক সাধাৰণতে অন্ধ কৰি তোলে আৰু এনে অৱস্থাতে বিবেকে সৎ কৰ্ম আৰু অসৎ কৰ্ম অথবা শুদ্ধ পথ আৰু অশুদ্ধ পথ বাচি ল'ব নোৱাৰা হয়। যৌৱনৰ উন্মাদনাত অন্ধ হৈ বিবেকক দুৰ্বল কৰি তুলিলে জীৱনে নানা প্ৰকাৰ বিপৰ্যয়ৰ সন্মুখীন হোৱাটো স্বাভাৱিক। আনকি যৌৱনৰ উন্মাদনাবশতঃ বিবেকক দুৰ্বল কৰিলে যি বিষময় অৱস্থা ভূঞ্জিবলগীয়া হয়, সিয়ে গোটেই জীৱন অশান্ত কৰি লোৱাৰ সম্ভাৱনা থাকে। এনেধৰণৰ কথা চিন্তা কৰিয়ে এগৰাকী চিন্তাবিদে কৈছে -- "Foundation of true joy is in the conscience." সঁচা কথা। প্ৰকৃত আনন্দৰ আধাৰ বিবেক। যি নিজৰ বিবেক সুস্থ সবল কৰি তোলে, সিয়ে নিজৰ সুস্থ সবল বিবেকৰ দ্বাৰা পৰিচালিত হয়। তেঁৱেই জীৱনত সুখী হয় আৰু তেনে মানুহৰ জীৱনেই সৌন্দৰ্যশালী হৈ উঠে।

সুস্থ বিবেকবোধৰ সৈতে কৰ্মচেতনা বোলা কথাষাৰ জড়িত হৈ থাকে। যাৰ বিবেক সুস্থ, তেওঁ কেতিয়াও নিষ্কৰ্মা হৈ থাকিব নোৱাৰে। নিষ্কৰ্মা জীৱন গতিহীন অৰ্থাৎ স্থবিৰ। গতিশীল জীৱনৰহে সৌন্দৰ্য থাকে। স্থবিৰ জীৱনৰ সৌন্দৰ্য নাথাকে। জীৱনক গতিধৰ্মী কৰি তুলিবলৈকে কৰ্মময় জীৱন -যাপন কৰিবই লাগিব। কৰ্ম কৰাই জীৱনৰ প্ৰধান কৰ্তব্য বুলি উপলব্ধি কৰিব পৰা জনেহে জীৱনত সুখী হ'ব পাৰে। এনে অৰ্থতে থিউদৰ পাৰ্কাৰ নামৰ চিন্তাবিদ সুখী হ'ব পাৰে। এনে অৰ্থতে থিউদৰ পাৰ্কাৰ নামৰ চিন্তাবিদ গৰাকীয়ে কৈছে -- "Who escapes duty, voids a gain" এই কথাষাৰ মন কৰিবলগীয়া। যি কৰ্তব্যৰ পৰা আঁতৰি থাকে, তেওঁ প্ৰাপ্তিৰ পৰাও বঞ্চিত হয়। গতিকে জীৱনৰ বয়স অনুসৰি আমি যেনেধৰণৰ কাম কৰা উচিত, সেইধৰণে যদি কাম কৰি যাওঁ, তেতিয়াহে আমি সুখী হ'বও পাৰিম আৰু জীৱনকো সৌন্দৰ্যময় কৰি তুলিব পাৰিম।

জীৱনৰ সৌন্দৰ্যবৰ্দ্ধন কৰিব পাৰি বহু দিশৰ পৰা। এই ক্ষেত্ৰত মনত ৰাখিবলগীয়া কথা এষাৰ আছে। কথাষাৰ হ'ল যে, আমাৰ চৌপাশৰ সমাজখনলৈ নিৰীক্ষণ কৰি আৰু আমাৰ চৌপাশৰ সমাজখনৰ পৰাও আমি শিক্ষা ল'ব লাগে। আমি নিতৌ এনে মানুহ দেখিছো -- যিয়ে হয় কৰ্তব্য বিমুখ হৈ নিষ্কৰ্মা জীৱন যাপন কৰিছে, নহয় অসৎ কৰ্মত লিপ্ত হৈ উশৃঙ্খলতা আৰু অসাধুতাৰে জীৱনক ধ্বংসমুখী কৰি তুলিছে। উদাহৰণস্বৰূপে আমাৰ ছাত্ৰ সমাজখনলৈকে আঙুলিয়াব পাৰি। আমাৰ ছাত্ৰ সমাজৰ বুজন সংখ্যকে দৈনন্দিন কৰিবলগীয়া কামৰ পৰা নিজকে আঁতৰাই ৰখা দেখা যায়। ছাত্ৰ হ'ল বুলিয়ে অন্ততঃ নিজৰ কাৰণে হ'লেও কোনো ধৰণৰ কৰ্ম নকৰাকৈ কেৱল পিতৃ-মাতৃৰ ওপৰত নিৰ্ভৰ কৰা দেখা যায়। ইও এক প্ৰকাৰ দাসত্ব। দাস অৰ্থাৎ ভৃত্যই নিজে একো চিন্তা নকৰে। মালিক বা প্ৰভুৱে যি কৰিবলৈ কয় ভৃত্যই তাকে কৰে। নিজে কৰ্ম কৰাৰ পৰা বিৰত থাকি যিজন পৰনিৰ্ভৰশীল হয়, তেনে মানুহে আচলতে ভৃত্যতুল্য জীৱন-যাপন কৰে আৰু এনে মানুহ জীৱনত কেতিয়াও সুখী হ'ব নোৱাৰে। এগৰাকী চিন্তাবিদে কৈছে -- 'Slaves cannot even dream of happiness' নিজে নিষ্কৰ্মা হৈ আনৰ ওচৰত আত্মসমৰ্পণ কৰা মানুহে যিহেতু জীৱনক সুখী কৰি তোলা কথাষাৰ সপোন দেখিবও নোৱাৰে, তেনে মানুহৰ জীৱন সৌন্দৰ্যময় হ'ব কেনেকৈ?

দৈহিক শ্ৰমৰ লগতে মানসিক শ্ৰমৰ সংযোগ নঘটিলেও জীৱন সৌন্দৰ্যৰ আকৰ হৈ নুঠে। মানুহৰ জীৱনৰ পূৰ্ণতাৰ বাবে, মানুহৰ জীৱনৰ গতিশীলতাৰ বাবে আৰু মানুহৰ জীৱন জ্যোতিৰ বাবে দৈহিক আৰু মানসিক এই দুয়ো প্ৰকাৰ শ্ৰম অপৰিহাৰ্য। দৈহিক শ্ৰমে যিদৰে দেহৰো ক্লান্তি বঢ়ায় আৰু ব্যৱহাৰিক জীৱনক স্বচ্ছল কৰি তোলে, মানসিক শ্ৰমে সেইদৰে মনৰ সুস্থতা আনে, চিন্তাক স্বচ্ছ কৰে, বুদ্ধিক প্ৰখৰ কৰে আৰু আত্মিক জেউতি বৃদ্ধি কৰে। এনে কাৰণতে নিৰন্তৰ মানসিক শ্ৰমৰ প্ৰয়োজন। প'পে কৈছিল - 'Straight of mind excercise, not rest.' সঁচা কথা - চিন্তাৰ নিৰন্তৰ অনুশীলনে মনৰ শক্তি বৃদ্ধি কৰে, চিন্তা বিমুখতাই সেইদৰে মনক দুৰ্বল কৰে। দুৰ্বল মন চয়তানৰ লীলাভূমি। গতিকে দুৰ্বল মনে মানুহক ধ্বংসৰ ফালে নিয়ে আৰু সুস্থ সবল মনে মানুহক সৎ পথৰ যাত্ৰী কৰি তোলে। বভী বোলা চিন্তাবিদ গৰাকীয়ে কৈছে - - "Mind unemployed is mind unenjoyed" কথাষাৰ সঁচা এইকাৰণেই যে, মানুহৰ জীৱনৰ সুখ, দুখ, শান্তি-অশান্তি এই সকলোবোৰ নিৰ্ভৰ কৰে মনৰ স্বৰূপটোৰ ওপৰতে। মনটোৱেই জীৱনক উপভোগ্যও কৰিব পাৰে আৰু জীৱনক বিষময় কৰি তুলিবও পাৰে। যাৰ মন নিৰন্তৰ সৎ চিন্তা, সৎ কৰ্ম আৰু সৃষ্টিধৰ্মী চিন্তা-চৰ্চাত নিমগ্ন হৈ থাকে, তেনে মানুহৰ জীৱন সৌন্দৰ্যশালী হৈ উঠে। আনহাতে মানুহৰ জীৱনলৈ দুখ আহে নিজৰ মনৰ

সুস্থ বিবেকবোধৰ সৈতে কৰ্মচেতনা বোলা কথাষাৰ জড়িত হৈ থাকে। যাৰ বিবেক সুস্থ, তেওঁ কেতিয়াও নিষ্কৰ্মা হৈ থাকিব নোৱাৰে। নিষ্কৰ্মা জীৱন গতিহীন অৰ্থাৎ স্থবিৰ। গতিশীল জীৱনৰহে সৌন্দৰ্য থাকে। স্থবিৰ জীৱনৰ সৌন্দৰ্য নাথাকে। জীৱনক গতিধৰ্মী কৰি তুলিবলৈকে কৰ্মময় জীৱন -যাপন কৰিবই লাগিব। কৰ্ম কৰাই জীৱনৰ প্ৰধান কৰ্তব্য বুলি উপলব্ধি কৰিব পৰা জনেহে জীৱনত সুখী হ'ব পাৰে।

ঈশ্বৰে উচ্চ-নীচৰ চিন দি মানুহক সৃষ্টি কৰা নাই। - মহাত্মা গান্ধী

অসুস্থতাৰ বাবে। নিজৰ মনটো স্থিৰ আৰু সৎ চিন্তাৰে সমৃদ্ধ কৰি ৰাখিব পাৰিলে নানান প্ৰকাৰ অশান্তিয়ে মানুহক বিব্ৰত কৰিব নোৱাৰে। এই অৰ্থতে এগৰাকী চিন্তাবিদে কৈছে – "If you keep your mind calm and full of pure thoughts, nobody can come into conflict with you."

জীৱনক সৌন্দৰ্যশালী কৰিব পাৰি বহু দিশৰ পৰা। আমি আমাৰ অতীত ইতিহাসৰ পৰা জ্ঞান ল'ব পাৰো জীৱনক ঐশ্বৰ্যময় কৰি তুলিবৰ বাবে। আমি নিৰন্তৰ মনত ৰাখিব লাগিব যে আমি জীৱশ্ৰেষ্ঠ মানুহ আৰু সেইবাবেই দৈনন্দিন আমি মনুষ্যসুলভ কামহে কৰা উচিত। জীৱন কালত প্ৰয়োজনত আমি বহু ধৰণৰ কাম কৰিব পাৰো। কিন্তু নিজৰ আগ্ৰহ আৰু ৰুচি অনুসৰি কোনো এটা নহয় কোনো এটা দিশত আমি আত্মনিয়োগ কৰিব লাগে। আমি চকুৰ আগতে দেখিছো যে কোনোবাই জীৱন জুৰি সংগীত সাধনা কৰি জীৱনক সুন্দৰ কৰিছে, কোনোবাই নৃত্য সাধনা কৰি, কোনোবাই অভিনয় কৰি, কোনোবাই বিজ্ঞানৰ গৱেষণা কৰি, কোনোবাই চিত্ৰকলাৰ সাধনা কৰি, কোনোবাই সাহিত্য সাধনা কৰি মনুষ্যসুলভ আত্ম পৰিচয় এটা গঢ়ি তুলিছে আৰু এনেধৰণৰ সাধনাৰে নিজৰ জীৱনক মহৎ আৰু মোহনীয় কৰি তুলিছে। কিন্তু এইখিনিতে এটা প্ৰশ্ন হয় যে, উল্লিখিত দিশবোৰত যে সকলোৱে সমানে সাধনা কৰিব পৰাটো সম্ভৱ জানো ? সকলোৱে উচ্ছাঙ্গ কলা সাধনা কৰাটো সম্ভৱ নহয় আৰু কৰিব লাগিবই বুলিও কোনো কথা নাই। কিন্তু প্ৰত্যেক মানুহৰ ৰুচি আৰু যোগ্যতা অনুসৰি উচ্চাঙ্গ কলৰা পৰিৱৰ্তে অন্যান্য কোনো এটা দিশত অন্ততঃ আত্মনিয়োগ কৰিব পাৰে। ধৰা যাওক কোনোবাই খেলা-ধূলাত, কোনোবাই অন্যান্য যিকোনো একোটা দিশত ঐকান্তিক চৰ্চা কৰিব পাৰে। কেৱল সেয়ে নহয়- এইবোৰৰ উপৰিও অতি নিষ্ঠা আৰু সততাৰে ব্যৱসায় বাণিজ্যতো আত্মনিয়োগ কৰিব পাৰে। সম্প্ৰতি বাণিজ্যত বহু মানুহে মনুষ্যত্বক বিসৰ্জন দি, সততা আৰু নৈতিকতাক বিসৰ্জন দি প্ৰচুৰ ধন ঘটা দেখা যায়। কিন্তু বাণিজ্যত ধন ঘটিবলৈ যাওঁতে যদি সততা, নৈতিকতা আৰু মনুষ্যক আওকাণ কৰা যায়, তেতিয়া কিন্তু মানুহৰ জীৱন প্ৰশংসনীয়, শ্ৰদ্ধেয় আৰু সৌন্দৰ্যময় হৈ উঠিব নোৱাৰে।

জীৱনক সৌন্দৰ্যশালী কৰি গঢ়ি তোলাৰ পথ অথবা মাধ্যমৰ অন্ত নাই। আমি যদি জানো তেনেহ'লে বিভিন্ন প্ৰকাৰে আমি আমাৰ জীৱনক উপভোগ্য ৰূপত সজাই তুলিব পাৰোঁ। আমাৰ দেশ কৃষিপ্ৰধান দেশ। বিবিধ প্ৰকাৰ কৃষিৰ বাবে আমাৰ দেশৰ মাটি উপযোগী। তাতে আকৈ আধুনিক বস্তুবাদী বিজ্ঞানে নতুন নতুন কৃষি পদ্ধতি আৱিষ্কাৰ কৰি জনসাধাৰণৰ বিশেষকৈ কৃষকসকল উন্নতিৰ পথত আগবাঢ়ি যোৱাত সহায় কৰিছে। এনেবোৰ অনুকূল পৰিস্থিতিত আধুনিক পদ্ধতিৰে কৃষিকৰ্ম কৰিও জীৱনক সুখী কৰি তুলিব পাৰি, ভোগী কৰি তুলিব পাৰি আৰু সুখ আৰু ভোগেৰে জীৱনৰ সৌন্দৰ্য আহৰণ কৰিব পাৰি। গুণ বিশিষ্টতাবোৰ আহৰণ কৰি কৰা যিকোনো কৰ্মইহে মানুহক যথাৰ্থ মানুহ কৰি তোলে আৰু এনে মানুহৰ জীৱনহে সুখৰ, শান্তিৰ আৰু উপভোগ্য হৈ উঠে। এই যে আৰম্ভণিতে এযাৰ কথা কোৱা হৈছিল মানুহৰ জীৱন এক বিমূৰ্ত ধাৰণা বুলি আৰু যে কোৱা হৈছিল জীৱনৰ বিমূৰ্ত ধাৰণাটো গঢ় লৈ উঠে কিছুমান গুণৰ সমষ্টিৰ আধাৰত বুলি, সেইযাৰ কথাৰ ব্যাখ্যা স্বৰূপেই পিছৰ কথাখিনি দাঙি ধৰা হ'ল। মুঠতে মানুহৰ জীৱন অতি দুৰ্লভ। এনে দুৰ্লভ জীৱনক মধুময় আৰু সৌন্দৰ্যময় কৰি গঢ়ি তুলিবৰ বাবেই জীৱনক মানৱীয় সৎ গুণেৰে গুণান্বিত কৰি তুলিবই লাগিব। তাকে কৰিব পাৰিলেই জীৱন হৈ পৰে উপভোগ্য আৰু সৌন্দৰ্যময়।



উৎস ঃ ডিব্রুয়ান, ১৯৯৯-২০০০, ২০০-২০০১ বৰ্ষ (পৃষ্ঠা ঃ ১) সম্পাদকদ্বয় ঃ অনন্ত খনিকৰ, প্ৰশান্ত শইকীয়া

বিস্ময়কৰ মানৱ শৰীৰ

পৰিনীতা দেৱী নাথ
প্ৰথম যান্মাসিক
উদ্ভিদ বিদ্যা বিভাগ


মানৱ শৰীৰটো বিভিন্ন অংগ-প্ৰত্যংগ, ২০৬ ডাল হাড়, ৩২ টা দাঁত, কেইবাশ পেশী, বহু কিলোমিটাৰ দীঘল স্নায়ু, কোটি কোটি কোষ ইত্যাদিৰে গঠিত। এই অংগ-প্ৰত্যংগৰ প্ৰতিটোৱে বিভিন্ন ধৰণৰ কাম কৰে। এই অংগসমূহে সহযোগিতাৰে ইমান নিখুঁত আৰু স্বয়ংক্ৰিয়ভাৱে কাম কৰে যে ভাবিলে আচৰিত লাগে।

মানৱ সভ্যতাৰ অগ্ৰগতিৰ লগে লগে বিজ্ঞানৰ অভূতপূৰ্ব উন্নতি হৈছে। ইয়াৰ যোগেদি মানুহে আৱিষ্কাৰ কৰিছে ন ন অত্যাধুনিক যন্ত্ৰপাতি। উন্নতিৰ সোপানৰ শীৰ্ষস্থানত আৰোহণ কৰিও কিন্তু মানুহে আজিলৈকে এনে এটি যন্ত্ৰ নিৰ্মাণ কৰিব পৰা নাই, যাৰ তুলনা মানৱ দেহৰ লগত কৰিব পাৰি। মানৱ দেহৰ 'যন্ত্ৰপাতি'ৰ বৈচিত্ৰ্যৰ কথা ভাবিলে আচৰিত হ'ব লাগে। মানুহে যন্ত্ৰ মানৱ বা ৰবট নিৰ্মাণ কৰিছে যদিও তেজ-মঙহৰ মানুহৰ লগত তাৰ কোনো তুলনা নহয়। সঁচাকৈয়ে আচৰিত যন্ত্ৰ আমাৰ এই শৰীৰ।

মানৱ শৰীৰৰ চকুৰ লেন্সে একমাত্ৰ অংগ, য'ত কেন্সাৰে আক্ৰমণ কৰিব নোৱাৰে।

শৰীৰৰ দাম

প্ৰায় ৬৫ কিলোগ্ৰাম ওজনৰ মানুহ এজনৰ দেহত থকা চৰ্বিজাতীয় পদাৰ্থৰ পৰা প্ৰায় ৭ ডোখৰ চাবোন তৈয়াৰ কৰিব পৰা যাব। দেহত থকা কা�ৰ্বনেৰে প্ৰায় ৯,০০০ ডাল পেঞ্চিল আৰু ফছফৰাছেৰে ২,২০০ ডাল জুইশলা কাঠিৰ খাৰ লগোৱা মূৰ তৈয়াৰ কৰিব পৰা যাব। মানৱ দেহত থকা লোৰে (Fe) এটা 2.5 cm দীঘল গজাল সাজিব পৰা যাব। আনহাতে দেহস্থ বিজুলী শক্তিৰে এটা ২৫ ৱাট ক্ষমতাৰ বাল্‌ব কেইমিনিটমান সময় জ্বলাব পাৰি।



অলপতে এখন মাৰ্কিন পত্ৰিকাত প্ৰকাশিত এক সমীক্ষা অনুসাৰে যদি মানৱ শৰীৰৰ প্ৰত্যেকটো অংগ-প্ৰত্যংগ বিক্ৰী কৰা হয়, তেন্তে তাৰ মূল্য হ'ব ৪.৫ কোটি ডলাৰ। সমীক্ষাটোত মানুহৰ হাওঁফাওঁৰ মূল্য ধৰা হৈছে ১,১৬,৪০০ ডলাৰ, এটা বৃক্কৰ মূল্য ৯১,৪০০ ডলাৰ আৰু হৃদপিণ্ডৰ মূল্য ৫৭,০০০ ডলাৰ।

হৃদপিণ্ডৰ শক্তি

সাধাৰণতে মানুহৰ হৃৎপিণ্ডই প্ৰতিদিনে ২,২০০ গেলন (১ গেলন = ৪.৫৪৬১ লিটাৰ) আৰু সমগ্ৰ জীৱনত গড়ে প্ৰায় ৫৬ কোটি গেলন তেজ পাম্প কৰে। পৃথিৱীৰ সম্ভৱতঃ কোনো যন্ত্ৰই এনেদৰে একেৰাহে ইমান কাম কৰিব নোৱাৰে।

ভুল আঁতৰাই সত্য প্ৰতিষ্ঠা কৰা টোৱেই শিক্ষাৰ মূল লক্ষ্য। - চক্ৰেটিছ

সিৰাৰ দৈর্ঘ্য

আমাৰ দেহত থকা সকলো সিৰা যদি ইডালৰ পিছত সিডাল জোৰা লগোৱা হয়, তেতিয়া ইয়াৰ দৈর্ঘ্য হ'ব ১,৬০,০০০ কিলোমিটাৰ। অর্থাৎ ই ইমান দীঘল হ'ব যে বিষুৱ ৰেখাৰ চাৰিওফালে চাৰি পাক দিব পৰা যাব।

মগজুৰ কামেই নাই

মানৱ মগজুৰ প্রকৃততে কোনো অনুভৱেই নাই। মগজু আৱৰি ৰখা মেমব্রেনখনতহে সিৰা, ধমনী, স্নায়ুকোষ আদি আছে। সেইবাবে কেৱল মগজু আক্রান্ত হ'লে মানুহে একো অনুভৱ নকৰে।

প্রথম উশাহটোৰেই মৃত্যুৰ আৰম্ভণি

জন্ম হৈয়ে কেঁচুৱা এটাই যে প্রথম উশাহ লয় সেয়াই মৃত্যুৰ আৰম্ভণি। তাৰ পাছত প্রতিটো উশাহত আমি দৰাচলতে মৃত্যুৰ ফালেহে আগবাঢ়ি গৈ থাকো।

হাতীৰ সমান খায় মানুহে

এজন স্বাভাৱিক স্বাস্থ্যৰ মানুহে এদিনত প্রায় ডেৰ কিলোগ্রাম আহাৰ খায়। সেই অনুসৰি এজন মানুহে তেওঁৰ ষাঠি বছৰীয়া জীৱনটোত গ্রহণ কৰে প্রায় ৩০,০০০ কিলোগ্রাম খাদ্য, যাৰ ওজন প্রায় ৬ টা হাতীৰ সমান।

৮০ কিলোমিটাৰ দীঘল নলী

মানুহৰ বৃক্কত দহ লাখৰো বেছি সংখ্যক ক্ষুদ্র নলী আছে। এই নলীবোৰক যদি এডালৰ পিছত সিডালকৈ সংযুক্ত কৰা হয়, তেন্তে সর্বমুঠ দৈর্ঘ্য হ'ব প্রায় ৮০ কিলোমিটাৰ।

তেজৰ গতি

এটোপাল তেজত প্রায় দহ কোটি লোহিত ৰক্ত কণিকা (RBC) থাকে। প্রতি ছেকেণ্ডত প্রায় ৮০ লাখ লোহিত ৰক্ত কণিকা ধ্বংস হয় আৰু লগে লগে তাৰ পুনৰ সৃষ্টিও হয়। সেইদৰে এদিনত মানুহৰ দেহত থকা তেজে প্রায় ২৭ কোটি কিলোমিটাৰ অতিক্রম কৰে।

ফিল্টাৰ বৃক্ক

মানুহৰ প্রত্যেকটো বৃক্কতে প্রায় দহ লাখ ফিল্টাৰ আছে। দুয়োটা বৃক্কই মিলি এক মিনিটত ১.৩ লিটাৰ তেজ শোধন কৰে।

৮০ শতাংশ আঁতৰাই নিলেও.....

মানৱ শৰীৰৰ যকৃতৰ (Liver) ৮০ শতাংশ আঁতৰাই নিলেও ই কাম কৰি থাকিব পাৰে আৰু কেইমাহমানৰ ভিতৰতে পুনৰ আগৰ আকাৰ পাব পাৰে।

জীৱনৰ তথ্য

আমি জীৱনত যিমান কথা পাতিম সেই কথাখিনি একেলেঠাৰিয়ে পাতিলে আমাক সময় লাগিব আঢ়ৈ বছৰ। আৰু এই কথাখিনি যদি কাগজত লিখি যোৱা হয় তেনেহ'লে ৪০০ পৃষ্ঠাৰ ১,০০০ খন কিতাপ হ'ব।

- আমি জীৱনত আঙুলিবিলাক ২.৫ কোটিবাৰ বেঁকা আৰু পোন কৰোঁ।
- আমাৰ মগজুৱে জীৱনত ১০^১০টা সৰু-বৰ তথ্য সংগ্রহ কৰে।
- এজন মানুহৰ আয়ুস যদি ৭০ বছৰ হয় তেন্তে মানুহজনে জীৱনত ৬৮,৯৮,৫০,০০০ বাৰ চকু টিপিয়ায়।
- এজন মানুহ যদি ৭০ বছৰ জীয়াই থাকে, তেন্তে মানুহজনৰ হৃদস্পন্দন ২৫০ কোটি বাৰ হ'ব।
- এজন মানুহৰ আয়ুস যদি ৭০ বছৰ হয়, তেন্তে মানুহজনে জীৱনত ৫৮,৭৬,৫০,০০০ বাৰ উশাহ গ্রহণ কৰিব।
- গড় হিচাপত সোঁহতীয়া মানুহৰ আয়ুস বাওঁহতীয়া মানুহৰ আয়ুসতকৈ ৯ বছৰ বেছি।

এদিনৰ খবৰ

- আপুনি এদিনত ২৩,০০০ বাৰ উশাহ লয় আৰু ১২০.৩ ঘনমিটাৰ বায়ু গ্রহণ কৰে।
- আপুনি এদিনত ২৭,০০০ বাৰ চকু টিপিয়ায়।
- আপুনি ১৮ বছৰ বয়সৰ পৰা এদিনত ১০০০ টাকৈ মগজুৰ কোষ হেৰুৱাইছে।
- আপোনাৰ হৃদযন্ত্রটোৱে এদিনত ৭,৫০০ লিটাৰ তেজ পাম্প কৰে।
- আমাৰ হৃদযন্ত্রটোৰ হৃদস্পন্দন এদিনত ১,০৩,৬৮৯ বাৰ।
- আমাৰ মগজুটোৱে এদিনত প্রায় ৮.৬ কোটি সৰু তথ্য মনত ৰাখিব পাৰে।

বন্ধুত্ব হৈছে দেহত বাস কৰা এটা আত্মা। - এৰিষ্টট'ল



এখন ভাল লগা কিতাপ পঢ়াৰ অভিজ্ঞতাৰে

তেজস্বিনী নেওগ
পঞ্চম যান্মাসিক
ৰসায়ন বিভাগ

"A good book is a precious life blood of a master spirit emblem treasured life beyond life."

এখন মহৎ গ্রন্থ মহাজীৱনৰ মহার্ঘ যাক পুৰুষৰ পাছত পুৰুষ ধৰি সংৰক্ষণ কৰা হয়।

বিজ্ঞান প্রযুক্তিৰ দ্রুত উন্নতিৰ কালছোৱাত গ্রন্থ অধ্যয়নৰ প্রতি থকা দুর্বলতাই মোক আকৌ এবাৰ এখন ভাল গ্রন্থ পঢ়াৰ সুযোগ দিয়াৰ লগতে এটি মধুৰ অভিজ্ঞতা জ্ঞাপন কৰিলে। বিশিষ্ট সাংবাদিক তথা লেখিকা অনুৰাধা শর্মা পূজাৰীৰ 'সময়ৰ পৃষ্ঠা' পঢ়াৰ সৌভাগ্য ঘটিছিল। 'সময়ৰ পৃষ্ঠা' পঢ়াৰ পিছত দেশ-বিদেশৰ লগতে ৰাজ্যৰ আভ্যন্তৰীণ বহু সৰু-সুৰা কথা জনাৰ সুযোগ পাইছিলো। সাংবাদিক হিচাপে তেখেতে সত্য আৰু বাস্তৱতাৰ ভিত্তিত লিখা এনেবোৰ গ্রন্থই সমাজৰ লোকচক্ষুৰ আঁৰৰ বহু কাহিনী উলিয়াই আনিবলৈ সক্ষম হৈছে যেন অনুভৱ হৈছিল। 'নাহৰৰ নিৰিবিলি ছাঁ', 'চাহেবপুৰাৰ ৰৰষুণ', 'কাঞ্চন' পঢ়াৰ উপৰিও অনুৰাধা শর্মা পূজাৰীৰ 'সময়ৰ পৃষ্ঠা' গ্রন্থখনেও মোৰ অন্তৰত ভালেমান জোৱাৰ তুলিবলৈ সক্ষম হ'ল। ৩৫২পৃষ্ঠাৰ এই বৃহৎ কলেৱৰৰ গ্রন্থখনে বিকশিত অসম তথা ভাৰতবর্ষৰ বহু সৰু সৰু কাহিনী বুটলি জনসাধাৰণক জনোৱাৰ যি প্রয়াস কৰিলে, তাৰ বাবে অনুৰাধা বাইদেউলৈ পোনপ্রথমে কৃতজ্ঞতা জ্ঞাপন কৰিলো। আৰম্ভণিতে, তেওঁ 'সাংবাদিকতাৰ দুঃসময়' শিৰোনামাৰে লিখা ঘটনাটো পঢ়ি আশ্চর্য্য প্রকাশ কৰিলো। এই শিৰোনামাত তেওঁ জনোৱা দুটা অভিজ্ঞতা পঢ়ি বুজি পাইছিলো অসমৰ সংবাদ জগতৰ দুঃসময়ৰ বিষাদ বার্তা। তাৰোপৰি, ইন্দিৰা মিৰিৰ 'এডিনৰৰা' শিৰোনামাটিত তেওঁ লিখা এডিনৰৰাৰ বিশেষ অভিজ্ঞতা পঢ়ি মই আপ্লুত নহৈ নোৱাৰিছিলো। কেৱল এয়াই নহয়, সাম্প্রতিক সময়ৰ অসমৰ বহু দুখলগা স্থিতিৰ বিষয়ে জানিব পাৰি মই দুঃখিত হ'লো। 'সন্দেহযুক্ত বাংলাদেশী আমাৰ প্রয়োজন' এই শিৰোনামাটিত অসমৰ জনজীৱনৰ এক স্বতঃস্ফূত ছবি অর্থাৎ পৰিশ্রমী বাংলাদেশী আৰু এলেহুৱা অসমীয়াৰ এখন সুন্দৰ চিত্র প্রতিফলিত হৈছে। লেখিকাই উল্লেখ কৰা লিডুৰ অভিজ্ঞতা, শ্বিলংৰ বিহু, উৰুকাৰ স্মৰণীয় এসাঁজ, এটা আত্মহত্যা আৰু লুবনা মৰিয়মৰ প্রসংগত ঃ আমি কিমান অসুস্থ! -- এই অধ্যায়কেইটা লেখিকাৰ





ভাগ্যক বিশ্বাস নকৰিবা, কৰিবা তোমাৰ ব্যক্তিত্বক। - লক্ষ্মীনাথ বেজবৰুৱা

অভিজ্ঞতাৰ দ্বাৰা লগ পোৱা ব্যক্তিকেইজনৰ মহানুভৱ, সৌহাৰ্দ্য, আন্তৰিকতা আদিয়ে প্ৰকৃত পক্ষত এচাম স্বাৰ্থান্বেষী মানুহৰ অন্তৰত জুই লগাব। 'উপহাৰ' শীৰ্ষক লেখাটিত লেখিকাই আজিৰ কণ কণ ল'ৰা-ছোৱালীৰ মনঃস্তাত্বিক দিশটো ভালদৰে উপলব্ধি কৰাত অকণো ত্ৰুটি কৰা নাই। 'অতিথি দেবো ভৱঃ' শীৰ্ষক অধ্যায়টিত অনুৰাধা বাইদেৱে ভ্ৰমণৰ সন্দৰ্ভত মন্তব্য কৰিছে এনেদৰে -- Wise men carry knowledge by travel, fools for nothing. (জ্ঞানীয়ে জ্ঞানৰ টোপোলা কঢ়িয়াই ভ্ৰমণ কৰে, মূৰ্খই এনেই কৰে)। 'বিদেশীৰ দৃষ্টিত আমি কি?' -- এই অধ্যায়টিত অসম ভ্ৰমণৰ বাবে অহা ফ্ৰান্সৰ অতিথি মেথেল ৰোমিজক অনুৰাধা বাইদেৱে তেওঁলোকে ভ্ৰমণৰ অন্তত পোৱা দুটা ভাল আৰু বেয়া দিশ জানিব বিচাৰিছিল। তেতিয়া মেথেল ৰোমিজে কৈছিল যে অসমৰ মানুহবোৰ ভাল আৰু সহায়কাৰী। দ্বিতীয়তে অসমৰ চহৰবোৰ অত্যাধুনিক আৰু যথেষ্ট আগবঢ়া। বেয়া দিশ দুটা ক'বলৈ তেওঁলোক ৰাজী নাছিল যদিও অনুৰাধা বাইদেউৰ অনুৰোধত তেওঁলোকে কৈছিল যে, প্ৰথমতে পৰ্বতৰ খনন কাৰ্য্য দেখি তেওঁলোক আচৰিত হৈছে। দ্বিতীয়তে অপৰিষ্কাৰ। যিটো স্থানীয় বাসিন্দাই নিয়ন্ত্ৰণ কৰিব পাৰে। তাৰোপৰি তেওঁ কৈছিল যে বাসিন্দাসকলৰ ঘৰবোৰ পৰিস্কাৰ, কিন্তু ৰাস্তা আৰু নৰ্দমাবোৰ ততোধিক বেয়া। এইবুলি কৈ তেওঁ ক্ষমা প্ৰাৰ্থনা বিচাৰিছিল। সঁচাকৈয়ে তেওঁ অসমৰ এই বিষাদ লগা পৰিস্থিতিৰ মৰ্ম বাৰুকৈয়ে উপলব্ধি কৰিছিল। ইয়াৰ পিছতে 'পৰিচ্ছন্নতাৰ আদিপাঠ' অধ্যায়টিত মেঘালয়ৰ মৌলিনঙৰ যি বাৰ্তা কঢ়িয়াই আনিছে সেয়া সঁচাকৈয়ে মন কৰিবলগীয়া। মৌলিনঙ হৈছে এছিয়াৰ সবাতোকৈ পৰিস্কাৰ গাঁও। এই ঠাইখনৰ বিষয়ে পঢ়ি মই বুজি উঠিছিলো পৰিচ্ছন্নতাৰ এটি পাঠ। মৌলিনঙৰ এই বিশেষ পাঠ সঁচাকৈয়ে অনুকৰণীয়। A man cannot be judged by his outfit বুলি এযাৰ কথা আছে। সুন্দৰ সাজ পৰিহিত এজন ব্যক্তিক এপলক চাই ক'ব নোৱাৰি যে তেওঁৰ মনটো কেনে, সাজযোৰ পৰিস্কাৰ কিন্তু, তেওঁৰ ঘৰখন পৰিস্কাৰ নে? 'কাজিৰঙাৰ বান', 'মানাহৰ পলৰীয়া বসন্ত', 'সাংবাদিকৰ মূল্য', 'সাক্ষাৎকাৰ মুখ্যমন্ত্ৰী তৰুণ গগৈৰ সৈতে', 'ৰাজধানীৰ পানী', 'পৰিচয়বিহীন' আদি বিভিন্ন শিৰোনামাৰে অসমৰ চুক-কোণ সামৰি বিভিন্ন অভিজ্ঞতাৰ সোৱাদ এই গ্ৰন্থৰ যোগেদি তথা 'সাদিন'ৰ সম্পাদকীয়ৰ যোগেদি দিয়াত আমি নথৈ আনন্দিত হৈছো। লেখাৰ মাজে মাজে লেখিকাই আগবঢ়োৱা নেপোলিয়ন, জৰ্জ বার্ণাড শ্ব'ৰ বিখ্যাত বাণীবোৰে জনসাধাৰণৰ অন্তৰ চুই যাবলৈ নিশ্চয় সক্ষম হ'ব। অসমৰ কাজিৰঙাৰ পৰা কৃষক মুক্তি সংগ্ৰাম সমিতিলৈকে, সোৱণশিৰিৰ পৰা আন্না হাজাৰে লৈকে লেখিকাই আগবঢ়োৱা নানানটা মন্তব্যই সকলোকে অসমৰ তথা ভাৰতবৰ্ষৰ বাতাবৰণৰ বিষয়ে জনাবলৈ সক্ষম হৈছে। অনুৰাধা বাইদেউৰ লগতে অসমৰ সমূহ জনসাধাৰণৰ সকলো প্ৰশ্নৰ সমিধান হওক। অসমীয়া হৈ অসমীয়া ভাষা ক'বলৈ আৰু লিখিবলৈ নজনা দুৰৱস্থাৰ দূৰ হওঁক। অসমীয়া ভাষা আৰু বৃহত্তৰ অসমীয়া জাতিৰ উন্নতিৰ বাবে সকলোৱে দায়বদ্ধ হোৱা উচিত। পাঠকবৰ্গই 'সময়ৰ পৃষ্ঠা'ৰ যোগেদি অনুৰাধা বাইদেউৰ মনৰ অৱস্থা বুজি পোৱাৰ লগতে অসমত চলি থকা বিভীষিকাময় পৰিস্থিতিৰ উমান পাব। এনে এখন অমূল্য গ্ৰন্থৰ প্ৰাচুৰ্য্য প্ৰাঞ্জলভাৱে দাঙি ধৰিবলৈ প্ৰয়াস কৰাটো মোৰ বাবে ধৃষ্টতাহে মাথোন। তথাপি মোৰ সাধ্যানুসাৰে অসমৰ হুমুনিয়াহ কাঢ়িবলগীয়া কিছুমান ঘটনা দাঙি ধৰিলো। দুৰ্নীতি ভ্ৰষ্টাচাৰে মোহাচ্ছন্ন কৰি ৰখা অসমৰ মহীয়ান জীৱন পৰিক্ৰমালৈ নামি আহক উদ্দীপ্ত ৰং। লেখিকা বাইদেৱে উঠি অহা নৱ প্ৰজন্মৰ লগতে সমূহ জনসাধাৰণৰ অভিজ্ঞতা ৰসেৰে মোহাৰিষ্ট কৰি জীৱনৰ কোঁহত যি সোণালী সূতা আঁৰি দিলে, সেয়া পাঠকবৰ্গই নতশিৰে গ্ৰহণ কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰিলো। মহানুভৱৰ মনোভাৱে শতদলৰ জেউতিত ৰাজহংসৰ উদ্দীপনাৰে নিৰ্জীৱ পদাৰ্থকো সজীৱ কৰি অসমৰ অসমীয়াৰ জয়গান গাবলৈ আগবাঢ়ি আহক আৰু অসমক সুৰুযৰ নৱ কিৰণেৰে সজাই তোলক। পৰিহাৰ কৰক বিসম্বাদ, অসমৰ অমিয়া মাটিত জগাই তোলক বীণাপানীৰ বীণাৰ ঝংকাৰ। জাতি-ভাষা-বর্ণ-নির্বিশেষে সকলোৱে একত্ৰিত হৈ সোণৰ অসমত হীৰাৰ চিকমিকনি তুলিবলৈ যত্নপৰ হয় যেন। হে মহান জগদীশ্বৰ, আমাৰ প্ৰাৰ্থনা সফল কৰি আমাক ধন্য কৰে যেন।


"তুমি সুবাস অসমীৰে
তুমি সুবাস সৃষ্টিৰে
তুমি প্ৰকাশ মুকুতিৰে
তুমি গুৰু কলাগুৰু।।

ঈশ্বৰ মন্দিৰত নাই, অৰণ্যত নাই, গুহাত নাই, ঈশ্বৰ আছে মানুহৰ অন্তৰত। বিচাৰিব জানিলেই হ'ল। - তুলসী দাস



হিতোপদেশ আৰু সুভাষিত

পল্লৱী গগৈ
স্নাতক প্ৰথম ষান্মাসিক
সংস্কৃত বিভাগ



সুন্দৰ অর্থযুক্ত কথা বা মধুৰ ভাষাই হৈ সুভাষিত। সংস্কৃত সাহিত্যত সুভাষিতসমূহৰ বিশেষ স্থান আছে। এই সুভাষিতসমূহ নীতি কথাৰেই ভৰপূৰ হৈ আছে। এই সুভাষিতসমূহে বিভিন্ন জনৰ জীৱন আনন্দময় কৰি তুলিছে। তদুপৰি এই সুভাষিতসমূহে ছাত্ৰ-ছাত্ৰীৰ লগতে অপকর্মত লিপ্ত হোৱা মানৱক উপযুক্ত জ্ঞান দি অধিক দিশত আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণা যোগাইছে। এই সুভাষিতসমূহ সংস্কৃত সাহিত্যৰ বিভিন্ন গ্ৰন্থ, কাব্য, খ্যান-উপাখ্যানসমূহত বিৰাজমান হৈ আছে। ইয়াৰোপৰি হিতোপদেশ আৰু পঞ্চতন্ত্ৰতো এই সুভাষিতসমূহে বিশেষ স্থান লাভ কৰিছে। এই লেখাৰ মাজেদি হিতোপদেশত বিদ্যমান কেইটামান সুভাষিতৰ বিষয়ে আলোচনা কৰা হৈছে।

ক্যব্যশাস্ত্ৰা - বিনোদন কালো গচ্ছতি বীমতাম্।
ব্যসানন চ মুখাণাং নিদ্রয়া কলহেন ৰা।।

অর্থাৎ, যিসকল মূর্খলোক তেওঁলোকে হাই-কাজিয়া কৰি বা শুই-বহি সময় কটায়। কিন্তু যিসকল বিদ্বান লোক তেওঁলোকে নানা ধৰণৰ কাব্য শাস্ত্ৰ আদি পাঠ কৰি সময় অতিবাহিত কৰে।

অনিষ্টাদিষ্টলাভেঅপি ন গতির্জায়াত শোভা।
য়ত্রাআস্তে বিষসংসর্গোঅমৃতং তদঅপি মৃত্যারে।।

অর্থাৎ, যি পুৰুষে পৰস্ত্রীক নিজৰ মাতৃৰ নিচিনা জ্ঞান কৰে, পৰৰ সম্পত্তিক এটুকুৰা মাটিৰ লডা বুলি ভাবে, সকলো জীৱকে যি সমদৃষ্টিৰে চায়, তেওঁকেই মহাপুৰুষ বুলি কয়।

সর্বস্য হি পৰীক্ষান্তে স্বভাবা নেতাৰ গুণাঃ।
অতীব্য হি গুণানসর্বানস্বভাবো মুর্হি ৱর্ততে।।

অর্থাৎ স্বভাৱেহে সকলোবিলাক গুণৰ ওপৰত থাকে। এইকাৰণে স্বভাৱহে পৰীক্ষা কৰা যায়, গুণ নহয়।

সুর্জাণমন্তং সুবিচক্ষণঃ সুতঃ
সুশাসিতা স্ত্রী নৃপতিঃ সুসোবিতঃ।
সুচিন্ত্য চোক্তং সুবিচার্য যতকৃতং
সুদীর্ঘকালেপি ন য়াতি বিক্রিয়াম্।।

অর্থাৎ যেনেকৈ ভালকৈ হজম হোৱা অন্নই কেতিয়াও বেমাৰ নেপেলায়। সুশিক্ষিত পুত্ৰৰপৰা দুখ পোৱা নাযায়।



সকলো বস্তু কিনিছা কিনা, পৰা পক্ষত মাহেকত এখন ভাল কিতাপ কিনিবা। — যতীন্দ্ৰ নাথ দুৱৰা

পতিপৰায়ণ স্ত্রীয়ে অধর্ম নকৰায়, প্রসন্নচিত্ত ৰজা হানিকাৰক নহয়, চিন্তা কৰি কোৱা কথাই যেনেকৈ ক্লেশ নিদিয়ে। তেনেকৈ বিচাৰ-বিবেচনা কৰি কাম কৰিলে ভৱিষ্যতে দুখ পোৱা নাযায়।

দুর্জনেন সমং সংখ্য বৈৰঞ্চাপি ন কাৰয়েত।
উষ্ণং দহতি চাঙ্গাৰঃ শীতঃ কৃষ্ণয়াত।।

অর্থাৎ, দুর্জন লোকৰ সৈতে মিত্রতাও কৰিব নালাগে। শত্রুতাও কৰিব নালাগে। কাৰণ গৰম এঙাৰে যেনেদৰে হাত পোৰে, তেনেদৰে ঠাণ্ডা হ'লে হাতখন ক'লা কৰি তোলে।

অৰাবজ্যুচিতং কার্য্যমাতিথ্যং গৃহমাগতে।
ছেট্টঃ পার্শ্বগতাং ছায়াং নোপসংহৰাত দ্রুমেঃ।।

অর্থাৎ, নিজৰ ঘৰলৈ অহা শত্রুকো অতিথি সৎকাৰ কৰিব লাগে, কিয়নো বৃক্ষই নিজৰ ডাল কাটি পেলোৱা জনক ছাঁ দিয়াৰ পৰা বঞ্চিত নকৰে।

য়স্য মিত্রেণ সংভাষা য়স্য মিত্রেণ সংস্থিতিঃ।
য়স্য মিত্রেণ সংলাপস্তস্তো তাত্তাহ পূণ্যবাণ।।

অর্থাৎ যাৰ মিত্রৰ লগত কথা-বতৰা হয়। যি মিত্রৰ লগত একেলগে থাকিব পাৰে। যিজনে মিত্রৰ লগত গোপন আলোচনা আদি কৰিব পাৰে। সেইজনৰ সমান পূণ্য আৰু কোনো নাই।

লোভাত্ক্রোধঃ প্রভৱতি লোভাত্কামঃ প্রজায়াত।
লোভান্মোহক্ষ নাশশ্ব লোভঃ পাপশ্ব কাৰণম্।।

অর্থাৎ লোভৰ পৰা ক্রোধ উৎপন্ন হয়। লোভৰ পৰা কামনাৰ জন্ম হয়, লোভৰ পৰা মোহ হয় আৰু মৃত্যুপ্রাপ্ত হয়। লোভেই হ'ল সকলো পাপৰ কাৰণ।

অসংভৱ হেমমৃগস্য জন্ম তথাপি ৰামো লুলুভে মৃগায়।
প্রায়ঃ সমাপন্নবিপত্তিকালে বিয়োঅপিপুংসা মলিনা ভবন্তি।।

অর্থাৎ সোণৰ হৰিণাৰ জন্ম অসম্ভৱ, তথাপিও ভগৱান শ্রী ৰামচন্দ্র সোণৰ হৰিণৰ লোভত পৰিল। ইয়াৰ পৰা এই কথা নিশ্চিত হয় যে বিপদৰ সময় নিশ্চিত হ'লে জ্ঞানী পুৰুষো বুদ্ধিহীন হৈ পৰে।


অল্পানামপি বস্তুনাং সংহতিঃ কার্যসাধিকা।
তৃর্ণৈগুণ ত্বমাপর্ণৈর্ধ্যতে মত্বদন্তিনঃ।।

অর্থাৎ যেনেকৈ বহুত তৃণ লগ লগাই বন্ধা ৰচীডালেৰে মদমত্ত হাতীকো বধ কৰিব পাৰি, তেনেকৈ নির্বলী আৰু ক্ষুদ্র জীৱবিলাকো একেলগ হৈ মহৎ কার্য সাধন কৰিব পাৰে।

এনেদৰে দেখা যায় যে বর্তমান সময়ত সুভাষিতসমূহৰ প্রাসংগিকতা অত্যন্ত বেছি। কিয়নো যুৱপ্রজন্মৰ চা�ৰিত্রিক স্খলন, পিতৃ-মাতৃৰ প্রতি অশ্রদ্ধা, শিক্ষকৰ প্রতি অশ্রদ্ধা, উশৃংখল ব্যৱহাৰ, মাদক দ্রব্য আদি সেৱন, এইবিলাক কার্যই সমাজখন বিশৃংখল কৰি তুলিছে সেইবিলাক দূৰ কৰাৰ ক্ষেত্রত সুভাষিতসমূহে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিব বুলি ভবাৰ থল আছে। সেয়েহে বর্তমান শিক্ষা ব্যৱস্থাত এই সুভাষিতসমূহ নীতি শিক্ষাৰ পাঠ হিচাপে অন্তর্ভুক্ত কৰিব পাৰিলে সমাজৰ এই বেয়া দিশবিলাক দূৰ কৰাত সহায়ক হ'ব বুলি ভাবিব পাৰি।



এখন ভাল কিতাপ আপোনাৰ সর্বোত্তম বন্ধু। আজিৰ বাবে নহয়, চিৰ দিনৰ বাবে। - মার্টিন টপাৰ



ড° লীলা গগৈদেৱৰ উপন্যাস

'নৈ বৈ যায়'


হেৰম্ব কুমাৰ গগৈ

লেখকৰ চমু পৰিচয় ঃ

ড° লীলা গগৈ অসমীয়া সাহিত্য জগতৰ এটি চিনাকি নাম। ১৯৩০ চনৰ ২৫ নৱেম্বৰত শিৱসাগৰৰ চেৰেকাপাৰ হাতীমুৰীয়া গাঁৱত জন্ম লাভ কৰা ড° গগৈদেৱ একেধাৰে প্রখ্যাত সাহিত্যিক, বুৰঞ্জীবিদ, শিশু সাহিত্যিক, হাস্যৰসিক, উপন্যাসিক, গীতিকাৰ আৰু সফল অনুবাদক আছিল। ১৯৫০ চনত সংস্কৃত বিষয়ত লেটাৰ সহ প্রৱেশিকা পৰীক্ষা পাছ কৰি চাকৰি, ঘৰুৱা আহুকালৰ মাজেদিয়েই আই.এ, বি.এ, এম.এ পৰীক্ষাত উত্তীর্ণ হয়। ইং ১৯৮২ চনত ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক তথা ডীন ড° মহেন্দ্র বৰাদেৱৰ তত্ত্বাৱধানত "The Buranijis : Historical Literature of Assam" নামৰ গৱেষণা গ্রন্থৰ বাবে পি, এইচ, ডি ডিগ্রী লাভ কৰে। ১৯৩৪ চনতে শিশু উপযোগী ধেমেলীয়া কবিতা পুথি "খৰাশিয়ালৰ বিয়া" ৰে আৰম্ভ কৰি 'অসমৰ সংস্কৃতি', 'বেলিমাৰ গ'ল' আদি পঞ্চাশৰো অধিক বাছকৱনীয়া গ্রন্থ লিখি অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰি থৈ যায়। তেখেতৰ সাহিত্যক স্বীকৃতি স্বৰূপে অসম সাহিত্য সভাই ১৬০ তম মৰিগাঁও অধিবেশনৰ সভাপতি হিচাবে বৰণ কৰে। যোৱা ১৯৯৪ চনৰ ২৩ জুলাইত তেখেতৰ আকস্মিকভাৱে পৰলোকপ্রাপ্তি ঘটে। "নৈ বৈ যায়" ড° গগৈদেৱৰ অসমীয়া উপন্যাস সাহিত্যলৈ বিশেষ অৱদান।

পাতনি ঃ

"নৈখন বৈ আছে। কতদিন, কতযুগ বৈ আছে। কত মানুহ আহিছে। কত গৈছে। কতই ক'ত নতুন সৃষ্টি পাতিছে, সৃষ্টি পুৱণি হৈছে। চিন নাইকিয়া হৈ গৈছে। নৈ আছে, নৈ বৈ থাকিব। নৈৰ লগত আমাৰ জীৱন এনাজৰীয়ে মেৰিয়াই থৈছে।"



.....এইখন দিখৌ নৈ। নদীৰ পা�ৰৰ সহজ-সৰল গ্রাম্য জীৱনৰ উত্থান-পতন, হাঁহি-কান্দোনৰ সোণসেৰীয়া কথাৰে সুগঠিত হৈছে ড° লীলা গগৈদেৱৰ সুবৃহৎ উপন্যাস "নৈ বৈ যায়।" এটা শতিকাজুৰি অসমীয়া সমাজখনৰ মানুহবোৰ ঘটনাবহুল জীৱনৰ বাস্তৱ দলিল স্বৰূপ "নৈ বৈ যায়।" সৰস কাহিনী, অপূর্ব ৰচনাশৈলী আৰু বৈচিত্রময় চৰিত্রৰে উপন্যাসখনিয়ে ড° গগৈদেৱৰ হাতত প্রাণ পাই উঠিছে।

চমুকৈ উপন্যাসৰ কাহিনী ঃ

নিছিগাধাৰে বৈ আছে দিখৌ। তাৰ পাৰতেই সেন্দুৰীপাম। এখন শইচ সোণালী গাঁও। ওচৰতে সোণোদৈ ঘাট। বৰৈ ফুকনৰ ঘৰৰ সোণাদৈ গাভৰুক ৰজাই চিকাৰলৈ যাওঁতে বাটত দেখি মনে খালে। পিছত খোজা-বঢ়া কৰি চক্লং কৰি কুঁৱৰী পাতে। তাৰে পৰাই



এজন যোগ্য প্রধানমন্ত্রীতকৈ এজন যোগ্য শিক্ষক হ'বলৈ বেছি সামর্থ্যৰ প্রয়োজন হয়। - ক্রাউথাৰ

এই ঘাটৰ নাম সোণাদৈ ঘাট। আৰু এই বৰৈ ফুকনৰ ঘৰৰে সুঠাম ডেকা ভগী। ভগীৰথ ফুকন। যৌৱনৰ ভৰ দুপৰীয়া ববচোমনিত দামুৰী বিচাৰিবলৈ যাওঁতে নৈ সিপাৰৰ ভৰুণ যুৱতী সুৱাগীক নৈৰ ঘাটত গা ধুই থকা দেখে। ভগী, কালিদাসৰ দুস্মন্ত হৈ পৰিল। সুৰীয়া বিহুগীতেৰে ৰিঙিয়াই মনৰ কথা কৈ দিলে সুৱাগীক। সুৱাগী জাপিসজীয়া গাঁৱৰ ছোৱালী। মাজুৰ জীয়েক। মাজু কানীয়া। কেওঁ কিছু নাইকিয়া টোকোনা মানুহ। আনহাতে ভগী বৰৈ ফুকনৰ ঘৰৰ ডেকা। ৰজাৰ বাব খোৱা সম্ভ্রান্ত মানুহ। ভগীৰ অকল মাক আছে। দেউতাক নাই। ঢুকাল। ভগী আৰু মাক, ৰৰদেউতাকৰ লগতে থাকে। ৰৰদেউতাকো লেখৰ মানুহ। মাজুৰ দৰে কানীয়া টোকোনা মানুহৰ লগত সম্বন্ধ জানো হ'ব পাৰে?

আনহাতে ভগীৰ হৃদয়ৰ গানে যুৱতী সুৱাগীৰ হৃদয়তো জানো কঁপনি তোলা নাই? "গানে মোৰ নোছোৱে আকাশ, ছোৱে জানো হৃদয় তোমাৰ! ভগীৰ বিহুগীতৰ সুৰ বোৱতী দিখৌৰ দৰে সুৱাগীৰ হৃদয়ৰ পাৰ ভাঙি বাগৰি গ'ল। সুৱাগীৰ ধন নাই সঁচা, মন আছে। সুৱাগীয়ে বুজে' — "যিমানৰ মানুহ সিমানত থাকিব লাগে। নেচাই ডেলে গালৈকে ঘাটি।"

ব'হাগ আহে। মনলৈ ৰঙীন আশা আহে। "পো তুলিলো বোৱাৰীলৈ।' ভগীৰ মাকে পুতেকৰ বিয়াৰ কথা ভাবে। মনে মনে লাহৰৰ জীয়েক নাদুকীক চাই থৈছে। মাজুৰ লগত বৰৈ ফুকনৰ ঘৰৰ মিতিৰ হ'বই নোৱাৰে। সকলোৱে মিলিজুলি নাদুকীৰ লগত ভগীৰ বিয়া ঠিক কৰিলে। ভগীৰ মনত হাজাৰ ডাৱৰ হেন্দোলনি। এফালে মনৰ আশা, আনফালে মাকৰ কথা। অৱশেষত সি মনতে ঠিক কৰিলে যে নাদুকীক আনিলেও সুৱাগীক আনিবই। নাদুকীক আঙুঠি পিন্ধোৱা হৈ গ'ল। বিয়াৰ যো-জা চলিল। হঠাতে নাদুকীৰ বাপেক মৰিল। বিয়া হুহুকিল। ভগীয়ে ভালেই পালে।

সাতবিহু। বিহু উৰুকাৰ দিন। কেইবাশ বছৰীয়া বুঢ়া কেন্দুগছজোপাৰ তলতে সাতখন গাঁৱৰ ডেকা-গাভৰুৱে বিহু মাৰিছে। সুৱাগীও বিহুতলীলৈ আহিছে। নাচিছে। জোনাক নিশা ভগীৰ পেঁপাৰ সুৰে সুৱাগীৰ হৃদয় উন্মনা কৰিছে। নাচি নাচি ঘামেৰে জুৰুলিজুপুৰি হোৱা কেতেকী ৰৰণীয়া সুৱাগীৰ মুখখনলৈ চাই ভগীয়ে ক'লে — "সুৱাগী যাওঁগৈ ব'ল। আজিয়েই।" আৰম্ভ হ'ল এক নতুন যুৱীয়া জীৱনৰ।

জোনৰ স্নিগ্ধ জোনাক সদায়েই জানো সুন্দৰ কেতিয়াবা এই মিঠা জোনাকতো জ্বলি উঠে প্রলয়ৰ অগ্নিশিখা। ভগীৰ এই কার্য্য ঘৰৰ কোনেও ভাল নাপালে। ৰৰদেউতাকৰ পৰিয়ালটো ভগী আৰু ভগীৰ মাকক এৰি থৈ ৰংদৈ পথাৰলৈ উঠি গ'ল। আনহাতে নাদুকী, আঙুঠি পিন্ধোৱা ছোৱালী কোনে বিয়া কৰাব? নতুবা আঙুঠি ঘূৰাই আনিবলৈ কোন যাব? ঘটনাৰ পাকচক্রত পৰি নাদুকীকো বিয়া কৰালে ভগীৰথ ফুকনে।

নাৰী ৰহস্যময়ী। সুৱাগী আৰু নাদুকীৰ সতিনী জীৱন আৰম্ভ হ'ল। নাদুকী টুটুকীয়া, কপটী, অজীন পাতকী। সুৱাগীৰ ল'ৰা-ছোৱালী কেইবাটাও। নাদুকী নিঃসন্তান। লাহে লাহে দন্দ হ'বলৈ ধৰিলে। নাৰীক মনৰ অদমনীয় ঈর্ষাত সূর্পনখাৰ দৰে জ্বলি পুৰি নাদুকী এদিন মাকৰ ঘৰলৈ গ'লগৈ।

নৈ বৈ যায়। বৈয়ে থাকে। উটি যোৱা পানী উভটি নাহে। একেখিনি পানীতে দুবাৰ গা ধুব নোৱাৰি। পুনৰ নতুন পানী আহে। ইয়াৰ পিছতো বহুত দিন বাগৰি আহিল। ভগীৰ ল'ৰা-ছোৱালী ডাঙৰ হ'ল। নাতি-নাতিনীও দিয়া অনা হ'ল। সমাজখনত পৰিৱর্ত্তনেই নহ'ল কিমান। দেশ স্বাধীন হ'ল নামতহে, কামত একো নহ'ল। দিন বাগৰিল। দেশ প্রগতি হ'ল? পাশ্চাত্যৰ দৃষ্টিত বতাহে গাঁৱৰ সহজ-সৰল জীৱন দূষিত কৰিলে। সৰুবোপা বিজন ডাক্তৰ হ'ল। পাহৰি গ'ল মাক-বাপেকৰ বুকুৰ মৰম। শেষত চকু মেল খালে। এই সকলোবোৰেই নিৰৱ সাক্ষী হৈ ৰ'ল ভগীৰথ আৰু বুঢ়া দিখৌ। নৈ বৈ যায়।

উপন্যাসখনৰ ভাষা, বর্ণনা ধর্মিতা ঃ

গভীৰ সংবেদনশীলতা আৰু সূক্ষ্ম আত্মদৃষ্টিয়ে উপন্যাসখনিৰ চৰিত্র বিশ্লেষণত পাৰদর্শিতা অর্জন কৰিছে। ভাষা প্রাঞ্জল নিভাঁজ গাঁৱলীয়া শব্দ ৰাজিয়ে উপন্যাসখনিক কেঁচা, সজীৱ ৰূপত গঢ় দিছে। লগতে আছে হিয়াৰ আমঠু যেন বহুগীত, বনঘোষাৰ চিনাকি সুৰবোৰ। খণ্ডবাক্য, ফকৰা-যোজনা আদিৰ সুব্যৱহাৰে বর্ণনাশৈলী অধিক মনোগ্রাহী কৰি তুলিছে। উপন্যাসখনিৰ কথাবস্তু স্থাপনৰ পদ্ধতি সৰল। নায়ক-নায়িকাই সলনাসলনিকৈ ভিন্ন পৰিস্থিতিৰ মাজেৰে কাহিনী আগবঢ়াই নিছে। উপন্যাসৰ বিষয়বস্তু উপস্থাপনৰ এই পদ্ধতি নতুন। একোটা চিত্রপটৰ লগত জীৱনৰ সংগতি কোনো আঁৰ-বেৰ নোহোৱাকৈ মিলি যায় ইয়াৰ ভাষাৰ যোগেদি। যেনে - - সুৱাগীৰ ভাষাৰে -- "সূতা ছিগাৰ ভাঁও জুৰি, গাটো আগলৈ হাওলাই দিব দুপাতিৰ ওপৰেদি হাত দুখন পাৰ কৰি সূতা ঘূৰোৱাৰ ভাওঁ জুৰো। মনে মনে ভাবো মোৰ আৰু তেওঁৰ (ভগীৰ) মনে মিল হোৱা সূতাডালো ইমূৰ সিমূৰ লগ খাইছে। মোৰ তাঁতৰ সূতা ছিগাদি আশা ছিগি যায়। আকৌ মোচোৰা দি লগ লগাও। কেতিয়াবা সূতাডালত আঁউল লাগে। জঁট খায়, আঁত হেৰায়। আকৌ বিচাৰি উলিয়াই যোৰা দিওঁ। সেই যোৰা নিছিগে। মোৰ আশাও যদি এনেকৈয়ে যোৰা খাই তাঁতৰ দীঘ-বাণিৰ লগত তাৰ খাই মিলি যায়.....।"

সমাজ পৰিৱর্ত্তনশীল। এই পৰিৱর্ত্তনৰ চিহ্ন নৈখনেই বহন কৰিছে। ভগীৰ ভাষাত -- "নৈখন বৈ আছে। লক্ষণ সলনি হৈছে। বুকুখন বাম হৈ আহিছে। সোঁত কোবাল হৈছে। পাৰত খহনীয়া বাঢ়িছে। মানুহৰ মনতো খহনীয়া, গৰাটো খহনীয়া।.. যি সোঁতা চিনাকি পানীত মই জোবোৰা মাৰি গা ধুইছিলো, সি কাহানিও উলটি নাহে। নতুন এসোঁতা আহিব। সেইনতুন অচিনাকি সোঁতাটো বা কেনেকৈ আহে।" ভগীৰ মনত এইয়া আতংকৰেই ইংগিত নহয় জানো?

উপন্যাসখনিত লিখকৰ প্রত্যুৎপন্নমতিতাৰো পৰিচয় পোৱা যায়। যেনে -- "বিহমনা চাপৰিত এতিয়া বিহমনা কাঁইটৰ সঁচ নাই, বিহমনা নাই, বিহমনা আছে। ব'হাগৰ বিহুত -- "দুৱাৰমুখত কাঁইট দিলে বিপদ বিঘিনি নাহে, সুৱাগী আহিব পাৰিব" -- ভগীয়ে কয়।

সুন্দৰ উপমাৰ ফকৰা যোজনা, খণ্ডবাক্য আদিৰ প্রয়োগ ৰচনাশৈলীক মনোহাৰীত্ব প্রদান কৰিছে। যেনে -- "বিনৈবনৰ গছবোৰ ধানৰ সৈতে একে। একে গছ, একে পাত। ধানৰ সমানে সমানে বাঢ়ে। ধান নিৰাওতে চিনি পালে উঘালি পেলায়। চিনিব নোৱাৰিলে বৈ যায়। সমাজতো বিনৈ গজিছে। ধানৰ সমানে সমানে বিনৈগছ বঢ়াদি বাঢ়ি সমাজ ছাটি পেলাইছে।" ইত্যাদি।

সৃষ্টিশীল ৰচনা ঃ

নৈ বৈ যায়। এক সার্থক সৃষ্টিশীল ৰচনা। এই সৃষ্টিৰ আকুলতা উপন্যাসখনিৰ বহু ঠাইত প্রতিভাত হৈছে।

"ব'হাগ মাথো এটি ঋতু নহয়।" ব'হাগৰ আগমনৰ লগে লগে সৃষ্টিৰ পৰশত প্রকৃতি ঠন ধৰি উঠে। মনবোৰো সজীৱ হৈ উঠে। এটি এটিকৈ বিহুনামবোৰ ওলাই আছে। ভগীৰ মতে "বিহুনামবোৰ মোৰ তেজত মিহলি হৈ আছে।"

দিখৌ নৈৰ পাৰতে গঢ়ি উঠিছে সেন্দুৰীপামৰ সমাজ। -- "দুয়োটা গৰাৰ মাজেৰে নৈখন বৈ আছে। কত দিন, কত যুগ বৈ আছে। কত মানুহ আহিছে, কত গৈছে। কতই নতুন সৃষ্টি পাতিছে, পুৰণি হৈছে, চিন নাইকিয়া হৈ গৈছে। নৈ বৈ আছে, নৈ বৈ থাকিব। নৈৰ লগত আমাৰ জীৱন এনাজৰীয়ে মেৰিয়াই থৈছে।"

মাটি আৰু গাঁৱলীয়া মানুহৰ সম্পর্ক নিবিড়। মাটিয়েই মানুহ, মানুহেই মাটি। ভগীয়ে কয় -- "এই মাটিডৰা সেই নৈখন, সৌ হাবিখন, এই বিলখন, আমাৰ আপোন, নাড়ীৰ সম্বন্ধ। সেইটো বেলি, সৌ চপৰা ডাঁৱৰ, সেইখন ৰামধেনু, আমাৰ অতি চিনাকি। ডাৱৰ পানীগছা গৈ আকাশলৈ উৰে, মেঘ হৈ ৰৰষুণ দিয়ে। তৰাং পথাৰ জীপাল হয়। পথাৰৰ বোকা যিমান কোমল, যিমান মিহি হয়, আমাৰ আশাও সিমানেই সতেজ হয়। পথাৰ, মাটি, বোকা আৰু আমাৰ জীৱন একেডাল নাড়ীৰে গোঁঠা।"

নিবিড় সহজ-সৰল গ্রাম্য জীৱনত জাতিভেদ, ধনী-দুখীয়া নাই। নাই সাম্প্রদায়িকতাৰ বীজ। সৰুটি তাৰৈ সম্প্রীতিৰ প্রতীক। সৰুটি তাৰৈৰ গাঁৱও -- "মছজিদত নামাজ পঢ়ে, আজান দিয়ে, জিকিৰ গায়। ৰোজা, ৰেকাত, নামাজ, ফৰজ বিশ্বাস কৰে। কিন্তু বিহুৰ দিনা কাপোৰ কানি, ঢৰা-পীৰা তিয়ায়। আমাৰ লগত গৰু গা ধোৱায়, মেজি পুৰিবলৈ যায়। ডেকা-গাভৰুৰ মাজত সোমাই বিহুনাম গায়। আসন পাতি আইৰ নাম গায়। আই দেখা দিলে, আখৈফুল কৰাই দি শৰাই দিয়ে, মাননি দিয়ে....।" এয়াই সম্প্রীতি এনাজৰী চেনেহৰ। সৃষ্টিৰ আদিম স্বত্বাৰে বান্ধ খাই থকা অসমীয়া সমাজ।

আই অসমী বৈচিত্রময়ী। সেউজীয়া পোছাকেৰে হিমালয় তনয়া সাজনি-কাচনি। জীৱনৰ বিয়লি বেলাত গভীৰ উপলব্ধিৰ পাৰ ভাঙি নিঃসৰিত হোৱা ভগীৰথ ফুকনৰ সোণসেৰীয়া কথা কেইষাৰ -- "এখন গাঁও, এখন ঠাই, এখন ৰাজ্য, এখন দেশ এনেয়ে কাঠফুলা গজাদি থিতাদহে মাটি ফুটি নোলায়, ওলাব নোৱাৰে। গাঁওখন, ৰাজ্যখন বহুত দিনৰ অভিজ্ঞতা, ঠেকাখুন্দা, লাভ-লোকচানৰ হিচাপ-নিকাচ লৈ সৃষ্টি হয়। প্রকৃতিয়ে সমল দিয়ে, শক্তি দিয়ে। জেঠ-আহাৰ মহীয়া পোনা মাছ পাতত দিয়াৰ গোন্ধ, ঢেঁকীয়া শাকত পকা খৰিছা দি ৰন্ধা মাছৰ আঞ্জাৰ গোন্ধ, খৰিকা দিয়া, পোৱা মাছৰ পিটিকাত নেমুটেঙা চেপি দিয়াৰ গোন্ধ, শাওণ-ভাদ মাহৰ বোকা-ৰ'দত চোতালত কুঁজি থেকেৰা, পকা খৰিছা শুকুওৰাৰ গোন্ধ, তুমি পৃথিৰীৰ আন কতো নোপোৱা। এয়া, আমাৰ জাতিৰ যুগজয়ী সম্পদ।"

হাস্যৰসৰ চিটিকনি ঃ

নৈ বৈ যায়। পাৰত খলকনি তোলে। নৈৰ পাৰৰ মানুহবোৰৰ মনটো হাঁহিৰ খলকনি উঠে। ড° গগৈদেৱৰ এই উপন্যাসখনিটো হাস্যৰসৰ ছিটিকনি পৰিছে। অৱশ্যে 'বৃকোদৰ বৰুৱাৰ বিয়া', নীলা খামৰ চিঠিৰ দৰে ইয়াত ৰসেৰে উপচি চৌচোৱাই থকা হাস্যৰসৰ চৌচোৱনি শুনিবলৈ পোৱা নাযায়, যায় পাহাৰীয়া নিজৰাৰ দৰে জিৰি জিৰি ধ্বনিহে। এই হাস্যৰস আত্মোপলব্ধিৰ গভীৰ ব্যঞ্জনাৰে নিঃসৰিত ৰসহে। যেন হাঁহিমেই নে কান্দিমেই এনে লগা। ভৰ দুপৰীয়া ৰৰচোমনিত দামুৰি বিচাৰিবলৈ গৈ ভগীয়ে নৈৰ ঘাটত সুৱাগীক গা ধুই থকাহে দেখিলে। ভগীৰ ভাষাৰে -- "খেতৰে পোৱা দামুৰি বিচাৰিবলৈ গৈ মোৰ মনটোকহে ৰৰখেতৰে পালে।' এৰা, নেপাবই বা কিয়? এদিন গভীৰ নিশা বাট হেৰুৱাই ভগীয়ে সুৱাগীৰ ঘৰত ওলালগৈ। ভগীৰ নিজৰ মনতে -- "এৰাঃ মোক ৰাতিও পৰুৱাই পাইছে, দিনতো পৰুৱাই পাইছে।" পাবই --। সুৱাগীও জানো কম আছিল? ভগীৰ সম্বন্ধে মাক-বাপেকে পতা কথাবোৰ সুৱাগীয়ে চকু মুদি টোপনি ভাও জুৰি নাকেৰে নিশাহ

এৰি মনে মনে শুনি আছিল।

আশা, যাৰ নাম মৃত্যুঞ্জয়। সুৱাগীৰ ধন নাই সঁচা, মন আছে। অৱদমিত আশাবোৰ দমাব নোৱাৰি -- "বৰঘৰৰ ভিতৰত মনে মনে ওৰণি লৈ চাইছিলো, পিছ মুহুৰ্ত্তে লাজ লাগি গৈছিল। সুৱাগীয়ে কয়। ভগীয়েতো ভাবেই—ব'হাগৰ বিহুত "দুৱাৰমুখত কাঁইট দিলে বিপদ-বিঘিনি নাহে, সুৱাগী আহিব পাৰিব।" বিহুতলীত সুৱাগীক দেখি ভগীৰ মনটো কেনেকুৱা লাগিছিল যে -- "চেং চেং ভক্ ভক্। এৰা, যৌৱনৰ চাকনৈয়াত পৰা ডেকালৈ কি আহুদি লাগিছে? নাদুকীতো আছেই। ভগীয়ে কয় -- "বনৰীয়া হাতী ধৰি বশ মনায়। বইঠ্ বুলিলে বহে, মাইল' বুলিলে উঠে। মইহে নাদুকীক বলাব নোৱাৰিলো। নাদুকী মোৰ জীৱনলৈ আবতৰীয়া বেঙেনা অহাদি আহিছিল। বেচেৰী!

দিন কাল সলনি হ'ল। ঘৰখনৰ মানুহগৰাকীৰ হাততেই সকলো চাবিকাঠি। তেওঁকে লৈ পৰিয়ালৰ সকলো মৰণাৰ গৰুৰ দৰে ঘুৰি থাকে। "মৰণাৰ গৰুক মোখোৰা দিয়াৰ দৰে আজিকালি, ঘৈণীয়েকে মতাটোক মোখোৰা দি থয়। সঁচা কথাটো এষাৰ মাতিব নোৱাৰে।" এইয়া ভগীৰ কথাহে।

লোক সংস্কৃতিৰ ৰহঁঘৰা ঃ

সংস্কৃতি সমাজৰ দাপোন। ই এটা জাতিৰ জীৱনৰ ধাৰা। সংস্কৃতিয়েই জীৱন যাত্ৰাৰ আদর্শ আৰু পথ। 'নৈ বৈ যায়' উপন্যাসখনি লোক সংস্কৃতিৰ ভৰত দোঁ খাই পৰিছে। সেইফালৰ পৰা ইয়াক লোক সংস্কৃতিৰ ৰহঁঘৰা বুলিব পাৰি। উদাহৰণস্বৰূপে --

মাঘ মাহত খামচৈয়া সোণালী পথাৰৰ ধান দাই শেষ হৈছে। ভগীয়ে পথাৰৰ পৰা লখিমী আনিছে। কাকো মতা নাই। "বাটত লখিমী আনোতে কথা পাতিব নাপায়।" মাঘৰ বিহু। তামোল-পাণ এটা মেজিত দি সেৱা কৰি ভগীয়ে মনতে মানস কৰিছে "অগ্নিদেৱতা, মোক ৰাখিবা। মহটোক জিকাই দিবা। সুৱাগী যেন মোৰ হাতৰ পৰা হাৰি যাব নোৱাৰে।" এয়া, অসমীয়া সমাজৰ বিশ্বাস।

মাঘৰ বিহুৰ মেজি জ্বলোৱাৰ দিনা পথাৰত মহ যুঁজ হোৱাতো পৰম্পৰা। তাহানি আহোম স্বর্গদেউসকলে ৰংঘৰত বহি ম'হযুঁজ, শেন যুঁজ চাইছিল। ভগীৰ ম'হটো কলিমনৰ ম'হটোৰ লগত যুঁজ হৈছিল। ইটো ম'হে সিটো ম'হক কাচিছে। ভগীৰ ম'হ জিকিল। গোটেই দিনটো ম'হৰ যুঁজেই হৈ থাকিল।

শিপিনীয়ে বুঢ়া বিচুকৰমক সুঁৰৰি তাঁত বয়। পূর্ণিমাত তাঁত কাটিব নাপায়। মাঘ বিহুত ছোৱালীবোৰে 'মাঘ বিহুত ছোৱালীবোৰে 'মাঘ নোৱাবলৈ নেযাবি', থোপা থোপে লাগিবি" বুলি লাগনী গছবোৰ খেৰৰ জৰীয়ে বান্ধে।

এনে অলেখ উদাহৰণেৰে থূপ খাই আছে উপন্যাসখন। গৰু বিহুৰ দিনা পুৱা গৰু গোহালিত শুই থাকিলে পানী তাকৰীয়া হয়, থিয় হৈ থাকিলে বানপানী হয়, নাহৰ পাতত মন্ত্র লিখি ব'হাগ বিহুত বেৰত গুজি থ'লে বজ্রপাত নপৰে। মুখচোকা শিপিনীৰ ব-চুঙাৰে গগণা সাজিলে মাত ডাঙৰকৈ দিয়ে। এমাহ ব্রতত থাকিব লাগে, খৰাং বতৰত বৰষুণ হ'বলৈ পথাৰক নাঙল, ঢেঁকী ওভোটাই পোতা, ভেকুলীৰ বিয়া পতা, ব'হাগ বিহুত এশ এবিধ শাক খোৱা, ঢাপেদি বগা পাগুৰীয়ে গৈ থকা সৌৱা বুঢ়া ডাঙৰীয়া আদি অনেক লোকবিশ্বাসৰ কথাই দোৱোল খাই পৰিছে এই অনুপম উপন্যাসখনিত।

উপন্যাসখনিৰ নাৰী চৰিত্র ঃ

উপন্যাসখনিৰ নাৰী চৰিত্রৰ ভিতৰত নায়িকা সুৱাগীৰ চৰিত্রটোৱেই স্পষ্টভাৱে পৰিস্ফুত হৈছে। সুৱাগী শান্ত, ধীৰ। সুৱাগীৰ মনত যৌৱনৰ চঞ্চল উন্মাদনা নাই- আছে সুগভীৰ প্রেম, ভালপোৱা। ভগীয়ে প্রথম ৰৰচোমনিৰ পৰা জোকোৱা দিনা সুৱাগীৰ মনো পৰশি গৈছিল। পিছ মুহুৰ্ত্ততে উপলব্ধি কৰিছিল -- "ভাবিছিলো, আমাৰ নিচিনা টোকোনা মানুহৰ ছোৱালী ফুকনৰ ঘৰলৈ নিবনে? ডেকা ল'ৰা, মুখ চুপতি মাৰিছে, নতুবা পানী খেলি সোঁত চাইছে।" সুৱাগী দুখীয়া। সুৱাগীয়ে বুজে যে সিহঁত ৰৈফুকনৰ ঘৰৰ জোৰৰ নহয়। ভগীয়ে বিহুগীতেৰে জুকুলি বোৱাইছে। সুৱাগীয়ে ভাবে -- "মই কি কৰিম? যিমানৰ মানুহ সিমানত থাকিব লাগে। ধন নাই, সঁচা, মন আছে।"

সুৱাগী গাঁৱৰ ছোৱালী। মাক- বাপেকলৈ শ্রদ্ধা আৰু মৰম বেলেগ। সিদিনা মাকৰ লগত মহায়েকৰ ঘৰৰ পৰা আহোতে ভগীয়ে ৰৰচোমনিৰ পৰা জোকাইছে।

> *গৰু বিহুৰ দিনা পুৱা গৰু গোহালিত শুই থাকিলে পানী তাকৰীয়া হয়, থিয় হৈ থাকিলে বানপানী হয়, নাহৰ পাতত মন্ত্র লিখি ব'হাগ বিহুত বেৰত গুজি থ'লে বজ্রপাত নপৰে। মুখচোকা শিপিনীৰ ব-চুঙাৰে গগণা সাজিলে মাত ডাঙৰকৈ দিয়ে। মুগাচোঙীয়াই এমাহ ব্রতত থাকিব লাগে, খৰাং বতৰত বৰষুণ হ'বলৈ পথাৰক নাঙল, ঢেঁকী ওভোটাই পোতা, ভেকুণীৰ বিয়া পতা, ব'হাগ বিহুত এশ এবিধ শাক খোৱা, ঢাপেদি বগা পাগুৰীয়ে গৈ থকা সৌৱা বুঢ়া ডাঙৰীয়া আদি অনেক লোকবিশ্বাসৰ কথাই দোৱোল খাই পৰিছে এই অনুপম উপন্যাসখনিত।*

আন্ধাৰ আঁতৰাবলৈ যিদৰে পোহৰৰ প্রয়োজন, তেনেদৰে ঘৃণা আঁতৰাবলৈ প্রয়োজন প্রেম। - মার্টিন লুথাৰ কিং



সুৱাগীৰো বিহু নামেৰে উত্তৰ দিবৰ মন গ'ল। কিন্তু -- 'লগত আই আছিল। জুটুলী পুটুলী হ'লেও আই। মই আইৰ পেটৰ পোৱালী, মানুহে কি বুলিব?" সুৱাগী ধীৰ, স্থিতপ্রগ্য, আত্মমর্যাদা সম্পন্ন নাৰী। সুৱাগীৰ মতে -- "আই-বোপায়ে যদি ৰাইজৰ দেখা-শুনাকৈ দিব খুজিছে, মই পলাই যাম কেলৈ?"

নাদুকীৰ আৰির্ভাৱে উপন্যাসখনৰ কাহিনী জটিল পর্যায়লৈ লৈ গৈছে। ভগীৰ লগত নাদুকীৰ বিয়া ঠিক হ'লত নাদুকীৰ মাকে কোমল চাউল উলিয়াই দিবলে' ক'বলৈ সুৱাগীহঁতৰ ঘৰলৈ আহিল। সুৱাগীও তেজ মঙহৰে মানুহ। "তেঁৱ লগত নাদুকীৰ বিয়া। কোনটো সতেৰে মই ধান বঢ়াই চাউল উলিয়াও। ধানবোৰ সিজি ফটাৰ আগতে মই মানুহজনী সিজি, বুকু ফাটি যাওঁ যেন হ'ব।" প্রেমৰ এই পাই হেৰুৱা বেদনা সঁচাই মর্মান্তিক।

বিয়া হৈ গ'ল। সুৱাগীৰ মনৰ আশা পূৰ হ'ল। সিপিনে নাদুকী আঙুঠি পিন্ধি বোৱাৰী হ'বলৈ ঠেং দাঙি আছে। তাকে লৈ ঘৰত অশান্তি। সুৱাগীয়ে মনে মনে ভাবে -- "উইচিৰিঙাৰ মৰিবলৈকে পাখি গজে।" ভগীয়ে মনত কষ্ট পোৱাটো সুৱাগীয়ে সহিব নোৱাৰে। "কাম কৰিবলৈ মোৰ ভয় নাই। ভয়, একেখন হৃদয়ক মই দুভাগ হ'বলৈ দিব নোৱাৰো।" ইনাৰী মনৰ স্বভাৱজাত অনুভূতি। হৃদয়ৰ টান। সুৱাগীৰ মনটো মুকলি। সমাজৰ বিভেদকামী নীতি-নিয়মবোৰ দেখি সুৱাগীৰ মনত ক্ষোভ -- "মানুহবোৰৰ আচাৰ আছে, বিচাৰ নাই।"

নাদুকী, স্বভাৱত চঞ্চল, কপটীয়া, অজীন-পাতকী। নাদুকী আহিব দিনাখনৰে পৰা ঘৰখনত শান্তি নাই। তাই ঈর্ষাপৰায়ণা। নাদুকীৰ ল'ৰা-ছোৱালী নাই। সুৱাগীৰ কেইবাটাও। নাৰীয়ে পুৰুষৰ সমস্ত হৃদয় বিচাৰে। ভাগ হোৱাটো নিবিচাৰে। অত্যন্ত প্রতিহিংসা আৰু ঈর্ষাৰ দাবানলত দগ্ধ হৈ নাদুকী এদিন গ'লগৈ। ভগীয়ে তাইক মাটি-ডৰা-চেৰেক দিব খুজিছিল। তাই ক'লে -- "মাটি মোক কেলেই? মাটিয়ে মোক খাবনে মইয়ে মাটি খাম।"

উপন্যাসখনিৰ নাৰী চৰিত্র কেইবাটিও। ভগীৰ মাক বিধবা। গিৰিয়েক ঢুকুৱাৰ দিন ধৰি ভগীক জাকৰুৱা পৰিয়ালত তুলিতালি ডাঙৰ-দীঘল কৰোতে নাকনি-কাকনিকৈ শিকিলে। মাকে নিজৰ পুত্রক কেতিয়াও দোষ দিব নিবিচাৰে। ভগী আৰু সুৱাগীৰ কথা ওলাই গলত ভগীৰ মাকে কৈছে -- "ৰৰচোমনিত মুগা পুহিবলৈ গৈ ই ল'ৰা গুচিল। এই পাৰে ই, সিপাৰে তাই। পানীঘাটত গা-দেখুৱাই গা-দেখুৱাই ইয়াক বলিয়া কৰিলে।" অকলশৰীয়া এইগৰাকী নাৰীৰ মনৰ দৃঢ়তা উল্লেখনীয়। ৰৰদেউতাকৰ পৰিয়ালটোৰে ভগীক এৰি থৈ যোৱাত দৃঢ়মনা মাকে কৈছে -- 'সেওঁ হলে পকা-ধানেও বাট দিয়ে, এতিয়া সৰুটি হৈ সৰকিব লাগিব। বৰ কথা নকবি, ওপৰলৈ পানী নছটিয়াবি।"

আনফালে সুৱাগীৰ মাক। ওৰেটো জীৱন কানীয়াৰ লগত কটাই সজ হৈ গৈছে। ঘৰখনত এজনী ভৰণ গাভৰু। "জীয়েকৰ মনৰ কথা মাকেহে বুজে।" জীয়েকক উলিয়াই দিবলৈ মাকৰ কিমান হেঁপাহ! গিৰিয়েক কালীয়া। ঘৰখনৰ একো খবৰ- খাতি নলয়। শেষত মাকে সুৱাগীক ক'লে -- "মই তোক দহমাহ দহদিন ভাৰ বৈ ছমাহ গু-কানি ধুই ডাঙৰ কৰিলো। এতিয়া পাখি গজিল। উৰণীয়া হলি। উৰি যা।" মাতৃ হৃদয়ৰ এই বেদনা বৰ অসহ্যকৰ।

ইয়াৰোপৰি কেতেকী, তগৰ, লয়নী, বনপিঠাগুৰিৰ পেহীদেউ আদি নাৰী চৰিত্র সমূহত অতি কম সময়ৰ বাবে হ'লেও নাৰীত্বৰ মহত্ব উজ্জ্বলি উঠিছে।

ফঁকৰা যোজনা, খণ্ডবাক্য আদিৰ প্রয়োগ ঃ

বুৰঞ্জীবিদ ড° গগৈদেৱে অনেক বুৰঞ্জীমূলক উপমা, খণ্ডবাক্য, ফকৰা-যোজনা, পটন্তৰ আদিৰ প্রয়োগে উপন্যাসখনিৰ ৰচনাশৈলী অধিক মনোগ্রাহী কৰি তুলিছে। একোটি জটিল পৰিস্থিতিকো একোটা যোজনাই সহজে আউল ভাঙি দিছে। লোকগীত, বনঘোষাৰ সুপ্রয়োগে সোণত সুৱগা চৰাইছে।" "বোকাতহে পদুম ফুলে, লুইতেহে জানে বঠা কিমানলৈ বহে, ময়দাৰ হাতীৰে ওদালৰ ডোল ছিঙিবই, সৰহীয়াৰ নাওঁ বামেৰেও যায়, সঁৰিয়হৰ জনম ধৰিলে বেতেৰীৰ চেপা খাবই লাগিব, হাতীৰ দাঁত এবাৰহে ওলায়, আদা ৰুলে ঠেঙুলি ভাঙিবই লাগিব, যুঁজৰ কুকুৰা যুঁজত মৰে, তেজ ধুলে উটে, মঙহ ধুলে নুটে, একে গাঁততে দুবাৰ আলু নুৰুৱে, লালুকীলৈ কি তপত পানী লাগিছে? পানীত জীয়াই থাকিব লাগিলে ঘঁৰিয়ালৰ লগত যুঁজ কৰি লাভ নাই , আদিৰ সুপ্রয়োগে উপন্যাসখনিৰ ভাষাত বিশিষ্টতা প্রদান কৰিছে।

সামৰণি ঃ

নৈ বৈ যায়। নিছিগাধাৰে দিখৌ বৈ আছে। বৈ থাকিব। এটা শতাব্দী জোৰা সামাজিক জীৱনৰ উত্থান-পতন লক্ষ্য কৰিছে ভগীৰথ ফুকনে। দেশৰ প্রগতি হৈছে। সমাজৰ চিন্তাধাৰাৰ পৰিৱর্ত্তন হৈছে। কিন্তু ইয়াৰ মাজতো ক'ৰবাত বিষধৰ সাপ সোমাই আছে। পো-জীৰ, নাতি-পুতিৰ সীমাহীন সুখ-স্বাছন্দ্য দেখিও ভগীৰথ ফুকনে শান্তি পোৱা নাই। ক'ৰবাত কেণা লাগিছে। অতীতৰ পৰা নিৰবচ্ছিন্ন ভাৱে বৈ থকা দিখৌৰ পানীখিনিৰ ক'ৰবাত যেন দূষিত হৈ গ'ল। এয়ে উপন্যাসখনিৰ সাৰ কথা।



উৎস ঃ ডিব্রুয়ান, ১৯৯৪-৯৫ বর্ষ (পৃষ্ঠা ঃ ১) সম্পাদক ঃ অমিয় কুমাৰ বড়া

GOODS AND SERVICE TAX (GST)

Great Step towards Transformation, Great Step towards Transparency

Jayanta Saud
Department of Economics

The Rajya Sabha has cleared a constitutional amendment to bring about a system of Goods and Services Tax (GST) in India. It is perhaps the most important economic reform item on the Narendra Modi government's agenda. This is one reform which affects all of us. It also happens to be a complicated reform as most taxation matters usually are.



How is India's tax system structured today?

The constitution divides taxation powers between centre and states. Both levels of government have some exclusive areas where they can levy tax. Income tax, which includes tax on company profits, is the exclusive domain of central government. These taxes are referred to as direct taxes.

Indirect taxes are taxes levied on manufacture of goods, provision of services and consumption.In India, generally speaking, indirect taxes levied on manufacture of goods or provisions of services are the exclusive domain of central government. Taxes on consumption are the exclusive domain of state governments.

India is currently has a dual system of taxation of goods and services, which is quite different from dual GST. Taxes on goods are described as "VAT" at both Central and State level. It has adopted value added tax principle with input tax credit mechanism for taxation of goods and services, respectively, with limited cross-levy set-off. The


The Constituion (122nd Amendment) (GST) Bill, 2014

The Bill amends the Constitution to introduce the goods and service tax (GST).

Parliament and State legislatures will have concurrent powers to make laws on GST. Only centre may levy an integrated GST (IGST) on the interstate supply of goods and services and imports.

"Without deviation from the norm, progress is not possible." – *Frank Zappa*

present tax structure can best be described by the following chart:



What is the problem with this arrangement?

There are two important problems with the current arrangement.

First, keep in mind that some good such as a shirt has to first be manufactured before it is consumed. The central government, therefore, levies its indirect tax called central excise at the factory gate. Subsequently, a shirt reaches a retail outlet and is bought by a consumer. The state government, at this stage, levies a tax on consumption dubbed value added tax (VAT). So, we have a tax at the factory gate which adds to the cost of the shirt and another tax on the final price.

Since states have their exclusive domain on consumption tax within their borders, they treat goods coming from other states as "imports." For example, if a shirt maker in Uttar Pradesh buys dye in Bihar, he would have paid central excise and Bihar's state taxes on the product. On this cost, Uttar Pradesh government would levy its tax if the shirt is sold in the state. If the shirt is sent across Uttar Pradesh's border and sold in Delhi, an "export" tax called central sales tax is collected by UP.

As the example suggests, India is politically one country, but economically it is fragmented. There are multiple taxes when there is commerce across state borders. Consequently, it increases costs for everyone and makes economic activity within India for Indians complicated.

Others shortcomings of the present tax arrangement are discussed below:

a) ***Tax Cascading***: The most significant contributing factor to tax cascading is the partial coverage by the Central and State taxes. The exempt sectors are not allowed to claim any credit for the CENVAT or the service tax paid on their inputs.

b) ***Complexity in determining the nature of transaction***- Sale vs. Service

c) ***Inability of States to levy tax on services***: With no powers to levy tax on income or the fastest growing components of consumer expenditures, the State have to rely almost exclusively on

"Be truthful gentle and fearless." – *Mahatma Gandhi*

compliance improvements or rate increase for any buoyancy in their own-source revenues.

d) Lack of Uniformity in Provisions and Rates.

e) Complexities in administration.

How will GST help?

Goods and Services Tax (GST) is an indirect tax reform which aims to remove tax barriers between states and create a single market. For that to happen the constitution first needs to be amended to remove different layers of governments' exclusive powers to levy taxes. Once this step is taken, the tax barriers between states, and centre and states will disappear.

How will it help consumers?

Today consumers have no idea about the extent of taxes they pay on goods. If you get a bill after buying merchandise which gives the extent of VAT you have paid, it is an understatement of the actual tax you have paid. Remember, well before merchandise reached the retail outlet, the central government has collected excise duty. The extent of excise duty is not mentioned in the bill.Therefore, today it is reasonable to assume we pay well over 20% tax for most merchandise we buy.

In GST, consumers should benefit in two ways.

First, all taxes will be collected at the point of consumption. It means that if a shirt is taxed at 18%, it will include both central government's taxes and state government's taxes. Transparency in taxation should deter governments from indiscriminately increasing taxes as there is bound to be public backlash.

Second, once barriers between states are removed, we as consumers will not end up paying "tax on tax" which is what happens when goods move across state borders.

FRANCE was the first country to introduce GST system in 1954.

Currently, there are 160 countries in the world that have implement VAT/GST. Number of country based on region is as follows:-

Region	No. of Country
ASEAN	7
ASIA	19
EUROPE	53
OCEANIA*	7
AFRICA	44
SOUTH AMERICA	11
CARIBBEAN, CENTRAL & NORTH AMERICA	19

Out of 160 countries, EIGHT countries are not United Nation (UN) Member States.

* *The term is often used more specifically to denote a continent comprising Australia and proximate islands or biogeographically as a synonym for either the Australasian ecozone (Wallacea and Australasia) or the Pacific ecozone (Melanesia, Polynesia, and Micronesia, excluding both New Zealand and mainland New Guinea).*

Features of an ideal GST:

GST will be called an ideal tax system, if it fulfils the following feature –

i) GST is based on the principle of value added tax and either "input tax method" or "subtraction" method, with emphasis on voluntary compliance and accounts based system.

ii) It is a comprehensive levy and collection on both goods and services at the same rate with benefit of input tax credit or subtraction of value of penultimate transaction value.

"We must become the change we want to see." – *Mahatma Gandhi*

iii) Minimum number of floor rates of tax, generally, not exceeding two rates.

iv) No scope for levy of cess, re-sale tax, additional tax, special tax, turnover tax etc.

v) No scope for multiple levy of tax on goods and services, such as, sales tax, entry tax, octroi, entertainment tax, luxury tax, etc.

vi) GST is a destination based tax and levied at single point at the time of consumption of goods or services by the ultimate consumer.

Reference:

Kapila U (2015), Indian Economy Performance and Policies, Academic Foundation, New Delhi

Puri V.K. and Misra S.K. (2016), Indian Economy, Himalaya Publishing House, New Delhi


https://en.wikipedia.org/wiki/Oceania accessed on 02/03/2017

http://gst.customs.gov.my/en/gst/Pages/gst_ci.aspx accessed on 02/03/2017

http://www.gstindia.com/basics-of-gst-implementation-in-india/ accessed on 02/03/2017



"I will not let anyone walk through my mind with their dirty feet." – *Mahatma Gandhi*



সেউজীয়া কবিতা

ড° কৰবী ডেকা হাজৰিকা

১
আকাংক্ষা আৰু প্ৰাপ্তিৰ মাজত
ৰুনজুন স্বপ্নৰ খোজ
২
চকুত আকাশ
বুকুত মৰু
পানীৰ মাজত
বুৰো বুৰো হৈ
মই তৃষ্ণাত মৰো।
৩
পাহাৰী নদীয়ে
শিলৰ বুকুত ভৰি থলে
পানীয়ে পিন্ধাই দিয়ে গানৰ জুনুকা
৪
কোনেও নেদেখা ৰৰষুণত
নিমাতে তিতিছিল
হাবিৰ মাজৰ ফুলবোৰ
৫
আকাশত মেঘ নাছিল
অথচ আমাৰ চুলি আৰু
চকু সেমেকি পৰিছিল
সেউজীয়া ৰৰষুণত।



কাব্য উপন্যাসিকা

কলেজীয়া ৰঙা সুবাসত

ড° জ্যোতিমা ফুকন
সহযোগী অধ্যাপিকা
প্ৰাণীবিজ্ঞান বিভাগ

(এক)

গোবাটটো পাৰ হৈ তাৰ গাঁওৰ মূৰৰ হাবিখন।
বনদেৱীক সেৱা কৰি চিঞৰিলে
'দূৰলৈ যাওঁহক।'
কেৰ্‌মেৰ্‌ণি তুলি বাঁহবোৰে বিদায় জনালে।
খোনা পোহাৰীজনীক আজি নুসুধিলে,
'কি মাছ আনিছা বাই?'
কি এৰি আহিল সি।
তাৰ মৰমৰ ভতুৱাক, গৰু চৰাবলৈ গৈ বহা
নদীৰ সূঁতিটোৰ পাৰৰ ঢিপটো, ডালে ডালে
বগাই ওলমি থকা বৰগছজোপা, ৰবাব টেঙা খেলা
তাৰ লগৰীবোৰ, তাৰ বেগটো, হল্ডঅল্‌টো
কঢ়িয়াই অনা ল'ৰাকেইটাই তাৰপৰা বিদায় ল'লে।
কঠিয়ানীৰ ওচৰৰ পানবাৰীৰ অশ্রুসিক্ত
চাৰনিটোত খন্তেকলৈ সি বিচলিত হ'ল নেকি!
ককাকে কি কৈছিল? 'মন ঢিলা নকৰিবি
গাঁওৰ ল'ৰা কেইটাইনো চহৰৰ কলেজত
পঢ়িবলৈ পায়।
এইবোৰ বাজে কথাত মন বেয়া নকৰাই ভাল।'

(দুই)

আয়ে কোৱাৰ দৰে সি পুৱাৰ বেলিটো কপালত লৈ
বৰআলিত ভৰি দিলেহি।
কণপাই দৰ্জিয়ে চিলোৱা পেণ্টটোৰ ধূলি মাকতিবোৰ
এবাৰ সি জোকাৰি ল'লে।
'হেল্ল'।।
তাৰ নাকৰ ওচৰত টিলিকা বজাই দাদাজনৰ
ডাঙৰ কলেজখনত প্ৰথম প্ৰীতি সম্ভাষণ!
'গাঁওৰ হিৰ' আহিছে বে।'
'কি নাম?' দাদাজনৰ কাণত কাণফুলি, হাতত খাৰু।
জিনচ্‌ৰ পেণ্টটোৰ মাজে মাজে ফুটা-ফুটা।
তাৰ বেঙুণফুলীয়া মুখখনলৈ দাদাহঁতৰ দয়াই উপজিলে।
ওচৰৰ আনন্দ হোটেলৰ চকটোত দাদাহঁতে স্ফূৰ্তিপানী খালে।
'বাচাধন। এইটো স্ফূৰ্তিপানী।'
'গুড বয়'। বাইকত দাদাহঁত গুচি গ'ল।
ধান বিক্রী কৰি অনা পইচাখিনি
দাদাহঁতৰ স্ফূৰ্তি পানীত গ'ল।

(তিনি)

চেমিষ্টাৰ।
চেমিষ্টাৰ মানে কি?
ট্রেইন। ট্রেইন।
বুলেট ট্রেইন।
টপাটপ গিলিব লাগে আৰু
সময়ে সময়ে ওকলিয়াব লাগে।
মহাবিদ্যালয়ৰ শিক্ষাগুৰু। বহুত কথা জানে।
কোনোৱে সতর্কবাণী শুনায়
'তোমাৰ হাতৰ মুঠিতে আছে তোমাৰ জীৱন।
ভাঙিবও পাৰা, গঢ়িবও পাৰা।' 'ভাঙিম কিয়?'
'আই-পিতাইয়ে জীৱনটো ভাঙিবলৈ ডাঙৰ বিদ্যালয়লৈ
পঠাইছিলনে! আৰু গঢ়িম কেনেকৈ?' কোনোজনে
নুবুজা কথা বুজিবলৈ গ'লে খেংখেঙাই উঠে।
কেনে শৈক্ষিক দৈন্যতা!
সামান্য অজুহাততে তহঁতৰ ক্লাছ নকৰো বুলিও
উচাৎ মৰা শিক্ষকক দেখিলে
পঢ়াশালিৰ হলিৰাম ছাৰলৈ মনত পৰে।



খেতি-খোলা কৰিও ছাৰে শিক্ষাদান কৰিছিল মন ভৰাই।
বিনিময়ত সামান্য দৰমহাখিনিও পূৰাকৈ পাইছিলনে।
দুজনমান ছাৰ-বাইদেউ শ্রেণীকোঠালৈ নাহেই।
ঘৰত হেনো ঢেৰ কাম।।

(চাৰি)

কোনেও নেদেখা দৃশ্যটো দেখি কোনো ব্যথিত হ'ল
কোনোৱে আনন্দ লভিলে।
'চিন্‌চিয়েৰ' ল'ৰাটো আজি আনন্দ হোটেলৰ চুকত।
কিহৰ ব্যথাত!
নিচা ভাগি গ'ল। চকুৰ জলক্‌-তবক্‌।
তাৰ ভাল লগা শিক্ষক গৰাকীয়ে
কাণ মুচৰি উঠাই নিলে।
মই হেনো গাঁওৰ ভূত।
ফৰ্ম ফিলাপ কৰিবলৈকে পইচা নাই।
ডিপার্টমেণ্টত শিক্ষক দিৱস আৰু আদৰণি সভাত দিবলৈ পইচা ক'ত।
কান্দোনত ভাগি পৰিল সি।
'তোমাৰ যি অসুবিধা হয় মোক কবা। মই তোমাক সহায় কৰিম।'
প্রত্যয় ভৰা শিক্ষকগৰাকীৰ মৰমত সি খোজ দিলে।
সি খোজ দিলে এইবাৰ।।

(পাঁচ)

'বৰগছৰ ছাঁত থাকিব লাগে।'
আইতাৰ কথাষাৰ সাৱোগত কৰি
মৰমীয়াল শিক্ষকগৰাকীৰ প্রচ্ছায়াত
সি দেওনাকিখন পাৰ হ'ল সুখ্যাতিৰে।
বাইক, স্মার্ট ফোন নোহোৱাকৈ।
সৰুকালৰ বৰগছজুপি এতিয়া যৌৱনা।
প্রলোভনবোৰ এটা এটাকৈ জয় কৰিলে সি।

(ছয়)

কেন্দ্রীয় পুথিভঁৰালৰ 'বেষ্ট ৰিডাৰ' প্রাইজটো দিওঁতে গ্রন্থাগাৰিকাই
তাৰ নিয়মিত গ্রন্থচর্চাৰ প্রশংসা কৰিলে।
পাঠ্যপুথিৰ সমান্তৰালকৈ সি প্রতিযোগিতামূলক পৰীক্ষাৰ বাবেও
নিজকে প্রস্তুত কৰিলে। শিক্ষকগৰাকীৰ পৰা উৎসাহিত হ'ল সি
প্রতিদিন।

(সাত)

'মাই চন্‌' 'মাই বয়'।
শিক্ষকগৰাকীৰ কণ্ঠ আবেগিক হৈ উঠিছিল নেকি।
চল্‌চলীয়া চকুৰে তাক আশীৰ্বাদ দিছিল।
আত্মবিশ্বাস আৰু সাধনাৰে
অসম লোকসেৱা আয়োগৰ পৰীক্ষাত সি কৃতকার্য্য হ'ল।
'কিমানৰ ভাগ্যত এনে শিক্ষক 'আশীৰ্বাদ' হৈ আহে।
সকলো শিক্ষকেই যদি এনে হয় .....
অন্ধকূপৰ পৰা কিমান ছাত্রক উদ্ধাৰ কৰি
পোহৰত মেলি দিব পাৰে!
'Choosing a goal and sticking to it changes everything.'

(আঠ)

'ঢলা', 'ঢলা', 'ঢলা'
যাত্রী বিচাৰি বাৰে বাৰে হেণ্ডিমেনে আটাহ পাৰিছে।
'ৰাণু তই! তাহানি হল্ডঅল আৰু বেগ কঢ়িয়াই
দিয়া তাৰ বাল্যবন্ধু ৰাণু! 'কিমান বছৰৰ মূৰত লগ হ'লো।'
ৰাণুক সাৱটি ধৰিলে সি।
ধৰিলেনে সি ৰাণুক সাৱটি।
'এইখন বাছত তই কেনেকৈ যাবি।' বন্ধুৰ ইতস্ততঃ।
'এই বাছেৰেইতো মোৰ জীৱনযাত্রাৰ আৰম্ভণি।
আজি কিয় যাব নোৱাৰিম।
ঐ শদিয়ালৈ ফেৰীত যাবগৈ পাৰিমনে।
ফেৰীঘাট।
ফেৰীঘাটেদি শদিয়ালৈ গৈ শদিয়াৰ সতফুল.....
'শদিয়াত দলং হ'ল।
ফেৰী এতিয়া কৰুণ বুৰঞ্জী হ'ল।'

(ন)

ৰাজু, এইবাৰ মোৰ পঢ়াশালিত সোমামগৈ।
সেইযে গোবৰে লিপা মাটিত ঢৰা পাৰি বহিছিলো,
আমলখি জোপাৰ তলত বহি নেওতা গাইছিলো

একে একে দুই, একে দুইয়ে .....।
হলিৰাম ছাৰৰ ভালনে?
কিমান দিন যে ঘৰলৈ আহিব পৰা নাই।
আমি খেলা মাটিৰ ঢিপটো আছেনে?
নদীখনত মিছামাছ তহঁতে আজিকালি ধৰনে?

(দহ)

আজি অর্জুন আহিছে দ্রোণাচার্য্যৰ ওচৰলৈ।
হয়। হয়। মাটিৰ কথা শিকোৱা
দ্রোণাচার্য্যৰ অতি পূর্ণ বয়সত.....।
'তই। মই শিকোৱামতেই মাটিত কর্ষণ কৰি
শইচুৰ পুলি ৰুলি তেনে।'
'তই। মই শিকোৱা দৰেই শইচ্‌জুপিত
সাৰ-জাবৰ-পানী দিলি তাৰমানে।'
সীৰলুপতা মুখত কি সুন্দৰ তৃপ্তি।
আশীৰ্বাদৰ হাতে তাৰ মূৰটো মোহাৰি দিলে।
তাৰ দামী ছার্টটোৰ বুকুৰ চেপাত
আলফুলকৈ ভৰাই ললে মাটি এচিকটা।
তাহানিৰ তাৰ অকণমান ভৰি দুটাৰ
পৰশ পৰা পঢ়াশালিৰ মাটি।
বুকু ভৰাই ললে গাঁওৰ গোন্ধ।
তাৰ সৰুকালৰ নৈখনে তাক আকৌ
মাতিলে খেলিবলৈ। সৰু সূঁতিটো এতিয়া
বিশালকায় নদী হ'ল।
(সকলো অসৎ প্রলোভন নেওচি যি সঁচা অর্থত 'মানুহ' হ'ল সেইসকল
বিজয়ী ছাত্র-ছাত্রীৰ হাতত)

অসহায়

স্বপ্নীল শর্মা বৰুৱা
বিজ্ঞান শাখা



নিঃস্তব্ধ নিশা এতিয়া,
ঢিমিক ঢামাক বস্তিৰ পোহৰ,
বাহিৰত কোনো খেয়ালী জিলিৰ
লয়-তাল বিহীন চিঞৰ।
অথচ সুমধুৰ কাৰোবাৰ বাবে,
যেন প্ৰকৃতিৰ ওচৰত তাৰ প্ৰতিবাদ।
যেন অন্ধকাৰ, ভয়ংকৰ নিশাটোৰ
অকলশৰীয়া প্ৰহৰী সি,
যুদ্ধৰ ভয়ংকৰ শত্ৰুৰ সন্মুখত যেন
একমাত্ৰ শেষ আপোচহীন সৈনিক সি,
প্ৰলয়ংকাৰী বানৰ সন্মুখত যেন,
দুৰ্বল শেষ বান্ধ সি.....
দুৰ্বল?
কেনেকৈ দুৰ্বল সি?
তাৰ প্ৰতিবাদী আপোচহীন কণ্ঠ
শক্তিশালী এতিয়াও,
এতিয়াও পৰা নাই,
বেগী বতাহজাকে তাৰ কণ্ঠ ৰুদ্ধ কৰিব।
পৰা নাই এতিয়াও ম্লান কৰিব
তাৰ সুমধুৰ প্ৰতিবাদী আপোচহীন স্বৰ।
কিন্তু মই?
আহিছিলো এদিন ময়ো,
দুচকুত সোণোৱালী সপোন লৈ।
স্বাধীন মাতৃভূমিৰ বুকুত
সেউজ কঠীয়া পৰাৰ সপোন,
আঘোণত কঢ়িওৱাৰ সপোন
সোণোৱালী সোণগুটি।
কিছু পৰহে বাকী.....
আৰু কেৱল কেইটামান মুহূর্ত .....
সতীর্থক বিশ্বাসঘাটকতা কৰি
ঘূৰি যাম 'মূলসূঁতিলৈ'।
কি এই মূলসূঁতি?
বুজিব পৰা নাই এতিয়াও।
মুক্ত আকাশৰ তলত
সোণগুটি কঢ়িয়াব নোৱাৰি তাত।
হ'লেও কিবা অভাৱ নে?
'বিজনেছ অফাৰ' আছে ঔপনিৱেশিক শক্তিৰ
স্বাধীনতাৰ সপোন দেখা দুচকুত
ফিট্ হ'ব ক'লা, চকু দেখি নোপোৱা চশমা।
অট্টালিকা হ'ব নগৰৰ মাজমজিয়াত
সকলোৱে বাবে হ'ব কৌতুহলৰ কাৰণ,
তেনে অট্টালিকাৰ গৰাকী হ'ম মই।
কিহৰ অভাৱ?

অভাৱ আছে সেই মায়া নগৰীতো,
স্বাধীনতাৰ .....
নহয়নে মই,
সামান্য এই জিলিটোতকৈও দুৰ্বল?
নহয়নে মই অসহায়?
নহয় নে এই সৰু পতংগটোতকৈও,
অতি সামান্য?
হে মাতৃ,
এয়াই শেষ অশ্রুঅঞ্জলি তোমাৰ চৰণত,
এজন স্বাধীন সৈনিকৰ।
এখন স্বাধীন অন্তৰে কান্দিছে আজি
শেষবাৰৰ বাবে।
মই অসহায় মাতৃ, মই দুৰ্বল।
মোক ক্ষমা কৰিবা।

মা

ডলি ৰেখা দাস
প্ৰথম ষান্মাষিক
উদ্ভিদ বিজ্ঞান বিভাগ

মা, আজি তোৰ মুখনি
বাৰে বাৰে মনলৈ আহিছে,
দুগালেৰে বৈ অহা তপত চকুলো
তই দুহাতেৰে মচি দিয়া হ'লে
মই হয়তো সকাহ পালোহেঁতেন।
জীৱনৰ এই কাঁইটীয়া বাটত
আজি অকলেই খোজ দিছো
তই দিয়া প্ৰেৰণাবোৰ
আজিও বুকুৰ মাজত সযতনে ৰাখিছো।
তোৰ হাতত ধৰি খোজ কঢ়া দিনবোৰ
কেতিয়া ঘূৰি আহিব মা?
মা অ', বৰ কান্দিবলৈ মন যায় কেতিয়াবা
চিঞৰি চিঞৰি, ফেঁকুৰি ফেঁকুৰি,
তথাপিও মই তোক মোৰ চকুলো নেদেখুৱাওঁ
মই জানো মোৰ কান্দোন শুনি
তই বৰ কষ্ট পাবি।
হোষ্টেলৰ এই কোঠাটো
কেতিয়াবা মৰিশালী যেন লাগে
অকলশৰীয়া ৰাতিবোৰত ভয়তে কঁপি উঠো মই,
এনে লাগে যেন দৌৰি তোৰ বুকুৰ মাজত সোমাওঁগে।
কিন্তু মই মোৰ লক্ষ্য নোপোৱালৈকে
তোৰ ওচৰলৈ যাওঁ কেনেকৈ?
আৰু কিছুদিন
তোক দিয়া প্ৰতিশ্রুতিবোৰ পূৰ কৰিবলৈ দে
মোক মোৰ জীৱন গঢ়িবলৈ দে
অপেক্ষা কৰিছো সেইটো দিনলৈ
যিদিনা মই তোৰ কোলাত জিৰাম
আৰু তই গুণগুণাই গাবি
"আমাৰে মইনা শুৰ এ
বাৰীতে বগৰী ৰুৰ এ।"





দৰিদ্ৰ

আদিত্য মজুমদাৰ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বার্ষিক

তুমি মোক দিলা
পথাৰত হাল বোৱা
কৃষকৰ অনুভূতি মনত লৈ
৪৫ ডিগ্রী গৰমত খোজ কাঢ়ি যোৱাৰ
অপাৰ শক্তি বিৰামবিহীন
ৰামধেনুৰ সতে পৰিচয়
তুমি কৰালা প্ৰকৃতিৰ অনুভূতি
শব্দৰ সতে লুকাভাকু খেলি
নীলা আকাশত
ইন্দ্ৰৰ ৰথ তুমিয়ে দেখালা
তুমিয়ে হাতখন ধৰি
আঙুলিয়াই দেখালা
সৰল জীৱন আৰু উচ্চ চিন্তাৰে
মানুহ কেনেকৈ আগবাঢ়ি যায়।

জীৱনৰ শেষ আবেলি

— শশাংক গগৈ

ঘৰমুৱা পক্ষীজাকৰ
কিছিৰ মিছিৰ মাতত
হেৰাই যায়
আবেলিৰ বেলি ....
হৃদয়ৰ পোৱা নোপোৱা হিচাপবোৰ
ওলমি ৰৈ সপোন হৈ ...
পশ্চিমৰ আকাশত ডুবিব খোজা
সুৰুজৰ কৰুণ বিননিত
হৃদয়ত বাজি উঠে
বিষাদৰ গান ...
নিসংগতাই কোঙা কৰা মোক
এইয়া যে জীৱনৰ শেষ আবেলি....।



সৌ আকাশলৈ এবাৰ মাথো চোৱা

বেদান্ত তালুকদাৰ
স্নাতক তৃতীয় যান্মাষিক
প্রানীবিজ্ঞান বিভাগ



চোৱাচোন সৌ আকাশখনলৈ
চোৱাচোন সৌ আকাশখনলৈ
এবাৰ মাথো চোৱা
নিগৰি অহা চকুলোৰ তপুই
স্পর্শ কৰিছে ফুলৰ পাপৰিৰ দৰেই দুই গাল
স্তব্ধতাৰ মাজতো এয়া কেনে অনুভৱ শুনাচোন!
অনুভৱৰ দলিচাখনে আলোকিত কৰিছে মোৰ হৃদয়
এৰা!! এয়া কেনে অনুভৱ
শূণ্যতাৰ মাজতো
এই পাহ ৰঙা গোলাপ তোমাৰ
যিয়ে আনি দিছে বিষাদৰ মাজতো সেই মৰমকণ।
কাজল সনা দুচকু ভাঁহি উঠিছে
মোৰ দুই নয়নত।
অগণন তৰা লেখীয়া সৌ আকাশখনলৈ এপলক চোৱা
স্মৃতিৰ কাকলিত পাইছানে
তোমাৰ সতে চাই চোৱা সৌ তৰাটিক
বিষাদপূর্ণ দুই নয়নে মাথো চাই থমকি ৰৈছে সৌ আকাশখনলৈ
কিজানি পাই তোমাৰ পৰশ।

ডাঙৰ আৰু যথেষ্টসংখ্যক ভুলৰ মাজেৰে নহাকৈ কোনো এজন মানুহেই মহান তথা সফল হ'ব নোৱাৰে।
- উইলিয়াম শ্বেইক্সপীয়েৰ

কোৱাচোন মোৰ সখী

বেদান্ত তালুকদাৰ
স্নাতক তৃতীয় যান্মাষিক
প্রানীবিজ্ঞান বিভাগ

সখী যাবানে মোৰ সতে
শতফুল খাবলৈ
কোৱাচোন তুমি সখী যাবানে
সেই নতুন দিশলৈ।
পানচৈ আহি কৈ আছে
নাঁৱৰ বৈঠা ৰৈ আছে
নতুন পোহৰৰে জিলিকি থকা
সেই নতুন দিশলৈ।
ঘোৰ অন্ধকাৰত উৰি ফুৰা
জোনাকী পৰুৱাৰ
চিকমিক কিৰণে আকর্ষণ কৰিছে
মোৰ মন
নিশাৰ জোনৰ পোহৰ
গছৰ পাতৰ মাজেদি
আহি পৰিছে সৌ চোতালত
কোৱাচোন কোৱা সখী
পৰিছেনে মনত .....
আইতাৰ সতে বহি কল্পনা কৰা
জোনৰ দেশৰ বৰণ।
একেলগে বুটলা শেৱালিৰ পাপৰি
ভৰিৰে গচকা দুৰৰি কুঁৱলী
পামনে সেই দিন বিচাৰি
কোৱাচোন সখী পামনে বিচাৰি।



তোমাৰ অবিহনে নিমাত হ'ব জীৱন মোৰ

বেদান্ত তালুকদাৰ
স্নাতক তৃতীয় যান্মাষিক
প্রানীবিজ্ঞান বিভাগ

নুশুনো নাগাও এটি মধুৰ স্বৰ তোমাৰ আজি,
তাহানিতেই আছিলা হিয়াৰ নিচেই কাষত
এটি চিনাকি সুৰ হৈ বাজি।
উচুপি পৰো আৱেগত মন মোৰ ভাগি পৰা দেখি
নুশুনো, নুশুনো আজি তোমাৰ মিঠা বোল
জোনাকেও নাহাঁহে আজি মন আকাশত তৰা
ৰূপত তোমাক নেদেখি ..
ক'তে গৈ হেৰালা মৰহা ফুলৰ দৰে জীৱনটো
মোৰ.....
জীৱনেও নাহাঁহে আজি তোমাৰ অবিহনে
ৰং বুলাবলৈ
নুফুলে নুফুলে আজি কোনো ফুল মোৰ
বাগিচাৰ সুবাস বিলাবলৈ আজি তোমাৰ অবিহনে
তুমি আহিবা বুলিয়েই বাট চাই
নিৰৱে বুকুতে তেজৰ নৈ বোৱাই
আহিবানে নে তুমি
পুনৰ মোৰ ঘাটলৈ
আশা ভৰা চাৱনিৰে চাই ৰৈ আছো তুমি যোৱা বাটলৈ
তুমি নাহিলে নামাতিলে শেষ হৈ ৰ'ব
জীৱনৰ আশা ভৰসা মোৰ ...
তোমাৰ ছবিটি চাই বোৱাইছো চকুলো
উজাগৰে নিশা কটাই মোৰ.....

যি মানুহে নামমাত্রও আনৰ কথা চিন্তা কৰিব নোৱাৰে, তেওঁৰ জীৱনৰ কোনো অর্থ নাই। - মণ্টেইন

শান্তি

তৈয়বুৰ ইছলাম
প্রথম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ


শান্তি লাগে আমাক
নালাগে হিংসা,
আগবাঢ়ি যোৱা অবিৰাম
নকৰি মনত কুচিন্তা।

নলবা হাতত তুলি অস্ত্ৰ,
যোৱা আগুৱাই শান্তিৰ পথত,
নেখেলিবা নিৰীহ লোকৰ তেজেৰে ফাকু
আত্মনির্দ্ধাৰণৰ বাবে বাচি লোৱা গান্ধীৰ পথ।

হিংসাৰে নোৱাৰি জিনিব স্বাধীনতা,
শান্তিয়েহে আনি দিয়ে আমাক স্বাধীন,
মানুহ হৈ নকৰিবা ব্যৱহাৰ অসুৰৰ দৰে
নহবা কাহানিও অন্যায়ৰ অধীন।

কৰি যোৱা সংগ্ৰাম অন্তিম কাললৈ
তেহে পাবা তুমি ন্যায়,
যোৱা আগবাঢ়ি বীৰদর্পেৰে
নোৱাৰে কোনেও কৰিব অন্যায়।

নকৰিবা কাহানিও হিংসা-সন্ত্ৰাস,
আনৰ তেজেৰে নজ্বলাবা বন্তি,
তুলি লোৱা হাতে হাতে গান্ধীৰেই পুথি
নালাগে যুদ্ধ, লাগে আমাক শান্তি।
কেৱল শান্তি, কেৱল শান্তি।



বিভ্রান্ত

বিতু হাজৰিকা
তৃতীয় ষান্মাসিক
পদার্থ বিজ্ঞান শাখা

কেৱল অক্লান্ত আৰু বিচ্ছেদৰ চিঞৰ
চাৰিওফালে আকাশত
মাতাল পৃথিৱীৰ গর্জন,
ৰাজনৈতিক হিংসাই
আৰৰি ধৰিছে পোহৰ
নৈতিকতা বিষাদৰ সামঞ্জস্যৰ
নাই কোনো অন্তৰ
কেৱল মাৰধৰ বিসম্বাদৰ
উত্তাল পৰিৱেশ,
আজি জনতাৰ তেজত
আছে জানো বীৰতাৰ তেজ
লাচিত বৰফুকনকো পাহৰি
সামৰিছে ভীৰুতাৰ বেশ,
নাই নাই নাই আৰু নাই
সেই পূজনীয় দেশ
পলিটিকেল পার্টীৰ যমবোৰে
ৰচিছে শাসনৰ বেদ,
যদি গাত আছে আজি
লাচিতৰ তেজ
গঢ়ো আহাঁ আমি সকলোৱে
এখন সোণালী দেশ।

সৰু মনৰ দ্বাৰা কোনো ডাঙৰ হ'ব নোৱাৰে, মন ভাঙি গ'লে কোনো সফল হ'ব নোৱাৰে। - অটল বিহাৰী বাজপেয়ী

এসো ভগবান তোমার এই পৃথিৱীতে

ৰতন পাল
তৃতীয় ষান্মাসিক
বাণিজ্য বিভাগ

"হে ভগৱান, তুমি কোথায় আছো"
কোথায় আছো তুমি,
দেখিতে পাই না কেন?
কি ভুল আমার
একটি বার তো বলে দাও?
বলে দাও না, তুমি কোথায় আছো,
তুমি না বলিলে কে বলিবে,
এ জগৎ সংসারে।
সব কিছু তো মিথ্যা,
তুমি তো এক মাত্র সত্য।
তবে কেন দাও না দেখা।।
আমি যে তোমারে মন প্রাণ দিয়ে ডাকছি!
তুমি কি তা শুনিতে পাও না?
তুমি কোথায় একটি বার বলে দাও!
তুমি বিনে এজগত শূণ্য
তা কি তুমি যেন না।
মন্দির, মসজিদ, গির্জা সব খুজে দেখিলাম,
তোমায় কোথাও পেলাম না।
পেলাম শুধু পাথরের মূর্তি।।
দানবেরা মানবদেরকে আঘাত দিছে
বারেবারে নানান প্রকার ভাবে।
তুমি কি তা দিখিতে পাও না।
শুনেছি যুগে যুগে তুমি না কি এসেছিলে
নানা অবতার হয়ে।
কখনো বা রাম কখনো বা কৃষ্ণ রূপ ধরে
তবে এখন কোথায় তুমি।
তোমাকে কেউ খুজে পাছে না কেন?
তোমাকে কি হারিয়ে ফেলেছি।
হে ভগৱান, এক বার ধরা দাও!
ধরা দাও তুমি --
তোমার এই সৃষ্টি রক্ষা কর তুমি,
আমরা যে পারিতেছি না রক্ষা করিতে,



তুমি এসো এই ধরা তলে।
এসো এই মানব জাতির মধ্যে,
এক নতুন রূপ নিয়ে।
সময় হয়ে গেছে তোমার আসিবার।
আমরা সবাই অপেক্ষাতে রৈলাম তোমার,
তুমি এসে দানব কে সংহার কর পূর্ণবার।
পূর্ণরায় তুমি মানব জাতিকে কর উদ্ধার,
এই সব দানবের হাত থেকে,
তুমি এসো প্রভু তুমি এসো এই পৃথিবীতে।
তোমার চরণে শতকোটি প্রণাম।।

ওচৰ চুবুৰীয়াই কয় এখন হাতেৰে তালি নাবাজে, মই কওঁ টিলিকি ও বজাব পৰা যায়। — অটল বিহাৰী বাজপেয়ী



তুমিবিহীন জীৱন

বিতু হাজৰিকা
তৃতীয় যান্মাসিক
পদার্থ বিজ্ঞান শাখা

হয়তো কেতিয়াবা এক বিষাদে
আৱৰি ধৰে মোক,
স্নিগ্ধ আন্ধাৰত মোৰ মন
উত্তেজিত হৈ ৰয়,
অশ্রু আৰু বিষাদৰ চকুলো।
পাৰ পোৱা নাই মোৰ যুগমীয়া
প্রেমে হয়তো নাপাব
কাৰণ, তুমিবিহীন জীৱন, জানো
মোৰ জীৱন হ'ব পাৰে?
স্বপ্নলীন এটি যন্ত্রণাৰ হাঁহিক সাৱটি
লৈয়েই মই জীয়াই আছিলো
দূর্গম আন্ধাৰো মোৰ লগৰী হৈ পৰিছিল,
অশ্রুৰে ভৰা মোৰ কলমডালে
আঁকিব বিচাৰিছিল এখন ছবি
এখন বিষাদৰ ছবি
যাক লৈ মই সপোন ৰচিছিলো
হয়তো সেইখন ছবি তোমাৰ আছিল,
জিলিকি উঠিছিল শত যুগৰ আন্ধাৰ
অথচ সেই পোহৰ আছিল
মাথো ক্ষন্তেকীয়া।


আই

লক্ষীপ্রসাদ দলে
স্নাতক পঞ্চম যান্মাসিক
বিজ্ঞান শাখা

আই তুমি তুলিছিলা মোক
চৰাইৰ পোৱালীৰ দৰে বুকুৰ উমেৰে
সৰুৰে পৰা তুলিতালি
ডাঙৰ কৰিলা মোক।
আই তুমি কৰিছিলা মৰম
তুমি দিছিলা সান্ত্বনা
জীৱন যুদ্ধত আগুৱাই যাবলৈ
তুমি দিছিলা মোৰ উৎসাহ।
হে' আই তুমিয়ে মোৰ সকলো
তুমিয়ে মোৰ প্রাণ
তোমাৰ অবিহনে মোৰ
নাই যে কোনো মান।
পুৱাৰ সূৰুযৰ সোণোৱালী কিৰণ পাৰি
স্বচ্ছল হৈ পৰা হে আই
তোমাৰ ৰূপৰ যে কোনো তুলনা নাই
তোমাৰ স্নেহ অতুলনীয়,
আই তোমাক কৰিছো প্রণাম।



সপোন সেইটো নহয় যিটো আপুনি শুই থাকোঁতে দেখে। সপোন সেইটোহে, যিটোৱে আপোনাক শুৱ নিদিয়ে।
- এ.পি.জে. আবুল কালাম।



এখন উকা দায়েৰী

স্মৃতি দত্ত
পঞ্চম যান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

এখন উকা দায়েৰী
এখিলা বগা কাগজ,
হ'ব পাৰে বগা পৰিহিত
তথাপি এইয়া ৰঙীন।

ৰঙীণ তোমাৰ সপোন
ৰঙীণ কলমৰ বোল,
সিঁচি দিয়া অনুভৱবোৰ
সাঁচি ৰখা স্মৃতিবোৰ।

হ'ব পাৰে এইয়া জড়
তথাপি এইয়া জীৱন্ত
সজীৱ তোমাৰ অনুভৱ
সজীৱ তোমাৰ স্মৃতিশত

অদূৰৰ সেই ৰূপোৱালী দিনটো
সুঁৱৰিব পাৰে অতীতৰ সোণোৱালী সুগন্ধি
উকা এখন দায়েৰী
হ'ব পাৰে তোমাৰ চিৰসংগী।



দুধাৰি অশ্রু

এনিশা গগৈ
কলা শাখা

মাজনিশা ৰাজআলিত
কোনোবা নাৰীৰ উচুপনি ভাঁহিছে,
ষ্ট্রীত লাইটৰ ক্ষীণ পোহৰত
দুধাৰি চকুলো উজ্জ্বলি উঠিছে।

অমানিশা আন্ধাৰে নিশব্দে
আঁতৰি ধৰিছে চৌদিশে,
ৰাজআলি এতিয়া নিদ্রাত
নিস্তব্ধ চানি ধৰিছে।

যান্ত্রিকতাৰ মাজত উটি-ভাঁহি
ভাগৰত ক্লান্ত দেহাটি
হেৰাই গ'ল ঘোঁৰা চেকুৰি
স্বর্ণ স্বপ্নক হাত বাউল দি।

স্বপ্নত বিভোৰ যন্ত্র মানৱে
হৃদয়ৰ আর্তনাদ নুশুনে,
নুশুনে নাৰীৰ উচুপনি
নকৰে অলপো ভ্রূক্ষেপ।

ৰহস্য কি বাৰু দুধাৰি চকুলোৰ?
প্রেমৰ প্রতাৰণা নে পুত্র শোক!
স্বামীৰ স্মৃতি নে মাতৃ শোক!
নে বিলাসী দানৱৰ লাঞ্ছনা।

এই ৰহস্য ভেদৰ স্থল নাই
যন্ত্রধৰাত আৱেগৰ মূল্য নাই,
অমানিশা আঁতৰি পোহৰ নামিল
যন্ত্র মানৱৰ বিশৃংখলতাত হেৰাই গ'ল।
নিচলা নাৰীৰ সতে,
দুধাৰি চকুলো।

যদি আপুনি খৰকৈ খোজকাঢ়িবলৈ বিচাৰে, তেনেহ'লে অকলে খোজকাঢ়ক। যদি আপুনি বহুদূৰ অতিক্রম কৰিব বিচাৰে, তেনেহ'লে লগে ভাগে খোজ কাঢ়ক। - ৰতন টাটা

বহুদিনৰ এটা কবিতা লিখোঁ আজি

বিমান গগৈ
স্নাতক পঞ্চম ষান্মাসিক

বহুদিনৰ এটা কবিতা লিখোঁ আজি
কি হ'ব বাৰু কবিতাৰ বিষয়?
বহুদিনত ভোগা এজন প্ৰেমিকৰ কথা,
নে যান্ত্ৰণাৰ মাজত সপোনৰ খৰিকা বিচাৰি ফুৰা।
এজন ভাল পথিকৰ কথা।
বাদ দিয়াহে বহুত হৈ গ'ল এইবিলাক ফিল'ছফী
আজি নতুন কিবা এটা লিখোঁ সম্পূৰ্ণ নতুন অলপ বেলেগ
মই আগতকৈ বহুত মেচিঅ'ৰ্ড হৈছোঁ।
কাৰণ অহা বছৰ মই মোৰ
জীৱনৰ বিছটা বসন্তৰ দেওনা পাৰ কৰিম।।
আৰু আজিকালি কিবা এক অজান
আশংকাত মোৰ মনটো যেন বেৰি ৰাখে,
দেউতাক আগৰ দৰে টকা-পইচা খুজিবলৈও লাজ পাওঁ।
ঘৰৰ ৰৱদেউতায়ে সেই কাৰণে চাগে।
তোমাক দেখা বহুত দিন হ'ল জানা
কেনে আছা তুমি?
জাৰকালি তুমি ৰ'দত বেছিকৈ নোলাবা
তোমাৰ গুলপীয়া গালখন ৰ'দত পুৰিব চাবা
পাৰিলে আহিবাচোন এবাৰ ব্ৰহ্মপুত্ৰৰ বালিচৰলৈ
তোমাক এবাৰ হেঁপাহ পলুৱাই চাম
কাকো নকওঁ মোৰ শপত
সাক্ষী হ'ব মাথোঁ লুইতৰ সোণালী পানী
অস্তমিত সূৰ্য, তুমি আৰু মই।।
অস্তমিত

জীৱন

মৰমী দাস
স্নাতক তৃতীয় ষান্মাসিক
নৃ-তত্ত্ব বিভাগ

জীৱনক বিচাৰি ফুৰিছিলো মই
সাগৰৰ তীৰে তীৰে
লেখ নোহোৱা ঢৌ লেখি লেখি
সাগৰৰ পাৰৰ বালিচন্দাৰ মাজত
ওখ ওখ ঝাওঁবনৰ মাজেৰে
সৰকি অহা ৰ'দ আৰু জোনাকৰ মাজত।
সূৰ্যই চালিত কৰিছে জগতক
সাগৰৰ এই মহাশক্তিক
চালনা কৰাৰ দৰে সাগৰ আৰু সূৰ্যৰ
একাত্মবোধতেই জগত চলিছে
গছ-লতিকা হৈছে আৰু আমি
মানুহবোৰ জীয়াই আছো।
এই বিশাল আকাশৰ তলৰ
গভীৰ সমুদ্ৰৰ প্ৰতিটো বিন্দু
আপোন হৈ উঠিছে কিন্তু তথাপি
আপোন হ'ব পৰা নাই একে আকাশৰে
তলৰ প্ৰিয়জনৰ কৃটিম আৰু কুটিল হাঁহি,
আপোনজনৰ তৰল হৃদয়ৰ অনুভূতি।
উজাৰি দিব পাৰি জানো কেতিয়াবা
কাৰোবাক নিজৰ হৃদয়তলিৰ বিষাদ?
বস্তুবাদী জীৱনৰ নতুন অৰ্থ বিচাৰি
লগৰবোৰ কাহানিবাই বহুখিনি পালেগৈ
এতিয়া বৈ আছে কেৱল সাগৰৰ
গভীৰতম এক অচিনাকি মায়া
হয়তো ইয়াতেই থাকিব পাৰে
অতদিনে বিচাৰি ফুৰা জীৱন।।

আটাইতকৈ বেয়া কথাটো অতি সুন্দৰ ভাৱে কোৱাটোৰেই ডিপ্লমেচি। - আইজাক গুলবার্গ



অপেক্ষা

বিকাশ শইকীয়া
বিজ্ঞান শাখা

ৰঙচুৱা আবেলিৰ বেলি,
আবেলিৰ সেন্দুৰীয়া আকাশ,
হালধীয়া আভাৰে শুকুলা ডাৱৰবোৰ
হৈ পৰিছে মোহনীয়া
ঠিক একেদৰেই যিদৰে সেই আবেলিটোত
তোমাৰ দুগালত পৰা গুলপীয়া আভাই
কৰি তুলিছিল তোমাক অতি মোহনীয়া,
অতি মৰমলগা।
লাজ লাগিছিল চাগৈ তোমাৰ,
ৰঙা গোলাপপাহ তোমাৰ হাতত তুলি দিওঁতে।
অস্তগামী সূৰ্যৰ পোহৰত জিলিকি উঠা
নদীৰ পানীয়ে মনত পেলাই দিয়ে,
তোমাৰ অভিমানী অশ্ৰুলৈ।
মনত পৰেনে তোমাৰ,
সেউজীয়া সেই চৰাইহাললৈ?
গছৰ ডালত বহি প্ৰেমালাপ কৰা চৰাইহালে,
তোমাৰ অন্তৰত জানো জগাই তোলা নাছিল
এক বুজাব নোৱৰা অনুভূতিৰ?
মাত্ৰ এটাহে দেখিছো আজি সিহঁতহালৰ,
ভাবুক হৈ বহি আছে আজি সি
ঠিক মোৰ দৰেই ....
কিৰিলি পাৰি হাঁহি যোৱা ডেকাহঁতৰ দৰেই
ঘৰমুৱা পক্ষীজাকৰ যেন
তাচ্ছিল্যৰ চিঁচিয়নি তাৰ প্ৰতি।
উৰি গৈছে সিহঁত বহুদূৰলৈ,
অপেক্ষা কৰিছো আমি
অসহায় চকুহালত দুটোপালকৈ আশাৰ অশ্ৰু লুকুৱাই
আমাক লগ দিছে এজাক চেঁচা বতাহে,
ঠিক সিমানেই মধুৰ,
যিমান মধুৰ আছিল
মৰমৰ লগৰীৰ সান্নিধ্য।

নাৰী

পাৰিজাত পাত্ৰ
বিজ্ঞান শাখা

নাৰী!
মই নাৰী
সৃষ্টিৰ প্ৰতীক, কৰুণতাৰ আকৰ
ময়েই সেই নাৰী।
সৌন্দৰ্যৰ পূজাৰীয়ে,
মোক নিতৌ পূজা কৰে।
মোৰ কোপদৃষ্টিক ভয় কৰে,
মোৰ আশ্ৰিতক, মোৰ শ্ৰদ্ধাস্পদক বা মোৰ প্ৰিয়জনক
হানিব খোজা যিকোনো শক্তিয়েই।
মোৰ মমতাৰ আঁচলখনেইটো সাৰথি,
কালিলৈৰ বহু ৰথী-মহাৰথীৰ।
লাঞ্ছনা-বঞ্চনাৰো সন্মুখীন হওঁ মই
মানৱৰূপী দানৱৰ হাতত হেৰুৱাওঁ
মোৰ অস্তিত্বৰ অধিকাৰ,
হেৰুৱাও মোৰ শ্ৰেষ্ঠ আভূষণ।
বিদ্ৰোহী হওঁ ময়ো
কিন্তু কাৰোবাৰ সেই আকুল চকুহাল,
ভবাই তোলে পুনৰ মোক,
সকলোৱেই জানো একে?
বিদ্ৰোহী মনটোৱে কেতিয়াবা
প্ৰতিবাদ কৰি উঠে,
নাৰী ধৰ্মৰ পৰা যেন
অব্যাহতি ল'ব মন যায়,
কিন্তু মই হ'ম নাৰী সঁচা অৰ্থত।
জ্ঞানৰ প্ৰদীপ জ্বলাই,
সমাজৰ কু-প্ৰথাৰূপী দানৱৰ তেজ বোৱাই,
শিশুৰূপী ভৱিষ্যত সমাজক নিচুকাই,
মৰম আকুল চকুহালক সমৰ্থন জনাই
নিজৰ চিনাকি দিম নতুন সমাজ গঢ়ি
"ময়ে নাৰী"।

নাৰিক নিপুন হ'লে সামুদিক বতাহ আৰু টোৱোৰেও তেওঁক সহায় কৰে। - গিবন



বেড্ বয়

হর্ষিত দহোটীয়া
কলা শাখা

"ৰকী আহিছে"
বেয়া ল'ৰা কলেজৰ,
অথচ আটাইতকৈ জনপ্রিয়
বাৰেভচহু বেশ-ভূষা,
ক'লা মণি-মুকুতাৰ মালা
হাতে-ডিঙিয়ে,
কাণত কেৰু,
ভিন্ন, তাৰ কেশসজ্জাও
এইটো হেনো 'ইম' ষ্টাইল।"
শুকান গেলা গৰমতো সি পিন্ধে
'লী কুপৰৰ' দীঘল বুট,
নীলা-বগা চশমা তাৰ দুচকুত
"ৰে' বেন" হেনো সেইযোৰ।
"কৰেনে সি ক্লাছ ৰেগুলাৰ্লী?"
সুধিছিল মোক তাৰ পিতৃয়ে
নিৰুত্তৰ আছিলো মই।
দুপৰীয়া ১২ বজাৰ আগত জানো,
দেখিছো মই তাক কলেজত?
আহিলেই যেনিবা কলেজ,
সময় জানো আছে তাৰ?
মুকলি আকাশৰ কেনভাছত
সি আঁকে ধূমচিত্র,
কলা দেখুৱাই নিজৰ সি
মুখেৰে ধোঁৱা উলিওৱাৰ কলা
গোল ধোঁৱা, দীঘল ধোঁৱা,
সামান্য হতাশ হ'লেই উচ্চাৰিত হয়
অভিধানে বর্খাস্ত কৰা শব্দবোৰ।
কেণ্টিনৰ মালিকে তাক কয়,
"দাদা, পইচা দিব নালাগে।"

কিন্তু, কিয় মোৰ অনুভৱ হয়?
তাৰ অন্তৰ যেন নির্মল,
শৰতৰ ৰাতিপুৱা ঘাঁহনিত পৰি থকা,
শুভ্র শেৱালিৰ দৰেই।
সিয়ে জানো ত্রাণকর্তা নহয়,
কলেজৰ সন্মুখত দোকান দিয়া
ৰাজু-বাবুহঁতৰ বাবে?
লৈ যোৱা নাছিল জানো সিয়ে হস্পিতেললৈ,
গাড়ীয়ে মহটিয়াই থৈ যোৱা বুঢ়া মানুহজনক?
দেখা নাছিলোনে তাৰ অসহায় দুচকুত
দুটোপাল অশ্রু,
"আই হেট" বুলি গুছি যোৱা
প্রেয়সীৰ দুখত।
নির্মল নাছিলনে সেয়া,
শীতৰ পুৱা ঘাঁহনিত পৰি থকা নিয়ঁৰৰ টোপালৰ দৰেই?
কিন্তু নাই,
ইতিমধ্যেই হৈছে তাৰ মূল্যাংকন
মূল্যাংকন হৈছে তাৰ বেশভূষাৰ দ্বাৰা,
এণ্ড-চেমিষ্টাৰৰ তাৰ ল' ৰেইটৰ মার্কশ্বিটৰ দ্বাৰা,
ইচ্ছা আছিল তাৰ একেখন চহৰত থকাৰ,
প্রেয়সীৰ স'তে,
সেয়েহে মূৰ গুজিছিল সি
কাহানিও তাৰ 'ইণ্টাৰেষ্ট' নথকা
'বি.এ. হিষ্টৰী'ত।
অনিচ্ছাৰ মুখত গুজি থোৱা পাঠ্যক্রম
হজম কৰিব পৰা নাই সি,
উকলিয়াই নো ক'ৰ পৰা সময়ত?
মূল্যাংকন হৈছে তাৰ,
"ৰকী – কলেজৰ বেড্ বয়"

মানুহ হয় নিজে ভাল হ'ব লাগিব, অথবা ভাল মানুহক অনুকৰণ কৰিব লাগিব । - ডেম ক্রিটাছ্



Those Days

Hemamoni Mech
Deptt. of Anthropology
5th Semester

Walking up to the alarm, snoozing 15 more minutes untill I really got up,
Mom's at the kitchen yelling, "Honey, come and have your breakfast."
Pacing up everything as the needle stiches ?
Messed up hair, heading bus-stop with a slice of bread in my mouth.
From convincing the gatekeeper to faking my teachers hopes.
That I won't do it the next time
Amazing how I still miss those days
Gossiping 24x7, talking about the latest trends.
Never running out of words, leaving everybody with amazment
"How can you gives talk so much?"
Thus what so everybody say.
Hands impugnated with bands up on friendship days.
Calling each other by names giggling even
When the teacher told us not to.
Those stupid friends standing by my side always, no matter what I go through.
From getting excited on school weeks to feeling heart broken on Valentine's days.
Amazing how I still miss those days
I still miss my school days.

Where am I going?

Where am I going?
This doubt grew inside my head
The question new knocked to me before
For I was growing and clinging into my folks.
Now that I am thoughtful and wise
I see this guestion taking me to the edge,
To the point where I should go
And so I am going.
Where am I going ?
Its not a concern to you.
Take the question for yourself,
For the answer will change your life.



ভাগ্যই সেইসকলকহে সহায় কৰে, যিসকলৰ ভাল বিচাৰ বুদ্ধি আছে। - ইউৰি পাইডিছ

উপ সভাপতিৰ প্ৰতিবেদন —

সৰ্বপ্ৰথমে ডিব্ৰু মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, সন্মানীয় অধ্যাপকসকল, কৰ্মচাৰীসকল, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। উপ সভাপতি পদৰ তত্ত্বাৱধায়ক অধ্যাপকসকলক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ সভাপতিৰ দায়িত্ব পালন কৰিবলৈ সৌভাগ্য কৰি দিয়া প্ৰতিজন লোককে মোৰ কৃতজ্ঞতা যাঁচিছো আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক প্ৰমুখ্যে প্ৰতিজন বিষয়ববীয়াৰ সহযোগিতাৰ শলাগ লৈছো।

সাধাৰণ সম্পাদকৰ নেতৃত্বত আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ উদ্যোগত আমি ৬ জানুৱাৰী, ২০১৬ তাৰিখৰ পৰা ১২ জানুৱাৰী, ২০১৬ তাৰিখলৈ সপ্তাহজোৰা কাৰ্যসূচীৰে 'বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰিছিলো। বিগত কিছু বৰ্ষৰ তুলনাত "ডিব্ৰু মহাবিদ্যালয় সপ্তাহ - ২০১৬" ত ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতা তথা অংশগ্ৰহণ আশাব্যঞ্জক হোৱা দেখা গৈছিল। সুচাৰুৰূপে সকলোবোৰ কাৰ্যসূচী সমাধা কৰাত সহযোগিতা আগবঢ়োৱা প্ৰতিজন ব্যক্তিকেই কৃতজ্ঞতা জ্ঞাপন কৰিছো। সাধাৰণ সম্পাদক তথা সাংস্কৃতিক সম্পাদকৰ উদ্যোগত আৰু সকলো সদস্য, ছাত্ৰ-ছাত্ৰীসকল আৰু অধ্যাপক-অধ্যাপিকাসকলৰ সহযোগিতাত উলহ-মালহেৰে সৰস্বতী পূজা পালন কৰিছিলো। ছাত্ৰ একতা সভাৰ উদ্যোগত আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে, আলোচনীত উল্লিখিত ধৰণে বিভিন্ন পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। খুব উলহ-মালহেৰে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হৈছিল আৰু কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ নোহোৱাকৈয়ে প্ৰতিটো অনুষ্ঠান পাৰ হৈছিল।

বিভিন্নখিনি কাম-কাজ আমি কৰিছিলো আৰু বহুখিনি কৰাৰ ইচ্ছা থাকি গ'ল। সদৌ শেষত, বিভিন্ন শিতানত সহায়-সহযোগিতা আগবঢ়োৱা আলোচনী সম্পাদকলৈ "ডিব্ৰুয়ান" প্ৰকাশৰ প্ৰাক মুহূৰ্ততে শুভেচ্ছা জ্ঞাপন কৰিছো। মোৰ চমু কাৰ্যকালত হোৱা অজ্ঞাত তথা অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ কাৰ্যকালৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো। ডিব্ৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে -

"জয়তু ডিব্ৰু মহাবিদ্যালয়"
"জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।।"

শ্ৰী সন্তোষ বৰুৱা

কাৰ কি জাতি ভগৱানে খবৰ নকৰে, কোনে কি কৰে তাকেহে খবৰ কৰে। - গুৰু নানক

সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতে, ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে গৌৰৱময় পদত অধিষ্ঠিত কৰোৱাত আগভাগ লোৱা তথা সহযোগিতা আগবঢ়োৱা সকলো ছাত্ৰ-ছাত্ৰী তথা বন্ধুবৰ্গক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। উজনি অসমৰ আগশাৰীৰ মহাবিদ্যালয় হিচাপে জাকত জিলিকা তথা NAAC ৰ দ্বাৰা A গ্ৰেড লাভ কৰা ডিব্ৰুগড়ৰ একমাত্ৰ তথা ডিব্ৰু মহাবিদ্যালয়ত বিদ্যা লাভ কৰিবলৈ পাই মই অতিকৈ সুখী।

সাধাৰণ সম্পাদকৰ দায়িত্ব লাভ কৰি নিৰ্বাচনৰ আগত ছাত্ৰ-ছাত্ৰীসকলক দিয়া প্ৰতিশ্ৰুতি অনুসৰি মহাবিদ্যালয়ৰ সমস্যাসমূহ অধ্যক্ষ মহোদয়ৰ আগত দাঙি ধৰি সমাধান কৰাত যথেষ্ট গুৰুত্ব দিছিলো। শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ে সেইমতে মহাবিদ্যালয় প্ৰেক্ষাগৃহৰ মেৰামতি, ছাত্ৰ একতা সভাৰ কোঠাৰ নতুন আচ্বাব প্ৰদান, জিমনাছিয়াম কোঠাৰ আধুনিকীকৰণ, ছাত্ৰ জিৰণি কোঠাৰ বাবে খেলৰ সামগ্ৰী তথা আচ্বাব প্ৰদান, সৌন্দৰ্য্য বৰ্দ্ধন আদিৰ কাম-কাজ হাতত লৈ কম সময়ৰ ভিতৰতে সকলোবোৰ সম্পন্ন কৰে। ইতিমধ্যে মহাবিদ্যালয় সপ্তাহ উদ্‌যাপনৰ সময় আহি পাইছিল আৰু ৬ জানুৱাৰী, ২০১৬ তাৰিখৰ পৰা ১২ জানুৱাৰী, ২০১৬ তাৰিখলৈ বিভিন্ন কাৰ্যসূচীৰে উলহ-মালহেৰে মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰিছিলো। একতা সভাৰ বিষয়ববীয়া সকলৰ উদ্যোগত বিভিন্ন প্ৰতিযোগিতামূলক কাৰ্যসূচীসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলো। ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যৰ সহযোগিতাত মহাবিদ্যালয় সপ্তাহৰ সামৰণি অনুষ্ঠানৰ পৰিচালনা তথা সজ্জাৰ বাবে বিশেষভাৱে প্ৰশংসিতও হৈছিলো। তাৰ বাবে মই মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকাসকল ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ কাৰ্যকালছোৱাত মহাবিদ্যালয়ৰ যোগ্য ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ তৎপৰতা তথা সহযোগিতাত অংশগ্ৰহণ কৰিছিল আৰু সুনাম বুটলিবলৈ সক্ষম হৈছিল। ইয়াৰ খতিয়ান আলোচনীখনত সন্নিবিষ্ট কৰা হৈছে। ছাত্ৰ জিৰণি কোঠা আৰু পৰিত্যক্ত অৱস্থাত থকা জিমনাছিয়ামৰ আধুনিকীকৰণো মোৰ কাৰ্যকালৰ এক সফলতা বুলি ক'বলৈ গৌৰৱবোধ কৰিছো।

শেষত আলোচনী সম্পাদক শ্ৰীমান স্বপ্ননীল শৰ্মা বৰুৱালৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰি মোৰ কাৰ্যকালৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয়তু ডিব্ৰু মহাবিদ্যালয়
জয় ডি.ম. ছাত্ৰ একতা সভা।"

শ্ৰী ৰাহুল দাস

অধিক বাক্যত অপৰাধৰ অভাৱ নাই। কিন্তু যি নিজৰ ওঁঠক দমন কৰে, তেওঁ বুদ্ধিমান। - চলোমন

Editors
Dibru College Students' Union's Journal

Volume	Editor	Session
I	Ram Chandra Goswami	1965-66
II	Haren Handique	1968-69
III	Kiran Saikia	1969-69
IV	Dibakar Gogoi	1970-70
V	Kanakeswar Dowarah	1977-78
VI	Sachi Handique	1982-83
VII	Devakanta Kanwar	1983-84
VIII	Rabindrajeet Gogoi	1983-84
IX	Bitul Neog	1985-86
X	Sukumar Chetia	1986-87
XI	Gitimallika Gogoi	1987-88
XII	Profulla Kalita	1988-89
XIII	Sanjee Narayan Chaudang Baruah	1989-90
XIV	Utpal Sonowal	1990-91
XV	Chandan Kumar Sonowal	1991-92
XVI	Nilim Kumar Das	1993-94
XVII	Amiya Kumar Borah	1994-95
XVIII	Dipen Handique	1996-97
XIV	Anupam Saikia	1997-97
XX	Ananta Khanikar & Prasanta Saikia	1999-01
XXI	Jitu Bharali	2001-02
XXII	Shanti Chetri	2002-03
XXIII	Pankaj Borah	2003-04
XXIV	Zakhyadeep Gogoi	2004-05
XXV	Niraj Sonowal	2005-06
XXVI	Durlov Gogoi	2006-07
XXVII	Bitupan Sonowal	2007-08
XXVIII	Manik Gogoi	2008-09
XXIX	Rajib Buragohain	2009-10
XXXII	Dhantanu Chetia	2010-11
XXXI	Raja Mahan Saikia	2011-12
XXXII	Chinmoy Hazarika	2012-13
XXXIII	Ajay Sahu	2013-14
XXXIV	Swapnaneel Sharma Barua	2015-16

জুইয়ে শুকান খৰি পুৰি ছাঁই কৰাৰ দৰে ঈৰ্ষাইও সকলো ভাল কাম নষ্ট কৰি পেলায়।- হজৰত মহম্মদ



ডিব্রু মহাবিদ্যালয় ছাত্র একতা সভা ২০১৫-২০১৬ ৰ বিষয়ৱৰীয়াসকল



ড° পৰেশ বৰুৱা
সভাপতি



সন্তোষ বৰুৱা
উপ-সভাপতি



ৰাহুল দাস
সাধাৰণ সম্পাদক



পাৰিজাত পাত্র
সহঃ সাধাৰণ সম্পাদিকা



স্বপ্ননীল শর্মা বৰুৱা
আলোচনী সম্পাদক



ঋতুপণ বৰগোহাঁই
সাধাৰণ ক্রীড়া সম্পাদক



গৌৰৱ চেতিয়া
মুখ্য ক্রীড়া সম্পাদক



নৱজ্যোতি বৰুৱা
সাংস্কৃতিক বিভাগৰ সম্পাদক



ভাস্কৰ গগৈ
ছাত্র জিৰণি কোঠাৰ সম্পাদক



ডলী শইকীয়া
ছাত্রী জিৰণি কোঠাৰ সম্পাদিকা



অম্বিকা ভূমিজ
সমাজ কল্যাণ সম্পাদিকা



হিমাংশু দাস
শৰীৰ চর্চা বিভাগৰ সম্পাদক




ড° পৰেশ বৰুৱা
অধ্যক্ষ
কার্যকাল ঃ ২৪-২-২০১২ৰ পৰা ৩১-০১-২০১৮ লৈ



ড° জিতু বুঢ়াগোহাঁই
অধ্যক্ষ
কার্যকাল ঃ ৩-২-২০১৮ৰ পৰা বর্তমানলৈ



শ্রীযুতা ইলিন বৰুৱা
উপাধ্যক্ষা
কার্যকাল ঃ ১-৯-২০১৪ ৰপৰা
৩০-৪-২০১৭ লৈ



শ্রীযুত ফণী কুমাৰ চেতিয়া
উপাধ্যক্ষ
কার্যকাল ঃ ২-৫-২০১৭ ৰপৰা
৩১-১-২০১৯ লৈ



শ্রীযুত চন্দ্রগুপ্ত বৰা
উপাধ্যক্ষ
কার্যকাল ঃ ১-২-২০১৯ৰ পৰা
বর্তমানলৈ

ডিব্রু মহাবিদ্যালয় ছাত্র একতা সভা, ২০১৫-১৬ৰ মুখপত্রৰ তত্বাৱধায়ক অধ্যাপকসকল



ড° বিজু মৰাণ
অসমীয়া বিভাগ



নন্দিতা বৈশ্য
ইংৰাজী বিভাগ



ড° সমীৰ কুমাৰ ঝা
হিন্দী বিভাগ

TEACHING STAFF



Adity Baruah
Deptt. of Sanskrit



Ajanta Dutta
Deptt. of Botany



Biju Moran
Deptt. of Assamese



Biren Baruah
Deptt. of Assamese



Bontee Phukan Sonowal
Deptt. of History



Chandana Gogoi
Deptt. of Physics



Chandra Gupta Borah
Deptt. of Zoology



Diganta Boro
Deptt. of English



Dilip Kalita
Deptt. of Botany



Elyn Baruah
Deptt. of Physics



Hardeep Kaur Walia
Deptt. of English



Hemanta Kr. Nath
Deptt. of Mathematics



Jadovananda Taye
Deptt. of Education



Jaswant Singh
Deptt. of Anthropology



Jayanta Saud
Deptt. of Economics



Jolly Chutia
Deptt. of Sociology



Jonali Borah
Deptt. of Mathematics



Jugeswar Baruah
Deptt. of Statistics



Juri Phukan
Deptt. of Commerce



Jyotima Phukan
Deptt. of Zoology



Kamalendu Saikia
Deptt. of Economics



Lily Begum
Deptt. of Pol. Science



Madhumita Borthakur
Deptt. of Sanskrit



Mahesh Kumar Jain
Deptt. of Commerce



Maitreyee Mayuri Sharma
Deptt. of Commerce



Mandakini Dutta
Deptt. of Chemistry



Manoj Kumar Sharma
Deptt. of Assamese



Mausumi Dutta
Deptt. of Assamese



Mitali Baruah
Deptt. of History



Monalisha Borgohain
Deptt. of Education

















OFFICE STAFF





LIBRARY STAFF



OFFICE STAFF

LIBRARY STAFF

‘ডিব্রুয়ান’ৰ পূৰ্বৰ সংখ্যাসমূহৰ একাংশৰ বেটুপাত

